## চতুৰ্থ অধ্যায়

# বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত মাৰ্ক্সবাদী আদৰ্শ

মাৰ্ক্সবাদী সাহিত্যৰ ধাৰণাটো এক বিশ্বজনীন ধাৰণা। মাৰ্ক্সবাদ দৰ্শনৰ প্ৰতিষ্ঠাতা কাৰ্ল মাৰ্ক্স, এঙ্গেলচ আৰু পৰৱৰ্তী সময়ত লেনিনে সাহিত্য সম্পৰ্কে কোনো গ্ৰন্থ ৰচনা কৰা নাছিল বা কলা সাহিত্যৰ সম্পৰ্কেও নিজৰ মত প্ৰকাশ কৰা নাছিল। মাৰ্ক্স, এঙ্গেলচ আৰু লেনিনৰ আদৰ্শকে পৰৱৰ্তী সময়ত সাহিত্যত প্ৰয়োগ কৰা হৈছে। মাৰ্ক্সবাদৰ ভেটি মূলতঃ সমাজ, অৰ্থনীতি আৰু ৰাজনীতিৰ ওপৰত প্ৰতিষ্ঠিত যদিও প্ৰধানভাৱে অৰ্থনীতিকে মূল ভেটি ৰূপে মানি আহিছে। মাৰ্ক্সবাদৰ মতে অৰ্থনীতিয়ে সমাজৰ সকলো দিশতে যেনে— অনুষ্ঠান-প্ৰতিষ্ঠান, বিভিন্ন আদৰ্শ, সাহিত্য, কলা-সংস্কৃতি আদি সকলোৰে প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰে। মাৰ্ক্সীয় সাহিত্যতত্ত্বৰ মূল ভেটি হ'ল অৰ্থনীতি। সাহিত্য-সংস্কৃতি হ'ল অৰ্থনৈতিক ভেটিৰ ওপৰত গঢ়ি উঠা অধিসৌধ বা *'Super structure'*। মাৰ্ক্সে তেওঁৰ *'A Critique of Political Economy'* গ্ৰন্থখনৰ পাতনিত স্পষ্টভাৱে লিখিছে যে, 'মানুহ তাৰ জীৱনৰ সামাজিক উৎপাদনৰ ৰাস্তাত কিছুমান নিৰ্দিষ্ট সম্পৰ্কৰ মাজত প্ৰৱেশ কৰি যিসমূহ লাগতিয়াল আৰু যি তাৰ বাস্তৱ উৎপাদন শক্তি বিকাশৰ নিৰ্দিষ্ট স্তৰৰ সৈতে সংযুক্ত। এইবোৰ উৎপাদন সম্পৰ্কৰ সমাহাৰকেই কোৱা হয় অৰ্থনৈতিক ভেটি, যাৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠে সাহিত্য-শিল্প-আইন, ৰাজনীতি ইত্যাদি উপৰিসৌধ। বাস্তৱ জীৱনৰ উৎপাদনৰ ধৰণেই সাধাৰণভাৱে মানুহৰ সামাজিক-ৰাজনৈতিক আৰু বৌদ্ধিক জীৱনক নিৰ্ধাৰণ কৰে। সেই মতে ক'ব পৰা যায় যে মানুহৰ চেতনা তাৰ সত্তাক নিৰ্ধাৰণ নকৰে বৰং তাৰ সামাজিক সত্তাই তাৰ চেতনাক নিৰ্ধাৰণ কৰে।'

সাহিত্য আৰু সংস্কৃতি হ'ল শ্ৰেণী সংগ্ৰামৰে অভিব্যক্তি। শ্ৰেণী সংগ্ৰামৰ মূলতঃ থাকে সমাজৰ ভিতৰত শ্ৰম সম্বন্ধীয় সমস্যা, ইয়াৰ লগত জড়িত সংগ্ৰাম আৰু সকলোবোৰৰ সমাধান সূত্ৰ। সেইবাবেই সাহিত্য আৰু সংস্কৃতিৰ ভিতৰত থাকে সকলোবোৰৰ সূক্ষ্ম অথচ শক্তিশালী প্ৰচাৰ। কোনো সাহিত্যিক-শিল্পীয়ে এই সম্বন্ধে সচেতন হ'বও পাৰে কিম্বা নহ'বও পাৰে। কিন্তু তেওঁলোকে যি সৃষ্টি কৰে সেইবোৰ শ্ৰেণী সংগ্ৰামৰ কাৰোবাৰ নহয় কাৰোবাৰ যিকোনো প্ৰকাৰে

সহায় কৰিবলৈ বাধ্য। সেই সহায় অস্ত্ৰ-শস্ত্ৰ, অৰ্থ ইত্যাদিৰে হ'ব পাৰে। সেইবাবে মাৰ্ক্সবাদী সাহিত্যত শ্ৰেণী নিৰপেক্ষ বা যুগ নিৰপেক্ষ কোনো শিল্প বা সংস্কৃতি নাই। মাৰ্ক্সে 'ক্ৰিটিক অৱ পলিটিকেল ইকনমি' গ্ৰন্থখনত কৈছে যে— "বাস্তৱ জীৱনৰ উৎপাদন পদ্ধতি সামাজিক, ৰাজনৈতিক আৰু মানসিক জীৱনৰ গতি নিৰ্দেশ কৰে। জ্ঞানৰ দ্বাৰা মানুহৰ বাস্তৱ জীৱন নিৰ্ধাৰিত নহয়, বৰং সামাজিক বাস্তৱ জীৱনৰ দ্বাৰাই জ্ঞান নিৰ্ধাৰিত হয়।" সাহিত্যত আগতে জনগণৰ অস্তিত্ব দেখা নগৈছিল, দুটাকৈ মহাযুদ্ধই কপাই যোৱা পৃথিৱীত দ্বিতীয় মহাযুদ্ধৰ পিছত জনসাধাৰণৰ আশা-আকাংক্ষা, জীৱন চৰ্চা, জীৱনবোধ আদি বিষয়বোৰে সাহিত্যত স্থান লাভ কৰিছে। সাহিত্যিকসকলৰ দৃষ্টি সেই শ্ৰেণীটোৰ ওপৰত পৰিছে। কিন্তু এইবোৰ কাৰণতেই তৎকালীন সাহিত্যসমূহক প্ৰগতি সাহিত্য বুলিব পৰা নাযায়। জনসাধাৰণৰ পিনে যি সাহিত্যিকেই দৃষ্টি দিয়ে সেইবোৰ প্ৰগতিশীল সাহিত্যিক নহবও পাৰে।

সেই সময়ৰ কিছুসংখ্যক সাহিত্যিকে বৃটিছ শাসনৰ বিৰুদ্ধে সৰ্বসাধাৰণ নাগৰিকৰ আক্ৰোশ, ধনিক শ্ৰেণীৰ শোষণৰ প্ৰকৃতৰূপ সাহিত্যৰ জৰিয়তে দাঙি ধৰিছিল। সাহিত্যত স্থান পাইছিল শ্ৰেণী সংগ্ৰামৰ সত্য, শ্ৰেণী সংগ্ৰামৰ সকলো দিশ, ধনিক শ্ৰেণীৰ বিৰুদ্ধে সৰ্বাঙ্গীন বিদ্ৰোহ, ধনিক সমাজৰ ভাঙোন, কৃষক-শ্ৰমিক শ্ৰেণীৰ ধৰ্মঘট, সকলো শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থ এই সকলোবোৰ লৈ দুই শ্ৰেণীৰ মাজত সংঘৰ্ষ লগতে কমিউনিষ্টৰ বিৰোধৰ নামত কংগ্ৰেছীসকলৰ স্বদেশ ভক্তিৰ প্ৰতাৰণা আৰু জমিদাৰ-মহাজনৰ লগত সৰ্বহাৰা কৃষক-শ্ৰমিকৰ সংঘৰ্ষ কেতিয়াবা সশব্দে আৰু কেতিয়াবা নীৰৱে নিজৰ সত্তা সৃষ্টি কৰিছে সাহিত্যৰ জৰিয়তে। দ্বিতীয় মহাযুদ্ধ অন্ত পৰাৰ পিছৰে পৰা ভাৰতত যিদৰে গণসংগ্ৰামৰ ব্যাপকতা দেখা দিলে ঠিক সেইদৰে সাহিত্যৰ ক্ষেত্ৰখনতো নতুনত্বৰ ধাৰাৰ ব্যাপকতা দেখিবলৈ পোৱা গ'ল। এই সময়ছোৱাত স্বাধীনতাৰ সংগ্ৰাম, গণতান্ত্ৰিক অধিকাৰৰ সংগ্ৰাম, ভূমি আৰু জীৱিকাৰ বাবে কৃষক, মজদুৰ শ্ৰেণীৰ সংগ্ৰাম লগতে প্ৰগতিশীল ছাত্ৰ আন্দোলনে যি ব্যাপকতা লাভ কৰিছিল সেয়া সাহিত্যত স্পষ্টভাৱে দেখা পোৱা গ'ল। মাৰ্ক্সবাদী সাহিত্যৰ প্ৰধান কাম হ'ল ব্যক্তিকেন্দ্ৰিকতাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা। ইয়াৰ প্ৰধান নীতি হ'ল নিৰ্যাতিত সংঘৰ্ষক সাহিত্যৰ মাজেৰে ফুটাই তোলা। সংস্কৃতি যাতে নিৰ্যাতিত জনগণৰ প্ৰেৰণাৰ বস্তু হয়, সংস্কৃতিৰ মাজত যাতে সিহঁতৰ আশা-আকাংক্ষাই স্থান লাভ কৰে, সংস্কৃতি যাতে সিহঁতৰ জীৱনৰ বহুমুখী দ্বন্দ্বক লৈ ৰচিত হয়, সেই প্ৰচেষ্টাই হ'ল মাৰ্ক্সবাদী সাহিত্যৰ

লক্ষ্য। কিন্তু এই কার্য সফল কৰাৰ ক্ষেত্ৰত মাৰ্ক্সবাদী সাহিত্যিকসকলৰ কিছু কৰণীয় আছে। প্ৰথমতে, শ্ৰেণীসংগ্ৰামক অৱলম্বন কৰিব লাগিব, শ্ৰেণী নিৰপেক্ষ জাতিৰ কথা এৰিব লাগিব, শ্ৰেণী সংগ্ৰামত মজদুৰ শ্ৰেণী, কৃষক শ্ৰেণীৰ পক্ষত থিয় হ'ব লাগিব। বাস্তৱ সংগ্ৰামত যেনে নিৰপেক্ষতা নচলে, সাহিত্য আৰু সংস্কৃতিতো তেনেকুৱা নিৰপেক্ষতা মানে হ'ল ধনিক শ্ৰেণীৰ প্ৰতি কৰা পক্ষপাতিত্ব আচৰণ।

দ্বিতীয়তে, সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সাহিত্যিকৰ নিজৰ কথা, নিজৰ ভাব, নিজৰ অনুভূতিক মুখ্য স্থান নিদি গণ সমাজৰ অন্তৰ্ভুক্ত সাধাৰণ শ্ৰেণীৰ মানুহৰ নিজৰ কথা, নিজৰ ভাব আৰু নিজৰ অনুভূতিক মুখ্য স্থান দিব লাগিব। সাহিত্যিকে নিজৰ কথাৰে সেই শ্ৰেণীটোৰ মন আকৰ্ষিত নকৰি সিহঁতৰ কথাৰে নিজকে প্ৰকাশ কৰিব লাগিব।

তৃতীয়তে সমাজক যিসকলে পিছলৈ টানিছে, ইতিহাসৰ চকা যিসকলে স্তব্ধ কৰি দিব বিচাৰিছে, নিজৰ সংকীৰ্ণ শ্ৰেণী স্বাৰ্থক যিসকল মুষ্টিমেয় ধনিক শ্ৰেণীৰ অধিকাংশৰ আদৰ্শ কৰি ৰাখিব বিচাৰিছে, সেই শ্ৰেণীটোৰ মুখা খুলি দিব লাগিব, সিহঁতৰ ভণ্ডামিক ধ্বংস কৰিব লাগিব।

চতুৰ্থতে, সমাজৰ সহজ-সৰল আৰু আকৰ্ষিত কলা-কৌশলৰ সাহায্যত সংস্কৃতিৰ সৈতে সাধাৰণ মানুহৰ ব্যৱধান ভাঙি চুৰমাৰ কৰি দিব লাগিব, যি কলাকৌশল সংস্কৃতিৰ ফালে সাধাৰণ শ্ৰেণীৰ মানুহৰ মন আকৰ্ষণ কৰি আনে, সাধাৰণ শ্ৰেণীটোক জগাই তুলিব পৰা কলাকৌশল আৰু সাহিত্যৰ সৃষ্টি কৰিব লাগিব। উপৰোক্ত কথাবোৰ সফল কৰিবলৈ মাৰ্ক্সবাদৰ গভীৰ চিন্তা-চৰ্চা, মাৰ্ক্সবাদৰ বিশ্বস্ত প্ৰয়োগ আৰু নিৰৱচ্ছিন্ন সমালোচনা আৰু আত্মসমালোচনাৰ প্ৰয়োগ কৰিব লাগিব। নতুন বিপ্লৱী সাহিত্য এদিনতে সৃষ্টি হোৱা বিষয় নহয়, নতুন বিপ্লৱী সাহিত্যৰ সৃষ্টি সহজ কথা নহয়। সাহিত্য মাত্ৰ জীৱনৰ প্ৰতিফলন নহয়, সাহিত্য নিষ্ক্ৰিয় সমালোচনাও নহয়, সাহিত্যৰ মাজত এক চালনা শক্তি আছে আৰু সেইবাবে সাহিত্য শ্ৰমিক শ্ৰেণীৰ হাতত বিপ্লৱৰ অস্ত্ৰ হৈ উঠে। বুৰ্জোৱা সমালোচকসকলে সেইবাবেই কৰ্মৰ জটিলতাখিনিক সাহিত্যৰ উৎকৰ্ষৰ একমাত্ৰ মাধ্যম বুলি প্ৰচাৰ কৰে।

ভাৰতীয় মাৰ্ক্সবাদী সাহিত্যৰ ক্ষেত্ৰত মাৰ্ক্সবাদী সাহিত্যিকসকলৰ আত্মসমালোচনাৰ বিৱৰণীত দেখা গৈছে যে, ৰাজনৈতিক ক্ষেত্ৰত সংস্কাৰবাদৰ ৰূপ আছিল বুৰ্জোৱা নেতৃত্বৰ তলতীয়া, বুৰ্জোৱা জাতীয়তাবাদৰ সৈতে মাৰ্ক্সবাদক একাত্ম কৰাৰ চেষ্টা। এই বুৰ্জোৱা সংস্কাৰবাদ ইমান দীৰ্ঘকালীন

আছিল যে তাৰ ধ্বংসাত্মক কাম কৰি গৈছে যে তাৰ সৰ্বনাশী প্ৰভাৱ বহুদূৰ পৰ্যন্ত প্ৰসাৰ লাভ কৰিছিল। সাহিত্য-সংস্কৃতি আন্দোলনো ইয়াৰ প্ৰভাৱৰ পৰা মুক্ত নাছিল। সমাজবাদৰ প্ৰতিষ্ঠাৰ সংগ্ৰামত শিল্প-সাহিত্যৰ এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

মাৰ্ক্সবাদীসকলে শিল্প-সংস্কৃতি-সাহিত্য সম্পৰ্কে ইমান গুৰুত্ব আৰোপ এই কাৰণেই কৰিছে যে শ্ৰেণীবিভক্ত সমাজত সংস্কৃতি-সাহিত্য হৈছে শ্ৰেণী সংগ্ৰামৰ প্ৰধান অস্ত্ৰ। যি অস্ত্ৰ লৈ শ্ৰমিক শ্ৰেণীটোৱে সংগ্ৰাম কৰিছে। এটা সময়ৰ কিছুসংখ্যক প্ৰগতিবাদী শিল্পী-সাহিত্যিকে ভাবিছিল যে মজদুৰ-কৃষক শ্ৰেণীটোক লৈ কিবা লিখিলেই সেইটো গণসাহিত্য হ'ল। মজদুৰ-কৃষকৰ জীৱনৰ সৈতে কোনো ধৰণৰ সংযোগ নাই, সেই শ্ৰেণীটোৰ চিন্তা-ভাৱনাৰ স্বৰূপ জ্ঞাত নহয়, অথচ সাহিত্য ৰচনা কৰিব লাগিব মজদুৰ-শ্ৰমিক শ্ৰেণীটোক লৈ। শ্ৰেণীবিভক্ত সমাজত সাহিত্যও শ্ৰেণী সংগ্ৰামৰে ৰূপায়ণ। অতীত আৰু বৰ্তমানৰ সমস্ত মানৱ সমাজৰ ইতিহাস শ্ৰেণী-সংঘাতৰ ইতিহাস। শ্ৰেণী সম্পত্তিৰ বিলোপক বুৰ্জোৱাসকলে যিদৰে উৎপাদনৰ বিলোপ বুলি মানি আহিছে। সেইদৰে শ্ৰেণী-সংস্কৃতিৰ বিলোপকো তেওঁলোকে সমস্ত সংস্কৃতিৰ লোপ বুলি মনত কৰে। প্ৰতি যুগতেই শাসক শ্ৰেণীৰ ভাবনা-ধাৰণাই প্ৰধান স্থান দখল কৰি আহিছে। বুৰ্জোৱা সাহিত্যিকসকলে বুৰ্জোৱা ভাৱধাৰা সাহিত্যৰ মাধ্যমেৰে প্ৰচাৰ কৰে আৰু সেইবোৰকে চিৰন্তন ভাৱধাৰা বুলি প্ৰচাৰ কৰে।

মাৰ্ক্সবাদী-লেনিনবাদী সাহিত্য বিচাৰৰ মূলসূত্ৰৰ মতে সাহিত্য হৈছে সামাজিক বাস্তৱৰ প্ৰতিফলন। সমাজৰ স্তৰে স্তৰে শ্ৰেণীসংঘৰ্ষৰ প্ৰভাৱত যি আলোড়ন সৃষ্টি হৈছে। বিভিন্ন ব্যক্তি বা গোষ্ঠীয়ে তাতে বিভিন্নভাৱে সহযোগ কৰে। এই শ্ৰেণীদ্বন্দ্বৰ মাজেদি নিৰ্ধাৰণ হয় সমাজৰ বিন্যাস কিদৰে পৰিৱৰ্তন হ'ব আৰু সমাজৰ গতি কোনফালে ধাৱমান হ'ব। সাহিত্যৰ শ্ৰেণীচেতনাৰ পৰা সৃষ্টি হোৱা সমাজবাদৰ পৰিৱৰ্তনেই সামাজিক পৰিৱৰ্তনৰ লক্ষণ। মাৰ্ক্সবাদী সাহিত্যৰ বিচাৰ সম্পৰ্কত ছোভিয়েট সমালোচক মিখাইল লিফশিৎসে কৈছে — "লেনিনবাদ শিক্ষাৰ জৰিয়তে কিদৰে কোনো শিল্প সৃষ্টিত জড়িত থকা ঐতিহাসিক মৰ্মৰ অনুসন্ধান কৰিবলগীয়া হয়, কিদৰে পৃথক কৰিবলগীয়া হয় মৃতৰ পৰা জীৱন্তক, কিদৰে স্থিৰ কৰিবলগীয়া হয় কোন অংশ ভৱিষ্যতৰ অভিমুখী আৰু কোন অংশ অতীতৰ দাসত্বত চিহ্নিত। এই ৰূপত বাস্তৱ বিচাৰতেই আছে প্ৰকৃত শ্ৰেণীগত বিশ্লেষণ" (দাস, ধনঞ্জয়, বাংলা প্ৰগতি সাহিত্যর আত্মসমালোচনা, পৃ. ২৩৯)। শ্ৰেণী

সংঘৰ্ষ কিদৰে সাহিত্যত প্ৰতিফলিত হয় তাক বুজাবলৈ গৈ লিফশিৎসে কৈছে— “সাহিত্যত শ্ৰেণী সংগ্ৰাম হৈছে জনগণৰ প্ৰবৃত্তিৰ সংগ্ৰাম, প্ৰভুত্ব আৰু দাসত্বৰ ভাৰাদৰ্শৰ বিৰুদ্ধে, ধৰ্মগত বন্ধ্যাত্বৰ বিৰুদ্ধে, নিৰ্মম নৃশংসতাৰ বিৰুদ্ধে, সভ্য অপমান আৰু ভণ্ডামিৰ বিৰুদ্ধে।” (দাশ, ধনঞ্জয়, পূৰ্বোল্লিখিত, পৃ. ২৩৯)। মাৰ্কবাদী সাহিত্যই প্ৰতিফলিত কৰিছে প্ৰগতিশীল বিপ্লৱী শক্তিৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশটোক। এই সাহিত্য হৈছে প্ৰগতিশীল শক্তিসমূহৰ ভাৰাদৰ্শ আৰু শিল্পৰূপৰ। এই প্ৰগতিশীল শক্তিসমূহ গঠিত হৈছে শ্ৰমিক-কৃষক, নগৰৰ পেটি বুৰ্জোৱাখিনিক লৈ। এই শ্ৰেণীটোৱে সাম্ৰাজ্যবাদী অৰ্থনীতিৰ হেচাত শোষিত, নিষ্পেষিত আৰু অত্যাচাৰিত। এই শোষিত শ্ৰেণীটোৱে সদায় বিপ্লৱ কৰিছে উৎপাদন শক্তিৰ প্ৰসাৰণৰ বাবে, কৃষি আৰু শিল্পজগতৰ দুৱাৰ মুকলি কৰিব বিচাৰে মহাজন-জমিদাৰৰ পুঁজি বাজেয়াপ্ত কৰি দিবলৈ। যাতে ভূমিহীন কৃষকে নিজৰ ভূমিত কৃষি কৰিব পাৰে। এই শ্ৰেণীটোৱে বিচাৰে যে শিল্প আৰু ব্যৱসায়ত যাতে নিজৰ নিয়ন্ত্ৰণ থাকে। অৰ্থনৈতিক দিশটোৰ লগতে ৰাজনৈতিক দিশটোও মাৰ্ক্সবাদীসকলে গুৰুত্ব দি আহিছে। এই ৰাজনীতিৰ লক্ষ্য হ'ল ৰাষ্ট্ৰৰ ওপৰত শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত শ্ৰমিক-কৃষক, পেটিবুৰ্জোৱা আৰু বুদ্ধিজীৱি এই সকলো শ্ৰেণীৰ সংযুক্তত গণতান্ত্ৰিক আধিপত্য প্ৰতিষ্ঠা কৰা। যাতে এই গণৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত পুঁজিবাদী বিকাশৰ স্তৰ সম্পন্ন কৰি ভৱিষ্যত সমাজবাদৰ পিনে আগবাঢ়ি যাব পাৰে। এই নতুন গণতন্ত্ৰ প্ৰতিষ্ঠিত কৰি শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱ সম্পন্ন কৰা, এইটোৱে এই শ্ৰেণীটোৰ চৰম ৰাজনৈতিক লক্ষ্য আৰু সাম্ৰাজ্যবাদী ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে য'ত যেনেদৰে সম্ভৱ ৰাজনৈতিক যুদ্ধৰ জৰিয়তে নিজৰ অধিকাৰ সাব্যস্ত কৰা।

ভাবাদৰ্শৰ ফালৰ পৰা চাবলৈ গ'লে নতুন গণতান্ত্ৰিক সাহিত্যৰ সঠিক বা শ্ৰেষ্ঠতম ৰূপটো শ্ৰমিক শ্ৰেণীৰ নেতৃত্বমূলক মাৰ্ক্সবাদী ভাবাদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত হ'ব। এই ফালৰপৰা সাহিত্যক শ্ৰমিক-সংস্কৃতি বুলিও ক'ব পৰা যায়। কিন্তু শ্ৰমিক-সংস্কৃতি কথাযাৰৰ অৰ্থ শ্ৰমিক শ্ৰেণীৰ আধিপত্যমূলক সমাজতান্ত্ৰিক সংস্কৃতি নহয়। নতুন গণতান্ত্ৰিক সাহিত্য শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত গঠিত সাম্ৰাজ্যবাদ বিৰোধী আৰু পুঁজিবাদ বিৰোধী সাহিত্য। শ্ৰমিক শ্ৰেণীৰ একাধিপত্যমূলক ভাৰাদৰ্শ আৰু শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত বহু শ্ৰেণীৰ গণতান্ত্ৰিক একাধিপত্যমূলক ভাবাদৰ্শ, এই দুই ভাৰাদৰ্শৰ মাজত পাৰ্থক্য আছে আৰু এই পাৰ্থক্যটো হৈছে বাস্তৱ জগতৰেই পাৰ্থক্য। শ্ৰমিক সংস্কৃতি কথাটোৰ যথেষ্ট ব্যৱহাৰে এই পাৰ্থক্যটোৰ সীমাৰেখা অতিক্ৰম কৰি অত্যন্ত অবাস্তৱ আৰু

কাল্পনিক চিন্তাধাৰাৰ আৰু বিতৰ্কৰ সৃষ্টি হ'ব পাৰে বা হৈয়ো আছে। সকলো প্ৰকাৰৰ বুৰ্জোৱা একাধিপত্যমূলক, বুৰ্জোৱা জাতীয়তাবাদী ভাৱধাৰাক যদিও সমূলে নিৰ্মূল কৰিব লাগিব তথাপি এই কথা মনত ৰাখিব লাগিব যে শ্ৰমিক শ্ৰেণীৰ প্ৰতি বন্ধুত্বমূলক আৰু বুৰ্জোৱা ভাৱধাৰা বিশেষ কৈ পেটিবুৰ্জোৱা ভাৱধাৰা আছে। শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত গণতান্ত্ৰিক বিপ্লৱৰ দিশে অগ্ৰসৰ হোৱাৰ লগে লগে সকলোবোৰ ভাৱধাৰা যে ক্ৰমশঃ সুনিশ্চিতভাৱে অন্তৰ্নিহিত হ'ব তাত সন্দেহ নাই। যেতিয়াই অৰ্থনীতিৰ পৰিৱৰ্তন সাধিত হৈছে, তেতিয়াই সমাজত পৰিৱৰ্তন হৈছে। আজিৰ ভাৰতৰ সামাজিক অৱস্থা ইংৰাজ শাসন প্ৰৱৰ্তনৰ পূৰ্বৰ অৱস্থাৰ দৰে নহয় বা নাই। পূৰ্বৰ দাস প্ৰথাৰ ওপৰত স্থাপিত সমাজ বৰ্তমানত নাই, চিৰস্থায়ী বন্দোবস্তযুক্ত জমিদাৰী প্ৰথাও বিলুপ্ত। ভাৰতৰ সৰ্ব ধৰ্ম সম্প্ৰদায়ে হৈছে মধ্যবিত্ত আৰু শ্ৰমিক শ্ৰেণীৰ দ্বাৰা গঠিত। উৎপাদন প্ৰণালী যিমানেই দ্ৰুত পৰিৱৰ্তন হৈছে সমাজ বিপ্লৱো সিমানেই দ্ৰুতভাৱত সংসাধিত হৈছে। এই প্ৰসংগত মাৰ্ক্সে কৈছে— "এজন বুদ্ধিজীৱীৰ ওপৰত বস্তুতান্ত্ৰিক জীৱন পদ্ধতিয়ে নিজৰ প্ৰভাৱ বিস্তাৰ কৰে। মানুহৰ মনত এই পৰিৱৰ্তনৰ বাবে অহৰ্নিশে দ্বন্দ্ব বিৰাজ কৰে, অতীতৰ ফালে দৃষ্টি আৰু বৰ্তমানৰ অৱস্থা সিহঁতৰ মাজত সংগ্ৰাম কৰি, সিহঁতক ক্ৰমশঃ পৰিৱৰ্তন কৰে। এই মানসিক দ্বন্দ্ব আমাৰ দেশৰ বুদ্ধিজীৱিসকলৰ মনত আজিও চলি আছে। বৰ্তমানৰ চিন্তাধাৰা আৰু সাহিত্যত নানা প্ৰকাৰৰ সুৰ আৰু ভাৱেই নিজৰ সাক্ষ্য প্ৰদান কৰি আহিছে। সকলো ভাৰতীয় ভাষাৰ প্ৰগতিশীল সাহিত্যত এই দ্বন্দ্বৰ সুৰ প্ৰতিধ্বনিত হৈ আছে। সাম্প্ৰতিক সময়ৰ ৰাজনীতি-অৰ্থনীতিক দ্বন্দ্বভাৱ চিন্তাক্ষেত্ৰৰ এই সুৰবিহীন ভাৱৰ বাবে দায়ী।" (দাশ, ধনঞ্জয় (সম্পা.), প্ৰোলেটাৰীয় সাহিত্যৰ স্বৰূপ, পৃ. ৩৫৭)।

আমাৰ আলোচনাৰ মুখ্য বিষয় যিহেতু বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত মাৰ্ক্সবাদী আদৰ্শ গতিকে আমি পৰৱৰ্তী আলোচনাত উপৰোক্ত বিষয়ত আলোকপাত কৰিবলৈ প্ৰযত্ন কৰিম। বিষ্ণুপ্ৰসাদ ৰাভা আছিল বিংশ শতিকাৰ অসমৰ জাতীয় জীৱনৰ কাণ্ডাৰীস্বৰূপ। ১৯৪৫ চনত 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ত যোগদান কৰি মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰে। তেওঁৰ সাহিত্যসমূহত সাম্যবাদ আৰু সমাজতন্ত্ৰবাদৰ আদৰ্শসমূহ প্ৰচাৰ কৰিছিল। বিষ্ণু ৰাভাই এখন ভেদাভেদহীন, শোষণমুক্ত, জাত-পাতৰ বিচাৰ নথকা, দুৰ্নীতিমুক্ত সমাজ গঢ়িব বিচাৰিছিল। ৰাভাই মাৰ্ক্সৰ আদৰ্শ গ্ৰহণ কৰি অৰ্থনৈতিক স্বাধীনতাৰ ওপৰত বেছি জোৰ দিছিল। কিয়নো সাধাৰণ শ্ৰমিক-কৃষক

শ্ৰেণীটোৱে অৰ্থনৈতিক স্বাধীনতা অবিহনে পুঁজিবাদী-মহাজন শ্ৰেণীটোৰ পৰা শোষণমুক্ত হ'ব নোৱাৰিব। সেয়ে তেওঁ পুঁজিবাদী শ্ৰেণী ব্যৱস্থাটো ধ্বংস কৰি সাধাৰণ শ্ৰেণীটোৰ হাতত শাসন ব্যৱস্থা দিয়াৰ চেষ্টা কৰিছিল। ধনী পুঁজিবাদী-মহাজন, জমিদাৰ শ্ৰেণীটোৱে সাধাৰণ শ্ৰমিক-কৃষক শ্ৰেণীটোক কৰা শোষণৰ তীব্ৰ ৰূপ দেখি ক্ষোভিত হৈ পৰিছিল। এই শোষণৰ পৰা মুক্তি দিয়াবৰ বাবে ৰাভাই মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰিছিল আৰু সাম্যবাদৰ জৰিয়তে তাক বাস্তৱত ৰূপ দিয়াৰ বাবে বিপ্লৱী হৈ পৰিছিল। ৰাভাই সৰ্বহাৰা শ্ৰেণীটোৰ মুক্তিৰ বাবে নিজৰ পৈতৃক সম্পত্তি ত্যাগ কৰি যাযাবৰী হৈ ঘুৰিছিল। হেমাংগ বিশ্বাসে ৰাভাৰ সম্পৰ্কে কৈছিল— "ৰাভা আছিল চিৰ আশাবাদী আৰু অটল জীৱনবাদী। এই আশাবাদ আৰু অসমৰ জনতাৰ জীৱনৰ পৰা সত্যোৎসাৰিত। বা-মাৰলিয়ে বিপৰ্যস্ত কৰা, বানপানীয়ে উটুৱাই নিয়া দ্ৰাৰিদ্ৰ্যক্লিষ্ট আমাৰ জনতাই বিচ্ছিন্নতা ব্যাধিক্লিষ্ট আজিৰ চহৰীয়া ক্ষয়িষ্ণু বুদ্ধিজীৱীৰ দৰে হতাশাত গা নিদিয়ে কেতিয়াও। ভোকে লঘোনে জুৰুলা কৰা কণ্ঠৰ পৰা ওলাই আহে বিহুৰ বিনন্দীয়া সুৰ আৰু সংগ্ৰামৰ ধ্বজা। ৰাভা আছিল তাৰে সাৰ্থক প্ৰতিচ্ছবি। সেইকাৰণে কৈছিলোঁ বোকাৰে লুতুৰি-পুতুৰি হাতুৰী পিটা উদং গা, পিঠিত জাপি মুখত হাঁহিৰে জিলিকি থকা ভুজলুংকাই হ'ল অসম আৰু অসমেই হ'ল ভুজলংকাই। কোমল মাটি আৰু শিলৰ পাহাৰ এয়ে হ'ল অসম। কোমল মাটি আৰু শিলৰ পাহাৰ এয়ে হ'ল ৰাভা।" (মজুমদাৰ, পৰমানন্দ, হেমাঙ্গ বিশ্বাস ৰচনাৱলী, পৃ. ১৭)।

বিষ্ণু ৰাভা কলেজীয়া দিনৰ পৰাই বিপ্লৱী আছিল। ইংৰাজৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা সংগ্ৰামত প্ৰথমে গান্ধীজীৰ আদৰ্শ গ্ৰহণ কৰিছিল যদিও পিছত চৰমপন্থীৰ সশস্ত্ৰ সংগ্ৰামৰ ফালে অগ্ৰসৰ হয়। ৰাভাই ৰাজনৈতিকভাৱে কমিউনিষ্ট দলত যোগদান কৰে। ৰাভাৰ মানসিক জগতখনত মাৰ্ক্সবাদে গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। ৰাভাই ম্যাক্সিম গৰ্কী, লুচুনৰ নিচিনা গণ সাহিত্যিকৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। ৰাভাৰ ৰচনাসমূহত বিপ্লৱী ৰূপ দিবলৈ চেষ্টা কৰিছিল। তেওঁৰ লিখনিসমূহ জনসাধাৰণক মাৰ্ক্সবাদৰ সাম্যবাদৰ পিনে অনুপ্ৰাণিত কৰিছিল। মাৰ্ক্সবাদৰ আদৰ্শৰ প্ৰভাৱ ৰাভাৰ প্ৰায়সংখ্যক সাহিত্যতে কম-বেছি পৰিমাণে লক্ষ্য কৰিব পাৰি। মাৰ্ক্সবাদৰ সমাজতান্ত্ৰিক বাস্তৱবাদৰ যি মূল লক্ষ্য আছিল শোষণহীন, ভেদাভেদহীন, সুখী, সমৃদ্ধশালী, সাম্যবাদী সমাজ গঢ়ি তোলা সেইদিশৰ পৰা বিষ্ণু ৰাভা আছিল এজন অন্যতম ৰূপকাৰ, আদৰ্শ পুৰুষ। তেওঁৰ সাহিত্যৰাজিৰ মাজত বিচৰণ কৰিলে দেখা পোৱা যায় যে সমাজৰ প্ৰতিটো শ্ৰেণীৰ মুক্তিৰ বাবে তেওঁলোকৰ

প্ৰাপ্যৰ বাবে ৰাভাই সাহিত্যৰ জৰিয়তে বিপ্লৱ ঘোষণা কৰিছে।

এই অধ্যায়টোৰ পৰৱৰ্তী অংশত বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যসমগ্ৰত মাৰ্ক্সবাদী আদৰ্শৰ প্ৰতিফলনৰ ওপৰত আলোকপাত কৰাৰ প্ৰযত্ন কৰা হ'ব।

**(ক) বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত আৰু কবিতাত মাৰ্ক্সবাদী আদৰ্শ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাৰ কাব্যজগতখনত দখল আছিল অপৰিসীম। ৰাভাই অসমীয়া ভাষাত বহুসংখ্যক গীত আৰু কবিতা ৰচনা কৰিছে। এই অধ্যায়ত ৰাভাৰ গীত আৰু কবিতাসমূহত মাৰ্ক্সবাদী আদৰ্শৰ প্ৰভাৱ কিদৰে পৰিছে সেই বিষয়ে আলোকপাত কৰাৰ প্ৰযত্ন কৰা হ'ব। গীত আৰু কবিতাসমূহক একত্ৰভাৱে আলোচনা কৰা হ'ব।

ৰাভাই অসমীয়া, বঙলা আৰু বড়ো ভাষাত গীত আৰু কবিতা ৰচনা কৰিছে। আমাৰ গৱেষণাৰ সুবিধাৰ্থে গীত আৰু কবিতাখিনিক কাব্য সাহিত্য বুলি উল্লেখ কৰা হ'ব।

বিষ্ণুপ্ৰসাদ ৰাভাই মাৰ্ক্সবাদৰ দ্বাৰা প্ৰভাৱান্বিত হৈ সেই আদৰ্শ গ্ৰহণ কৰে। প্ৰথম অৱস্থাত বিপ্লৱী আদৰ্শ গ্ৰহণ কৰিছিল। জনগণৰ মুক্তিৰ বাবে হাতত অস্ত্ৰ তুলি লৈছিল যদিও পৰৱৰ্তী সময়ত ভাৰতৰ কমিউনিষ্ট দলত যোগদান কৰে আৰু সংসদীয় ৰাজনীতিত অংশগ্ৰহণ কৰে। অসমীয়া সাহিত্যত বিষ্ণু ৰাভাই পুৰাতনৰ বিৰুদ্ধে নতুনৰ সংগ্ৰাম আৰু আধুনিক সমাজৰ অন্তৰ্দ্বন্দ্ব ৰূপায়িত কৰাৰ কামত হাত দিয়ে। কাব্য সাহিত্যৰ ভিতৰত তেওঁৰ জীৱন দৰ্শনৰ আধ্যাত্মবাদী দিশ মূৰ্ত হৈ উঠে। ৰাভাৰ অন্তৰ্জগত সদায়ে সামন্তবাদৰ বিৰোধ কৰিছিল। তেওঁৰ জীৱন দৰ্শন আছিল মানৱতাবাদ। এই মানৱতাবাদেই আছিল তেওঁৰ ভাববাদ আৰু বস্তুবাদৰ, ব্যক্তিবাদ আৰু সমাজবাদৰ, ধনতন্ত্ৰ আৰু সমাজতন্ত্ৰৰ সমস্ত দ্বন্দ্বৰ সেতুস্বৰূপ। সাম্ৰাজ্যবাদী শাসন ব্যৱস্থাই স্বভাৱসিদ্ধভাৱে মানুহৰ অৱমাননাৰ দ্বাৰা ৰাভাক বাৰম্বাৰ ৰাজনীতিৰ মাজত টানি আনিছে। ৰাভাই জানিছিল যে ৰাষ্ট্ৰৰ মালিক যিয়েই নহওক কিয়, সমাজৰ মাজত থাকি আমি লাভ কৰিব পাৰি আত্মকৃৰ্তত্ব। প্ৰাচীন ভাৰতৰ ৰাষ্ট্ৰ আছিল গ্ৰাম্য সমাজ সম্পৰ্কে নিৰ্লিপ্ত, আধুনিক যুগত ধনতন্ত্ৰৰ মাধ্যমত ৰাষ্ট্ৰৰ সেই নিৰপেক্ষ ভূমিকা যে অবাস্তৱ আৰু অসম্ভৱ সেই ফালৰ পৰা ৰাভাই মানি ল'ব পৰা নাছিল। ৰাভাই নিজৰ আদৰ্শৰ বাস্তৱ সফল হৈছিল যেতিয়া দেশৰ জাতি গঠনৰ বাবে গঠনমূলক কামৰ নীতি জাতীয় জনজাগৰণৰ উপাদান হৈ থিয় দিলে। জাতীয় জনজাগৰণৰ

যিকোনো আভাস দেখিলেই পৰিধি ভাঙি ওলাই আহিছিল কাব্য সাধনাৰ জগতখনৰ পৰা, ৰাজনীতিৰ বান্ধোনৰ পৰা। জাতীয়তাবাদ যাতে জনমনৰ এক সত্তা হৈ থিয় দিব পাৰে সেই চেষ্টাত।

কবিৰ প্ৰথম আৰু প্ৰধান কাম হ'ল নিজৰ আত্মপ্ৰকাশ। যিয়ে নিজৰ উপলব্ধিক ভাষাত প্ৰকাশ কৰিব নোৱাৰে, তেওঁৰ আন্তৰিক উপলব্ধি যিমানেই বিৰাট নহওক কিয়, তেওঁ কবিত্বৰ দাবী কৰিব নোৱাৰে। তেতিয়া 'কবিত্ব' শব্দৰ সংজ্ঞাই ব্যতিক্ৰম হয়।

বিষ্ণুপ্ৰসাদ ৰাভাৰ কাব্য সাহিত্যসমূহত মাৰ্ক্সবাদী আদৰ্শৰ ভাব ফুটি উঠা দেখা যায়। তেওঁৰ কাব্য সাহিত্যসমূহ আমি বৈপ্লৱিক চেতনা, শ্ৰেণী সংগ্ৰাম বা দ্বন্দ্ব, দেশপ্ৰেম, বৈষম্যহীন বা ভেদাভেদহীন সমাজ, কবিৰ সামাজিক দায়বদ্ধতা ইত্যাদি ভাৰসমূহ দেখা পোৱা যায়। বিষ্ণু ৰাভা আছিল জনতাৰ শিল্পী। তেওঁৰ সাহিত্যৰাজিত আমি সেই কথাৰ আভাস পাওঁ।

**(ক) বিষ্ণুপ্ৰসাদ ৰাভাৰ কাব্য সাহিত্যত বৈপ্লৱিক চেতনা ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই বুজিছিল যে সমাজৰ আমূল পৰিৱৰ্তনৰ অবিহনে এখন ভাল সমাজৰ কথা চিন্তা কৰিব নোৱাৰি। তেওঁৰ প্ৰায়সংখ্যক সাহিত্যৰাজিতে ইয়াৰ আভাস পোৱা যায়। সমাজৰ স্থৱিৰতা বিষ্ণু ৰাভাই কোনো প্ৰকাৰেই গ্ৰহণ কৰিব পৰা নাছিল। তেওঁ সেই সময়ৰ অসমৰ সমাজ ব্যৱস্থাক লৈ মুঠেই সন্তুষ্ট হ'ব পৰা নাছিল। ৰাভাই সমাজৰ পৰিৱৰ্তন বিচাৰিছিল। সেই পৰিৱৰ্তন প্ৰক্ৰিয়াক কিদৰে দ্ৰুততৰ কৰিব পাৰি ইয়াৰ চিন্তা-চৰ্চা গভীৰভাৱে কৰিছিল। সমাজৰ আমূল পৰিৱৰ্তন হৈছে বৰ্তমানত প্ৰচলিত সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন। এক নিৰ্দিষ্ট অৰ্থনৈতিক গাঁথনিয়ে এক নিৰ্দিষ্ট সমাজ ব্যৱস্থাৰ জন্ম দিয়ে। প্ৰচলিত সমাজৰ পৰিৱৰ্তনে অৰ্থনৈতিক গাঁথনিটোৰ পৰিৱৰ্তন সাধন কৰে। সমাজে নিজৰ পথেৰে আগবাঢ়োতে সময়ৰ গতিত সমাজৰ গাত কেতিয়াবা আৱৰ্জনা জমা হয়। শেষত জমা হোৱা আৱৰ্জনা এনে পৰ্যায় পায়গৈ যে সেই আৱৰ্জনাবোৰ ধুই নিকা কৰিব নোৱাৰি। বিষ্ণু ৰাভাৰ মতে এই আৱৰ্জনাবোৰ গুচাবৰ বাবে প্ৰলয়ৰ প্ৰয়োজন হয় আৰু সেই প্ৰলয় হৈছে বিপ্লৱ।

বিপ্লৱে সমাজৰ ব্যৱস্থাৰ পৰিৱৰ্তন কৰে। বিপ্লৱ হৈছে এটা প্ৰচলিত সমাজ ব্যৱস্থাৰ পৰা আন এটা সমাজ ব্যৱস্থালৈ পৰিৱৰ্তনৰ এক যাত্ৰা। পৃথিৱীৰ ইতিহাস যদি চোৱা যায় এনে বিপ্লৱ বহুত হৈছে যিবোৰে সমাজৰ এক বৃহৎ পৰিৱৰ্তন সাধন কৰিছে। উদাহৰণৰ বাবে আমি ফৰাছী

বিপ্লৱ বা অক্টোবৰ বিপ্লৱৰ কথা প্ৰসংগত আনিব পাৰো। ইউৰোপত হোৱা ফৰাছী বিপ্লৱে সামন্তবাদ সমাজ ব্যৱস্থাৰ পৰা পুঁজিবাদী সমাজ ব্যৱস্থালৈ উত্তৰণ ঘটাইছিল। সমাজত এনেধৰণৰ প্ৰলয়ংকাৰী বিপ্লৱৰ অবিহনে সমাজৰ গুণগত পৰিৱৰ্তনৰ সম্ভৱ নহয়।

প্ৰতিখন সমাজতে দুই শ্ৰেণীৰ মানুহ থাকে। এক শ্ৰেণীয়ে পৰিৱৰ্তন বিচাৰে আৰু আনটো শ্ৰেণীয়ে নিবিচাৰে। পৰিৱৰ্তন বিচৰা শ্ৰেণীটো হ'ল প্ৰগতিবাদী শ্ৰেণী আৰু পৰিৱৰ্তন নিবিচৰা শ্ৰেণীটো হ'ল প্ৰতিক্ৰিয়াশীল শ্ৰেণী। এই দুয়োটা শ্ৰেণীৰ মাজত সদায়ে নিজৰ অধিকাৰক লৈ টনা-আজোৰাৰ এখন যুঁজ চলি থাকে। দ্বন্দ্ব বা সংঘাতৰ অবিহনে সমাজ এখনৰ বিকাশ বা পৰিৱৰ্তন হ'ব নোৱাৰে। আগতে উল্লেখ কৰা হৈছে যে সমাজত প্ৰতিটো ক্ষেত্ৰতে দুটা শ্ৰেণীয়ে কাম কৰি আছে। সমাজৰ পৰিৱৰ্তন বিচৰা বিপ্লৱী শ্ৰেণীটোৰ শত্ৰু হৈছে পৰিৱৰ্তন নিবিচৰা পুঁজিবাদী শ্ৰেণীটো। বিপ্লৱৰ বাবে শত্ৰু অথবা বিৰোধীৰো প্ৰয়োজন হয়। শত্ৰু অথবা বিৰোধীৰ সৈতে সংঘাত অবিহনে সমাজত পৰিৱৰ্তন সংঘটিত হ'ব নোৱাৰে। নতুন সমাজ গঢ়া কথাটো এক নতুন সৃষ্টিয়েই। এখন নতুন সমাজ এক নিৰ্দিষ্ট পদ্ধতিৰে আগবাঢ়ে, ই সামাজিক বিপ্লৱৰে এক অংশ। ই সামাজিক বিৱৰ্তনক তৰঙ্গায়িত কৰে আৰু সমাজৰ গুণগত পৰিৱৰ্তন আনে। বিষ্ণু ৰাভাই চিন্তা কৰা সমাজখন আছিল সাম্যৰ সমাজ, এখন শ্ৰেণীহীন সমাজ, এখন সংস্কৃতিযুক্ত সমাজ। এই সমাজৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ৰাভাই যথেষ্ট অহোপুৰুষাৰ্থ কৰিছিল। সমাজত পৰিৱৰ্তনৰ বাবে বিপ্লৱৰ প্ৰয়োজন। কমাৰে যিদৰে জুইৰে লো গলাই নতুন অস্ত্ৰ-শস্ত্ৰ গঢ়ে, সেইদৰে বিপ্লৱৰ জুয়েও জ্বলি নতুন সমাজ গঢ়িব পাৰে। বিপ্লৱৰ লগতে সমাজৰ পৰিৱৰ্তনৰ বাবে সামাজিক ভূমিকম্পৰো প্ৰয়োজন হয়। সমাজ পৰিৱৰ্তন এনেয়ে নাহে। এই পৰিৱৰ্তনৰ বাবে জোকাৰণিৰ আৱশ্যক। জোকাৰণি অবিহনে মন্থৰ সমাজত সামাজিক পৰিৱৰ্তন নাহে। পৰিৱৰ্তনৰ বাবে কেতিয়াবা ধ্বংসৰো প্ৰয়োজন হয়। সেই ধ্বংস সৃষ্টিৰ বাবেহে।

'ধ্বংস কৰ্ ধ্বংস কৰ
ধনীৰ অহংকাৰ।
দয়া মায়া নকৰিবি
ক্ষমাৰ দিন যে গ'ল
হাল, কোৰ, দা, হাতুৰী লৈ

ৰণলৈ যাওঁ ব'ল।।

তই খুৱাব বিশ্ববাসীক

মাটি ফালি ধান

তই যোগাৱ ধনী শ্ৰেণীক

অস্ত্ৰ শক্তিমান।

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৩৪)।

ৰাভাৰ বিপ্লৱ বিশেষকৈ তিনিটা দিশত আছিল। সেইকেইটা ক্ৰমে— সাংস্কৃতিক পুনৰুত্থান, জাতীয় জীৱনৰ ঐতিহ্যৰ সংৰক্ষণ আৰু নিষ্পেষিতসকলৰ মুক্তিৰ হকে সাম্যবাদৰ পথ অৱলম্বন। এইকেইটা সংগ্ৰামী বিষ্ণু ৰাভাৰ জীৱনৰ প্ৰকৃত আদৰ্শ আছিল। সৰ্বহাৰা শ্ৰেণীটোৱে আছিল তেওঁৰ আত্মা আৰু সেইসকলৰ মুক্তিয়েই আছিল তেওঁৰ বিপ্লৱ। বিকাশৰ গতিক গতিদান কৰাৰ বাবে তেওঁ মানুহৰ অধিকাৰৰ ক্ষেত্ৰতহে মাৰ্ক্সক আদৰ্শ হিচাপে গ্ৰহণ কৰিছিল। অসমৰ থলুৱা কলা-সংস্কৃতিৰ বিকাশ অসমীয়া জাতীয়তাবাদৰ দ্বাৰা হোৱাটো কামনা কৰিছিল। বিষ্ণু ৰাভাই সৰ্বহাৰা শ্ৰেণীটোৰ সকলো দুখৰ মূল কাৰণ 'ধনতন্ত্ৰবাদ' বুলি কৈছে। ৰাভাই কৈছে "বিধাতাই মানুহকহে স্ৰজিলে ধনী-দুখীয়া স্ৰজন কৰা নাই। ধনী হিচাবে কাৰোবাক সৃষ্টি কৰা হ'লে ধনীৰ ল'ৰা মাকৰ গৰ্ভৰ পৰা জোতা-চোলা পিন্ধি বাজ হৈ ওলালহেঁতেন, সৰ্বহাৰা দুখীয়াৰ ল'ৰাৰ দৰে ধনীৰ ঘৰৰ কেচুৱায়ো নঙঠা হৈ ওপজে। ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাই গুপুতে গোপনে ধনীৰ ল'ৰাক ভালকৈ খুৱাই-বুৱাই ৰাখে...।" (বি. প্ৰ. ৰা. ৰ. স. দ্বিতীয় খণ্ড, পৃ. ৪৪৭)। কলেজীয়া দিনৰে পৰাই ৰাভাৰ ভাবাদৰ্শ আৰু কৰ্মৰাজি আছিল বৈপ্লৱিক। ৰাভাই প্ৰাক্ স্বাধীনতা কালত ইংৰাজৰ হাতৰ পৰা ভাৰতৰ মুক্তিৰ বাবে বিপ্লৱ কৰিছিল আৰু ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত শোষণৰ বিৰুদ্ধে বিপ্লৱ ঘোষণা কৰিছিল। তেওঁ নিজেই ইয়াৰ ঘোষণা কৰিছে ঃ

"আৱাহন মোক যদি কৰে জনতাই

প্ৰণয়ৰ বাহু ডোল ছিঙি এৰুৱাই

যাম সেই সমদল সতে আগুৱাই

বিপ্লৱৰ অগনি জ্বলাই।"

(বি. প্ৰ. ৰা. ৰ. স. প্ৰথম খণ্ড, পৃ. ১৪০)।

বিপ্লৱ মাথো এটা শব্দ নহয়, 'বিপ্লৱে সমাজৰ' আমূল পৰিৱৰ্তন বিচাৰে। বিপ্লৱৰ বাবে অকল শ্লোগানতে আবদ্ধ থাকিলে নহ'ব। বিপ্লৱ সফল হ'বলৈ হ'লে লাগিব সংগ্ৰামী চেতনা আৰু শক্তিশালী সশস্ত্ৰ সংগঠনৰ। বিপ্লৱীসকলৰ মনত দৃঢ়তা জগাই তুলিব লাগিব। মনোবল অবিহনে সংগ্ৰাম সফল নহয়। বিষ্ণু ৰাভাই বিপ্লৱীসকলৰ মনোবল বৃদ্ধিৰ বাবে গাইছিল—

"শক্তিমান! জাগা জাগা শক্তিশালী বিশ্বজয়ী ন-জোৱান।।
অস্ত্ৰ তোমাৰ হাল, কোৰ, কুঠাৰ, জাঠি বজ্ৰবান।
চলোঁৱা বিপ্লৱ অভিযান, গঢ়া নকৈ বিশ্ব স্বৰ্গমান।।
সাম্য, মৈত্ৰী, স্বাধীনতা এই ত্ৰিবিধ আদৰ্শ জ্যোতিষ্মান।
স্বৰ্গ আশিস শিৰত লৈ বীৰ, হোৱা সবে আগুৱান।।
শক্তিমান! জাগা জাগা শক্তিশালী বিশ্বজয়ী ন-জোৱান।।"

(বি. প্ৰ. ৰা. ৰ. স. প্ৰথম খণ্ড, পৃ. ১৩৪)।

শশী শৰ্মাই এই গীতটোৰ সম্পৰ্কে কৈছে যে— "এই গানটোৰ প্ৰধান আকৰ্ষণ এয়ে যে প্ৰকৃত বিপ্লৱীৰ মনত ধ্বংসৰ স্থান নাই আছে সৃষ্টিৰ স্থান হে। হালোৱা-হজুৱাসকলক বিপ্লৱীৰ ৰূপত গঢ়াৰ উপৰি সেইসকলক মহান নিৰ্মাতাৰূপেও গঢ়াই হ'ল যথাৰ্থ বিপ্লৱ।" (শৰ্মা শশী, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ৯৪)। বিষ্ণুপ্ৰসাদৰ বিপ্লৱ আছিল নতুনৰ সৃষ্টিৰ বাবে। তেওঁ বিপ্লৱৰ জৰিয়তে জগতখন শান্তিময়-সুখময় কৰি তুলিব বিচাৰিছিল। তেওঁৰ এই কবিতাটোৱে সৃষ্টিকাৰী শিল্পীসত্তাৰ স্বৰূপ বুজাত সহায় কৰে। সমাজৰ শোষক শ্ৰেণীটোৱে শ শ বছৰ ধৰি সৰ্বহাৰা জনগণক শোষণ কৰি শ্ৰমকাৰী মানুহখিনিৰ জীৱনবৃদ্ধিৰ পথ ৰুদ্ধ কৰি ৰাখিছিল। পুঁজিপতি শ্ৰেণীটোৱে সদায় নিজৰ স্বাৰ্থ আগত ৰাখিছিল। ৰাভাই এনেকুৱা সমাজ ভাঙি দিবলৈ আহ্বান জনাইছে—

"ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ্।
ছিঙ্ ছিঙ্ ছিঙ্ ছিঙ্
দাসৰ বান্ধোন ছিঙ্।
খোল্ খোল্ খোল্ খোল্

কাৰাৰ 'ফাটক' খোল্।

ভাঙ্ ভাঙ্ দুৱাৰৰ দাং।

শুন্ সৌৱা শুন্ শুন্

ঘেৰিছে ৰণ-বিষাণ

মুক্ত আকাশে উৰে

দীপ্ত ৰঙা নিচান

ৰক্তেৰে ৰণজিত

সূৰুয উদীয়মান

শুন্ মুকুতিৰ তুৰুযৰ আহ্বান,

মুক্তিমান-মুক্তিমান-মুক্তিমান।'

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৩৬)।

প্ৰাক্ স্বাধীনতা আৰু স্বাধীনত্তোৰ কালছোৱাত ক্ষমতাযন্ত্ৰই সৰ্বসাধাৰণ জনগণৰ ওপৰত ভয়াৱহ দুঃখ, অভাৱ-অনাটন আৰু যন্ত্ৰণা জাপি দিলে। পুঁজিপতি শ্ৰেণীটোৱে নিজৰ ইচ্ছামতে অবাধ লুণ্ঠন, শোষণ আৰু সীমাহীন মুনাফা লাভৰ স্বাৰ্থত ক্ষমতাৰ অপপ্ৰয়োগ কৰিলে। পুঁজিপতি শ্ৰেণী, মহাজন-জমিদাৰ শ্ৰেণীটোৱে ধনী হৈ গৈ থকাৰ বিপৰীতে কৃষক-শ্ৰমিক শ্ৰেণীটোৱে হৈ গ'ল সৰ্বহাৰাৰূপে। সংগ্ৰামী ৰাভাই সমাজৰ এই বৈষম্য সহ্য কৰিব পৰা নাছিল। ৰাভাই সৰ্বহাৰা শ্ৰেণীটোক নিজৰ অধিকাৰৰ হকে বিপ্লৱৰ আশ্ৰয় লৈ সংগ্ৰামত লিপ্ত হ'বৰ বাবে আহ্বান জনালে ঃ

সেই সময়ত য'ত হালোৱা-বনুৱা

মুকতিৰ আশাতেই হ'লহি ৰণুৱা;

জাপ দিলে হাঁহি মুখে ভীষণ যুঁজত,

লাখে লাখে সেনাৰূপে হ'ল হতাহত,

ৰণ বিৰতিৰ পাছে হ'ল কাৰাবাস,

পুনৰ ধনীৰ হ'ল দাস...।'

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৩১)।

সৰ্বহাৰা শ্ৰেণীটোক বাৰে বাৰে শোষণ কৰা বাবে সেই শোষক শ্ৰেণীটোক বিপ্লৱৰ জৰিয়তে

ধ্বংস কৰি এখন সাম্য সমাজ প্ৰতিষ্ঠাৰ বাবে ৰাভাই বিপ্লৱ কৰিছিল। ৰাভাই নিৰ্যাতিত-নিপীড়িত বনুৱাসকলক সোঁৱৰাই দিছে যে শোষক ধনী-পুঁজিবাদী তথা মহাজন-জমিদাৰ শ্ৰেণীটোৱে নিজৰ শোষণ অব্যাহত ৰখাৰ স্বাৰ্থত ষড়যন্ত্ৰ কৰি শ্ৰমকাৰী মজদুৰ-কৃষক শ্ৰেণীটোক চিৰদিন অজ্ঞান-অন্ধকাৰৰ মাজত ৰাখিব বিচাৰিছে। ৰাভাই বজ্ৰকণ্ঠে শোষক শ্ৰেণীটোক সাৱধান বাণী শুনাইছে। বিপ্লৱৰ শেষত সৰ্বহাৰা শ্ৰেণীটোৰ জয় হ'ব বুলি আশাবাদী। দুখীয়াসকলক শোষণ কৰা সেইসকলক ৰাভাই কৈছে —

"দুখীয়া কলিজা নিঙাৰি ল'ব
টুপি টুপি তেজ শুহি শুহি পিব,—
ৰুকি ৰুকি মঙহ চোবাই খাব,—
কৰুকি হাৰ কেইডালো চোবাব,—
হুঁচিয়াৰ! হুঁচিয়াৰ!!
ধনী! মহাজন!! জমিদাৰ!!!...
বিপ্লৱ পথেৰে যাত্ৰী আমি
সৰবহাৰাৰে মুক্তিকামী
চূৰ্ণ কৰিম আমি সংগ্ৰামী...
... শেষ যুদ্ধৰ আমি ৰণুৱা
পৃথিৱীৰ হালোৱা বনুৱা
হ'ম বিজয়ী আমি দুখীয়া।...
ক'ত ৰবি ধনী এইবাৰ?...'

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৩৮)।

পৃথিৱীৰ ইতিহাসত দেখা পোৱা যায় যে বুৰ্জোৱা শ্ৰেণীটোৱে সদায় শ্ৰমিক শ্ৰেণীৰ ওপৰত নিজৰ আধিপত্য আৰু তেওঁলোকক শোষণ কৰি আহিছে। ভাৰতৰ প্ৰাক্ স্বাধীনতা আৰু স্বাধীনতাৰ পিছতো শ্ৰমিক শ্ৰেণীটোৱে সৰ্বহাৰা হৈয়ে থাকিবলগীয়া হৈছে। নিজৰ অধিকাৰৰ বাবে বিভিন্ন সংঘাত-সংগ্ৰাম চলাই থকা সত্বেও মজদুৰ-শ্ৰমিক শ্ৰেণীটোৱে মানৱীয় মৰ্যাদা লাভ কৰা নাই। ৰাভাই মাৰ্ক্সবাদী আদৰ্শৰ জৰিয়তে এই শ্ৰেণীটোৰ মুক্তিৰ হকে অবিৰত সংগ্ৰাম কৰিবলগীয়া

হৈছে। শ্ৰমিক-কৃষক শ্ৰেণীটোৰ দুখ-দুৰ্দশাবোৰ গানৰ জৰিয়তে তুলি ধৰি সৰ্বহাৰা শ্ৰেণীটোক বিপ্লৱৰ প্ৰতি আকৃষ্ট কৰিবলৈ তেওঁ গাইছিল—

"কাৰখানাৰে চিটিৰ হুমনিয়া
কলৰ ঘৰ্‌ঘৰণি বুকু কঁপোৱা
শুনি শুনি কাঁহৰ মাত কঠুৱা
কান্দে দুখীয়া বনুৱা।
শুদা মজিয়াত অকলশৰীয়া
বিনায় কোলাত হিয়া লগৰীয়া
পুৱাই লঘোণ ভাত নাইকিয়া...
...শ্ৰম কৰিও খাবলৈ নোহোৱা
আলই বিলই হোৱা হজুৱা
কান্দে দুখীয়া বনুৱা।"

(বি. প্ৰ. ৰা. ৰ. স প্ৰথম খণ্ড, পৃ. ১৩৭)।

শ্ৰমিক শ্ৰেণীটোৰ দুৰ্দশাৰ সন্দৰ্ভত শশী শৰ্মাই কৈছে— "ই অতিৰঞ্জিত ৰূপ নহয়, ই সমাজ-বাস্তৱেই। কিন্তু অশিক্ষা আৰু কুশিক্ষাৰ কাৰণে বনুৱাসকলে সেই দুখ-দাৰিদ্ৰ্যক ভাবিছিল দৈৱৰ লেখন বুলি আৰু তেনেকৈ ভাবিবলৈ তেওঁলোকক শিকোৱা হৈছিল, আজি একবিংশ শতিকাতো তেনে প্ৰচলন অব্যাহত নথকা নহয়। ৰাভাই তেওঁৰ গানৰ মাজেদি নিৰ্যাতিত-নিপীড়িত বনুৱাসকলক সোঁৱৰাই দিছে যে সি দৈৱৰ বিধান নহয়, শোষক ধনিক শ্ৰেণীৰ মহা শোষণ আৰু শোষণ চিৰ অব্যাহত ৰখাৰ ষড়যন্ত্ৰৰে শ্ৰমকাৰী হজুৱা-বনুৱাক চিৰদিন অজ্ঞান-আন্ধাৰৰ মাজত ৰখাৰ অৰ্থে চলোৱা অভিসন্ধি মাথোন।" (শৰ্মা, শশী ঃ বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ৯৭)। প্ৰতিখন সমাজেই অনাগত ভৱিষ্যতৰ বাবে এখন নতুন সমাজ সৃষ্টি কৰিব বিচাৰে। সৃষ্টিৰ সৈতে ধ্বংসৰ কথাটো সদায় জড়িত হৈ থাকে। নতুনৰ সৃষ্টিৰ বাবে পুৰণিৰ ধ্বংস আৱশ্যক হৈ পৰে। ধ্বংস অবিহনে ৰূপান্তৰ সম্ভৱ নহয়। পুৰণি সমাজৰ প্ৰচলিত ধাৰাসমূহ নভঙালৈকে নতুন সমাজৰ সৃষ্টি হ'ব নোৱাৰে। ৰাভাৰ ৰচনাত ধ্বংসকাৰী জুইৰ অগ্নিশিখা দেখিবলৈ পোৱা যায়।

"জ্বালিলা তুমিয়েই মোৰ প্ৰণয় চাকি

প্ৰেমৰ শলিতাডালি হিয়াত ৰাখি

জীৱনৰ দৌল উজ্জ্বলাই।

ৰঙা জুইকুৰা লই প্ৰদীপ শিখাৰ

উঠিব উজ্বলি হিয়া বহু দুখীয়াৰ

মুকুতিৰ পৰা পোহৰাই।।

জীৱনৰ ছন্দ গতি প্ৰগতিৰ

তোলে স্পন্দন বক্ষত ধৰণীৰ

পৃথিৱীৰ জনতাৰ হৃদয় কঁপাই

বিপ্লৱী বৈশ্বানৰে জাগি ধাৰ।।

মাতে সউ বিপ্লৱী জনতাৰ দল

ছিঙিম ভাঙিম প্ৰিয়ে! প্ৰণয়ৰ ডোল

তুলি শোষিতৰ মহা বিজয়ৰ ৰোল

বিপ্লৱী সাজে যাম আগুৱাই।।"

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৪১)।

বিষ্ণুপ্ৰসাদ ৰাভাই প্ৰায়বোৰ বিপ্লৱী গীতৰ জৰিয়তে মূল কথা দাঙি ধৰিছে যে শোষিত শ্ৰমিক-কৃষক শ্ৰেণীটোৰ শোষণৰ কথা বাৰে বাৰে সোঁৱৰাই দি তেওঁলোকক বিপ্লৱৰ পথত আকৰ্ষিত কৰা। যুগ যুগৰে পৰা চলি অহা শোষণ-নিৰ্যাতনে শ্ৰমিক শ্ৰেণীটোক কোঙা কৰি পেলাইছিল। তেওঁলোকৰ নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে বিপ্লৱৰ প্ৰয়োজন আছে। সেইবাবে ৰাভাই তেওঁলোকৰ আত্মসচেতনতা বৃদ্ধিৰ বাবে গীত আৰু কবিতাৰ জৰিয়তে বিপ্লৱৰ কথা কৈছে।

**(খ) বিষ্ণুপ্ৰসাদ ৰাভাৰ কাব্য সাহিত্যত শ্ৰেণী সংগ্ৰাম ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই সৰ্বহাৰা শ্ৰমিক-কৃষক শ্ৰেণীটোৰ বাবে সচেতনভাৱে সকলোকে সংগঠিত কৰি বিপ্লৱৰ জৰিয়তে এখন শোষণহীন-সাম্যবাদী সমাজ গঢ়িবলৈ আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকৰ প্ৰাপ্য অধিকাৰৰ বাবে সংগ্ৰামত অৱতীৰ্ণ হৈছিল। বিষ্ণু ৰাভাই সৰ্বহাৰা শ্ৰেণীটোৰ বাবে নিজৰ জমিদাৰী, ২৫০০ বিঘা মাটি আনকি নিজৰ পাবলগীয়া চাকৰিও গ্ৰহণ কৰা নাছিল। তেওঁ

নিজকে জনগণৰ লগত বিলীন কৰি দিছিল। সৰ্বহাৰা শ্ৰেণীটোৰ লগত বিলাই দি দুখীয়া সৰ্বসাধাৰণজনৰ লগত মিলি সুখ-দুখৰ সমভাগী হোৱাটোৱেই বিষ্ণু ৰাভাৰ জীৱনৰ দৰ্শন আৰু বিশেষত্ব। ৰাভাই সকলো ত্যাগ কৰি অসমৰ দুখীয়া হালোৱা, হজুৱা, মজদুৰ আৰু নিপীড়িতসকলৰ কাৰণে গাঁৱে-গাঁৱে ঘূৰি ফুৰিছিল।

ৰাভাই মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰাৰ পিছত অজ্ঞাতবাসৰ সময়ছোৱাত বহুসংখ্যক সাহিত্য ৰচনা কৰিছিল। বিষ্ণু ৰাভাৰ বহুসংখ্যক কাব্য সাহিত্যত শ্ৰেণী সংগ্ৰামৰ প্ৰতিফলন ঘটিছে। হাতত ৰঙা নিচান লৈ সৰ্বহাৰাসকলক ৰাভাই নিজৰ অধিকাৰৰ হকে ওলাই আহিবলৈ দীপ্ত কণ্ঠেৰে আহ্বান জনাইছে—

"বলিয়া মেঘৰ আঁৰে আঁৰে
ৰঙা ডাৱৰৰ ডাৰে ডাৰে
জিলিকি জিলিকি সউ
তুলি তিৰ বিৰ চউ
আশাৰ বিজুলীয়ে জিলিক মাৰে।
ধুমুহাৰ আগে আগে...
... নগৰ বুকুত শ শ বনুৱাই
তোলে জীৱনৰ দাবী ৰোল
আগুৱাল তেজপিয়া নিশাচৰ দল
হজুৱাৰ ৰকতৰ ৰঙা বান ৰ'ল
সেই ৰঙে ৰহণোৱা তেজাল নিচান
জগতৰ মুকুতিকামীৰ মহাপ্ৰাণ
কলিজাৰ লাল পতাকা লৈ আগুৱান
বিপ্লবী দলে আজি আগবাঢ়ে।।"

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড. পৃ. ১৪২)।

সৰ্বহাৰা শ্ৰেণীটোৰ মুক্তিৰ বাবে সংগ্ৰাম কৰা বিষ্ণু ৰাভা আৰু তেওঁৰ সহযোগী কমিউনিষ্ট দলৰ সুসংগঠিত বিপ্লৱক মষিমূৰ কৰি দিবলৈ চৰকাৰে সংগ্ৰামী নেতাসকলক গ্ৰেপ্তাৰ কৰিবলৈ

আদেশ দিলে আৰু বহু নেতাই গ্রেপ্তাৰ হ'বলগীয়া হয়। চৰকাৰে সাধাৰণ জনসাধাৰণৰ ওপৰত পুলিচ লগাই নানা পাশৱিক অত্যাচাৰ চলালে। জাতীয় চৰকাৰখনৰ এনে নির্মম অত্যাচাৰক সচেতন মহলে ধিক্কাৰ দিলে। বিষ্ণু ৰাভাই নিজৰ সাহিত্যৰ মাজেৰে জনসাধাৰণক সংগ্রামী পথলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনালে—

"তেজৰ বোলেৰে লিখি যাম ইতিহাস।

মচি যাম দীন সমাজৰ হীন পৰিহাস।।

কত শ্বহীদৰ দুখৰ জীৱনী লিখা

.........................................

ৰচি যাম বহু শোষিতৰ হা-হতাশা

গাম পীড়িতৰ চিৰ বিজয়ৰ গান

ফিৰাই আনিম দলিতৰ সন্মান

মৰা জগতৰ হৃদয়ত ঢালি প্রাণ

আনিম ধৰাত চিৰ শান্তিৰ আভাস।।"

(বি. প্র. ৰা. ৰ. স, প্রথম খণ্ড, পৃ. ১৪০)।

বিষ্ণু ৰাভা সদায়েই সর্বহাৰা দুখীয়া জনতাৰ এজন হৈ আছিল। ভাৰতে স্বাধীনতা লাভৰ পিছৰ সময়ছোৱাত হোৱা সামাজিক আৰু অর্থনৈতিক সমস্যাসমূহৰ প্রতি সদা সচেতন আছিল। ৰাভাই উপলব্ধি কৰিছিল যে সমাজবাদৰ পৰিৱর্তনৰ জৰিয়তেহে সর্বহাৰা জনগণৰ পৰিৱর্তন আহিব। বিষ্ণু ৰাভাই সেয়েহে মার্ক্সৰ শ্রেণী সংগ্রামৰ জৰিয়তে সর্বহাৰাসকলৰ প্রাপ্য মর্যাদাৰ হকে যুঁজ দিছিল। সর্বহাৰাসকলৰ মাজত থাকি সমাজৰ শোষণকাৰীসকলক ধ্বংস কৰি এখন সাম্য সমাজৰ প্রতিষ্ঠাৰ বাবে বিপ্লৱ কৰিছিল। বিষ্ণু ৰাভাই শোষণকাৰীসকলক তীব্র হুংকাৰ দিছিল, তেওঁ কৈছিল— "শোষণকাৰীসকলক শেষ কৰিবই লাগিব, কিন্তু অস্ত্রৰ সহায়েৰে নহয়, জনগণক জগাই তুলি মহাবিপ্লৱৰ সৃষ্টি কৰি। তাকে কৰিবলৈ বর্তমান মই কলম লৈছোঁ।' (বি. প্র. ৰা. ৰ. স, দ্বিতীয় খণ্ড, পৃ. ৯৯৭)। ৰাভাই বিভেদকামী সমাজখনক ভাঙিবলৈ কৈছে —

"জনতাৰ হৃদয়ত জ্বলে চিতা অগ্নি

কাহানিও কেতিয়াও আমাক নিদিয়ে মুক্তি

নিতে নিতে তিলে তিলে হেৰুৱাও শকতি।
ভস্মীভূত হয় অভিশাপ
অন্তৰৰ শতাব্দীৰ তাপ।
‘ভাঙ্ ভাঙ্’ বুলি গায় সবে উপবাসী
কাৰাবাসী ভাঙনৰ গান,
এৰে বীৰদৰ্পে অগ্নি-বাণ।
চতুৰ্দিশে উঠে প্ৰতিধ্বনি
ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
ছিঙ্ ছিঙ্ খোল-ভাঙ্
চতুৰ্দিশে উঠে প্ৰতিধ্বনি
এৰে বীৰদৰ্পে অগ্নি-বাণ।।”

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৬৯)।

বিষ্ণু ৰাভাই প্ৰত্যক্ষভাৱে পুঁজিপতি ধনিক আৰু শোষক-শাসক শ্ৰেণীক সতৰ্ক আৰু হুচিয়াৰ কৰি দিছে। শোষক-শ্ৰেণীক নিপীড়িতৰ পৰা খাটিখোৱা সৰ্বহাৰা শ্ৰেণীক নিজৰ প্ৰাপ্য অধিকাৰ উভতাই দি এখন শোষণহীন-শ্ৰেণীহীন সমাজ গঢ়িবলৈ ৰাভাই জীৱনব্যাপি সংগ্ৰাম কৰি গ’ল। সমাজত সৰ্বহাৰাসকলৰ ওপৰত যেতিয়া অন্যায় অবিচাৰ কৰা হয়, ধনী শ্ৰেণীয়ে দুখীয়াৰ ওপৰত কৰা শোষণ-নিৰ্যাতনৰ প্ৰত্যুত্তৰ দিবলৈ ধনী-দুখীয়াৰ প্ৰভেদ দূৰ কৰি এখন শ্ৰেণীহীন সমাজ গঢ়াৰ বাবে বিদ্ৰোহ কৰিছিল। ধনীৰ অহংকাৰ খৰ্ব কৰিব, নিৰ্যাতিত-নিপীড়িত কৃষক-শ্ৰমিক শ্ৰেণীক জগাই তুলিবলৈ তেওঁ লিখিছে—

বল্ বল্ বল্ বল্ কৃষক শক্তি দল।
অ’ বনুৱা সমনীয়া আগবাঢ়ি যাওঁ বল্।
জাগ্ জাগ্ জাগ্ জাগ্ মজদুৰ ন-জোৱান।
নিৰ্যাতিত নিপীড়িত কৃষক শক্তিমান
তোৰ বাহুৰে আছে লুকাই অসীম শক্তি বল।
ৰণৰ শিঙা বাজে শুন্ ঐ আগবাঢ়ি যাওঁ বল্।

কিহৰ নো ভয় আছে অভয় বাণী দেৱতাৰ

শতৰু সউ চৌপাশে ৰয় ধনী জমিদাৰ

শোহে কলিজাৰ ৰঙা তেজ প্ৰজা দুখীয়াৰ।

(বি. প্ৰ. ৰা. ৰ. স. প্ৰথম খণ্ড, পৃ. ১৩৪)।

ইংৰাজৰ দিনত আৰু পৰৱৰ্তী সময়ত ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত ক্ষমতাৰ পৰিৱৰ্তন হ'ল যদিও সৰ্বহাৰা শ্ৰেণীটোৰ ওপৰত শোষণ-নিপীড়ন নকমিল। শোষকৰ দেশী-বিদেশী নাথাকে, শোষক শোষকেই। সাম্ৰাজ্যবাদী শোষণ আৰু পুঁজিবাদী শোষণে দেশৰ খাটি খোৱা শ্ৰেণীটোক নিঃশেষ কৰি দিছে। পুঁজিপতিসকলৰ মুনাফা দিনক দিনে বৃদ্ধি পোৱাৰ বিপৰীতে মজদুৰ-শ্ৰমিক শ্ৰেণীটোৰ দুখ-দুৰ্দশা, অভাৱ-অনাটন বৃদ্ধি পাইছে। ৰাভাই চিন্তা কৰিছিল যে জনগণ যদি সচেতন হৈ নুঠে বাৰে বাৰে শোষণৰ বলি হৈ থাকিব। ৰাভাই বিশ্বাস কৰিছিল যে এই শোষণৰ প্ৰতিৰোধ বিপ্লৱৰ দ্বাৰাহে সম্ভৱ। জনগণে যদি নিজৰ বাবে বিপ্লৱ নকৰে তেতিয়া হ'লে সদায়ে পুঁজিপতি মহাজনৰ দ্বাৰা শোষিত হৈয়ে থাকিব।

প্ৰাক্ স্বাধীনতাকালত ইংৰাজসকলে যিদৰে বিভিন্ন শ্ৰেণীৰ মাজত বিভেদ সৃষ্টি কৰি নিজৰ স্বাৰ্থ পুৰণ কৰিছিল সেইদৰে ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত দেশীয় চৰকাৰখনে জাতি-গোষ্ঠীৰ মাজত ভাগ ভাগ কৰাৰ নীতি ল'ব নালাগিছিল। চিৰকাল শোষিত-নিপীড়িত হৈ থকা সৰ্বহাৰা শ্ৰমিক শ্ৰেণীটোক শোষণমুক্ত কৰিবৰ কাৰণে যি ব্যৱস্থা ল'ব লাগিছিল তাৰ সলনি তেওঁলোকক এচাম নেতাৰ হাতত এৰি দিয়া হ'ল। ফলত ধনিক শ্ৰেণীটো অৰ্থনৈতিকভাৱে সবল হোৱাৰ বিপৰীতে সাধাৰণ শ্ৰেণীটোৰ কোনো পৰিৱৰ্তন দেখা নগ'ল। বৰং এইসকলৰ অৱস্থা আগতকৈ শোচনীয়হে হ'ল। বিষ্ণু ৰাভাই এইটো অনুভৱ কৰিছিল যে যেতিয়ালৈকে সৰ্বহাৰা শ্ৰেণীটোৰ মাজত আৰ্থিক সমতা নাহিব তেতিয়ালৈকে এই শোষণকাৰীসকলে ইয়াৰ সুবিধা গ্ৰহণ কৰি শোষণযন্ত্ৰ নিৰ্বিবাদে চলাই লৈ যাব। এই শোষকসকলক ৰাভাই সকিয়াই কৈছিল—

'হুচিয়াৰ! হুচিয়াৰ!!

ধনী! মহাজন!! জমিদাৰ!!

হুচিয়াৰ! হুচিয়াৰ!!

বিষ্ণু ৰাভাই সমগ্ৰ কৃষক-শ্ৰমিক শ্ৰেণীটোকে নিজৰ অধিকাৰৰ হকে একগোট হৈ বিপ্লৱৰ

বাবে আহ্বান জনাইছে। পুঁজিপতি-মহাজন শ্ৰেণীটোৰ পৰা শোষণমুক্ত হ'বলৈ সমগ্ৰ কৃষক-শ্ৰমিক শ্ৰেণীটোকে একগোট হ'ব লাগিব। সৰ্বহাৰা শ্ৰেণীটোক এক কৰাৰ উদ্দেশ্যে তেওঁ শ্ৰেণীটোৰ মাজত সোমাই পৰিল। সৰ্বহাৰা শ্ৰেণীটোৰ মাজত থকা কলা-সংস্কৃতি তেওঁ নিজৰ কৰি ল'লে। তেওঁলোকৰ মাজত সোমাই মাৰ্ক্সবাদৰ আদৰ্শ প্ৰচাৰ কৰিব ধৰিলে। দেশৰ স্বাধীনতাই যে সাধাৰণ কৃষক-শ্ৰমিক শ্ৰেণীৰ বাবে একো নকৰিলে সেই কথা ঘোষণা কৰিলে। ৰাভাই এক নতুন বিপ্লৱৰ সূচনা কৰিলে। এই বিপ্লৱ কোনো সাম্ৰাজ্যবাদীৰ বিৰুদ্ধে নহয়, পৃথিৱীৰ সকলো শোষক জাতিৰ বিৰুদ্ধে তেওঁৰ এই ৰণ। ৰাভাই বুজিলে যে শ্ৰমিক-কৃষকৰ সমৰ্থন অবিহনে এই বিপ্লৱত জয়ী হোৱা সম্ভৱ নহয়। সেইবাবে কাব্যৰ জৰিয়তে শ্ৰমিক-কৃষকসকলক এই বিপ্লৱত যোগ দিবলৈ আহ্বান জনাইছে। শোষণকাৰীসকলক ধ্বংস কৰি দিবলৈয়ো ৰাভাই আহ্বান জনাইছে—

"স্বাধীনচিতীয়া হালোৱা ডেকা ৰণুৱা।
পঞ্চায়তী যুগৰ ন মনৰে মনুৱা...
যুঁজিব সমৰত লগৰীয়া বনুৱা!!
......................................
বাৰে বাৰে জাতিৰ নামত চুৰি-ডকাইতিৰ খেল
বজ্জাতৰ দল পাতে নানা জালিয়াতী মেল।
আগবাঢ়ি বল ভাঙি-ছিঙি জুলুম বাজীৰ জাল,
নকৰিবি ভয়, বল হই শোষণবাদীৰ কাল
নতুন যুগৰ, নতুন ভাবৰ, নতুন ৰণৰ মাল!
আগুৱাই যা আগবাঢ়ি ব'ল আগবাঢ় দুখীয়া...

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৩৮)।

সেই সময়ত পৃথিৱীৰ বিভিন্ন দেশত মাৰ্ক্সবাদৰ আদৰ্শ গ্ৰহণ কৰি নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে হেজাৰ হেজাৰ লোক হাতত অস্ত্ৰ লৈ পথলৈ ওলাই আহিল। বিষ্ণু ৰাভাহঁতেও পৃথিৱীজুৰি আৰম্ভ হোৱা বিপ্লৱত অংশ ল'লে। তেওঁলোকেও এখন শোষণমুক্ত সমাজ গঢ়াৰ বাবে হাতত অস্ত্ৰ তুলি ল'লে। ভাৰতৰ দেশীয় চৰকাৰখনো আছিল ধনীসকলৰ ৰক্ষক। চৰকাৰৰ ৰোষত পৰিল যদিও ৰাভাহঁতে বিপ্লৱ চলাই লৈ গ'ল। সৰ্বহাৰা শ্ৰেণীটোৰ মুক্তিৰ বাবে হালোৱা-হজুৱাক আহ্বান

জনালে—

“আগুৱাই বল আগুৱাই বল
আগুৱাই বল সমনীয়া।
হালোৱাৰ দল হজুৱাৰ দল
বনুৱাৰ দল অ’ ৰণুৱা !...
অহৰহ জ্বলে হৃদয়ৰ দুখৰে অগনি
পুৰে দুখী পেটে লঘোণত ভোকৰে পোৰণি
ছিগি ভাঙি শত যুগৰ শিকলি বান্ধনি
ৰণ দুন্দুভি বজাই যা যা আগুৱাই আগুৱা।”

(বি. প্র. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৩৮)।

বিষ্ণুপ্ৰসাদ ৰাভাই যি বিপ্লৱ-দৰ্শন লৈছিল এই সকলোখিনিয়ে সৰ্বহাৰা খাটিখোৱা শ্ৰেণীটোৰ উন্নতিৰ বাবে লৈছিল। ভাৰতৰ ঔপনিৱেশিক সাম্ৰাজ্যবাদী শাসনৰ পিছত দেশীয় চৰকাৰখনে পুঁজিপতি ধনিক-শোষকৰ সহযোগত আৰু প্ৰত্যক্ষ চক্ৰান্তত সমগ্ৰ ক্ষমতা শোষক-শাসক শ্ৰেণীটোৰ হাততেই ৰৈ গ’ল। সাম্ৰাজ্যবাদী-পুঁজিবাদী ৰাষ্ট্ৰতো শোষিত-নিপীড়িত কৃষক-শ্ৰমিক শ্ৰেণীটোৰে নিজৰ অধিকাৰৰ বাবে আন্দোলন কৰিব লগা হৈছে। শাসক শ্ৰেণীটোৱে দলিত-অনাদৃত শ্ৰেণীটোৰ আন্দোলন নিঃশেষ কৰিবৰ বাবে বিভিন্ন পন্থা হাতত লৈছিল। ৰাভাই সৰ্বহাৰা শ্ৰেণীটোৰ মুক্তিৰ বাবে বিপ্লৱ কৰি ৰাজদ্ৰোহত পৰি আত্মগোপন কৰিবলগীয়া হয়। তেওঁৰ বেছিসংখ্যক সাহিত্যই এই সময়ছোৱাতে ৰচিত। ৰাভাই যি পৰিমাণে সফল হ’ব লাগিছিল সেই সফলতাখিনি তেওঁ লাভ নকৰিলে। শশী শৰ্মাই কৈছে যে, ‘কিন্তু স্বীকাৰ কৰিবই লাগিব যে ৰাভাৰ কবি প্ৰতিভা আছিল, কিন্তু বিপ্লৱী জীৱন আৰু ঘাইকৈ প্ৰতিকূল পৰিস্থিতিৰ কাৰণে তাৰ আৱশ্যকীয় ধৰণে বিকাশ লাভ সম্ভৱপৰ নহ’ল।” (শৰ্মা, বিশ্বপ্ৰেমী বিষ্ণুৰাভা, পৃ. ১১৫)।

**(গ) বিষ্ণুপ্ৰসাদ ৰাভাৰ কবিতা সামাজিক বাস্তৱতা দায়বদ্ধতা আৰু জাতীয়তাবাদ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰিলেও তেওঁ এজন প্ৰকৃত জাতীয়তাবাদী নেতা আছিল। পিতৃসুত্ৰে লাভ কৰা বৃহৎ পৰিমাণৰ মাটি ভূমিহীনক দান দি তেওঁ নিজেই যাযাবৰী

হৈ পৰিছিল। সৰ্বহাৰা জনগণৰ দুখ-কষ্ট দেখি তেওঁলোকৰ মুক্তিৰ বাবে হাতত তুলি লৈছিল ষ্টেনগান। বিষ্ণু ৰাভাই বৰ অসমত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীক লৈ বৃহৎ অসমীয়া জাতি গঢ়াৰ সপোন দেখিছিল। প্ৰতিটো জাতি-জনগোষ্ঠীয়ে যাতে নিজৰ প্ৰাপ্য অধিকাৰ লাভ কৰে তাৰ বাবে তেওঁ যত্ন কৰিছিল। সমাজৰ অৱহেলিত শোষিত-নিপীড়িত জনগণৰ মুক্তিৰ বাহকৰূপে কবিতাক লৈছিল। ৰাভাৰ উদ্দেশ্য আছিল যাতে তেওঁৰ কবিতাই সাধাৰণ জনগণক বিপ্লৱৰ বাবে উদ্বুদ্ধ কৰিব পাৰে। সৰ্বহাৰা শ্ৰমিক-কৃষক শ্ৰেণীটোক সমাজৰ বঞ্চিতৰ পৰিৱৰ্তে উন্নতিৰ পথত লৈ যোৱা। সৰ্বহাৰা শ্ৰমজীৱী শ্ৰেণীটোৰ সকলো অত্যাচাৰৰ বন্দীশালৰ দুৱাৰ মুকলি কৰি দিয়াটো শিল্পীৰ দায়িত্ব বুলি ৰাভাই বুজিছিল। ৰাভাই বুজিছিল যে জনতাৰ হাততে আছে জগত গঢ়াৰ শক্তি। সাধাৰণ জনতাৰ দুঃখ-দৈন্যই ৰাভাক বিচলিত কৰিছিল। হাড় ভঙা শ্ৰম কৰিও ভালকৈ খাব নোপোৱা শ্ৰমজীৱীৰ জীৱনৰ মৰ্ম বেদনা, পুঁজিপতি উৎপাদক শ্ৰেণীয়ে চলোৱা শোষণ-নিষ্পেষণৰ নিৰ্মম বাস্তৱতাৰ স্বতঃস্ফুৰ্ত প্ৰকাশ কৰিছে—

"গৰীৱ হিয়াৰ অলেখ প্ৰদীপ জ্বালি
কৌটি দুখীয়াৰ তপত ৰুধিৰ ঢালি
বাহু ব্যথিতৰ হিয়াই হিয়াই
প্ৰলয় নাচন শিখাই শিখাই
তুলি দাবানল মুখ উজ্বলাই
উঠি বিপ্লব্ জ্বলি
......................
পীড়িতৰ জ্বালা জ্বলে অবিৰল
দহে চিৰকাল ব্যথাৰে অনল
সেই অগনিত হই জল মল
উঠে দালান উজ্বলি।

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৩৮)।

মজদুৰ-কৃষকশ্ৰেণীৰ জনগণৰ মাজত অসীম শক্তিৰ সন্ধান লাভ কৰে ৰাভাই। সৰ্বহাৰা কৃষক-বনুৱা শ্ৰেণীটোৰ প্ৰতি আছিল গভীৰ আস্থা। সকলোকে লৈ ৰাভাই বিপ্লৱৰ জৰিয়তে বন্দীত্বৰ

মুক্তিৰ বাবে আহ্বান জনাইছে—

"হে বিপ্লৱী বীৰ অধিনায়ক হে
দিয়া অগ্নি বাণী বিপ্লৱৰ
ভাঙা বন্দীশাল কৌটিকালৰ
মুক্তি হওক নিৰ্য্যাতিতৰ।
তৰ দীপ্ত অনুৰাগে
নিদ্ৰা আচম্বিতে জাগে
জাগে জাগে
জাগে নিপীড়িত দল জগতৰ।।'

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ১৪২)।

ভাৰতত ইংৰাজৰ শাসনকালত আৰু পৰৱৰ্তী সময়ত ভাৰতৰ স্বাধীনতা লাভৰ পিছত দেখা দিয়া ধৰ্মীয় বিভেদ, জাতিভেদ প্ৰথা আদি ব্যাপক হাৰত বৃদ্ধি পাইছিল। সাধাৰণ জনগণৰ মাজত কাজিয়াৰ সৃষ্টি কৰি কিছুমান সুবিধাবাদী শ্ৰেণীয়ে নিজৰ স্বাৰ্থ পুৰণত ব্যস্ত হ'ল। কিছুমান অৰ্থনৈতিকভাৱে ধনী হ'ল, কিছুমান ৰাজনৈতিকভাৱে ক্ষমতাশালী হ'ল। কিন্তু সাধাৰণ ৰাইজ সৰ্বহাৰাত পৰিণত হ'ল। সুবিধাবাদী শ্ৰেণীটোৱে অকল নিজৰ বাবেহে যি কৰিব লাগে কৰিলে। সৰ্বহাৰা শ্ৰেণীটোৰ প্ৰতি কোনোধৰণৰ অনুকম্পা নাই। ধনী শ্ৰেণীটোৱে সৰ্বহাৰা শ্ৰেণীটোক সদায়ে বিভিন্ন ধৰণে শোষণ কৰি আহিছে। কৃষকে কষ্টেৰে কৰা ফচল মহাজনে ধাৰ সুজিবলৈ লৈ যায়। কৃষক-বনুৱাই অনাহাৰে দিন কটাবলগীয়া হয়, কিন্তু তাৰ বিপৰীতে দুৰ্নীতিগ্ৰস্ত ৰাজনৈতিক নেতা, বিষয়া, ঠিকাদাৰে ভোগ-বিলাসত মত্ত হৈ থাকে। মাৰ্ক্সবাদে এইবোৰৰ বিৰোধিতা কৰিছিল। মাৰ্ক্সে এখন সাম্য সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। ৰাভাই মাৰ্ক্সৰ আদৰ্শেৰে সাম্য সমাজৰ প্ৰতিষ্ঠাৰ বাবে বিপ্লৱ কৰিলে। তেওঁ মুমূৰ্ষ জনতাৰ মুক্তিৰ হকে উদ্দাত্ত কণ্ঠেৰে সৰ্বহাৰাসকলক একগোট হ'বলৈ আহ্বান জনালে—

"অ মোৰ নিছলা অসমী আইৰ হালোৱা বনুৱা ভাই
কোনে কোনে পতিয়াব তোমাৰ আজিৰ কিয়নো এনুৱা বিলাই
কপালৰ ঘাম ভৰিত পেলাই সাঁচিছিলোঁ যিটো ধন

সকলো লুটিলে ধনী চিনাজোকে ভাঙিলে তোমাৰ মন।
এদিন তুমি গঢ়িছিলা এই ধুনীয়া অসম সোণৰ
গোটেই অসম তোমাৰ আছিল অমিয়া সপোনৰ।”

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৭৬)

বিষ্ণুপ্ৰসাদ ৰাভাই পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে দীন-হীন সৰ্বহাৰা শ্ৰেণীটোৰ অধিকাৰৰ বাবে সাম্যবাদ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। পঞ্চায়তীৰাজ ব্যৱস্থাটোৰ ওপৰত ৰাভাৰ গভীৰ আস্থা আছিল। ৰাভাই বিপ্লৱী হৈ আত্মগোপন কৰি থকা সময়ত সশস্ত্ৰ বিপ্লৱৰ লগতে চৰকাৰী আইন ভংগ কৰি পঞ্চায়তীৰাজ ব্যৱস্থা গঢ়ি তুলিবলৈ আহ্বান জনাইছিল। ৰাভাৰ গভীৰ বিশ্বাস আছিল যে পঞ্চায়তীৰাজ ব্যৱস্থাই সৰ্বহাৰা জনগণক প্ৰাপ্য অধিকাৰ প্ৰদান কৰিব। ৰাভাই উৰিষ্যাৰ বৰ্হমপুৰ জেলত থকা সময়ত ৰচনা কৰা এই কবিতাটোৱে সেই কথা কয়—

“ৰাইজেই ৰজা মোৰ
প্ৰজায়েই ৰজা মোৰ
সুখৰে পঞ্চায়তৰাজ।।
সাজ মুক্তি সেনা! সাজ
হ’ব সমদল আজি বাজ
সুখৰে পঞ্চায়তৰাজ।।
....................
দূৰ হ’ল দুখিতৰ দুখ
আজি হ’ল শোষিতৰ সুখ
কত শ শত যুগৰ
কত শত শ্বহীদৰ
মৃত্যুৰ স্মৃতি এই তাজ।
সুখৰে পঞ্চায়তৰাজ।।”

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ১৩৯)

ৰাভাই সৰ্বহাৰা জনগণৰ বাবে যি সংগ্ৰাম কৰিছিল তাত পুৰুষৰ সমানে মহিলাখিনিকো

সমভাৱে যুঁজিবলৈ আহ্বান জনাইছিল। ৰাভাই মহিলাখিনিকো শোষণকাৰীসকলৰ বিৰুদ্ধে ভয় নকৰি তয়াময়া ৰণলৈ ওলাই আহি শত্রু নিধনলৈ আহ্বান জনাইছে। ৰাভাই ৰোৱনী-শিপিনীসকলৰ বজ্র কঠিন হাতেৰে ৰণলৈ নামিবলৈ কৈছে—

"অ' ৰোৱণী/মই দিয়া ভূই/আলফুলে ৰুই/
চোকা ৰ'দত দহি-পুৰি/বৰষুণত তিতি-বুৰি
চৰণ বুলাই-/ ব'ল আগুৱাই/নামানি বিঘিনি
এই অসমীৰ/এই ধৰণীৰ/ মাটিৰে শিপিনী।
ৰণৰ শিঙাই তোলে ৰোল
সাজি ওলাবৰ হ'ল
কৰি জীৱন মৰণ পণ।"

(বি. প্র. ৰা. ৰ. স., প্রথম খণ্ড, পৃ. ১৪০)।

বিষ্ণু ৰাভাৰ 'ট্রাইবেল! জাগ ট্রাইবেল' এই কবিতাটোৰ জৰিয়তে অসমৰ সমাজ বিৱৰ্তনৰ ইতিহাস জানিবলৈ দিয়ে। সকলো ট্রাইবেলকে ৰাভাই নতুন দিনৰ বাবে জাগিবলৈ কৈছে। শশী শৰ্মাই কৈছে— "সমাজ বিৱৰ্তনৰ ইতিহাসে জানিবলৈ দিয়ে যে আদিম সমাজ সমগ্র বিশ্বব্যাপী আছিল ট্রাইবেল সমাজ, আৰ্য-অনাৰ্য, হিন্দু-মুছলমান, জৈন-বৌদ্ধ, খৃষ্টান-অনাখৃষ্টান আটায়ে আছিল ট্রাইবেল। ট্রাইবেল সমাজত সমগ্র ট্রাইব বা গোষ্ঠীটোৰেই আছিল এটা পৰিয়াল সদৃশ।" (শৰ্মা, বিশ্বপ্রেমী বিষ্ণুপ্রসাদ ৰাভা, পৃ. ১০৪)। ৰাভাই অসমৰ বিভিন্ন জনগোষ্ঠীসমূহক জাগিবলৈ কৈছে ঃ

"জাগিব লাগিব তই কছাৰী মিকিৰ,
খাচী, ৰাভা, গাৰো, মিৰি, কুকী, নগা, বীৰ,
খাম্‌টি, মিচিমি, আবৰ, লালুং, লুচাই,
চিংফৌ, চিনটেং, মণিপুৰী, তাই,
টিপৰা, ডিমাছা, অকা, ডফলা, ককাই,
চুতীয়া, মদাহী, দেউৰী, টোটোলা, কোচ,
হাজং, বৰাহী

জাগিব লাগিব, তই জাগ

ল-চোঁ আগ ভাগ।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ১৬১)।

বিষ্ণু ৰাভা আছিল এজন প্ৰকৃত জাতীয়তাবাদী নেতা। অসমত বাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰে তেওঁ সম উন্নয়ন-প্ৰগতি বিচাৰিছিল। সেই উন্নয়ন, প্ৰগতিৰ বাবে ট্ৰাইবেল পুৰুষ-নাৰীসকলক আগবাঢ়ি আহিবলৈ কৈছে। পুৰুষৰ সৈতে সমভাৱে নাৰীখিনিকো আগবাঢ়িবলৈ আহ্বান কৰিছে। ৰাভাই পুৰুষৰ সৈতে সমভাৱে নাৰীৰ অধিকাৰৰ বাবেও বিপ্লৱ কৰিছে আৰু এই বিপ্লৱত নাৰীৰ যোগদানে অধিক শক্তি প্ৰদান কৰিব বুলি ৰাভা আশাবাদী। ৰাভাই 'ট্ৰাইবেল! জাগ ট্ৰাইবেল'ত নাৰীসকলক এইদৰে আহ্বান জনাইছে—

"সৰলা অবলা হোজা ট্ৰাইবেল নাৰী,

নাথাকিবি তয়ো পিছ পৰি,

তয়ো আজি জাগ,

বুকুত মেঠনী মাৰি তয়ো বাঢ় আগ

তয়ো বাৰু ল-চোঁ আগ ভাগ-

নতুন যুগৰ পাত মেল-

জাগ ট্ৰাইবেল।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ১৬১)।

ৰাভাই নিজৰ আদৰ্শত অলৰ-অচৰ আছিল। বিভিন্ন জনগোষ্ঠী, ভিন্ন ভাষা-ভাষী লোকৰ মাজত এক সমন্বয় গঢ়ি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোপ পাবলৈ ধৰা বা হেৰাই যোৱা সংস্কৃতিবোৰ উদ্ধাৰ কৰি আনি নতুনত্বৰে পুনৰ প্ৰতিষ্ঠা কৰিছিল। 'ন সমাজ' নামৰ কবিতাটোৰ জৰিয়তে পুৰণিকলীয়া, এলান্ধুকলীয়া সমাজখন চিকুণাই এখন নতুন ভাবৰ নতুন সমাজ গঢ়াৰ বাবে বনুৱাৰ দলক আহ্বান জনাইছে। ৰাভা আছিল ৰূপান্তৰত বিশ্বাসী বিপ্লৱী। সমাজত নতুনত্ব প্ৰতিষ্ঠাৰ বাবে তেওঁ সদায়ে অগ্ৰগামী আছিল। তেওঁ 'ন সমাজ'ত তাৰেই ইঙ্গিত দিছে—

'নতুন সাজত নতুন ভাবত

ন ধৰাত উজ্বলি

আগুৱাই যাওঁ লগৰীয়া

দেখুৱাওঁ গাৰ বল

মুকুতিৰ পথ পোহৰাই যাওঁ

আগবাঢ়োঁ ব'ল ব'ল।।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ১৫৫)।

ৰাভাই বিপ্লৱী কমিউনিষ্ট আদৰ্শত বিশ্বাসী আছিল যদিও পিছলৈ ভাৰতৰ গণতান্ত্ৰিক আদৰ্শ গ্ৰহণ কৰে। ৰাভাই অসমৰ জনজাতীয় লোকসকলৰ মাজত দেখা দিয়া নেতিবাচক কথাসমূহক প্ৰশ্ৰয় দিয়া নাছিল। ৰাভাই বৃহৎ অসমীয়া জাতীয়তাবাদৰ প্ৰতিষ্ঠা এই জনগোষ্ঠীসকলৰ অবিহনে সম্ভৱ নহয় বুলি কৈছিল। তেওঁ আন্তৰিকতাৰে সকলো জাতি-জনগোষ্ঠীৰে সমন্বয় বিচাৰিছিল। ৰাভাই অসমৰ জনগোষ্ঠীসমূহৰ সমন্বয় সাধনৰ বাবে কৈছিল— "এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত। নিজৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে জ্ঞান থকা উচিত। পৰম্পৰাৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা কালৰ ৰথৰ চকাত অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৯৪৬)। ৰাভাই অসমৰ জনজাতীয় লোকসকলৰ উন্নতিৰ কাৰণে প্ৰচেষ্টা চলাইছিল, পদদলিত মানুহখিনিৰ বাবে মুক্তি আৰু পোহৰৰ পথৰ সন্ধান দিব বিচাৰিছিল। অসমীয়া জাতীয়তাবাদৰ আঁৰত থকা সংস্কৃতিৰ এনাজৰীডাল ৰাভাই মজবুত কৰিব বিচাৰিছিল। অসমৰ বিভিন্ন জনগোষ্ঠীসমূহে যেনে— বড়ো, মিছিং, আহোম, চুটীয়া, কলিতা, কৈৱৰ্ত, কেওঁট, কোচ, মেচ, ব্ৰাহ্মণ, চাহ বনুৱা, পমুৱা মুছলমান এই সকলোৰে মাজত প্ৰবাহিত সাংস্কৃতিক এনাজৰীডালক ৰাভাই শক্তিশালী কৰিছিল। ৰাভাই নিজৰ সাহিত্যত জাতীয়তাবাদৰ জৰিয়তে বিভিন্ন জনগোষ্ঠীসমূহক একতাৰ এনাজৰীৰে বান্ধিছে। যিখন সমাজত কোনো ভেদাভেদ নাথাকিব, ধনী-দুখীয়া নাথাকিব, সকলোৰে এক হৈ জাতীয়তাবাদক দৃঢ় কৰিব। তেওঁ বিভিন্ন জনগোষ্ঠীৰ মাজত জাতীয়তাবাদ আৰু সমাজবাদৰ আদৰ্শৰে সমন্বয় সাধন কৰিব বিচাৰিছিল। পুঁজিবাদী আদৰ্শই সমাজত ভণ্ডামি-অত্যাচাৰ আৰু শোষণৰ দ্বাৰা ক্ষতি কৰি আহিছে। বিষ্ণু ৰাভাই জাতীয়তাবাদী বিপ্লৱীৰূপে শঙ্কৰদেৱ, মহাত্মা গান্ধীৰ আদৰ্শ গ্ৰহণ কৰিছিল। ৰাভাই

জাতীয়তাবাদী আদৰ্শৰ জৰিয়তে ভাৰতৰ জাতীয় সংস্কৃতি পুনৰুদ্ধাৰ কৰাৰ কথা ভাবিছিল। ৰাভাই ভাৰতৰ জাতীয়তাবাদৰ লগতে অসমৰ জাতীয়তাবাদৰ কথাও কৈছে। ৰাভাই বুজিছিল যে অসমৰ সমগ্ৰ জাতি-জনগোষ্ঠীকে একতাৰ ডোলেৰে নাবান্ধিলে প্ৰকৃত স্বাধীনতা সম্ভৱ নহয়। কাৰণ জাতি-জনগোষ্ঠীৰ ক্ষেত্ৰত অসমখন বৈচিত্ৰপূৰ্ণ। সকলোকে একেলগ নকৰিলে একতাৰ সম্ভৱ নহয়। আৰু একতা অবিহনে এই স্বাধীনতা অসম্ভৱ-অবাস্তৱ।

বিষ্ণু ৰাভা উগ্ৰ জাতীয়তাবাদী নেতা নাছিল। মাৰ্ক্সবাদ আদৰ্শত বিশ্বাসী ৰাভাই আন্তৰ্জাতিকতাবাদৰ লগত জাতীয়তাবাদৰ ওপৰত গভীৰ আস্থা ৰাখিছিল। মাৰ্ক্সবাদে শ্ৰমিকৰ একতাৰ বাবে আন্তৰ্জাতিকতাক বিশ্বাস কৰে। শ্ৰমিকৰ কোনো জাতি নাই, পৃথিৱীৰ সকলো দেশত, সকলো শ্ৰমিক একেই, তেওঁলোক সৰ্বহাৰা-শোষিত।

ৰাভাই এই কবিতাটোত তেওঁৰ জাতীয়তাবাদ গভীৰভাৱে প্ৰকাশিত হৈছে—

"অ অসমীয়া ডেকা দল
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল?
দুৰ্গম নদ পাহাৰ-গিৰি
লংঘিছিল ডেকাগিৰি
সুন্দৰ শংকৰে লৰি
কৰিছিলে তল,
.....................
আৰ্হি তেওঁৰ এই অসমৰ
হওক অসীম বীৰ্য্য
অসমীয়া। সমনীয়া।।
আগবাঢ়ি যাওঁ ব'ল অ'
আগবাঢ়ি যাওঁ ব'ল।।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ১৭২)।

ৰাভাৰ 'ভেজাল ফুটনি' নামৰ কবিতাটোত আমাৰ মানুহখিনিৰ মিছা ভেম-আভিজাত্যক

লৈ ৰচনা কৰিছে। আমেৰিকাৰ বস্তু বুলি পৰিচয় দি গৌৰৱ কৰা লোকসকলক ভেজাল বুলি কৈছে। ৰাভাই প্ৰশ্ন কৰিছে—

"কিহৰ ফুটনি বাৰু
ইমান কিয়নো ভেম?"

কবি ৰাভাই সেই ফুটনিৰ কাৰণবোৰ বিচাৰি পাইছে, সেয়ে কবিয়ে কৈছে—

"সেই চিম্‌নী/ সেয়া নকলী জাপানী!
সেই ফিটা/ কোনোবা বেঙ্গলী কোম্পানীৰ গুঁথা
সেই মুখ/ ভাৰতীয় শ্ৰমিকৰ অপৰিসীম দুখ।
তোৰ আয়নাৰ বাটি/ সেয়া কোনোবা মজদুৰৰ শ্ৰমৰ দেহাৰ
ঘামৰ পৰিণতি
..........................................
অসমৰ ৰিফাইনেৰীৰ দামী সোণ-পানী।
আৰু তুমি কোৱা বোলে,- দদাই আমেৰিকান।
নকৰিবা ভেম নিদিবা ভেজাল জান।"

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ১৪৮)।

এই কবিতাটিৰ সম্পৰ্কে শশী শৰ্মাই কৈছে— "কবিয়ে প্ৰকৃততে শোষণৰ স্বৰূপ উপলব্ধি কৰাব বিচাৰিছে। যি বস্তুৰ কাৰণে শোষক ধনিক শ্ৰেণীয়ে গৌৰৱ কৰে, ভেমত উফন্দি থাকে, সেই সকলো হ'ল শ্ৰমিকৰ হাড়ভঙা শ্ৰমৰ ফচল। ধনিক শ্ৰেণীয়ে তাৰ কাৰণে গৌৰৱ কৰা বা ভেমত ওফন্দি থকা যে তেনেই অযুক্তিকৰ, তেনেই ভিত্তিহীন তাক স্পষ্ট ভাষাত ফুটাই তুলিলে। 'ভেজাল ফুটনি' প্ৰতিবাদী কণ্ঠৰ জ্বলন্ত বিকাশ। কবিয়ে কিন্তু সম্পদৰ স্ৰষ্টা শ্ৰমিকৰ প্ৰতি অকপট শ্ৰদ্ধা নিবেদন কৰিবলৈ দ্বিধাবোধ কৰা নাই।" (শৰ্মা, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ১০৯)

আনহে নালাগে ৰজাৰ নৰ্তকী ভাবনাৰে উদ্বুদ্ধ কবিতা আৰু গীতকেইটাৰ ভাষাতো আনকি মাৰ্ক্সবাদৰ সুৰহে ধ্বনিত হৈছে। প্ৰগতিশীল ধাৰণাৰ বিচ্ছুৰণে তেওঁৰ গীত আৰু কবিতাক এক ধাতৰ কাঠিন্য প্ৰদান কৰিছে। ইতিমধ্যে দি অহা উদাহৰণসমূহে সেই কথা অধিক স্পষ্ট কৰিব। শ্ৰেণী বৈষম্যৰ বিৰুদ্ধে উদাত্ত সুৰেৰে প্ৰতিবাদ কৰা ৰাভাৰ কবিতাৰ ভাষাত ৰোমাণ্টিক ভাব

বিলাস অথবা ৰমনীয়তাৰ স্থান নাই। তেওঁ কবিতা ৰচনা কৰিছিল শিক্ষিত-অশিক্ষিত সাধাৰণ সকলো শ্ৰেণীৰ বাবে। কেৱল বৌদ্ধিক পঢ়ুৱৈৰ মাজতে নিৰ্দিষ্ট হৈ থকা কবিতা আৰু গীতৰ ৰচক ৰাভা নাছিল। পঢ়িব নোৱাৰিলেও যাতে তেওঁৰ কবিতাৰ পাঠ শুনিয়েই খাটি খোৱা মানুহৰ মনত লুকাই থকা নিষ্পেষণৰ বেদনাই প্ৰতিপদৰ অগ্নি হৈ বাট কটাৰ উৎসাহ বিচাৰি পায়, সেই উদ্দেশ্যেৰে ৰাভাই প্ৰত্যক্ষ আৰু দ্ব্যৰ্থকতাবিহীন শব্দগুচ্ছৰ সজ্জাৰে তেওঁৰ প্ৰতিবাদী কবিতা আৰু গীতসমূহ ৰচনা কৰিছিল। আজিও তেওঁৰ কবিতাৰ পাঠ অথবা আবৃত্তিয়ে সাধাৰণ শ্ৰোতাৰ মনতো আনকি এক উদ্দীপ্ত স্ফুলিংগৰ সৃষ্টি কৰিব পাৰে। সেইখিনিতে ৰাভাৰ কবিতাত ব্যৱহৃত ভাষাৰো গুৰুত্ব অনুধাৱন কৰিব পাৰি। 'বিষ্ণুপ্ৰসাদ ৰাভাৰ কবিতাৰ ভাষা' এই বিষয়তো এটি শক্তিশালী গৱেষণা সম্পন্ন হ'ব পাৰে আৰু এই গৱেষণা যে হ'বই সেই সম্পৰ্কে আমাৰ গভীৰ বিশ্বাস আছে। অতএৱ, আমাৰ গৱেষণাৰ বিষয়বস্তুলৈ চাই ইয়াত ভাষাত প্ৰসংগটোক বহলাই আলোচনা কৰাৰ পৰা বিৰত থকা হ'ল।

বিষ্ণুপ্ৰসাদ ৰাভাই কাব্য সাহিত্যত দিয়া বৰঙণি অপৰিসীম। তেওঁ বিভিন্ন বিষয়ক গীত আৰু কবিতা ৰচনা কৰিছিল। তেওঁৰ ৰোমাণ্টিক ভাৱৰ, আধ্যাত্মিক ভাৱৰ, শ্ৰেণী সংগ্ৰাম, জাতীয়চেতনা, দেশপ্ৰেম, বৈপ্লৱিক চেতনা, সামাজিক দায়বদ্ধতা, ধৰ্মীয় ভাৱাপন্ন ইত্যাদি বিষয়ক গীত আৰু কবিতা ৰচনা কৰে। আমাৰ নিৰ্বাচিত বিষয় বিষ্ণুপ্ৰসাদ ৰাভাৰ কাব্য সাহিত্যত (গীত আৰু কবিতা) মাৰ্ক্সবাদী আদৰ্শ, গতিকে বিষয়বস্তুৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি অকল মাৰ্ক্সবাদ-সাম্যবাদ আদৰ্শৰ প্ৰতিফলিত হোৱা গীত আৰু কবিতাসমূহক লোৱা হৈছে। অন্যান্য বিষয়ক কবিতাসমূহক ইয়াত লোৱা হোৱা নাই।

বিষ্ণু ৰাভাই গীত আৰু কবিতাসমূহৰ জৰিয়তে তেওঁৰ যি মাৰ্ক্সীয় আদৰ্শ সেয়া প্ৰতিফলিত কৰিছে। কাব্য সাহিত্যসমূহৰ জৰিয়তে ৰাভাই সমাজৰ সৰ্বহাৰা কৃষক-বনুৱা শ্ৰেণীটোক নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে সংগ্ৰামত নামিবলৈ আহ্বান জনাইছে। বিপ্লৱী ৰাভাই পুঁজিবাদ নিঃশেষ কৰি সমাজবাদ প্ৰতিষ্ঠাৰ বাবে যুঁজ দিছিল। ৰাভাই ভেদাভেদহীন-শোষণমুক্ত সমাজৰ বাবে বিপ্লৱ কৰিছিল। এই বিপ্লৱ জনগণৰ সহযোগ অবিহনে সম্ভৱ নহয়। সেইবাবে ৰাভাই গীত আৰু কবিতাৰ জৰিয়তে এই বিপ্লৱত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। গীত আৰু কবিতাসমূহত পুঁজিবাদী ধনী মহাজন-জমিদাৰসকলে কিদৰে সাধাৰণ জনগণক শোষণ কৰি আছে আৰু ইয়াৰ পৰা জনগণে

কিদৰে মুক্তি লাভ কৰিব তাৰ বিষয়ে বৰ্ণনা কৰিছে। এই বিপ্লৱত পুৰুষসকলৰ সৈতে সমানভাৱে মহিলাখিনিকো যোগদান কৰিবলৈ তেওঁ আহ্বান জনাইছে। ৰাভাৰ কাব্য সাহিত্যত বিপ্লৱৰ স্ফূৰণ ঘটিছে। ৰাভা বিপ্লৱী হ'লেও তেওঁ কেৱল বন্দুকেৰে যুঁজিব বিচৰা নাছিল। জনগণৰ মুক্তি কামনা কৰা ৰাভাই গান আৰু কবিতাৰে যুঁজ দিছিল। এইবোৰ গীত-কবিতা আৰু অন্যান্য সাহিত্যক বিপ্লৱৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। ৰাভাৰ জীৱনত দেশপ্ৰেমে আছিল কৰ্মময় জীৱনৰ আদৰ্শ আৰু সৰ্বহাৰা জনগণৰ দুঃখ মোচনেই তেওঁৰ বিপ্লৱৰ গূঢ়াৰ্থ। মানৱতাবাদ আছিল জীৱনৰ বৈপ্লৱিক চেতনাৰ শ্লোগান। জাতীয় চেতনাই তেওঁৰ কৰ্মোদ্যমৰ মূল লক্ষ্য আছিল।

**(খ) বিষ্ণুপ্ৰসাদ ৰাভাৰ গল্প আৰু উপন্যাসত মাৰ্ক্সবাদী আদৰ্শ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাৰ অসমীয়া সাহিত্য জগতলৈ আগবঢ়োৱা অৱদানৰ ভিতৰত গল্পৰ সংখ্যা সীমিত। বিষ্ণু ৰাভাই এখন মাত্ৰ গল্প সংকলন ৰচনা কৰিছিল। সেইখন হৈছে 'সোণপাহি'। সোণপাহিত মাথো চাৰিটা গল্পহে আছিল, সেইকেইটা হৈছে— 'সোণপাহি', 'হিয়াৰ পুং', 'কুৰি বছৰ জেইল' আৰু 'মামীৰ হাৰ'। পৰৱৰ্তী সময়ত 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰত' (প্ৰথম খণ্ড) অগ্নিসংস্কাৰ, জালকেছ আৰু 'অজ্ঞাতবাসৰ কথা' এই তিনিটা গল্প অন্তৰ্ভুক্ত কৰা হৈছে। চৰকাৰৰ ৰোষত পৰি আত্মগোপনৰ সময়ত আৰু যাযাবৰীৰূপে ছদ্মবেশী ৰাভাৰ অসমৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি ফুৰা সময়তে এইসমূহ গল্প ৰচনা কৰিছিল। সমাজৰ বিভিন্ন স্তৰৰ লোকসকলৰ সংস্পৰ্শৰ কথা ৰাভাৰ ৰচনাসমূহত প্ৰতিফলিত হৈছে।

বিষ্ণুপ্ৰসাদ ৰাভাই সোণপাহিৰ পাতনিতে কি পৰিস্থিতিত গল্পকেইটা ৰচনা কৰিছিল সেই কথাটো উল্লেখ কৰিছে। ৰাভাই মাৰ্ক্সবাদী সংগ্ৰামী আদৰ্শৰ কথা প্ৰকাশ কৰিছে। ৰাভাৰ নামত 'পৰওৱানা' বাহিৰ হোৱাত বাগানপাৰা গাঁৱত আত্মগোপন কৰিছিল। বাগানপাৰাত ইংৰাজৰ দিনত চেনিৰ কাৰখানা আছিল। কুঁহিয়াৰৰ পৰা ৰস চেপি যিদৰে চেনি উলিয়ায় ঠিক সেইদৰে সমাজত পুঁজিপতি-ধনী মহাজনসকলেও সৰ্বহাৰা কৃষক-বনুৱাক চেপি তেওঁলোকক শোষণ কৰে। ৰাভাই কৈছে— "গোটেই ৰাজ্যখনেই আজি কুঁহিয়াৰৰ বাগান যেন লাগে, হয় নে নহয় কোনে জানে? ক'ৰবাত চেপা, হেঁচা, পেৰা যন্ত্ৰত বলি খাবলৈ যেন এই খেতি, এই কাৰবাৰ— এনে হেন মনত ধৰে।" (বি. প্ৰ. ৰা. ৰ. স. প্ৰথম খণ্ড, পৃ. ৫৬৬)। ৰাভাই চৰকাৰৰ হাতত ধৰা নপৰিবলৈ সদায়

বিভিন্ন গাঁৱলৈ গৈছিল। ৰাভাক সকলোৱে খুব মৰম কৰিছিল। তেওঁ আছিল ৰাইজৰ হিয়াৰ আমঠু। এনেই ৰাইজৰ মৰম-চেনেহৰ পহিলা চিনাকি। "এফালে ৰাইজ আনফালে চৰকাৰ। চৰকাৰে শুঙি শুঙি মোক বিচাৰি ফুৰে চৰকাৰৰ বিৰোধী বুলি, ৰাইজৰ বুকুৰ ফালে হিয়াৰ ৰঙা আমঠু বুলি ৰাইজে বিচাৰে মোক ৰইখা কৰিবলৈ। আজিৰ সমাজত কিবা যেন কেৰোণ কেৰোণ লাগে। ৰাইজৰ চৰকাৰৰ লগত ৰাইজৰ অমিল কিয়? ... চৰকাৰে ভাৱে, মই হেনো চৰকাৰৰ শতৰু', ৰাইজে ভাৱে, মই হেনো ৰাইজৰ 'মিতৰু'। ৰাইজৰ লগত চৰকাৰৰ মিল নাই; তেনে অমিল। এইবোৰ গুণি, গুঁঠি, পিটিকি ফঁহিয়াই ফঁহিয়াই চাওঁ, ...দেখোঁ আৰু চিন্তো, -চৰকাৰ ৰাইজৰ মিতা নে চকুৰ কুটা?..." (বি. প্র. ৰা. ৰ. স., প্রথম খণ্ড, পৃ. ৫৬৬)। ৰাভা আছিল এজন সমাজতান্ত্রিক বিপ্লৱী। সমাজৰ সৰ্বহাৰা নিৰ্যাতিত-নিপীড়িত, শোষিত জাতিৰ বাবে তেওঁ এই সংগ্ৰামত নামি পৰিছিল। তেওঁ 'বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ৰ নেতৃত্বত সমাজতান্ত্রিক বিপ্লৱৰ জঙ্গী আন্দোলন চলে বুলি নিজেই কৈছে। এই আন্দোলন কলিকতাৰ দমদম্ বসিৰহাটৰ পৰা আৰম্ভ কৰি অসমতো ব্যাপক ৰূপ ধাৰণ কৰে। সৰ্বহাৰা কৃষক-মজদুৰ ৰাইজে পুঁজিবাদী-মহাজন-জমিদাৰৰ পৰা শোষণ, নিৰ্যাতন-নিপীড়নৰ পৰা মুক্তি বিচাৰে। ৰাভাই এই মুকুতিৰ প্ৰসংগত কৈছে— "চিঞৰি চিঞৰি ৰাইজে হাবাথুৰি খাই মুকুতিৰ বাট বিচাৰি বিচাৰি সেই এন্ধাৰত খেপিয়াই ফুৰে। বাট নাপায়। সেই চিঞৰ মুখৰ নহয়, অন্তৰৰ। শুনোতাই বুজে, বুজোঁতাই শুনে। মুকুতিৰ হেঁপাহত কোনোবাই বেলেগ ধৰ্ম্ম লয়, কোনোবাই ভিন ৰাজনৈতিক দলত সোমায়, কোনোবাই সেই হাবিলাসত উধাই-মুধাই ঘূৰে, ঠেলা-হেঁচাত উশাহ নাপাই মৰে, কতই আপোনঘাতী, স্বজনবধী হয়, মুকুতি আৰু নাপায়। সেই একেই অসুখ, একেই অশান্তি, একেই অকল্যাণ। জীৱন বিষত বিষময় হৈ উঠে।" (বি. প্র. ৰা. ৰ. স., প্রথম খণ্ড, পৃ. ৫৬৭)। ৰাভাই এই মুকুতিৰ পথক বিপ্লৱ বুলি কৈছে। বিপ্লৱ অবিহনে মুকুতি সম্ভৱ নহয় আৰু সেই মুক্তি মাৰ্ক্সবাদেহে দিব পাৰিব। সেই বিপ্লৱৰ পথ কষ্টকৰ, কাইটীয়া। ৰাভাই কৈছে— "বিপ্লৱৰ বাট। আমি জ্বলাওঁ সেই আৰিকাঠীৰ জুই-জুমুঠি। সেই বাট, সেই পাৰ্টি, সেই পথেদি আগুৱাই যাবলৈ মন যায় জনতাৰ। সেই পথ কণ্টকময়, সেই বাট-পথ কাইটীয়া। ঘাত-প্ৰতিঘাত আছেই। চেতনা লাগে, প্ৰেৰণা জাগে, বৈপ্লৱিক পথেদি যাবলৈ সংঘাতৰ শ্ৰেণী, সংঘাত প্ৰস্তুতিৰ প্ৰয়োজন হয়। তেনে প্ৰস্তুতিত বাধা-বিঘিনি ওপজে।" (বি. প্র. ৰা. ৰ. স., প্রথম খণ্ড, পৃ. ৫৬৭)।

ৰাভাই সোণপাহিৰ পাতনিত মহাভাৰতৰ প্ৰসংগ টানি আনিছে। মহাভাৰতৰ কৌৰৱ পক্ষৰ অন্যায়-অত্যাচাৰৰ শেষ পৰিণতি কুৰুক্ষেত্ৰত ধ্বংস হ'বলগীয়া হয়। ৰাভাই পুত্ৰমোহত অন্ধ ধৃতৰাষ্ট্ৰক কটাক্ষ কৰিছে। ৰাভাৰ মতে 'দ্বাপৰ যুগৰ ধৃতৰাষ্ট্ৰ কেৱল অন্ধহে আছিল, কিন্তু কলিযুগৰ ধৃতৰাষ্ট্ৰ অন্ধও, কলাও।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৬৮)। ৰাভাই দ্বাপৰ যুগত ধৃতৰাষ্ট্ৰৰ দুষ্ট পুত্ৰ দুৰ্যোধন আৰু দুঃশাসনে জনগণৰ ওপৰত কিমান অত্যাচাৰ কৰিছিল। কলি যুগত পুঁজিপতি মহাজন-জমিদাৰ শ্ৰেণীটোৱে সাধাৰণ জনগণৰ ওপৰত একেই নিৰ্যাতন চলাইছে। ধৃতৰাষ্ট্ৰ যিদৰে পুত্ৰমোহত অন্ধ হৈ আছিল, আজিৰ সময়তো চৰকাৰে সেই অন্ধ ধৃতৰাষ্ট্ৰৰ দৰে হৈছে। সৰ্বহাৰাৰ শোষণ-নিৰ্যাতন দেখিও পুঁজিপতিৰ স্বাৰ্থ ৰক্ষাৰ বাবে অন্ধ হৈ বহি আছে। ৰাভাই প্ৰসংগত কৈছে— "দুষ্ট প্ৰকৃতিৰ পুতেক দুজন, দুৰ্যোধন আৰু দুঃশাসন, দুয়ো মিলি কিমান যে ৰাইজৰ ওপৰত পাশৱিক দমন, পীড়ন, উৎপীড়ন, অত্যাচাৰ কৰি ফুৰে; ধৃতৰাষ্ট্ৰই জানো দেখে? -নেদেখে। সেয়েহে সি অন্ধ। ... ৰাইজৰ কৰুণ আলৈ-আথানি হোৱা, বুকু ভগা, হিয়া ছিগা দৃশ্য সি নেদেখে। সেই দমন, পীড়ন, উৎপীড়নৰ ফলত জৰ্জৰিত হোৱা ক্লিষ্ট, পিষ্ট, দলিত, দুখীয়া ৰাইজৰ ইননি-বিননি, হা-হুমুনিয়াহ সি জানো শুনে? নুশুনে। কাৰণ সি কলাও। ধৃতৰাষ্ট্ৰ এই অন্ধতা আৰু বধিৰতাৰ সুযোগ লৈ সেই দুৰ্যোধন সেই পুঁজিপতি কুৱেৰহঁত, যিবিলাকে নিজৰ পুঁজিৰ মুনাফাৰ কাৰণে কু ভাবেৰে শ্ৰমজীৱী ৰাইজৰ মাজত যুঁজ-বাগৰ লগায়, সেই দুঃশাসন সেই ধনপতি ধনীৰ দালালহঁত, যিবিলাকে ধনিক শ্ৰেণীৰ স্বাৰ্থ পূৰণৰ বাবে অবাধে শোষণ চলাবলৈ বেয়া শাসন কৰে। ইয়াৰ জানো কোনো প্ৰতিকাৰ নহ'ব?" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৬৮)। ৰাভাই মাৰ্ক্সবাদৰ আদৰ্শ প্ৰচাৰৰ বাবে গঠিত হোৱা মুক্তি-ফৌজ, নাৰী মুক্তি সংঘ, কৃষক-বনুৱা-পঞ্চায়তৰ অগণন সংগঠনৰ বাবে অবিৰামভাৱে সভা-সমিতি কৰিছিল আৰু তাতে মুক্তিৰ বাবে যে বিপ্লৱৰ প্ৰয়োজন সেয়া জনগণক বুজাইছিল। ৰাভাই সংগঠনৰ কামত অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে ভ্ৰমণ কৰিছিল আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত মাৰ্ক্সবাদৰ আদৰ্শ প্ৰচাৰ কৰিছিল। সৰ্বহাৰাসকলক ধনতন্ত্ৰবাদী ব্যৱস্থাই কেকোঁৱা চেঁপা দিছে। সমাজত অশান্তিৰ সৃষ্টি হৈছে। ৰাভাই কৈছে— "আজিৰ সমাজত অশান্তি, কাৰণ সেই তেজপিয়াহঁতৰ হাতত শকতি ক্ষমতা। ৰাইজ যেতিয়া বিদ্ৰোহী হয়, তেতিয়া কিছু সান্ত্বনা দিবলৈ সিহঁতে ৰাইজক কিঞ্চিৎ শান্তি দিয়ে। সেই শান্তি চিৰকলীয়া নহয়। সমাজৰ সেই অশান্তিকাৰী কুণ্ডটোকে ওফৰাই তাত শান্তিৰ কুণ্ড নবহুৱালে

যাউতিযুগীয়া শান্তি আহে কেনেকৈ?" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৫৯)। ৰাভাই জীৱনৰ সৰহসংখ্যক মূল্যৱান ৰচনা অজ্ঞাতবাসৰ সময়ত ৰচনা কৰে। যাযাবৰী ৰাভাই জনতাৰ সান্নিধ্যত থাকি এই সাধনা আগবঢ়াই লৈ গৈছিল। সাধাৰণ জনগণে ৰাভাৰ হিয়াৰ আমঠু আছিল। আৰক্ষী চোৰাংচোৱাৰ ভয়ত ৰাভাৰ ৰচিত বিভিন্ন মূল্যৱান সাহিত্যৰাজি ধ্বংস হৈছে, নাইবা নষ্ট কৰি পেলোৱা হৈছে. ৰাভাই আক্ষেপেৰে কৈছে— "ৰাইজৰ লগত যে মোৰ এই ঘনিষ্ঠ সম্পৰ্ক, নিবিড় সম্বন্ধ... তেওঁলোকৰ জীৱনৰ কথা যদি মই নিলিখোঁ বা প্ৰকাশ নকৰোঁ, তেন্তে সি মোৰ মহাপাপ হ'ব। সেই কাৰণে কিছু কিছু গল্প, কবিতা, নাটক, উপন্যাস লিখিছিলোঁ। পুলিচ-মিলিটাৰীৰ কমিউনিষ্ট বিৰোধী অভিযানে মোৰ বহুতো ৰচনা, বহুতো সৃজনী নাশ কৰিলে, আনকি বহুতো গৱেষণাৰ সৰ্বনাশো সাধিলে। হয়তো সেইবোৰে আজিৰ অসমীয়া সাহিত্যৰ দীপাৱলীত বন্তি এগছিৰ শিখা নহ'লেও, -ধোঁৱা হৈও অলপ জেউতি চৰালেহেঁতেন। সেই গৱেষণামূলক তথ্যবোৰে আজি হয়তো বিজ্ঞান জগতৰ আন আভাস নিদিলেও কিঞ্চিত ইঙ্গিত নিশ্চয় দিলেহেঁতেন। সংগ্ৰহৰ পুঁজিৰ বহুতো আই বসুমতীৰ কোলাত মাৰ গ'ল।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৬৯)। ৰাভাই যি সাহিত্যসমূহৰ ৰচনা কৰিছিল সেয়া তেওঁৰ অভিজ্ঞতাৰ ফচল, ৰাভাই জীৱনৰ বাটত লগ পোৱা বিভিন্ন কাহিনী-চৰিত্ৰই ইয়াত ঠাই লাভ কৰিছে। ৰাভাই সহজ-সৰল ভাষাত সৰ্বসাধাৰণ জনতাই বুজিব পৰাকৈ লিখিছিল। ৰাভাই সোণপাহিৰ পাতনিত কৈছে— "প্ৰায় দহ হাজাৰ মাইল ভ্ৰমণ কৰি যি অভিজ্ঞতা আৰ্জ্জিলো, -ৰাইজৰ যি কৰুণ দৃশ্য দেখিলোঁ, -তাৰে কিছুমান সৰলচিতীয়া হোজা গাঁৱলীয়া হালোৱা, হজুৱা, দুখীয়া ৰাইজৰ কাৰণে সহজ-সৰল ভাষাত লিখিছিলোঁ।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৬৯)। ৰাভাই গল্পকেইটা সাধাৰণ হোজা জনগণৰ বাবেহে লিখা বুলি কৈছে, "এই চাৰিটা গল্প উচ্চ শিক্ষিত সম্প্ৰদায়ৰ (Intelligent) কাৰণে লিখা হোৱা নাই। তেখেতসকলে বৰ ডাঙৰ আশা লৈ কিবা বিচাৰি পঢ়িলে নিৰাশ হ'ব। হোজা দুখীয়া ৰাইজৰ দৃষ্টিভঙ্গীৰে পঢ়িলেহে অলপ তৃপ্তি পাব।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭০)।

বিষ্ণুপ্ৰসাদ ৰাভাৰ গল্প আৰু উপন্যাসত মাৰ্ক্সবাদী সংগ্ৰামী সত্তা কিদৰে প্ৰতিফলিত হৈছে সেই বিষয়ে আলোচনাৰ প্ৰযত্ন কৰা হ'ব। সংগ্ৰামী সত্তাৰ লগতে গল্পসমূহত প্ৰতিফলিত হোৱা বিভিন্ন দিশৰ বিষয়েও আলোচনাৰ প্ৰযত্ন কৰা হ'ব।

**(ক) সোণপাহি ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাৰ ‘সোণপাহি’ গল্পটো চীন বিপ্লৱৰ পটভূমিত ৰচিত। ইয়াৰ মূল বিষয়বস্তু হৈছে নাৰী নিৰ্যাতন, নাৰী জাগৰণ আৰু নাৰী মুক্তি। ভাৰত চৰকাৰে ‘বিপ্লৱী কমিউনিষ্ট পাৰ্টি’ (RCPI)ক নিষিদ্ধ ঘোষণা কৰাত ৰাভা আৰু তেওঁৰ সহযোগীসকলে আত্মগোপন কৰিবলগীয়া হৈছিল। ৰাভাৰ বহু সহযোগীয়ে আৰক্ষীৰ হাতত বন্দী হ’বলগীয়াও হৈছিল। ৰাভাই এই আত্মগোপনৰ সময়ছোৱাক অজ্ঞাতবাস বুলি কৈছে। বিষ্ণু ৰাভাই ‘সোণপাহি’ৰ পাতনিত কৈছে— “অজ্ঞাতবাসত থাকোঁতে ‘জেক্ বেলডুইন’ৰ 'China Skakes the World', ‘চীনে জগতখন জোকাৰি কঁপায়’ নামৰ ইংৰাজী পুথিখন 'The Golden Flower', ‘সোণপাহি’ নামে কাহিনীটো মোৰ বনবাসিনী সহধৰ্মিনী কমৰেড্ কনলকতা ৰাভাৰ অন্তৰত বৰ লাগে। তেখেতৰ অনুৰোধত তেখেতৰ মনৰ জোখাই ‘সোণপাহি’ কাহিনীটো গল্প আকাৰত লিখা হয়। ..এই গল্প ৰচনাত তেখেতৰো দান আছে।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭০)। ‘সোণপাহি’ চীনৰ লিচিয়াচুয়াঙৰ ধুনীয়া ছোৱালী। সোণপাহিৰ ককায়েকৰ পঢ়াশলীয়া লগৰীয়া লিপাওৰ সৈতে প্ৰণয় গঢ়ি উঠে। কিন্তু চীনৰ সেই সময়ৰ সামন্ততান্ত্ৰিক ব্যৱস্থাত নাৰী পৰাধীন, পণ্য, ভোগৰ সামগ্ৰী মাত্ৰ। সোণপাহিৰ মাক-দেউতাক, আত্মীয়-স্বজন আৰু সমাজৰ বৰমূৰীয়াসকলৰ হেঁচাত সোণপাহিৰ বিয়া হয় তাইতকৈ কুৰি বছৰে ডাঙৰ আদহীয়া পুৰুষ চ্যাঙৰ লগত। এই বিয়া সোণপাহিৰ অনিচ্ছা সত্বেও হৈ যায়। সোণপাহিয়ে তীব্ৰ প্ৰতিবাদ কৰিছিল। কিন্তু চীনৰ ব্যৱস্থা আছিল কঠোৰ “... চীনৰ সামাজিক বিধানৰ কঠোৰ শাসনৰ গৰজনি, ঢেৰেকনি। কামিহাড়ৰ তলিত কঁপনি।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭২)। সোণপাহিয়ে প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। নিজ ইচ্ছা আৰু পছন্দৰ বিৰুদ্ধে হোৱা বিয়াখনৰ পৰা পৰিত্ৰাণ পাবলৈ সোণপাহিয়ে আত্মহত্যাৰ চেষ্টা কৰে যদিও তাই ব্যৰ্থ হয়। মাক-দেউতাক তথা ওচৰ-চুবুৰীয়াৰ তৎপৰতা আৰু যত্নত সোণপাহিৰ চেতনা ফিৰি আহে। সোণপাহিৰ মানসিক অৱস্থা দেখি মাকে তাইক বুজায়— “তুমি ভাগ্যৰ কাৰণে জীয়াই থকা উচিত মোৰ সোণ।” আকৌ সেই কাৰাগাৰ, ভাগ্যৰ বন্দীশাল। চীনৰ লাখ-বিলাখ নাৰীৰ প্ৰতি বলিশাললৈ নিয়াৰ সান্ত্বনাপূৰ্ণ, মাতৃসকলৰ মন্ত্ৰ। ...ভাগ্য নে বন্দীশাল ? ...পুনৰ বেদনাভৰা জীৱন, ক’লা সমাজৰ ক’লা শাসন, জীৱনভৰ দাসত্ব।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭৫)। সোণপাহিয়ে বিয়াখনৰ বাবে তীব্ৰ প্ৰতিবাদ কৰিছিল মাকৰ সন্মুখত। মাকক বাৰম্বাৰ আপত্তিৰ

কথা জনাইছিল। সোণপাহিয়ে মাকক সোঁৰৰাই দিছিল যে বেছি বয়সৰ এজন লোকৰ লগত বিয়া হৈ গোটেই জীৱন কেনেদৰে কু-ফল ভোগ কৰিবলগীয়া হৈছিল। সোণপাহিয়ে ক্ষোভেৰে মাকক কয় — "তুমি মোক মাৰিব খুজিছা, হত্যা কৰিবলৈ বিচাৰিছা"। (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭৫)। সোণপাহি কঠোৰ হয়, সোণপাহিৰ মন বিপ্লৱী হৈ উঠে— "সোণপাহিৰ মন সংগ্ৰামমুখী হয়, তাই তাইৰ গোটেই দেহাৰ শকতি সঞ্চয় কৰি বিছনাৰ পৰা উঠি মাকৰ মুখৰ ফালে নিজৰ মুখ ঠেলি খঙেৰে ঘৃণাৰে কয়— "তোমালোকৰ আদেশ আৰু মই নামানো, বুজিছানে বুঢ়ী, মুৰ্খ, গাধজনী?" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭৫)। অৱশেষত সোণপাহিৰ বিয়া হয় তাইতকৈ কুৰি বছৰৰ ডাঙৰ, কুৎসিৎ চ্যাঙৰ লগত। বিয়াৰ পিছত সোণপাহিৰ ওপৰত স্বামীগৃহত চলে নাৰকীয় নিৰ্যাতন-অত্যাচাৰ। সোণপাহিৰ ওপৰত স্বামী চ্যাঙে পুৰুষতান্ত্ৰিকৰ প্ৰভাৱ খটুৱাব ধৰে। সোণপাহিয়ে গিৰীয়েকৰ জোতা-চোলা খুলি দিয়ে, পুৰা আকৌ জোতা-চোলা পিন্ধাই দিবলগীয়া হয়। চিগাৰেট জ্বলাই দিব লাগে, পানী ঢালি দিব লাগে, ইমান যত্ন লোৱাৰ পিছতো সি সোণপাহিক নিৰ্দয় ব্যৱহাৰ কৰে, মাৰ-ধৰ কৰে, সোণপাহিৰ মুখৰ পৰা তেজ বয়। সোণপাহি নিৰুপায় হৈ মনে মনে থাকে। তাই ভাগৰি বিছনাত বাগৰি পৰে, চ্যাং দানৱীয় হৈ যৌনলিপ্সা পূৰণ কৰে। সোণপাহিয়ে মাকৰ সমুখত চ্যাঙৰ সৈতে বিয়া দিয়াৰ বাবে মাকৰ ওচৰত তীব্ৰ প্ৰতিবাদ আৰু খঙত নিজৰ ভাৱ প্ৰকাশ কৰিছে, "সোণপাহিয়ে খঙত মাটিত গুৰিয়ায়, বেজাৰত তাইৰ চকুৰ পৰা চকুলো বয়। ... তাই নিৰুপায়। ...তাইৰ মাক-বাপেকৰ দোষ নে? সমাজ ...সমাজ। তাই সহায়হীন হয়। তাই কয়— "তুমি কেৱল সমাজকে ঘিন নকৰা, মোকো।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭৬)।

সময়বোৰ গৈ থাকে, সোণপাহিৰ ওপৰত সৰু সৰু অজুহাততে অত্যাচাৰ চলে। বিভিন্নজনৰ বুজনিত সোণপাহিয়ে সকলো সহ্য কৰি আগবাঢ়ে। কিন্তু সোণপাহিৰ ওপৰত নিৰ্যাতন কম নহয়। সোণপাহিয়ে ইয়াৰ পৰিত্ৰাণৰ ৰাস্তা বিচাৰি নাপায়। এবাৰ খবৰ আহে সোণপাহিৰ মাকৰ টান বেমাৰ, মাকক চাবলৈ তাই ঘৰলৈ যাব বিচাৰে, কিন্তু শহুৰেকে তাইক অনুমতি নিদিয়ে। সোণপাহিৰ বহু কাকুতি-মিনতিত শহুৰেকে অনুমতি দিয়ে। সোণপাহিয়ে ঘৰৰ পৰা ঘূৰি অহাৰ পিছত পলম কৰাৰ অজুহাতত শহুৰেকৰ আদেশত তাই এবেলা সময় আঁঠুকাঢ়ি শাস্তি ভোগ কৰিবলগীয়া হয়। সোণপাহিয়ে সকলো পৰিস্থিতিতে শহুৰেকৰ ঘৰখন আৰু স্বামী চ্যাঙক সুখী ৰাখিবলৈ যত্ন কৰিছিল। উত্তৰ চীন প্ৰদেশত হোৱা দুৰ্ভিক্ষৰ সময়ত সকলোৱে ভাল ভাল খাদ্য গ্ৰহণ কৰিলেও সোণপাহিয়ে

তুঁহ ভৰা আহাৰহে খাব পাৰিছিল। পেটৰ ভোক নিবাৰণৰ বাবে তাই গছৰ পাত ছিঙি চোবাইছিল। সেই সময়ৰ চীনত সামন্ততান্ত্রিক সমাজ ব্যৱস্থাত মহিলাৰ কোনো অধিকাৰ, স্বাধীনতা, মৰ্যাদা নাই। কমিউনিষ্ট নেতা মাও চে তুঙৰ নেতৃত্বত চীন বিপ্লৱ সম্পন্ন হোৱাৰ পূৰ্বে মহিলাৰ ওপৰত অত্যাচাৰ নিৰ্যাতন আছিল অধিক কঠোৰ-নিৰ্মম। বিপ্লৱী নেতা মাও চে তুঙে কৈছিল যে চীনা সমাজত বাধা হিচাপে সন্মুখত তিনিটা পাহাৰ আছে। কিন্তু চীনৰ নাৰী সমাজৰ সন্মুখত এই তিনিটা পাহাৰৰ উপৰিও আৰু এটা পাহাৰ আছে, সেইটো হৈছে পুৰুষতন্ত্ৰৰ পাহাৰ। চীনৰ ন-গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে এই তিনিটা পাহাৰ সদৃশ সমস্যাৰ আঁতৰ কৰিব লাগিব। কিন্তু মহিলাসকলে নিজৰ প্ৰাপ্য অধিকাৰ প্ৰতিষ্ঠাৰ হকে এই তিনিটাৰ লগতে পুৰুষতন্ত্ৰ ব্যৱস্থাটো আঁতৰ কৰিব লাগিব। ১৯৪৪ চনত চীনত এক নতুন বিপ্লৱৰ সূচনা হয়। মাৰ্ক্সবাদী আদৰ্শৰ দ্বাৰা গঠন হয় অষ্টম বাহিনী। অষ্টম বাহিনীৰ সংগঠনৰ আগমন হয় সোণপাহিৰ গাঁৱত। গাঁৱত অষ্টম বাহিনীৰ শাখা 'নাৰী সংঘ' গঠন হয়। নাৰী সংঘৰ গঠনৰ জৰিয়তে বিভিন্ন কাম-কাজ আৰম্ভ হয়। নাৰী সংঘৰ বিষয়ে অষ্টম বাহিনীৰ প্ৰতিনিধিজনে ঘোষণা কৰে— "পুৰুষৰ সমানাধিকাৰ নাৰীৰো, যিসকল নাৰীয়ে বেছিকৈ সমাজৰ কঠোৰ শাসনত নানান নিৰ্যাতন ভোগ কৰিছে, তেওঁলোকে যেন এই নাৰী-সংঘত যোগ দিয়ে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭৯)। 'নাৰী সংঘ'ৰ মূল কাৰ্য হৈছে নাৰীৰ ওপৰত অত্যাচাৰৰ বিচাৰ কৰা, দোষীক উপযুক্ত শাস্তি দিয়া। 'নাৰী সংঘ'ৰ নেত্ৰীসকলে মহিলাসকলক এই কথাবোৰ ভালদৰে বুজাই দিয়ে।

'নাৰী সংঘ'ই মহিলাসকলৰ প্ৰাপ্য তথা মৰ্যাদাৰ বাবে অবিৰতভাবে সংগ্ৰাম কৰিবলৈ ধৰিলে। ইয়াৰ নেতৃত্ব দিলে সেৰিকা (cadre) কলী জেড়ে। সোণপাহিয়ে নিজৰ সকলো যাতনা কলী জেড়ৰ আগত প্ৰকাশ কৰে। সোণপাহিৰ শহুৰেকৰ মন পৰিৱৰ্তন কৰিবৰ বাবে নাৰী সংঘৰ সেৰিকাসকলে বিচাৰ কৰিবলৈ লৈ যায়। বিচাৰত মহিলা নেত্ৰী এগৰাকী নাৰী মুক্তিৰ কথা কয়— "তেওঁৰ ওজস্বিনী বক্তৃতা মুখেদি ওলাই বৈ যায়। অদ্ভুত মোহিনী শক্তি। তেওঁ চীনৰ সামন্তবাদ, জমিদাৰৰ অত্যাচাৰ, পুৰুষৰ দাসী নাৰী, বোৱাৰী-জীয়ৰীহঁতৰ মুক্তি, বোৱাৰীহঁতৰ মুক্তি-সংগ্ৰাম, অষ্টম-বাহিনী আৰু কমিউনিষ্ট পাৰ্টিৰ আদৰ্শ, নাৰীৰ সমানাধিকাৰৰ কাৰণে পুৰণি পচা ক'লা সমাজৰ বিৰুদ্ধে সংগ্ৰাম— ইত্যাদিৰ বিষয়ে ফঁহিয়াই ফঁহিয়াই বুজাই কয়। "নিৰ্য্যাতিতা নাৰী জাতিলৈ আমি ভগিনীসুলভ হাত মেলি দিছোঁ। আৰু আশা কৰোঁ চিয়াং কাইশ্বেকৰ ডিক্টেটৰশ্বিপ একনায়কত্ব

আৰু অত্যাচাৰী জমিদাৰহঁতৰ বিপক্ষে সংগ্ৰামত আমি গাঁৰৰ গাঁৱলীয়া নাৰীসকলৰ যথেষ্ট সহায়-সহানুভূতি পাম।” (বি. প্ৰ. ৰা. ৰ. সা, প্ৰথম খণ্ড, পৃ. ৫৮০)। সোণপাহিয়ে নাৰী-সংঘৰ বিচাৰত তাইক কৰা নিষ্ঠুৰ লাঞ্ছনা যাতনাৰ কথাবোৰ নিৰ্ভয়ে কয়। শহুৰেকে বিচাৰৰ শেষত নিজকে শুধৰোৱাৰ কথা কয়, সোণপাহিৰ প্ৰথম ভাগৰ মুক্তিৰ পথ দেখা দিয়াৰ বাবে এগৰাকী নাৰীয়ে জয়ধ্বনি দিয়ে— “সকলো নাৰী এক হওক।” ...প্ৰতিধ্বনিৰ উজাৰ উঠে— “এক হওক।” “স্থিতিশীল সমাজ ধ্বংস হওক।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৮১)।

সোণপাহি ক্ৰমান্বয়ে নাৰী সংঘৰ এগৰাকী সক্ৰিয় সেৱিকা হৈ পৰে। সংঘৰ কামত জড়িত হৈ পৰে, ৰাভাৰ ভাষাত— “সোণপাহি। এতিয়া তাই বিদ্ৰোহিনী, বিজয়িনী, নৱ শক্তিৰে শক্তিমতি।” কমিউনিষ্ট আদৰ্শত গঢ় লোৱা পুৰুষৰ ‘গণ-বাহিনী’ আৰু নাৰীৰ ‘নাৰী সংঘ’ সমাজৰ পৰিৱৰ্তনৰ বাবে সংগ্ৰামত জপিয়াই পৰে। সোণপাহিয়ে চিঠি লেখি গিৰিয়েক চ্যাঙক মাতি পঠিয়াই। চ্যাঙ কিছুদিনৰ মূৰত ঘৰ আহি পালেহি। শহুৰেকে চ্যাঙক সকলো কথা ক’লে, চ্যাঙে সোণপাহি আৰু নাৰী-সংঘৰ বিৰুদ্ধে গৰজি উঠিল। চ্যাঙে সোণপাহিক আকৌ অত্যাচাৰ কৰিবলৈ ধৰিলে। গিৰিয়েক চ্যাঙে সোণপাহিক কয়— “নাই। তোমাৰ জীৱন শেষ নকৰোঁ। মই কেৱল তোমাৰ হাত-ভৰি ভাঙি জীয়াই ৰাখিম, তোমাক বিকলাঙ্গ, অপদাৰ্থ কৰিম। তেতিয়া তুমি সভালৈ যাব নোৱাৰিবা। তোমাৰ ভগা ভৰিৰে, বগাইও যাব নোৱাৰিবা। কেনে কেনে মজা।” (বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ৫৮৪)। গল্পটোত গল্পকাৰে চ্যাঙ আৰু তাৰ বাপেকক সামন্ততান্ত্ৰিক ব্যৱস্থাৰ আৰু পুৰুষতান্ত্ৰিক সমাজৰ প্ৰতিনিধিৰ ৰূপত দেখুৱাইছে। সোণপাহিয়ে সেই ব্যৱস্থাৰ বিৰুদ্ধে বিপ্লৱ ঘোষণা কৰিছে। সেই ব্যৱস্থা ভাঙি এখন সাম্যসমাজ গঢ়িবলৈ তাই সংকল্প লৈছে। সোণপাহিয়ে কৰা এই সংগ্ৰাম সকলো নাৰীৰ বাবে কৰা সংগ্ৰাম আছিল। মহিলাখিনিয়ে নিজৰ প্ৰাপ্য অধিকাৰ আৰু সংগ্ৰামৰ বাবে নাৰী সংঘৰ সৈতে জড়িত হৈ পৰিছিল। চ্যাঙ ঘৰলৈ উভতি অহাৰ পিছত শহুৰেকে ঘটি যোৱা সকলো ঘটনাই ক’লে। চ্যাঙ সোণপাহি আৰু নাৰী সংঘৰ বিৰুদ্ধে গৰজি উঠিল। চ্যাঙ আছিল সামন্ততান্ত্ৰিক পুৰুষতান্ত্ৰিক ব্যৱস্থাৰ ঘোৰ সমৰ্থক। চ্যাঙৰ বক্তব্যৰ পৰাই বুজা যায়— “চ্যাঙে কয়— “টিন্ ভচিন্ চহৰত যি সমাজ আছে, সেই সমাজক মই ভাল পাওঁ। তাত পুৰুষৰ আদেশ তিৰোতাই মানে। কিন্তু য’ত কমিউনিষ্ট অষ্ট-বাহিনীৰ শাসন চলিছে, তাত নাৰী উচ্ছৃংখল হয়। তিৰোতাই পুৰুষক নামানে। আৰু বহুতো কথা আছে। টিন্-ভচিন চহৰত মানুহে মানুহক লুট

নকৰে। তাত ধনী আছে যদিও সিহঁতে পৰিপাটীকৈ পিন্ধে। কিন্তু মুক্ত অঞ্চলৰ সকলো সম্পত্তি বিলাই ভগাই দিয়া হয়। ...ধনী গৰীব হয়। মই এনেকুৱা নতুন সমাজক বিশ্বাস নকৰোঁ।" (বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ৫৮৭)। সোণপাহিয়ে মাও-চে তুঙে আৰম্ভ কৰা মাৰ্ক্সবাদী সাম্যবাদ বিপ্লৱৰ জৰিয়তে সমাজৰ পৰিৱৰ্তন বিচাৰিছে। তাই এখন নতুন সমাজ বিচাৰে যিখন সমাজত নাৰীক স্বাধীনতা দিয়া হয়, নাৰীক সামাজিক কামত সমানে অংশগ্ৰহণ কৰিব দিয়া হয়। গৰীব কৃষকে মাটি লাভ কৰি জীৱনৰ ভৰণ-পোষণ দিব পাৰে সকলোৱে যথেষ্ট খাব-পিন্ধিবলৈ পাব, সকলোৱে স্বাধীনতাৰ সুখ লাভ কৰিব। সোণপাহিয়ে সামন্ততান্ত্ৰিক ব্যৱস্থাটোক সমালোচনা কৰিছে— "...কাম-বন কৰি দুখীয়াই খাবলৈ নাপাব, পিন্ধিবলৈ নাপাব, কাম-বন নকৰি ধনীয়ে সুখেৰে বাস কৰিব, ই হ'ব নোৱাৰে। এজনৰ শ্ৰমফল আনে ভোগ কৰিব, ই অন্যায়।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৮৭)। নাৰী সংঘৰ বিচাৰৰ কাঠগড়াত দিয়া প্ৰতিশ্ৰুতি চ্যাঙে পাহৰি যায়। চ্যাঙে সোণপাহিক আকৌ অত্যাচাৰ কৰিব ধৰে। চ্যাঙে পূৰ্বৰ প্ৰতিশ্ৰুতি ভংগ কৰি সোণপাহিৰ ওপৰত পুৰুষতান্ত্ৰিক দাম্ভিকতাৰে অত্যাচাৰ চলাই যায়। সোণপাহিয়ে নাৰী সংঘৰ কাষ চাপে। চ্যাঙ পলায়, নাৰী-সংঘৰ সেৱিকাসকলে খেদি যায় যদিও ধৰিবলৈ সক্ষম নহ'ল। সোণপাহিৰ মুক্তি হয়— 'প্ৰতিশোধৰ যৱনিকা পৰে। ...দাসত্বৰ নাট্য শেষ হয়, মুক্তিৰ জীৱন নাট আৰম্ভ হয়। সোণপাহি মুক্ত-স্বাধীন।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৮৮)। সোণপাহিয়ে সামন্ততান্ত্ৰিক ব্যৱস্থাৰ বিপক্ষে কৰা বিপ্লৱ আৰু পুৰুষতান্ত্ৰিক সমাজৰ পৰা তাই মুক্তি লাভ কৰে। সকলো নাৰীৰ মুক্তি কামনা কৰি তাই আহ্বান কৰে— "কমৰেড ভনীসকল! আমি অষ্টম বাহিনী আৰু কমিউনিষ্ট পাৰ্টিৰ দ্বাৰা মুক্ত হ'লো। আজি আমাৰ দিন। চ্যাংকাই শ্বেক আৰু তাৰ বাহিনীক ওফৰাই দিবলৈ যুঁজা। মুক্তিফৌজ বাহিনীৰ কাৰণে আমিয়েই শষ্য উৎপাদন কৰি নিয়া উচিত। আমাৰ মুক্ত অঞ্চলৰ লগত যুঁজা চিয়াঙক সহায় কৰিবলৈ ওলোৱা আমেৰিকাৰ লগতো আমি যুঁজা উচিত।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৮৮)। সোণপাহিয়ে সাম্যবাদ প্ৰতিষ্ঠাৰ হকে বিপ্লৱৰ পথাৰত জঁপিয়াই পৰে। সাম্যসমাজ প্ৰতিষ্ঠা, সামন্ততান্ত্ৰিক ব্যৱস্থাৰ বিলোপ বা ধ্বংস নাৰীসকলৰ অধিকাৰ, মুক্তি স্বাধীনতাৰ বাবে তাই কাম কৰে।

শশী শৰ্মাই সোণপাহি সম্পৰ্কে কৈছে— "কাহিনী ভাগত মৌলিকতা নাই, 'চীনে পৃথিৱী কঁপালে' বোলা জেক বেলডুইনৰ পুথিখনৰ পৰাহে কাহিনীভাগ গ্ৰহণ কৰিছে। কিন্তু ভাষা আৰু

প্ৰকাশভংগী ইমান শুৱলা আৰু জতুৱা যে সি কাহিনীভাগত যেন মৌলিকত্বহে আৰোপ কৰিছে। লক্ষ্য হ'ল সামন্ততান্ত্ৰিকতাৰ বিলোপ সাধন কৰি সমাজতান্ত্ৰিক বাস্তৱবাদৰ ভেঁটিত সাম্যৰ সমাজ গঢ়া। কাহিনীভাগ ইমান আকৰ্ষণীয়কৈ ৰূপায়িত কৰিছে যেন সমাজতান্ত্ৰিক বাস্তৱবাদ এটা সূত্ৰ হৈ থকা নাই, সি হৈছে সমাজবাস্তৱ আৰু সেই কাৰণেই প্ৰচাৰধৰ্মী হোৱা সত্বেও ই হৈছে এটা ৰসোদ্দীপ্ত কাহিনী। বিষ্ণু ৰাভাৰ কৃতিত্ব তাতেই।" (শৰ্মা, বিশ্বপ্ৰেমী বিষ্ণু ৰাভা, পৃ. ১১৮)।

**(খ) হিয়াৰ পুং ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই অনুন্নত বড়ো গাঁৱৰ সমাজ ব্যৱস্থাক লৈ এই 'হিয়াৰ পুং' গল্পটো ৰচনা কৰে। সোণপাহিৰ পাতনিত ৰাভাই এই গল্পটোৰ ৰচনাৰ বিষয়ে কৈছে যে, "হিয়াৰ পুং' গল্পটো পোন পোনতে 'ফুংখা' নাম দি উত্তৰ গোৱালপাৰাৰ 'ছেৱাৰী' নামেৰে এগৰাকী হোজা বড়ো-কছাৰী মহিলাৰ জীৱনক কেন্দ্ৰ কৰি বড়ো-কছাৰী ভাষাত লিখা হয়। তেখেতৰ জীৱনো কমৰেড্ কনলকতাৰ পৰাণত আঘাত লাগে। কম্ৰেড কনকলতাৰ সৌজন্যত আৰু দুই-এজন বড়ো কম্ৰেডৰ অনুৰোধত 'ফুংখা' গল্পটো বড়ো ভাষাত ৰচনা কৰা হয়। "হিয়াৰ পুং' সেই 'ফুংখাৰে' অসমীয়া ভাঙনি।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭০)।

এই গল্পটোৰ মাজেৰে শোষক মহাজনে কিদৰে দুখীয়াক শোষণ কৰিছে তাৰ নিৰ্মম বিৱৰণ দাঙি ধৰিছে। 'হিয়াৰ পুং' গল্পটোত ধনী মহাজনৰ শোষণত বলি হোৱা লখ্রাৰ বুকুভৰা দুখ-বেদনা, হা-হতাশাই ৰাভাক ব্যাথিত কৰিছিল। গল্পটোত লখ্ৰা, ছেৱাৰী আৰু গাৰখো হৈছে সৰ্বহাৰাৰ প্ৰতীক। লখ্ৰাই ইমান কষ্টেৰে সজোৱা ভেটিডৰা মহাজনৰ ঋণ পৰিশোধ কৰিব নোৱাৰা বাবে মহাজনে দখল কৰিব। লখ্ৰাই এই অৱস্থাৰ বাবে ভগৱানক দোষ দিছে— "আজি মই পিন্ধিবলৈ কাপোৰ-কানি এডোখৰ নাপাওঁ, খাবলৈ এমুঠি নাপাওঁ, মূৰ গুঁজিবলৈ যি এটি পঁজা আছে সিও আজি ভেটিৰে সৈতে যাবগৈ। সৌৱা শিজু গছ তাত মই কিমান দেও-দেৱতা পূজিলোঁ, তেওঁ মোৰ আজি এই দুৰৱস্থা। ক'ত ধনী হ'ম, ৰজা হ'ম, গৰীব-গোলাম সৰবহাৰাহে হলোঁগৈ।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৯০)। লখ্ৰাৰ অতি মৰমৰ ভেটিডৰা মহাজনৰ হাতত যাবগৈ। লখ্ৰাৰ সখীয়েক বুদাৰুৱে দুখীয়াসকলৰ ভাল দিন আহিব বুলি আশা কৰে। বুদাৰুৱে লখ্ৰাক কয় যে গাড়ীৰ চকাৰ দৰে সুখৰ পিছত দুখ আৰু দুখৰ পিছত সুখ ঘূৰি থাকে। ৰাভাই বুদাৰুৰ কথাৰ

মাজত মাৰ্ক্সবাদী সাম্যবাদৰ প্ৰচাৰক বুঢ়া এজনক আনিছে। বুঢ়াজনে কৈছিল— “ন যুগ হেনো আহিব, খেতিয়ক-বনুৱাৰ হেনো সুখ হ’ব, শান্তি হ’ব, মুক্তি স্বাধীনতা হ’ব। ৰাইজেই ৰজা পঞ্চায়তীৰাজ স্থাপন হ’ব।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৯১)। লখ্রা আৰু ছেৰাৰীৰ ভৱিষ্যতৰ সপোনৰ আশা বুকুত বান্ধি গঢ়ি তুলা চেনেহৰ পঁজা আজি মহাজনে দখল কৰিব। লখ্রাই হাড়ক মাটি কৰি সাজিছিল এই ঘৰৰ ভেটি। লখ্রাই সকলো হেৰুৱাৰ দুখত কৈছে— “ইমান দিন ককাইদেউতা, দেউতা আৰু মই নিজেই ৰ’দক ৰ’দ নুবুলি বৰষুণক বৰষুণ নুবুলি কপালৰ ঘাম ভৰিত পেলাই, তেজক পানী কৰি ঘৰ-দুৱাৰ সাজিলোঁ, মাটি-বাৰী ভাঙি চিকুণালোঁ— আজি আহিব সেই চোৰ-ডকাইত, কাম-বন নকৰা পৰিশ্ৰম-বিমুখ এলেহুৱা ৰঘুমলা মহাজন।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৯১)। এটা সময়ত আৰ্থিক অৱস্থা ভালেই আছিল লখ্রাৰ, পৈতৃক সম্পতিৰ উপৰিও নিজেও বিদ্যালয়ৰ পণ্ডিত আছিল। তেনে অৱস্থাত লখ্রা আৰু ছেৰাৰী দুয়ো বিবাহপাশত আৱদ্ধ হয়। কিন্তু সময়ৰ লগে লগে লখ্রাৰ সংসাৰত অভাৱ নামি আহে। সিহঁতে কেতিয়াবা খাবলৈ পাইছিল আৰু কেতিয়াবা লঘোণ দিব লগা হৈছিল। লখ্রাই ওজাগিৰি কাম কৰিছিল যদিও সেয়াও লাহে লাহে বন্ধ হোৱাৰ দৰে হ’ল। লখ্রাই মাৰ্ক্সবাদী সাম্যবাদী আদৰ্শৰ প্ৰচাৰক বুঢ়াজনে কোৱা কথাষাৰ ভাবি এক নতুন যুগৰ সন্ধান কৰিছে— “আজি মানুহে কান্দিব নোৱাৰে। থকা, খোৱা, পিন্ধাৰ কাৰণে কান্দিলে চৰকাৰৰ পুলিচ-মিলিটাৰীহঁতে আহি কন্দা মানুহজনক ধৰি নিয়ে, কোবায়, ফাটেকত ভৰায়। আজি মানুহে কান্দিব নোৱাৰে। কিয় এনেকুৱা হয়? আইন আইনৰ কাৰণে। এই আইন হৈছে ধনিক ৰক্ষা কৰা আৰু দুখীয়াক মৰা আইন। এনে আইনৰ পৰাই ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থা চলি আছে। এই আইনেই ধনিক শ্ৰেণীৰ ছলনাৰ কৌশল। এনেকৈয়ে ধনতন্ত্ৰবাদে আইনৰ কায়দা-কৌশলৰ দৰে কাটি-কুটি ৰাইজৰ সমাজৰ দেহা ডোখৰা-ডুখুৰি কৰে। আমাৰ অৱস্থা বেয়া হ’লে আমি এবাৰ কপালক, এবাৰ ঈশ্বৰক দোষ দিওঁ। দৰাচলতে কপালৰো দোষ নহয় দেৱতাৰো দোষ নহয়। আচলতে ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাৰ দোষ। বিধাতাই মানুহকহে স্ৰজিছে, ধনী-দুখীয়া স্ৰজন কৰা নাই। ধনী হিচাপে কাৰোবাক স্ৰজন কৰাহেঁতেন, সৰ্বহাৰা দুখীয়াৰ ল’ৰাৰ দৰে ধনীৰ ঘৰৰ কেঁচুৱাইও নঙঠা হৈ ওপজে। ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাই গুপুতে-গোপনে ধনীৰ ল’ৰাক ভালকৈ খুৱাই-বুৱাই পিন্ধাই ৰাখে। ৰাইজৰ অসুখ-অশান্তিৰ গুৰি হৈছে ধনতন্ত্ৰবাদহে।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫১৪)। সেই সময়ৰ সমাজ ব্যৱস্থাত

মহাজন-জমিদাৰ শ্ৰেণীৰ ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাৰ ব্যাপকতা আছিল। মহাজন-জমিদাৰ শ্ৰেণীটোৱে দুখীয়া খেতিয়ক আৰু বনুৱাবোৰক বিভিন্ন ধৰণেৰে শোষণ কৰিছিল। শোষণৰ ভৰত তেওঁলোক সৰ্বহাৰাত পৰিণত হৈছিল। সৰ্বহাৰা শ্ৰেণীটোৱে এটাই আশা কৰিছিল যে ধনতন্ত্ৰবাদী ব্যৱস্থাৰ বিলোপ হ'ব লাগে। যেতিয়ালৈকে ধনতন্ত্ৰবাদী ব্যৱস্থা থাকিব, তেতিয়ালৈকে দুখীয়া কৃষক-বনুৱাৰ শোষণৰ অন্ত নপৰিব। লখ্রাই মনতে ভাবে— "এনেকৈয়েই সেই তেজপিয়াহঁতে আমাৰ কলিজা হিয়া-আমঠু নিঙাৰি ডোখৰা-ডুখুৰিকৈ পিয়ে, শুহে, খায়।" (বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ৫৯৪)। ৰাভাই গল্পটোত এজন বুঢ়া মানুহৰ চৰিত্ৰৰ জৰিয়তে মাৰ্ক্সবাদী আদৰ্শৰ প্ৰচাৰ কৰিছে। বুঢ়া মানুহজনে ধনতন্ত্ৰবাদ ভাঙি সমাজবাদ প্ৰতিষ্ঠাৰ বাবে ৰাইজক বুজাইছে। ৰাইজক বিপ্লৱৰ প্ৰয়োজন সম্পৰ্কে জনাইছে। বুঢ়াজনে ধনী মহাজন-জমিদাৰৰ শোষণ যন্ত্ৰটোক ভাঙি দিবলৈ সৰ্বহাৰাসকলক আহ্বান জনাইছে। বিপ্লৱৰ জৰিয়তে ধনতন্ত্ৰবাদ ধ্বংস কৰি কৃষক-বনুৱাৰ বাবে পঞ্চায়তীৰাজ স্থাপনৰ জৰিয়তে সৰ্বহাৰাসকলৰ মুক্তিৰ পথ আৰু সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনাইছে।

বুঢ়া মানুহজনে বিপ্লৱৰ জৰিয়তে ধ্বংসৰ নহয় এক নতুন সমাজ গঢ়াৰ আহ্বান জনাইছে। বুঢ়াজনে বিপ্লৱ সম্পৰ্কে লখ্রা আৰু সৰ্বহাৰা ৰাইজক কয়— 'কণীৰ ভিতৰত বিজলো থাকে, কুহুমো থাকে। বিজলে কুহুমক নষ্ট কৰিবলৈ বিচাৰে, কুহুমে বিজলক ধ্বংস কৰিবলৈ বিচাৰে। এইদৰে যুঁজোতে যুঁজোতে বিজলো নহয়, কুহুমো নহয়, বেলেগ এটি বস্তু ওলায়। সেইটো হৈছে এটা পোৱালী। এইদৰে ধনতন্ত্ৰবাদৰ গৰ্ভৰ পৰা দুটা শ্ৰেণী ওলাইছে, এটা হৈছে ধনিক আনটো গৰীব সৰবহাৰা। ধনিক শ্ৰেণীয়ে গৰীব শ্ৰেণীক দমন কৰিবলৈ বিচাৰে আৰু সৰবহাৰা শ্ৰেণীয়ে ধনিক শ্ৰেণীক উচ্ছেদ কৰিবলৈ বিচাৰে। ধনীৰ শতৰু গৰীব আৰু সৰবহাৰা শ্ৰেণীৰ শতৰু ধনিক শ্ৰেণী। এইদৰে যুঁজি যুঁজি ধনীও নহয় দুখীয়াও নহয়— এটা বেলেগ সমাজ ওলাই পৰে। সেয়া হৈছে সমাজতন্ত্ৰবাদ। সেয়ে হৈছে বিপ্লৱ। ধনতন্ত্ৰবাদৰ পৰা সমাজতন্ত্ৰবাদলৈ বিপ্লৱ। বিপ্লৱ কটা-খোঁচা নহয়। বিপ্লৱ হৈছে নতুনলৈ সলনি।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৯৫)। ৰাভাই গল্পটোত সমাজতন্ত্ৰবাদৰ প্ৰতিষ্ঠাৰ জৰিয়তে সৰ্বহাৰাসকলৰ ন্যায় তথা প্ৰাপ্য অধিকাৰৰ বাবে ধনীৰ হাতত থকা চৰকাৰ, কল-কাৰখানা আৰু বিজ্ঞানক নিজৰ হাতত আনিব লাগিব বুলি কৈছে। যিমান দিনলৈকে সৰ্বহাৰাসকলে নিজৰ শোষণৰ পৰা মুক্তি বিচাৰি বিপ্লৱ নকৰে তেতিয়ালৈকে

তেওঁলোকৰ মুক্তি নাহে।

লখ্রাই দুখীয়াসকলৰ শোষণৰ কথা ভাবে। ধনী শ্ৰেণীটোৱে সকলো ফালেদি দুখীয়া সৰ্বহাৰাসকলক কেঁকোৰা চেপা দিছে। খেতিয়কসকলে উৎপাদিত পণ্যৰ উচিত মুল্য লাভ নকৰে। ৰাভাই লখ্রাৰ জৰিয়তে মহাজনসকলৰ শোষণৰ কথা কোৱাইছে— "আমাৰ খেতিয়সকলে মাটিৰ বুকুত বগলী পাখিৰ দৰে বগা বগা কোমল নৰম কপাহ গছবিলাকত বগী তৰাৰ দৰে জিলিকায় আমাৰ ভাইসকলে গৃহহাৰা, জমিহীন, সৰ্বহাৰা হৈ পেটৰ জ্বালাত কুলী-বনুৱা হৈ ধনীহঁতৰ সূতাৰ কাৰখানাত সূতা, কাপোৰৰ কলত কাপোৰ উলিয়াই দিয়ে, তেও দেখোন আমি সূতা নাপাওঁ। আমাৰ তিৰোতাসকলে বস্তাৰ দৰে মেখেলা (দখনা) পিন্ধি থাকিব লগাত পৰে নাইবা নঙঠাৰ দৰে থাকে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৯৫)। লখ্রাই ঘৈণীয়েক আৰু একমাত্ৰ পুত্ৰ সন্তানক পোহপাল দিব নোৱাৰি বেজাৰ পায় মনত। তাৰ এই অৱস্থাৰ বাবে সি ভগৱান আৰু ভাগ্যক দোষ দিছিল। এই দুৰৱস্থাৰ পৰা মুক্তিৰ সন্ধান দিলে বুঢ়া মানুহজনে। বুঢ়া মানুহজনৰ বিপ্লৱী কথাই লখ্রাৰ মনৰ অন্ধকাৰ দূৰ কৰে। লখ্রাই মুক্তিৰ পথ বিচাৰি পায় আৰু সেই মুক্তিৰ পথ হৈছে সমাজতান্ত্ৰিক বিপ্লৱ। সমাজতান্ত্ৰিক বিপ্লৱ প্ৰতিষ্ঠাৰ বাবে সৰ্বহাৰা কৃষক-বনুৱা শ্ৰেণীটোৱে ধনী পুঁজিবাদী শ্ৰেণীটোৰ হাতত থকা কল-কাৰখানা আৰু বিজ্ঞান নিজৰ অধীনত আনিব লাগিব। নিজৰ অধীনত আনিবলৈ সৰ্বহাৰা শ্ৰেণীটো শক্তিশালী হ'ব লাগিব, বিপ্লৱী হ'ব লাগিব। শোষণকাৰী শক্তিটোৰ সৈতে যুঁজিব লাগিব। বিপ্লৱৰ অবিহনে এয়া অসম্ভৱ। সেই সময়ত দ্বিতীয় বিশ্ব মহাযুদ্ধই গোটেই পৃথিৱী কঁপাই তুলিলে। চাৰিওফালে বোমা-বন্দুকৰ ধোঁৱা, চাৰিওফালে এক অৰাজকতাৰ পৰিৱেশ। লখ্রাই মহাজনৰ পৰা টকা ধাৰ কৰি লৈ কাঠৰ ব্যৱসায় কৰিবলৈ যায়। লখ্রা ঘৰত নথকাৰ সুযোগত মিলিটাৰীৰ হাবিলদাৰে ছোৱালীক ধৰ্ষণ কৰে। এয়া গল্পটোত দুৰ্বলৰ ওপৰত শক্তিমানৰ অত্যাচাৰ। ৰাষ্ট্ৰযন্ত্ৰৰ পৰিচালিত মিলিটাৰীসকলৰ অত্যাচাৰ সেই সময়ত গোটেই দেশতেই আছিল। মিলিটাৰীৰ অত্যাচাৰত সাধাৰণ ৰাইজে যাতনা ভোগ কৰিবলগীয়া হৈছিল। বুঢ়া মানুহজনে মিলিটাৰীৰ এই অত্যাচাৰৰ বিষয়ে ৰাইজক কৈছিল— "মিলিটাৰীহঁত এনেকুৱাই। সিহঁতে ক'ত ৰাইজৰ সুখ-শান্তি আনিব? ৰাইজৰ ওপৰত বেছিকৈয়েহে অত্যাচাৰ কৰে, অসুখ-অশান্তি বঢ়ায়। সিহঁতে আজি ৰাইজৰ লগ নহয়, ৰাইজৰ শত্ৰুহে। ধনিক শ্ৰেণীৰ চৰকাৰহে। সিহঁতে লোভত ধনীৰ কাৰণে, নিজৰ কাৰণে লোৰ হাতিয়াৰেৰে কাটি-খুঁচি ৰাইজৰ তেজেৰে ৰাঙলী কৰে, হিংসাৰ

গুটি সিঁচে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৯৮)। ধনতন্ত্ৰবাদে সমাজত ভেদভাৱ বৃদ্ধি কৰিছে। ধনিক শ্ৰেণী আৰু দুখীয়া শ্ৰেণীৰ মাজত এখন প্ৰাচীৰৰ সৃষ্টি কৰিছে। শ্ৰেণী বৈষম্য ব্যাপক হাৰত বৃদ্ধি পাইছে। ধনিক শ্ৰেণীৰ মাজত ধনৰ প্ৰতি লোভ দিনক দিনে বৃদ্ধি পাইছে। ইয়াৰ মাজতে বুঢ়া মানুহজনে কৈছে শোষকহঁতৰ শোষণ শেষ হ'ব তেতিয়া মানুহে সোণতকৈ মূল্যৱান বস্তু জ্ঞান বিচাৰিব। যিসকলে মাৰ্ক্সবাদৰ আদৰ্শ সকলোৰে মাজত গৈ প্ৰচাৰ কৰিছে, যিসকলে সকলো বাধা-বিঘিনি আঁতৰাই, ৰ'দ-বৰষুণক ভয় নকৰি শ্ৰেণী মুক্তিৰ বাবে সত্যৰ বাণী প্ৰচাৰ কৰিছে সেইসকলক শোষক শ্ৰেণীটোৱে চোৰ-ডকাইত নাস্তিক, ধ্বংসবাদী, সন্ত্ৰাসবাদী আদি নানা কথাৰে বিভিন্নভাৱে হাৰাশাস্তি কৰিছে বেয়া দিনৰ শেষত ভাল দিনৰ বাবে অপেক্ষা কৰিব দিছে। দুখীয়া-সৰ্বহাৰাসকলে শোষণৰ পৰা মুক্ত হ'ব। সমাজতন্ত্ৰবাদৰ প্ৰতিষ্ঠা হ'ব।

লখ্রাই প্ৰতিবাদ কৰে, বিপ্লৱী হয়। ধনী-শোষক শ্ৰেণীটোৰ বিৰুদ্ধে সি যুঁজ দিব নোৱাৰিলেও, সি মহাজনৰ দখলত যোৱাৰ পূৰ্বে জুই লৈ ভঁৰালত, বৰঘৰত আৰু পাকঘৰটো জ্বলাই দিয়ে। লখ্রাই জুই লগাই প্ৰতিবাদ কৰি এক নতুন সমাজ নতুন যুগৰ অপেক্ষা কৰিছে। লখ্রাই ছেৰাৰীক কৈছে— "আমাৰ নিচিনা ঘৰ-বাৰী নোহোৱা লাখ-বিলাখ দুখীয়া দুৰ্কপলীয়াহঁতে জুমে জুমে আজি বাট-পথ বিচাৰি ফুৰিছে ন-যুগ, ন-বতৰ পাবলৈ, য'ত দুখ নাই, কষ্ট নাই। আছে কেৱল চিৰকলীয়া সুখ, চিৰকলীয়া শান্তি।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৯৯)। গল্পটোৰ শেষত ৰাভাই এজন গৰখীয়া ল'ৰাৰ মুখত এটি বিপ্লৱী গীত গোৱাইছে। গীতটোত বিপ্লৱী হৈ শোষণকাৰীসকলৰ বিৰুদ্ধে ৰণৰ ঘোষণা কৰিছে। যি ৰণে এখন নতুন সমাজ গঢ়িব। গৰখীয়া ল'ৰাজনে গাইছে—

"এই ধৰণীৰ
চিৰ-মুকুতিৰ
        ৰণ নিৰভয়ে দিম; -
কৰি আমৰণ
জীৱনৰ পণ
        আমি মিলি যুঁজ দিম।।
ডৰ ভয় নকৰিবি

পাছ-পিছ নপৰিবি....

.... দুখৰ কলীয়া আকাশত

নতুন সূৰুযে দিয়ে দেখা

.... দলিতৰ হ'ব জয়....

বিজয় নিচান দিম উৰুৱাই....

পুৰণিৰ হ'ব ক্ষয়।" (বি. প্ৰ. ৰা. ৰ. স. প্ৰথম খণ্ড, পৃ. ৬০০)।

গৰখীয়াৰ গীতটোৱে পুৰণি ৰীতি-নীতি, শোষণ, খাটিখোৱা মানুহৰ প্ৰতি কৰা অত্যাচাৰ শেষ কৰাৰ প্ৰতিজ্ঞাবদ্ধ হৈছে। ইয়াৰ বাবে সমাজত প্ৰয়োজন হয় বিপ্লৱৰ। এই বিপ্লৱ সকলোৱে মিলিহে কৰা সম্ভৱ।

গল্পটোৰ সম্পৰ্কে অনুৰাধা শৰ্মাই নিজৰ দৃষ্টিভংগী আগবঢ়াই কৈছে— "শ্লোগানধৰ্মী বক্তব্য প্ৰকাশৰ দোষে গল্পক স্পৰ্শ কৰিছে বুলি বিষ্ণু ৰাভাৰ বিৰূপ সমালোচনা হ'ব পাৰে। কিন্তু যি উদ্দেশ্য আগত ৰাখি তেওঁ গল্প ৰচনা কৰিছে সেই কথা তেওঁ পাতনিতেই স্পষ্ট কৰি দিছে। গতিকে, গল্পটোৰ সাহিত্যিক দিশটোলৈ অকল দৃষ্টিনিক্ষেপ নকৰি সামাজিক দিশৰপৰা বিচাৰ কৰা উচিত যিটোৱে ইয়াক অধিক তাৎপৰ্যপূৰ্ণ কৰি তোলে।" (বৰা, দিলীপ; শৰ্মা, অনুৰাধা ঃ মুক্তি দেউলৰ ৰূপকাৰ, পৃ. ১০০)। গল্পকাৰ ৰাভাই 'হিয়াৰ পুং' গল্পটোৰ জৰিয়তে ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠাৰ বাবে বিপ্লৱ যে জৰুৰী সেয়া প্ৰকাশ কৰিছে। বিপ্লৱে ধনী শ্ৰেণীৰ শোষণ বন্ধ কৰি সৰ্বহাৰা শ্ৰেণীটোক এক নতুন যুগ দান দিব আৰু সেই যুগত সকলোৱে শান্তিৰে খাই-বৈ বাস কৰিব।

**(গ) অগ্নিসংস্কাৰ ঃ**

বড়ো সমাজৰ পটভূমিকলৈ এই গল্পটো ৰচনা কৰা হৈছে। 'অগ্নিসংস্কাৰ' গল্পটো অসম্পূৰ্ণ যেন অনুমান হয়। শশী শৰ্মাৰ মতে— "অন্যান্য বহু ৰচনাৰ দৰে 'অগ্নিসংস্কাৰ'টো বোধহয় অজ্ঞাতবাসৰ কালতে ৰচনা কৰিবলৈ লৈছিল আৰু সম্ভৱ আৰক্ষী-চোৱাংচোৱাৰ তাড়নাত স্থানান্তৰিত হ'ব লগা হেতুকে গল্পটো আধৰুৱা হৈ থাকিল। নতুবা সি ৰাভাৰ একাচেকা প্ৰবৃত্তিৰ প্ৰতিফলনো হ'ব পাৰে।" (শৰ্মা, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ১২৪)। গল্পটোত প্ৰাচীন সমাজ ব্যৱস্থাৰ লগত

নতুনত্বৰ এক দ্বন্দ্ব দেখা পোৱা যায়, ইয়াত মাৰ্ক্সীয় আদৰ্শৰ প্ৰতিফলন হোৱাও দেখা পোৱা যায়। লগতে পুৰাতন বড়ো সমাজৰ বিভিন্ন দিশ গল্পকাৰে চিত্ৰিত কৰিছে।

গল্পকাৰ ৰাভাই ৰমাকান্ত চৰিত্ৰটোৰ জৰিয়তে পুৰণা ৰীতি-নীতিসমূহক ভাঙি এখন সাম্যবাদী সমাজ প্ৰতিষ্ঠাৰ সপোন দেখিছে। গল্পটোত বড়ো জনগোষ্ঠীৰ জীৱন আৰু সংস্কৃতিৰ উপাদান যথেষ্ট পৰিমাণে সিঁচৰতি হৈ আছে। গল্পটোৰ আৰম্ভণি বাঁহবাৰী গাঁৱৰ গাঁওবুঢ়া লেখাইৰাম খাল্লৌয়াৰীৰ ডাঙৰ ছোৱালী ফেঁচীক বাজেগাঁৱৰ বুঢ়া পেঞ্চনাৰ জংজেং চুবেদাৰৰ মাজু পুতেক বুন্দাৰাম বসুমতাৰীয়ে পলুৱাই লৈ অনা বাবে গাঁৱত ৰাইজৰ মেল বহিছে। এই মেলতে গুৱাহাটীৰ কলেজত পঢ়ি থকা শিক্ষিত যুৱক ৰমাকান্ত মেচ উপস্থিত হয়। মেলখনত ৰমাকান্ত আৰু গাঁৱৰ বয়োজ্যেষ্ঠ লোকসকলৰ মাজত বড়ো সমাজৰ সংস্কাৰকামী বিভিন্ন বিষয়ত আলোচনা হয়। ৰমাকান্তই বড়ো সমাজত মদৰ অবাধ প্ৰচলনে যে জাতিটোক ধ্বংস কৰি আছে সেয়া তেওঁ বিৰোধিতা কৰিছে। বড়ো সমাজত মদ হৈছে সন্মানৰ বস্তু। দেৱতাক অৰ্পণ কৰাৰ পৰা সমাজৰ বিভিন্ন কাজ-কামত মদৰ ব্যৱহাৰ কৰা হয়। প্ৰতিটো সামাজিক কামতেই মদ অপৰিহাৰ্য আছিল। গল্পটোত মদক বুঢ়া বাথৌৰ সৃষ্টি বুলি বড়ো লোকসকলে বিশ্বাস কৰে, "মুধাফুটাসকলৰ বিশ্বাস যে মদ স্বাদভুক্ত জিহ্বাৰ পৰা ওলোৱা বাণী বেদবাণী স্বৰূপ শুদ্ধ পৱিত্ৰ আৰু দৈৱ।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬২৪)। প্ৰতিটো সামাজিক কৰ্মতে মদৰ ব্যৱহাৰ আছিল। জংজেং চুবেদাৰৰ ঘৰত বহা মেলত সকলোকে মদ আগবঢ়াইছে আৰু সকলোৱে পৰম তৃপ্তিৰে মদ খাই আনন্দত মতলীয়া হৈছে। কিছুসংখ্যক মানুহৰ কাৰণে মদ অমৃত আছিল। তেওঁলোকে মদ খাইয়ে মৰিব বিচাৰিছিল। গল্পটোত সমাজৰ মেলত এজনে কৈছিল— "বুজিছ মামা, যেনেকৈ মাখিয়ে মিঠা ৰসৰ সোৱাদ পাবৰ কাৰণে গুড়ত পৰি তাৰ ৰস চুহি চুহি তাৰে আঠাৰ দৰে লাগি মৰি থাকে ঠিক তেনেকৈ যদি এই বোকাৰ নৈখনত লাওপানীৰ সোঁতত বৈ থাকে, মই সেই সোঁতৰ ধলত জাঁপ মাৰি লাওপানী পান কৰি ইহলীলা সম্বৰণ কৰোঁ এই বাসনা যদি কোনোবাই মোক পূৰণ কৰি দিব পাৰে মই তাক দঢ়াই দঢ়াই আশীৰ্বাদ দি মৰিম মামা।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬২৭)। গল্পটোত মদ খাই দুখ, বেজাৰ, ক্লান্তি ইত্যাদিৰ পৰা উপশম পোৱাৰ চেষ্টা দেখিবলৈ পোৱা যায়, হাড়ংগাৰাৰ কথাতে ইয়াৰ উল্লেখ আছে— "আজি এই মদৰ চমচমীয়া নিচাত সংসাৰৰ বেজাৰ-ভাগৰ, উচ্চ-উন্নত হিন্দু সমাজৰ পদদলনৰ দুখ, ঘৰুৱা বা সামাজিক লেঠাৰ ক্লান্তি আৰু দৈনন্দিন কাৰ্য্যৰ বেদনা এই কছাৰী জাতিয়ে

জলাঞ্জলি দিবলৈ পাৰিছে।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬২৬)। বড়ো সমাজত মদৰ এই ব্যাপক ব্যৱহাৰে সমাজখনক যে পিছুৱাই লৈ গৈছে গল্পকাৰে ৰমাকান্তৰ জৰিয়তে দেখুৱাইছে। ৰমাকান্তই মদৰ ব্যৱহাৰ ভাল পোৱা নাছিল। তিলক হাজৰিকাই ‘বিষ্ণুৰাভাৰ জীৱন আৰু কৃতি” কিতাপখনত মন্তব্য কৰিছে,” বিষ্ণু ৰাভাই বড়ো জনজাতিক অৱক্ষয়ৰ পৰা ৰক্ষাৰ বাবে মদ-গাহৰিৰ প্ৰভাৱৰ পৰা বচোৱাৰ কাৰণে সমাজ সংস্কাৰমূলক কামত ব্ৰতী হৈছিল। নহ’লে বড়ো জাতিক ৰাজনৈতিক কাৰ্য্যত সংগঠিত কৰা অমূলক হ’ব।” (মুখাৰ্জী, মোহনলাল, বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ১১৯)। গল্পকাৰে ৰমাকান্তৰ জৰিয়তে সংস্কাৰকামী মনোভাৱ প্ৰকট কৰিছে। ইয়াতেই সমাজৰ পৰম্পৰাগত সাংস্কৃতিক মূল্যবোধ দেখা গৈছে আৰু অন্যফালে যুগৰ পৰিৱৰ্তনৰ মূল্যবোধৰ সংঘাতো প্ৰকট হৈছে। ৰমাকান্তৰ মনত সামাজিক মেলত মদৰ ব্যৱহাৰে বৰ আঘাত দিছিল—“কছাৰী জাতিৰ সমাজত লাওপানী নোহোৱাকৈ যে কোনো আলোচনা নহয়, এই হেতু ৰমাকান্তৰ মনত এই অৱনত স্থিতিশীল সমাজৰ বিপক্ষে বিদ্ৰোহৰ অগণি তাৰ জ্ঞান আৰু উচ্চ শিক্ষা পোৱা দিনৰে পৰা জ্বলি আছিল। আজি ইমান হকা-বাধা কৰা স্বত্বেও পুনৰ এনে অশ্লীল সমাজ দেখি ঘৃণাত তাৰ নাক-মুখ কুঞ্চিত হ’ল।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬২৫)।

ৰমাকান্তই সমাজৰ এই অৱক্ষয় দেখি সমাজৰ এই ব্যৱস্থাৰ বিপক্ষে ক্ষোভ প্ৰকাশ কৰিছে। বড়ো সমাজত মদে যে সমাজৰ বৃহৎ ক্ষতি কৰি আহিছে লগতে গাহৰি-কুকুৰাই সমাজৰ অনিষ্ট নকৰিলেও মদে বড়ো জাতিটোক অধঃপতনৰ তলখাপত পেলাইছে।

‘অগ্নিসংস্কাৰ’ গল্পটোত বড়ো সমাজৰ ধৰ্মীয় দিশটোও দেখা যায়। বাথৌ ধৰ্মৰ লগত গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ ‘ব্ৰহ্ম ধৰ্ম’ৰ প্ৰভাৱ বড়ো সমাজত কিদৰে পৰিছে তাৰ আভাস পোৱা যায়। গল্পটোত ৰাইজৰ মেলত ৰমাকান্তই যেতিয়া বড়ো সমাজৰ কু-খাদ্যসমূহ ত্যাগ কৰি জাতিটোক আগবঢ়াই নিব লাগে বুলি যুক্তি দিছে তেতিয়া প্ৰাচীন পৰম্পৰাত বিশ্বাসী লোকসকলে সেই যুক্তি মানিব পৰা নাই। মদৰ ব্যৱহাৰৰ কু-প্ৰভাৱৰ কথা যেতিয়া ৰমাকান্তই গাঁৱৰ মেলকীসকলৰ আগত কৈছে তেতিয়া মেলকীসকলে কৈছে এই সকলো বস্তু ভগৱান বুঢ়াই বাথৌয়ে নিজৰ বাবে সৃষ্টি কৰিছে। কথাৰ প্ৰসংগত হাডংগাৰাই গাইছে—

“এবে লাওখায় খুজ্জিদুং বাথু বাডায়।
জঙ্গ জেঙ্গে খালাম দঙ জৈলৈংনো লায়।।

খাম-সিফুং খালামদুং ৰঙ্গু খালাম নৌ।

জাইলা হইলা বিথিদুং খো মাখানো।”

(বি. প্ৰ. ৰা. ৰ. স. প্ৰথম খণ্ড, পৃ. ৬২৫)।

ইয়াত ঈশ্বৰে পৃথিৱী সৃষ্টি কৰাৰ পিছত তেওঁ বহুতো অন্যান্য বস্তুৰ লগতে খাবলৈ কলহে কলহে মদ, গাহৰি, কুকুৰাৰ সৃষ্টি কৰিলে, ৰং-ধেমালিৰ বাবে খাম-মাদল, চিফুং বাঁহীৰ সৃষ্টি কৰিলে, নৃত্যৰ সৃষ্টি কৰিলে। গাঁৱৰ বয়সীয়াল লোকসকলে মদ, কুকুৰা, গাহৰি ইত্যাদি ভগৱান বাথৌৰ সৃষ্টি বুলি এৰিবলৈ মন নকৰিলে। গল্পটোত গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ প্ৰৱৰ্তিত ব্ৰহ্ম ধৰ্মৰ প্ৰভাৱৰ বিষয়েও জনা যায়। ৰমাকান্তই গাঁৱৰ মেলকীসকলক কৈছে— “বাৰু আতা যোৱা বছৰ এই গাঁৱতে হোৱা বড়ো সন্মিলনত আপোনালোকে জ্ঞান মানী হৈ ঈশ্বৰক সাক্ষী কৰি কেনেকৈ মদ, গাহৰি, কুকুৰা এৰিম বুলি শপত খাইছিল? সেই শপতৰ ফল আজি এয়ে নে?” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬২৫)। গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ যি সংস্কাৰবাদী ব্ৰহ্ম ধৰ্মৰ প্ৰচাৰ আছিল সেয়াও গল্পকাৰে প্ৰসংগত আনিছে।

অগ্নিসংস্কাৰ গল্পটোত বড়োসকলক সেই সময়ত নীচ জাতি বুলি হীন চকুৰে চোৱা হৈছিল। ৰমাকান্ত আৰু সমাজৰ বয়োজ্যেষ্ঠসকলৰ কথা-বতৰাতে তাৰ স্পষ্ট ৰূপ পোৱা যায়। বড়োসকলে মদ, গাহৰি, কুকুৰা খাদ্যৰূপে ব্যৱহাৰ কৰে বাবে অন্য উচ্চ শ্ৰেণীটোৱে এই জাতিটোক ঘৃণাৰ চকুৰে চাইছিল। ৰমাকান্তই আক্ষেপ কৰি কৈছিল যে কলেজত বেলেগৰ লগত একেলগে খাদ্য গ্ৰহণ কৰিব নিদিয়ে। বঙালী বা অন্যসকলক যিদৰে আদৰ কৰে তাৰ বিপৰীতে ৰমাকান্তহঁতক আফ্ৰিকাৰ ঘন জঙ্গলৰ অসভ্য, অনুন্নত জাতিৰ মানুহৰ দৰে গণ্য কৰে। উচ্চ শ্ৰেণীৰ লোকসকলে বড়োসকলক হীন চকুৰে চাইছিল। কথা প্ৰসংগত বুন্দাৰ লগত একেলগে পঢ়া ৰমেশ চৌধুৰীৰ ঘৰত বুন্দাই ৰমেশৰ অনুৰোধত বিনা পইচাতে পাকঘৰটো বনাই দিছিল, বুন্দাই ৰমেশ চৌধুৰীৰ পাকঘৰ, বৰঘৰ, সকলোতে প্ৰৱেশ কৰিছিল, কিন্তু ৰমেশ চৌধুৰীৰ বাপেকৰ শ্ৰাদ্ধৰ দিনা বুন্দাক পাকঘৰত প্ৰৱেশ কৰিব নিদিলে। খোৱাৰ ব্যৱস্থাৰ কৰিলে চুৱনিবাৰীত। ইয়াৰ কাৰণো ৰমাকান্তই আগবঢ়াইছে— “সেই দোষত ৰমেশক কোনোমতে দূষিত কৰিব নোৱাৰি। ব্যক্তিগত হিচাপে ৰমেশ সমাজক অমান্য কৰিব নোৱাৰে, কাৰণ অসমীয়া হিন্দু, কলিতা সমাজৰ নিয়মেই হৈছে যে কছাৰী জাতিটোৰ ঠাই বৰচোতাল নহয়, সিহঁতৰ

উপযুক্ত স্থান হৈছে বাঁহনি-চুৰনি।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬২৭)। গল্পটোত বড়োসকল হিন্দু হৈয়ো হিন্দু বহিৰ্ভূত যেন ব্যৱহাৰ কৰা হৈছে। বড়োসকলক নীচ, অৱনত, অস্পৃশ্য সম্প্ৰদায় নীচ ধৰ্মৰ মানুহ বুলি গণ্য বা ব্যৱহাৰ কৰা হৈছিল। হাড়ংগাৰাই মনৰ ক্ষোভ ৰমাকান্তৰ আগত প্ৰকাশ কৰিছে— "এই অসমীয়া হিন্দু সমাজৰ পৰ্ব্বতহেন ভ্ৰম ইয়াতেই দেখা যায়। সামাজিক হিচাপে সিহঁতে যেনেকৈ আমাক নীচ, অৱনত, অস্পৃশ্য সম্প্ৰদায়ৰ বুলি ভাবে, ধৰ্ম হিচাপেও আমাক নীচ ধৰ্মৰ মানুহ বুলি গণ্য বা ব্যৱহাৰ কৰে। সিহঁতে কিয় কাগজে-কলমে মাহেলি-বাতৰিত আমাক হিন্দু বুলি চিনাকি দিয়ে? যদি আমি হিন্দুৱেই তেন্তে আমি হিন্দুৰ সমানাধিকাৰ সিহঁতৰ দৰে নাপাওঁ কিয়? যদি আমি হিন্দুৱেই তেন্তে অধিকাৰ-গোসাঁইসকলে আমাক এই হোজা কছাৰীবিলাকক শৰণ দি কোচ, মহলীয়া, মদাহী নামে অভিহিত কৰাইহে হিন্দু ধৰ্মত দীক্ষিত কৰে। এয়েইতো অসমীয়া হিন্দু ধৰ্ম্মৰ সংকীৰ্ণতা।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬২৮)। হিন্দু ধৰ্মই সেইসময়ত জনজাতীয় লোকসকলক সমভাৱেৰে আঁকোৱালি লোৱা নাছিল। এক ভেদভাৱ আছিল। সেইবাবেই বহু জনজাতীয় লোকে ধৰ্মান্তৰিত হৈছিল। ৰমাকান্তই বড়োসকলক কু-খাদ্য ত্যাগ কৰি অন্যান্য জাতিৰ দৰে আগবাঢ়ি যাবলৈ বিভিন্ন যুক্তি পৰামৰ্শ আগবঢ়াইছে।

গল্পকাৰে ৰমাকান্ত মেচ নামৰ চৰিত্ৰটোৰ যোগেদি সমাজ পৰিৱৰ্তনৰ বাৰ্তাবাহকৰূপে দেখুৱাইছে। ৰমাকান্ত এজন উচ্চ শিক্ষিত ল'ৰা। গুৱাহাটীৰ কলেজত কলা বিভাগৰ দ্বিতীয় বাৰ্ষিক শ্ৰেণীত পঢ়ি থকা ৰমাকান্তই বড়ো-কছাৰী সমাজত চলি অহা মদৰ ব্যৱহাৰ কোনোপধ্যে মানি ল'ব পৰা নাছিল। তাৰোপৰি বড়ো সমাজত চলি অহা প্ৰাচীন ব্যৱস্থাসমূহৰ সি পৰিৱৰ্তন হোৱাটো বিচাৰিছিল। মদে যে সমগ্ৰ বড়ো জাতিটোকে ধ্বংসৰ মূখলৈ লৈ গৈ আছে গল্পকাৰে বিভিন্ন সময়ত ৰমাকান্তৰ মুখেদি কোৱাইছে। অসমৰ অন্যান্য জাতিসমূহে উন্নতিৰে আগবঢ়াৰ বিপৰীতে বড়ো জাতিটো আগবাঢ়িব নোৱাৰাৰ বিভিন্ন কাৰণসমূহ ৰমাকান্তই ৰাইজমেলত নিজৰ যুক্তি দাঙি ধৰিছে। ৰমাকান্তই বড়ো সমাজৰ প্ৰধান শত্ৰু বুলি মদকেই দায়ী কৰিছে। মদ এৰিলে বড়ো জাতিয়ে অন্য উন্নত জাতিবোৰৰ দৰেই থিয় হ'ব পাৰিব বুলি ৰমাকান্তৰ জৰিয়তে ৰাভাই যুক্তি দাঙি ধৰিছে। ৰাভাই সংস্কাৰকামী দৃষ্টিভংগীৰে এখন প্ৰগতিশীল সমাজৰ লক্ষ্য আগত ৰাখিহে এই গল্পটো ৰচনা কৰিছে।

**(ঘ) কুৰি বছৰ জেইল ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই ধুবুৰী জেলত থাকোতে জেলত কয়দী হিচাপে লগ পোৱা গৌৰাং নামৰ চাহ বাগানৰ বনুৱাৰ জীৱনৰ আধাৰত এই ‘কুৰি বছৰ জেইল’ গল্পটো ৰচনা কৰে। সোণপাহিৰ পাতনিত ৰাভাই লিখিছে— “গৌৰাং বস্তিৱালা চাহ-বাগানৰ বনুৱা। কোনো বিশেষ মাৰাত্মক দোষ নাই- অথচ যাৱজ্জীৱন কাৰাবাস। তেওঁৰ জীৱনকে কেন্দ্ৰ কৰি লিখা কুৰি বছৰ জেইল।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৫৭০)। বিহাৰৰ ৰাঁচীৰ পৰা অহা চাহবাগানৰ চৰ্দাৰৰূপে কাম কৰা ভোলা চৰ্দাৰৰ সৰু পুতেক গৌৰাং। তিনি ভায়েকৰ ভিতৰত সি সৰু। গৌৰাঙৰ বাপেক ভোলা চৰ্দাৰে মাৰ্ঘেৰিটাৰ ওচৰৰ ‘পাৰেই’ বাগিচাত চৰ্দাৰৰ কাম কৰিছিল। গৌৰাঙে অজানিতে এজনী অকণমানি ছোৱালীক হত্যা কৰে তাৰ অপৰাধত তাৰ কুৰি বছৰ (যাৱজ্জীৱন) জেইল হয়।

গৌৰাঙে হত্যাৰ প্ৰাইচিত বিচাৰি নিজকে পুলিচ থানাত আত্মসমৰ্পণ কৰে। গৌৰাঙে গল্পকাৰ ৰাভাৰ ওচৰত নিজৰ দোষৰ কথা কোৱাৰ আগতে তাৰ নিজৰ জীৱনৰ কথাবোৰ কৈ যায়। গৌৰাঙৰ পিতাকৰ মৃত্যুৰ পাছত পেটৰ ভোক নিবাৰণৰ বাবে ‘পাৰেই’ চাহ বাগিচাতে বনুৱাৰ কাম কৰিবলৈ লৈছিল। গৌৰাঙে খুব কম দিনৰ ভিতৰতেই কামত পাৰ্গত হৈ উঠে। গৌৰাঙে বাগিচাখনৰে কাম কৰা চুকু পানীৱালাৰ জীয়েক ফুলমণিক ভাল পায়। দুয়ো দুয়োকে ভাল পাব ধৰে। দুয়ো-দুয়োৰে প্ৰেমৰ সাগৰত পৰি যৌৱনৰ মতলীয়া বানত উটি নিজাকৈ পোৱাৰ তীব্ৰ আকাঙ্খা জাগে। গৌৰাং আৰু ফুলমণিৰ প্ৰেমত বাধাৰ সৃষ্টি কৰে ফুলমণিৰ ককায়েক বাপৰাই। বাপৰাৰ বাবেই গৌৰাং আৰু ফুলমণিৰ বিয়া নহ’ল। গৌৰাং আৰু ফুলমণিৰ প্ৰণয়ত ফুলমণি গৰ্ভৱতী হয়। চাৰিমহীয়া গৰ্ভৱতী ফুলমণিয়ে অনিচ্ছা সত্ত্বেও ককায়েকে ঠিক কৰা ল’ৰাৰ সৈতে বিয়া হয়। ফুলমণিৰ বিয়া হোৱাৰ পিছত মাকৰ কথা পেলাব নোৱাৰি বাগিচাখনৰ চকীদাৰৰ জীয়েক ৰতনীক বিয়া কৰায়। ফুলমণিৰ ছোৱালী এজনী জন্ম পায় তাইৰ নাম দিয়ে শুকুৰবাৰী। গৌৰাঙৰ ছোৱালীজনীৰ নাম বুধবাৰী।

এবাৰ ফাকুৱাৰ দিনা গৌৰাঙে পুৱাতে ঘৰৰ পৰা ওলাই গৈ গোটেই দিনটো মদ খাই ফাকু খেলি অন্ধকাৰত ঘৰলৈ আহি আছিল। গৌৰাঙৰ প্ৰিয় বন্ধু বুদায়ে কালু কুকুৰ নামৰ কুকুৰটোৱে মানুহক কামোৰে বুলি গৌৰাঙৰ হাতত দা এখন দি পঠায়। মদৰ নিচাত মাতাল গৌৰাঙৰ কাপোৰ কিহবাই টনা যেন পায়, কালু কুকুৰ বুলি নোচোৰাকৈ ঘাপ মাৰি ঘৰলৈ আহি শুই পৰে।

কালু কুকুৰ বুলি গৌৰাঙে অজানিতে শুকুৰবাৰীক হত্যা কৰে। গৌৰাঙে বুকুৰ মৰমৰ জীয়েক শুকুবাৰীক যাক সি নিজৰ ছোৱালী বুধবাৰীৰ দৰেই মৰম কৰিছিল, ৰাতিপুৱা শুকুৰবাৰীৰ মৃত্যুৰ খবৰ শুনি হুচ আহিল গৌৰাঙৰ। গৌৰাঙে অজানিতে কৰা ভুলৰ স্বীকাৰোক্তি শুনি বুদু আৰু বুদুৰ পত্নীয়ে গৌৰাঙৰ ভৰিত পৰি কান্দিবলৈ ধৰে। গৌৰাঙে ভবাই নাছিল যে মৰমৰ শুকুৰবাৰীয়ে পাছফালৰ পৰা এনেদৰে কাপোৰত ধৰি টানিব পাৰে। যাৰ বাবে গৌৰাঙে এই মাৰাত্মক ভুল কৰিলে। গৌৰাঙে আত্মগ্লানিত ভুগি প্ৰাইচিতৰ উদ্দেশ্যত মাৰ্ঘেৰিটা থানাত আত্মসমৰ্পণ কৰে। গৌৰাঙে ইতিমধ্যে জেলৰ ভিতৰত দহবছৰ অতিক্ৰম কৰিলেও মনৰ ভিতৰৰ পৰা এতিয়াও পাহৰিব পৰা নাই ঘটি যোৱা ঘটনাটোক। নিজৰ ছোৱালীজনীৰ দৰে মৰম কৰা শুকুৰবাৰীৰ মুখখন মনত পৰিলেই গৌৰাঙৰ অন্তৰ অনুশোচনাত দগ্ধ হয়।

বিষ্ণুপ্ৰসাদ ৰাভাৰ ‘কুৰি বছৰ জেইল’ গল্পটোত তেওঁৰ সংগ্ৰামী আদৰ্শ প্ৰতিফলিত হৈছে। পুঁজিপতি শ্ৰেণীটোৱে সাধাৰণ বনুৱা শ্ৰেণীটোক বিভিন্ন ধৰণে শোষণ কৰি আহিছে। বনুৱা শ্ৰেণীটোৱে কৰা কামৰ বিপৰীতে উচিত মজুৰি লাভৰ পৰা বঞ্চিত হয়। বনুৱা শ্ৰেণীটোৱে অত্যাধিক শাৰীৰিক শ্ৰম কৰে যদিও উচিত মজুৰিৰ পৰা পুঁজিপতিয়ে সদায়ে বঞ্চিত কৰি আহিছে। গল্পকাৰে পুঁজিপতিৰ শোষণৰ কথা গৌৰাং নামৰ চৰিত্ৰটোৰ মাজেৰে দেখুৱাইছে— “মাটিৰ মানুহে মাটিৰ গুণ জানে। শ্ৰমৰ যাদুৰে মাটি ধুনি সিহঁতে সোণ উলিয়ায়, কাম-বন নকৰা এলেহুৱা তেজপিয়াহঁতে ফাঁকিৰে লুটি-পুটি নি খায়। ...গৌৰাঙো মাটিৰ মানুহ, নিমাতী মাটিৰ কথা জানে, গুণ জানে। শ্ৰমৰ যাদুৰে সি মাটি তল-ওপৰ কৰে। মাটিয়ে বশ মানে। গৌৰাঙৰ শ্ৰম জিকে। তাৰ বিজয়ৰ ফল লাভ কৰে। কোম্পানীয়ে এইদৰে লাখ লাখ কোটি কোটি টকা লুটি কুৱেৰহঁতে লাভৰ টোপোলাত ভৰায়। শ্ৰম শকতিৰ বলত গৌৰাঙৰ কোৰ বিজয় গৌৰৱেৰে আগুৱাই যায়। ...সি দুখৰ বোজা মূৰত লৈ জীৱন নিয়ায়, বিষাদৰ সাগৰত বুলি উটি-ভাঁহি ফুৰে আৰু ধনকুৱেৰহঁতে সেই সোণ কুৰুকি নি টকাৰ পাহাৰ তোলে।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬০৪)। গৌৰাঙে বাগানত হাড় ভঙা শ্ৰম কৰে। গৌৰাঙৰ ভাল পোৱা যুৱতী ফুলমণিয়ো কঠোৰ শ্ৰম কৰে। গল্পকাৰে এই শ্ৰমজীৱী মানুহখিনিক উচ্চ শ্ৰেণীটোৱে সদায় চাকৰৰ দৰে ব্যৱহাৰ কৰিছিল। ফুলমণিৰ প্ৰসংগত ৰাভাই কৈছিল— “শ্ৰেণী সমাজৰ ব্যৱস্থাত তাই বনুৱাৰ জী দুখীয়া মজুৰণী হ’লেও প্ৰকৃতিৰ ব্যৱস্থাত তাই পূৰঠি, যৌৱনপুৰীত চহকী।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড. পৃ. ৬০৪)। গৌৰাঙৰ

জীৱনলৈ নানা ঘাত-প্ৰতিঘাত আহে। সি সংসাৰ পাতে, ঠিক সেই সময়তে দ্বিতীয় বিশ্বযুদ্ধৰ কলা ধোঁৱাই আকাশ ঢাকি ধৰে। চাৰিওফালে এক অৰাজকতাৰ পৰিৱেশ সৃষ্টি হয়। নিগ্ৰো, আমেৰিকান আৰু ইংৰাজ সৈন্যসকলৰ উৎপাতত জনগণৰ জীৱন বিপৰ্যয় কৰি তোলে। গল্পকাৰে যুদ্ধৰ দৃশ্যৰ বৰ্ণনা গল্পটোত দিছে— "...যুদ্ধৰ দিন! কত ৰকমৰ কথা, কত ৰকমৰ মিলিটাৰী, কত ৰকমৰ যুদ্ধৰ সৰঞ্জাম, কামান, বন্দুক এৰোপ্লেন আৰু কত কি? আমদানিও নানা ৰকমৰ। নিগ্ৰোহঁতৰ উৎপাত, আমেৰিকানহঁতৰ অত্যাচাৰ, ইংৰাজহঁতৰ স্বেচ্ছাচাৰ। চাৰিওফালে যুদ্ধৰ বীভৎসতা। সাম্ৰাজাবাদী যুদ্ধৰ নৃশংসতাই চোতালতে আহি বীভৎসা ৰূপ লৈ দেখা দিয়ে। নাৰীৰ ধৰ্ষণৰ ঘটনা য'তে ত'তে শুনা যায়। কামনা-লালসাৰ তাণ্ডৱ নৃত্য ভীষণভাৱে চলে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬১১)। দ্বিতীয় বিশ্বযুদ্ধৰ সমান্তৰালভাৱে ভাৰতত স্বাধীনতা আন্দোলনো চলিছিল। মহাত্মা গান্ধীৰ নেতৃত্বত 'ভাৰত ত্যাগ', 'কৰোঁ নাইবা মৰোঁ'ৰ দৃঢ় সংকল্পলৈ ইংৰাজৰ বিপক্ষে বিদ্ৰোহ ঘোষণা কৰিছিল। মহাত্মা গান্ধীৰ অহিংসা নীতিৰ মাজেৰে আন্দোলন কৰাৰ বিপৰীতে এচাম চৰমপন্থীয়ে বিভিন্ন সশস্ত্ৰ সংগ্ৰামৰ মাধ্যমেৰে এই আন্দোলনত যোগ দিছিল। গল্পটোত পোৱা যায়— "বহু নেতাৰ জেল, ফাঁচী, গুলীত বহুতৰে আত্ম-বলি, ৰেল লাইন উফৰোৱা, চৰকাৰী দপ্তৰখানা জ্বলোৱা আৰু ক'ত কি? চাৰিওফালে বিশৃংখল উচ্ছৃংখল। স্বতঃস্ফুৰ্ত বিপ্লৱৰ মূৰ্ত্ত প্ৰকাশ!" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬১১)। ভাৰতৰ স্বাধীনতা সংগ্ৰাম পাৰেই চাহ বাগিচাতো আহি কবায়হি। বাগিচাৰ বনুৱাসকলে বিভিন্ন ধৰণে এই সংগ্ৰামত যুক্ত হৈ পৰে। যুদ্ধৰ বাহানা লৈ বনুৱাসকলৰ মজুৰী (হাজিৰা) আঠ অনাৰ পৰা ছয় অনালৈ কমাই আনে। হাজিৰা কমাই দিয়াৰ বাবে বনুৱাসকলে তীব্ৰ প্ৰতিবাদ কৰে। এই লৈ বাগানবোৰত বনুৱাসকলৰ মাজত চাঞ্চল্য আৰু উত্তেজনা বৃদ্ধি পোৱা দেখা গ'ল। পুঁজিপতি বাগিচাৰ মালিকসকলৰ বিৰুদ্ধে শ্ৰমিক শ্ৰেণীটোৱে দ্ৰোহ কৰিব ল'লে। সৰ্বহাৰা বনুৱাশ্ৰেণীটোক ভাৰতৰ স্বাধীনতা সংগ্ৰামত যুক্ত কৰিব বিচাৰি বাগানে বাগানে ভলেণ্টিয়াৰবোৰ সোমায় জাতীয় আন্দোলনৰ কাকত-পত্ৰ গোপনে প্ৰচাৰ কৰে। সেই সময়তে মহাত্মা গান্ধীক জেলত ভৰাই থয়। সমগ্ৰ দেশতে এই বাতৰিটোৱে উত্তেজনা আৰু ক্ষোভৰ সৃষ্টি কৰে।

গৌৰাঙেও স্বাধীনতা সংগ্ৰামখনত যুক্ত হয়। সংগ্ৰামীসকলে বিতৰণ কৰা প্ৰচাৰ পত্ৰবোৰ গৌৰাঙে বাগিচাত লৈ নিজে পঢ়ি পিছত পাৰেই বাগিচাৰ বনুৱা ৰাইজৰ মাজত সেইবোৰ

প্ৰচাৰ কৰে। বাগিচাৰ বনুৱাসকলৰ অন্তৰতো স্বদেশপ্ৰেম জাগ্ৰত হয়। বনুৱাসকল জাগ্ৰত হয়। সংগ্ৰামখনত তেওঁলোকে সহযোগ আগবঢ়ায়, চাহ বাগিচাবোৰত বনুৱাসকলে সংগ্ৰাম কৰে। বিভিন্ন বিক্ষিপ্ত ঘটনা হ'বলৈ ধৰে, গল্পকাৰে লিখিছে— "খবৰ আহে কোনোবা বাগিচাৰ মেনেজাৰক বনুৱাহঁতে হত্যা কৰিছে, কোনোবা বাগিচাৰ বনুৱাহঁতে ধৰ্মঘট কৰিছে। নানান বাতৰি সঁচাই-মিছাই আহে। পাৰেই বাগিচাৰ বনুৱাহঁতে উচাহ পায়।" (বি. প্ৰ. ৰা. ৰ. স. প্ৰথম খণ্ড, পৃ. ৬১১)। বনুৱাহঁতে ভাবে জাতীয় সংগ্ৰামখনেই তেওঁলোকৰ মুক্তিৰ সংগ্ৰাম। বনুৱাসকলে ভাবে যে সিহঁতে আজি যে শোষিত ইয়াৰ মূলতে ইংৰাজসকল। বনুৱাসকলে শোষণকাৰীসকলৰ পৰা মুক্তি বিচাৰে, তেওঁলোকে বৃটিছ শাসন ব্যৱস্থাক উফৰাই পেলাবলৈ দৃঢ় সংকল্প গ্ৰহণ কৰে। পাৰেই বাগিচাও এই সংগ্ৰামত পিচ পৰি ৰোৱা নাছিল। বনুৱাসকলে লগ লাগি এদিন মেনেজাৰক অফিচতে পুৰা আঠ বজাৰ পৰা সন্ধিয়া পাঁচ বজালৈ বন্দী কৰি থয়। বনুৱাসকলৰ এই ৰূপ দেখি বাগানৰ চাহাবে তেওঁলোকৰ প্ৰাপ্য মজুৰি আঠ অনা কৈ দিব বুলি ঘোষণা কৰি ৰক্ষা পৰে। বনুৱাসকলে নিজৰ প্ৰাপ্য অধিকাৰ ঘূৰাই পায়। তেওঁলোকে 'গান্ধী ৰাজাৰ জয়', বন্দে মাতৰম' ধ্বনি দিয়ে। জনগণৰ এই বিজয়ক লৈ ৰাভাই মন্তব্য কৰিছে— "সিহঁতৰ সংঘাত শক্তি সঁচাকৈয়ে প্ৰচণ্ড, দুৰ্দ্দান্ত প্ৰলয়ঙ্কৰ, যুগান্তকাৰী আৰু তাতেই লুকাই আছে বিপ্লৱৰ মহামন্ত্ৰ বীজ।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬১১)। পাৰেই বাগিচাত সংগ্ৰামৰ নেতৃত্ব দিয়ে গৌৰাঙ আৰু বদুৰে। তেওঁলোকে বাগিচাৰ বনুৱাসকলৰ মাজত স্বাধীনতাৰ সংগ্ৰামৰ বিষয়ে প্ৰচাৰ কৰে। নিশা মিলিটাৰীসকলৰ পৰা গাঁওখন ৰক্ষা কৰিবৰ বাবে পহৰাৰ ব্যৱস্থা কৰে।

বিষ্ণু ৰাভাই ভাৰতৰ স্বাধীনতা লাভৰ আগতে মাৰ্ক্সবাদ আদৰ্শ গ্ৰহণ কৰিছিল আৰু মাৰ্ক্সবাদী আদৰ্শ প্ৰচাৰ কৰিছিল। মাৰ্ক্সবাদে সৰ্বহাৰা জনগণক শোষণৰ পৰা মুক্তি দিয়াৰ লগতে এখন শ্ৰেণীহীন সমাজ গঢ়াৰ সংকল্প লৈছিল। বিষ্ণু ৰাভাই চি পি আই দলৰ কথা এঠাইত লিখিছে— "মাৰ্ঘেৰিটা বজাৰৰ এচুকত ৰঙা নিচান উৰি থাকে। নিচানৰ সোঁমাজত বগা হাতুৰী-কাঁচিৰ ছবি কোলাকুলিকৈ অঁকা আছে। এচুকত পাঁচকোণীয়া বগীতৰা জিলিকি আছে। বতাহত নিচানটি ফিৰ্‌ফিৰাই ঢউ খেলি ৰাইজক আৱাহন কৰি আছে। ...তেজাল তেজাল মাত..." দেশখন আজি অধীন। বিদেশী ইংৰাজৰ তলত। সীমা খোচৰা তেজপিয়া বগা বঙালে সাউদ হৈ আহিছিল এই দেশলৈ, ছলে-বলে-কৌশলে সিহঁতে এই দেশখন ল'লে, শাসন কৰিলে,

তাৰ পিছত সিহঁতৰ শোষণৰ বাধা নাথাকিল। সিহঁতে দেশৰ তেজ শুহি নোহোৱা কৰিলে।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬১২)। এই সমাজ ব্যৱস্থাত শ্ৰমিক শ্ৰেণীটোৱে দিন-ৰাতি এক কৰি হাড়ভঙা কঠোৰ পৰিশ্ৰম কৰে কিন্তু তাৰ বিনিময়ত তেওঁলোকে ভাল খাদ্য পেট পুৰাই খাব নোৱাৰে, ভাল এখন কাপোৰ তেওঁলোকে পিন্ধিব নোৱাৰে, থাকিবলৈ উপযুক্ত বাসস্থানৰ অভাৱ, গাহৰিৰ গড়ালসদৃশ ঠাইত জীয়াই থাকিব লগা হৈছে। শিক্ষা-স্বাস্থ্যৰ কোনো ভাল ব্যৱস্থা নাই। ইয়াৰ বিপৰীতে পুঁজিপতি ধনী শ্ৰেণীটোৱে জীয়াই থকাৰ বাবে সকলো উপযুক্ত সা-সুবিধাসমূহ লাভ কৰে। ইয়াত এখন বৈষম্যমূলক সমাজৰ চিত্ৰ গল্পকাৰ ৰাভাই আগবঢ়াইছে। ৰাভাই সৰ্বহাৰা শ্ৰেণীটোৱে কিদৰে মুক্তিৰ পথ লাভ কৰিব সেই বিষয়ে গল্পটোত কৈছে— “প্ৰকৃত সুখ আহিব পাৰে সেই এমুঠি এলেহুৱা তেজপিয়া ধনী মানুহৰ হাতত সেই সমাজ-ব্যৱস্থা এৰি নহয়, মাটিৰ প্ৰকৃত লগৰীয়া হালোৱা, হজুৱা, বনুৱাৰ হাতলৈ সেই সমাজ ব্যৱস্থা আনি তেতিয়াহে প্ৰকৃত সুখ-শান্তি জগতত বিৰাজ কৰিব। তেতিয়াহে পৃথিৱীত সৰগৰ ৰাজ্যৰ থাপনা হ’ব। সেই সৰগ ৰাজ্যৰ দুৱাৰ মুকলি কৰিব কৃষক-বনুৱা ৰাইজেহে। বনুৱা-ৰাইজেই হ’ব লাগিব ৰজা। ...হয়তো বৃটিছৰ হাতৰ পৰা ভাৰতে শাসন ক্ষমতা কাঢ়ি আনিব পাৰে। কিন্তু ৰাইজে সাৱধান হোৱা উচিত ইংৰাজ যোৱাৰ পিছত যেন ধনৰাজ নহয়, হয় কৃষক-বনুৱা ৰাজ্য।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬১২)। মেল-মিটিঙৰ ভাষণবোৰে গৌৰাং আৰু বনুৱা জনগণৰ হিয়াত ক্ৰিয়া কৰে। গৌৰাঙে কথাবোৰ শুনি নতুন চিন্তাধাৰা তাৰ মনত উদয় হয়। তাৰ মনত শোষণৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ হয়। অন্তৰত বিপ্লৱৰ ভাৱ জাগ্ৰত হয়।

শশী শৰ্মাই নিজৰ মন্তব্যত কৈছে— ‘সৰ্বোপৰি এই গল্পটোৰ মাজেদি মূৰ্ত হৈ উঠিছে যে, শ্ৰমকাৰী মানুহৰ নৈতিকতা অতি ওখ। অৱশ্যে গল্পটোৰ মাজেদি চাহ বাগিচাৰ স্বৰূপ পৰিপূৰ্ণ ৰূপে ৰূপায়িত হৈছে বুলি অনুভৱ কৰা নাযায়। কাৰণ বনুৱাৰ জীৱনৰ জীৱন্ত ছবিহে চিত্ৰিত হৈছে পৰিচালক বা কৰ্মচাৰীসকলৰ জীৱনৰ আভাস পৰ্যন্ত নাই। মাথোঁ গৌৰাঙক নিযুক্ত কৰাৰ সময়ত ছয়াময়াকৈ মালিকক দেখা যায়।” (শৰ্মা, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ১২৪)। বিষ্ণুপ্ৰসাদ ৰাভাই ‘কুৰি বছৰ জেইল’ নামৰ গল্পটো যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কয়দী গৌৰাঙৰ জেল যাত্ৰা আৰু তাৰ জীৱনৰ বিষয়ে লিখিলেও মাৰ্ক্সবাদী ৰাভাই নিজৰ আদৰ্শৰ পৰা আঁতৰি অহা নাই। গল্পটোৰ মাজত তেওঁ ভাৰতৰ স্বাধীনতা সংগ্ৰাম, দ্বিতীয় বিশ্ব মহাযুদ্ধৰ বিৱৰণো দিছে। লগতে

মাৰ্ক্সৰ শ্ৰেণীহীন সমাজৰ লগতে এখন শোষণমুক্ত সমাজ গঢ়াৰ বাবে আহ্বান জনাইছে। পাৰেই চাহ বাগিচাৰ শ্ৰমিকসকলৰ জৰিয়তে শ্ৰেণীমুক্তিৰ পথ দেখুৱাইছে গল্পকাৰ ৰাভাই।

**(ঙ) মামীৰ হাৰ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই ধুবুৰী জেলত থাকোতে লগ পোৱা হোজা কৃষক হৰেন ৰাজবংশীৰ জীৱনক কেন্দ্ৰ কৰি 'মামীৰ হাৰ' নামৰ গল্পটো ৰচনা কৰে। সহজ-সৰল হৰেণে নিজৰ সৰলতাৰ কাৰণে আইনৰ মেৰপাকত পৰি কেনেকৈ জেল খাব লগা হৈছিল সেই বিষয়ে সৰ্বসাধাৰণ ৰাইজে বুজিব পৰাকৈ গল্পকাৰ ৰাভাই গোৱালপৰীয়া কথিত ভাষাত গল্পটো ৰচনা কৰে। গল্পকাৰে জেলত হৰেণক লগ পায় আৰু তাৰ কি দোষত জেলত আহিবলগীয়া হ'ল তাৰ বিৱৰণ গল্পটোত দিছে। গাঁৱলীয়া হোজা হৰেণ ৰাজবংশীৰ দূৰ সম্পৰ্কীয় ভতিজাক নৰই দুপৰীয়া শুই থকা হৰেণক জগাই প্ৰাণে মৰাৰ ভাবুকি দি মামীয়েকৰ বাকচৰ পৰা নগদ দুশ টকা আৰু সোণৰ হাৰ চুৰ কৰিবলৈ বাধ্য কৰাইছিল। নৰই বাচক ভাঙি নিজে দুশ টকা লৈ পলায় আৰু হৰেণক সোণৰ হাৰডাল দিয়ে। হৰেণৰ মাটি সম্পত্তি বহুত আছিল। একমাত্ৰ কন্যা মাতৃহাৰা গিৰিবালাৰ বাহিৰে হৰেণৰ আন কোনো নাছিল। গিৰিবালা তাঁতে-সুতে সকলো দিশতে পাৰ্গত। পঢ়া-শুনাও বেয়া নহয়, মাইনৰ পাছ কৰিছে। দিনক দিনে গাভৰু হোৱা গিৰিবালাৰ প্ৰতি নৰৰ চকু পৰে। পিতৃত্বৰ গৌৰৱেৰে গৌৰাৱান্বিত হৰেণৰ তীক্ষ্ণ দৃষ্টি আৰু গিৰিবালাৰ উদাসীনতাত নিজৰ কামভাৱ চৰিতাৰ্থ কৰিব নোৱাৰি নৰই হৰেণক ৰাস্তাৰ পৰা আঁতৰোৱাৰ মতলব কৰে। নৰই হৰেণক হত্যাৰ ভয় দেখুৱাই মামীয়েকৰ বাকচটো চুৰি কৰি আনিবলৈ আদেশ দিয়ে। হৰেনে মামাৰ মৃত্যুৰ পিছত বিধৱা মামীয়েকক নিজৰ ওচৰতে ৰাখিছিল। মামীয়েকৰ কোনো সন্তান নাছিল। মামীয়েকৰ সা-সম্পত্তি, মাটি-বাৰী বহুত। ঘৰৰ কাষতে দুটাকৈ ভঁৰাল ধানেৰে ভৰ্তি হৈ থাকে। মামীয়েকৰ বাকচটো ভাঙি নৰই টকা দুশ লৈ যায় আৰু হৰেণক সোণৰ হাৰডাল দিয়ে। সহজ-সৰল হৰেণে হাৰডাল পিন্ধি বুধবৰীয়া হাটলৈ যায়। পিছত হাৰ চুৰি কৰাৰ অপৰাধত পুলিচে হৰেণক ধৰি নিয়ে আৰু বিচাৰত তাৰ চাৰিমাহ জেইল হয়।

বিষ্ণু ৰাভাৰ আন আন গল্পকেইটাৰ দৰে ইয়াতো তেওঁৰ সংগ্ৰামী আদৰ্শ ফুটি উঠিছে। গল্পটোত দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰসংগ গল্পকাৰে আনিছে। গল্পকাৰে যুদ্ধৰ বিৱৰণ দিছে "ৰণ লাগে।

পৃথিৱীময় ৰণৰ ধুম্‌ধাম্‌। ঘৰৰ চোতালৰ পৰা দেখা যায় ৰণৰ সাজ-সৰঞ্জাম। বিধ বিধ হিলৈ, বন্দুক, কামান, নানা তৰহৰ লৰী, টেঙ্ক, মটৰ, গৰুগুৰ দৰে বৰ বৰ একোটা উৰা জাহাজ।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬২০)। ভাৰতে স্বাধীনতা লাভ কৰিলে। স্বাধীন ভাৰতৰ কৃষক-বনুৱা সৰ্বহাৰা শ্ৰেণীটোৰ কোনো উন্নতি হোৱা দেখা নগ'ল। বিভিন্ন সমস্যাই জনগণক বেঢ়ি ধৰিলে। ৰাভাই সাধাৰণ শ্ৰেণীৰ মৰ্মবেদনা গল্পটোত কৈছে যে— "স্বাধীন ভাৰততো যুদ্ধৰ পিছত নানান সমস্যাই ৰাইজক বেঢ়ি ধৰে। ক'লা বজাৰ, ধান-সংগ্ৰহ বস্তু-বাহানিৰ অগনিমূল্য, টেক্স, খাজনা বৃদ্ধি, কাপোৰ-কানিৰ নাটনি আদি সমস্যাই ৰাইজক জ্বলা-কলা কৰে। ধান সংগ্ৰহ আৰু কৃষি আয়কৰে ৰাইজৰ খং চুলিৰ আগলৈকে তোলে। এই সমস্যাবোৰ কোনো মতেই সমাধান কৰিব নোৱাৰি তলে তলে পুতুল বগাই গৈ থাকে। শেহত সাম্প্ৰদায়িক সংঘৰ্ষই ভীষণ ৰূপ লয়। ধনী আৰু চৰকাৰী কৰ্মচাৰীহঁতৰ পেৰাত সোপাই সোপাই ধন সোমায়, সিহঁতৰ সম্পত্তি বাঢ়ে। দুখীয়া হালোৱা হজুৱা-খেতিয়কহঁতৰ একো লাভ নহয়, কেৱল নাঙল, ভগা জাপি, নাইবা কেঁকোৰা দাহে সিহঁতে লভে আৰু গোহালিত ভৰি পৰে ভগনীয়াহঁতৰ অ'ত ত'ত আলৈ বিলৈ হৈ ঘূৰি ফুৰা গৰু গাই, ম'হ-ছাগলী।" (বি. প্ৰ. ৰা. ৰ. স. প্ৰথম খণ্ড, পৃ. ৬২১)।

বিষ্ণু ৰাভাৰ 'মামীৰ হাৰ' গল্পটোত দেশ বিভাজনৰ লগতে হিন্দু-মুছলমানৰ সংঘৰ্ষ সম্পৰ্কীয় ৰাজনৈতিক ঘটনাৱলীও স্থান পাইছে। গল্পটোত ভাৰত-পাকিস্থানৰ বিভাজনক কেন্দ্ৰ কৰি সমগ্ৰ দেশজুৰি যি ধৰ্মীয় অসহিষ্ণুতা আৰু সাম্প্ৰদায়িকতাই গা কৰি উঠিছিল তাৰ বিৱৰণ হৰেণ ৰাজবংশীৰ জৰিয়তে গল্পকাৰে কৈছে ঃ "সমস্যাৰ গোড়া না বুঝিয়া চুঝিয়া আমিৰা ধৰিয়া লং এই ইমিৰাই দেছেৰ্‌ ছত্ৰু, এই পাকিস্তানেৰ পেৰা আছা মানছিগিলা। ....ওদিগি চিলাইয়া ওঁঠে, 'আল্লা হো আকবৰ।' -আমিৰা ডাকাওঁ, -বন্দে বন্দে মাতৰম।' অ মলৌ অ' জাৰৌ, কাই কাই আছিচ আহিবি। চবাই আছিয়া জুটিয়া মিলিয়া-জুলিয়া একলগে চেচাং, বন্দে মাতৰম।" ... আগুন জ্বলিয়া উঠে...

আমিৰা যাং বাঙাল খেদাবাৰ। তামিৰাৰ ঘৰ পুৰে। আকাচ্‌ লাল হয়। ঘৰেৰ খুঁটা ফুটে- ঠৌ ঠৌ-ঠৌ, আমিৰা চেচাং-বন্দে মাতৰম, তামিৰা চিলায় আল্লাহো আকবৰ। আৰু তিৰী-ছাৱা কান্দিয়া উঠে। তাৰ পৰে আৰু কিছু নাই। তামিৰা পালায়। হয় আমাৰ পেট নাভৰে, আগেৰ মতন খালী থাকি যায়।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬২১)। জাতি, ধৰ্ম তথা সাম্প্ৰদায়িক সংঘৰ্ষই দৰিদ্ৰ লোকৰ দুখ কোনোদিন মোচন কৰিব নোৱাৰে। এই সংঘৰ্ষ তথা বিভাজনে দুখীয়া মানুহৰ সমস্যা

সমাধান নকৰে, এই সংঘৰ্ষই এচাম ক্ষমতালোভী, সুবিধাবাদী লোকৰ স্বাৰ্থতহে পূৰণ কৰে যি জাতিৰ শত্ৰু সমাজৰ কলংক। সাম্প্ৰদায়িক সংঘৰ্ষই যেন মানুহৰ জীৱনলৈ অন্ধাকৰহে নমাই আনিছে। আন্দোলনত যোগদান কৰি হৰেণে এমাহমান ফাটেক খাটিবলগীয়া হয়। গল্পকাৰ ৰাভাই জনগণৰ মুক্তি অকল মাৰ্ক্সবাদে আনিব পাৰিব বুলি গল্পটোত উল্লেখ কৰিছে। মাৰ্ক্সবাদে সৰ্বহাৰাৰ অন্তৰত মুক্তিৰ পোহৰ দেখুৱাইছে, গল্পকাৰে কৈছে— “লাল-নিচান। কোটি কোটি দুখীয়াৰ বুকুৰ তেজেৰে বোলোৱা ৰাঙলী পতাকা, সংসাৰৰ বিশ্ব-মানৱৰ চিৰ-সুখ, চিৰ-শান্তি, চিৰ মুকুতিৰ নিচান-ৰাঙলী পতাকা গুৰুং-তাড়ীৰ স্কুলৰ সন্মুখৰ খেল পথাৰৰ সোঁমাজত বতাহত উৰি ৰাইজৰ অন্তৰত নতুন ভাবৰ নতুন ঢৌৰ খলকনি তোলে।” (বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ৬২১)। গল্পকাৰে সেই সময়ত চলা ‘নাঙল যাৰ মাটি তাৰ’, ‘সমাজতান্ত্ৰিক বিপ্লৱৰ’ প্ৰসংগও আনিছে। গল্পকাৰ বিষ্ণু ৰাভাই ‘মামীৰ হাৰ’ গল্পটোত হৃদয় পৰশাকৈ বৰ্ণনা কৰিছে।

**(চ) জাল কেছ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাৰ ‘জাল কেছ’ নামৰ গল্পটোত বুলবুল আৰু বাহাৰুদ্দিনৰ ওপৰত চলা গোচৰৰ বিচাৰ প্ৰক্ৰিয়াৰ বৰ্ণনা প্ৰকাশ পাইছে। দ্বাৰকাৰ শনিবৰীয়া হাটলৈ যাওঁতে ৰিংজাং মাৰাকৰ কন্যা চোনাই চাংমাক বুলবুল আৰু বাহাৰুদ্দিনে সোণ আৰু টকাৰ লোভ দেখুৱাই ফুচুলাই নিয়ে আৰু বিয়া কৰোৱাৰ প্ৰলোভন দি তিনিদিন ৰাখি তাইৰ সতীত্ব নাশ কৰে। পিছত চোনাইৰ দেউতাকে বাহাৰুদ্দিনৰ ঘৰৰ পৰা তাইক উদ্ধাৰ কৰে।

চোনাইৰ দেউতাক ৰিংজাং মাৰাকে লক্ষীপুৰ থানাত দিয়া গোচৰৰ ভিত্তিত নিম্ন আদালতে আচামী দুজনক ভাৰতীয় দণ্ডবিধি আইন অনুসৰি ৩৪৩ আৰু ৩৫৬ ধাৰাৰ অধিনিয়মত দোষী সাব্যস্ত কৰে। আদালতে বাহাৰুদ্দিনক ৩৭৬ ধাৰামতে দোষী সাব্যস্ত কৰি বিচাৰৰ ৰায়দান কৰে। উক্ত গোচৰৰ ৰায় প্ৰদানৰ বাবে ছেচন কোৰ্টলৈ যোৱাত জৰ্জে জুৰীৰ সদস্যসকলক কেছৰ ধাৰা সম্পৰ্কে তন্ন-তন্নকৈ বুজাই দি বিচাৰৰ ৰায়দান ঘোষণা কৰিবলৈ কয়। গোচৰীয়া চোনাই চাংমা, তাইৰ দেউতাক ৰিংজাং মাৰাক আৰু অন্যান্য সাক্ষীসকলে নিম্ন আদালতত দিয়া সাক্ষ্য আৰু ছেচন আদালতত দিয়া সাক্ষ্যৰ তাৰতম্যৰ বাবে বিচাৰ প্ৰক্ৰিয়াত জুৰীৰ সদস্যসকল অসুবিধাৰ সন্মুখীন হয়। আদালতত প্ৰমাণ হয় যে চোনাইক জোৰ কৰি ধৰি নি বাহাৰুদ্দিনৰ ঘৰত আটক

কৰি ৰখা কথাবোৰ অসত্য হয়।

ছেচন আদালতত জুৰীৰ সদস্যসকলে যুক্তি যুক্ততাৰে বিচাৰ কৰি চোনাইৰ বয়স ওঠৰ বছৰতকৈ কম হোৱা বাবে তাইক টকা, সোণৰ অলংকাৰৰ লোভ দেখুৱাই অনিচ্ছা সত্বেও ধৰি নিয়াৰ বাবে ৩৬৩ ধাৰামতে বাহাৰুদ্দিনক দোষী সাব্যস্ত কৰে আৰু দুবছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে আৰু বুলবুলক খালাচ কৰি দিয়ে।

**(ছ) অজ্ঞাবাসৰ কথা ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে কৰা বিপ্লৱৰ বাবে তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হয়। ৰাভাই ১৯৪৮ চনৰ পৰা ১৯৫২ চনলৈ আত্মগোপন কৰিবলগীয়া হয়। আত্মগোপন কৰি থকা অৱস্থাত লাভ কৰা অভিজ্ঞতাৰ আলম লৈ 'অজ্ঞাতবাসৰ কথা' নামৰ এই গল্পটো ৰচনা কৰিছিল। গল্পটোত দুজন কমৰেডৰ সৈতে অধিনায়কজন পিঠিত গুলী ভৰ্তি ষ্টেনগান বান্ধি লৈ অসমৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল। গল্পটোত তেনে এক দুঃসাহসিক অভিযানৰ বৰ্ণনা ইয়াত কৰা হৈছে। দুমোন ওজনীয়া গধুৰ ওখ-পাখ অধিনায়কজন বিষ্ণুপ্ৰসাদ ৰাভা নিজেই। ৰাতিৰ পৰা অবিৰতভাৱে দুজন কমৰেডক লগত লৈ অধিনায়কজনে পূব আকাশত ফেহুঁজালি দিয়াৰ সময়ত এখন বড়ো গাঁওত আহি উপস্থিত হয়। গল্পকাৰ ৰাভাই এই 'অজ্ঞাতবাসৰ কথা' গল্পটোৰ মাজেদি ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজবাদৰ প্ৰতিষ্ঠাৰ বাবে বিপ্লৱ কৰিবলগীয়া হৈছে। গল্পটোত ভাৰতে স্বাধীনতা লাভ কৰিলেও সৰ্বহাৰা জনগণে শ্ৰেণীমুক্তি, শোষণৰ পৰা মুক্ত হ'ব পৰা নাছিল। শোষণৰ পৰা মুক্ত হৈ এখন শ্ৰেণীহীন সমাজৰ বাবে সংগ্ৰাম কৰাসকলক ভাৰত চৰকাৰে অবৈধ ঘোষণা কৰে, বিপ্লৱীসকলক ধৰিবলৈ আদেশ দিয়ে। গল্পটোত ৰাভাই উল্লেখ কৰিছে— "বিপ্লৱী অধিনায়কজনক ধৰিবলৈ চৰকাৰে বলিয়া কুকুৰৰ দৰে ৰাইজৰ মাজত জঁপিয়াই পৰিছে! ...যাকে-তাকে কামুৰিছে... বহুতো নিৰ্দোষীৰ জেল ফাটেক! চৰকাৰৰ ক'লা আইন— "জন নিৰাপত্তা আইন," নিদাৰুণ। এই আইনৰ বলত ৰাইজ জ্বলা-কলা। ৰাইজৰ আলৈ-বিলৈৰ সীমা নাই।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৩৪)। অধিনায়ক আৰু লগৰ দুজন সহচৰৰ সৈতে বিপ্লৱ প্ৰতিষ্ঠাৰ বাবে অসমৰ বিভিন্ন ঠাইত যাব লগা হৈছে। চৰকাৰৰ হাতত গ্ৰেপ্তাৰ নোহোৱাকৈ তেওঁলোকে ৰাতি ৰাতি গাঁও সলাই থাকিবলগীয়া হৈছে। ৰাভাই মাৰ্ক্সবাদৰ জৰিয়তেহে সকলো জনগণৰ মুক্তি

সম্ভৱ বুলি উল্লেখ কৰিছে, "এজন কাৰ্ল মাৰ্ক্সৰ এটা অন্তৰত এটি আদৰ্শ জিলিকাৰ পিছত, কোটি কোটি বিপ্লৱী মুক্তিকামী নৰ-নাৰীৰ অন্তৰ আইনাত সেই আদৰ্শৰ বহু ছাঁ প্ৰতিফলিত হৈ জিলিকাৰ দৰে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৩৫)। অধিনায়কজনৰ সহচৰজনে গান গায় —

"বিপ্লৱী পথেৰে যাত্ৰী আমি
সৰ্বহাৰাৰে মুক্তিকামী
চূৰ্ণ কৰিম আমি সংগ্ৰামী
দৰ্প-ধনীৰ পণ-আমাৰ।
হুঁচিয়াৰ! হুঁচিয়াৰ!!
ধনী মহাজন-জমিদাৰ
হুঁচিয়াৰ!! হুঁচিয়াৰ!!"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৩৫)।

ধনী মহাজন-জমিদাৰ শ্ৰেণীটোৱে কৃষক-বনুৱা শ্ৰেণীটোক কৰি অহা শোষণৰ বিৰুদ্ধে বিপ্লৱীয়ে হুংকাৰ দিছে। ধনতান্ত্ৰিক সমাজ ব্যৱস্থা ভাঙিব পাৰিলেহে সমাজখনলৈ সুখ-শান্তি আহিব। সৰ্বহাৰা জনগণৰ বাবে সকলো ত্যাগ কৰা, বিভিন্ন প্ৰকাৰৰ কষ্টও বিপ্লৱীসকলক নিজৰ আদৰ্শৰ পৰা আঁতৰাব পৰা নাছিল। শশী শৰ্মাই এই প্ৰসংগত কৈছে যে "ভোক-পিয়াহ-টোপনি সকলোকে দেশৰ জনগণৰ মুক্তিৰ স্বাৰ্থত জলাঞ্জলি দি তেওঁলোক গোপনে-গোপনে বা অজ্ঞাতভাৱে আগবাঢ়িছিল ন ন ঠাইলৈ। সমূহৰ স্বাৰ্থৰ বিনিময়ত কোনো শাৰীৰিক কষ্টই তেওঁলোকক টলাব পৰা নাছিল, অচল-অটলভাৱে আগবাঢ়িছিল মাথোঁ ৰাইজৰ সৈতে সমাজতান্ত্ৰিক বিপ্লৱ সফল কৰি তুলিবলৈ বুলি।" (শৰ্মা, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ১২৬)। গল্পটোত সামন্ততান্ত্ৰিক ব্যৱস্থাত সামন্তৰাজ পুঁজিবাদীসকলে শ্ৰেণীহীন বনুৱা-ভূমিদাসসকলক পশুৰ দৰে ব্যৱহাৰ কৰিছিল, ভূমিদাসসকলে খাদ্য বাসস্থানৰ পৰা বঞ্চিত আছিল। মাৰ্ক্সবাদে এই নিৰ্দয় শোষণ ব্যৱস্থা ভাঙি দিবলৈ সংকল্প লৈছিল। বিপ্লৱীসকলে পুঁজিবাদী মহাজন-জমিদাৰ শোষক শ্ৰেণীটোৰ বিৰুদ্ধে শেষ যুদ্ধত অৱতীৰ্ণ হোৱাৰ লগতে জয়ী হৈ নিজৰ অধিকাৰ ঘূৰাই পাব বুলি আশা কৰিছে। কমৰেড এজনে গাইছে—

"শেষ যুদ্ধৰ আমি ৰণুৱা

পৃথিৱীৰ হালোৱা-বনুৱা
হ'ম বিজয়ী আমি দুখীয়া
ক'ত ৰবি ধনী এইবাৰ?
হুঁচিয়াৰ!! হুঁচিয়াৰ!!
ধনী-মহাজন-জমিদাৰ
হুঁচিয়াৰ!! হুঁচিয়াৰ!!"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৩৫)

গল্পটোত গল্পকাৰে বাৰে বাৰে কৃষক-বনুৱা শ্ৰেণীটোক কৰা শোষণৰ প্ৰসংগ টানি আনিছে। আৰু এই শ্ৰেণীটোৰ বাবে মাত দিয়াৰ বাবেই তেওঁ চৰকাৰৰ শত্ৰু। যাৰ বাবে তেওঁ আত্মগোপন কৰিবলগীয়া হৈছে। কৃষক-বনুৱা, কল-কাৰখানাৰ মজদুৰ শ্ৰেণীটোৱে দিন-ৰাতি একাকাৰ কৰি পণ্য সামগ্ৰী উৎপাদন কৰে আৰু ইয়াৰ লাভখিনি ভোগ কৰে জমিদাৰ-মহাজন আৰু উদ্যোগৰ মালিক শ্ৰেণীটোৱে। গল্পকাৰে প্ৰসংগত ডুম্বাৰ (ভেড়া জাতীয় প্ৰাণী) কথা আনিছে। ডুম্বা পশ্চিম ভাৰত-পাকিস্থানত বেছিকৈ পোহে। ডুম্বাৰ নেজত মঙহ হয়। মঙহখিনি কাটিলে পিছত আকৌ মঙহ হয়। পিছত যেতিয়া মঙহ উৎপন্ন হোৱা বন্ধ হয় তেতিয়া জন্তুটোক মাৰি তাৰ শৰীৰৰ মঙহ ভক্ষণ কৰে। ঠিক সেইদৰে কৃষক-বনুৱা শ্ৰেণীটোৰ প্ৰতি মহাজন-জমিদাৰৰো মৰম একে। তেওঁলোকৰ মৰমত স্বাৰ্থ থাকে। যেতিয়ালৈকে বনুৱা শ্ৰেণীটোৱে মালিকক মুনাফা দি থাকিব তেতিয়ালৈকে মালিকেও এই শ্ৰেণীটোক মিছা মৰম দেখুৱাই থাকিব।

বহুদূৰ খোজকাঢ়ি অহাৰ পিছত যেতিয়া অধিনায়কজনক জিৰাবলৈ ক'লে, অধিনায়কজনে তাৰ উত্তৰত ক'লে যে — "বলিয়া কুকুৰৰ দৰে পাছে পাছে লাগি থকা সেই কুকুৰহঁতৰ পৰা মোৰ জিৰাবৰ আজৰিয়েই বা ক'ত? কোৱাৰ লগে লগে যেন জুইৰ আঙ তাৰনি (অঙঠা) মুখৰ পৰা সৰি পৰে। চকুযোৰৰ পৰা অগনিৰ ফিৰিঙতি ছিটিকি পৰে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৩৭)। ধনী মহাজন-জমিদাৰৰ ধনতন্ত্ৰবাদী যুগত কৃষক-বনুৱাই মুক্তিৰ পথ বিচাৰি ফুৰে। ধনিক শ্ৰেণীটোৱে সৰ্বহাৰা শ্ৰেণীটোক ধান বনাৰ দৰে বানে। সৰ্বহাৰা কৃষক-বনুৱা শ্ৰেণীটোৱে মুক্তিৰ বাবে ৰঙা নিচানৰ তলত লগ লাগে। মাৰ্ক্সবাদৰ সাম্যবাদত সিহঁতে মুক্তিৰ পথ বিচাৰি পায়। বিপ্লৱৰ অবিহনে মুক্তি সম্ভৱ নহয় বুলি জানি বিপ্লৱৰ পথ অনুসৰণ কৰে। এই বিপ্লৱ ধ্বংসৰ বাবে নহয় মুক্তিৰ

বাবেহে। বিপ্লৱৰ পথ সহজ নহয় খুবেই কঠিন। গল্পকাৰে বিপ্লৱৰ বাবে প্ৰাণ তুচ্ছ বুলি কৈছে— "... এটা আদেশ। সেই আদেশ পালন কৰিবলৈ হয়তো তাৰ জীৱনো শেষ হৈ যাব পাৰে, হয়তো ধুমুহাৰ দৰে প্ৰৱল গতিৰে গৈ শত্ৰুৰ জীৱনকো নাশ কৰিব পাৰে। ...দলৰ শৃংখলাৰ এনে দুৰ্বাৰ গতি। মৃত্যুও তুচ্ছ। ই অন্ধ সংগ্ৰাম নহয়, ই সমাজতান্ত্ৰিক বিপ্লৱ। ই নিয়মতান্ত্ৰিক দলৰ শৃংখলা নহয়, ই বিপ্লৱৰ দুৰ্দান্ত শকতিৰ গাঁথনি। বিপ্লৱী সাম্যবাদী দলৰ কঠিন ডিছিপ্লিন।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৩৮)। ৰাভাই জনগণৰ মুক্তিৰ সংগ্ৰামখনত হাতত তুলি লৈছিল ষ্টেনগান। ষ্টেনগানক বিপ্লৱীৰ প্ৰাণ বুলি কৈছে। সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাৰ বাবে এই অস্ত্ৰবোৰেই প্ৰধান সাৰথি। অধিনায়কজনে সহচৰ দুজনক বিপ্লৱৰ বাবে ষ্টেনগানৰ প্ৰয়োজনীয়তা আৰু এই ষ্টেনগানবোৰ যোগাৰ কৰাৰ বাবে হোৱা কষ্টৰ বিষয়ে কৈছে। অধিনায়কে কৈছে— "প্ৰত্যেক অস্ত্ৰতেই লুকাই আছে কমৰেডসকলৰ অদ্ভুত ত্যাগ, সাধনা, বুদ্ধি, দুঃসাহস, কষ্ট স্বীকাৰ, কৰ্তব্যপৰায়ণতাৰ সতেজ ইতিহাসৰ ৰহস্যজনক কাহিনী। ই কমৰেডসকলৰ অমূল্য দান, যি দানৰ কোনো তুলনা নাই।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৩৮)। বিপ্লৱী অধিনায়কজন আশ্ৰয় লৈ থকা বুলি খবৰ পাই সন্ধিয়া ৰাইজেৰে ভৰি পৰে বিপ্লৱী ডেকা কমৰেড নীলৰ চোতাল। বিপ্লৱী অধিনায়কৰ আগমনত উদ্বুদ্ধ হয় গাঁৱৰ ৰাইজ। তেওঁলোক আত্মহাৰা হয়। অধিনায়কজনৰ পৰা তেওঁলোকে বিপ্লৱৰ কথা, জনগণৰ মুক্তিৰ পথ বিচাৰে। মাৰ্ক্সবাদৰ সাম্যবাদৰ আদৰ্শৰ দ্বাৰা মুক্তিৰ পথ বিচাৰে, এই মুক্তিৰ পথ হৈছে সমাজতান্ত্ৰিক বিপ্লৱ। অধিনায়কজনে উপস্থিত ৰাইজৰ সন্মুখত সাহিত্য, নাটক সম্পৰ্কে বক্তৃতা দিয়ে। বিপ্লৱী তেজস্বী ভাষণেৰে জনগণৰ মুক্তিৰ চেতনা জাগ্ৰত কৰে। অধিনায়কজনে কয় যে— "এই সাম্যবাদৰ আদৰ্শৰ জেউতিৰ পোহৰত সিহঁতে স্পষ্টকৈ দেখিছিল সেই তেজপিয়া চোৰ-ডকাইত ধনকুবেৰৰ দলক, যিবিলাকে ছলে-বলে-কৌশলে আইনৰ সহায় লৈ গুপুতে-গোপনে ৰাইজৰ তেজ পিয়ে, শোহে, অন্তৰত ভয় নাই, কোনো সংশয় নাই। আজি সমাজতান্ত্ৰিক বিপ্লৱৰ পথ স্পষ্ট। আজি সিহঁতৰ চেতনা বীণাত প্ৰেৰণাৰ ঝঙ্কাৰ উঠিছে। সিহঁত আজি দুৰ্জ্জেয়, দুৰ্দান্ত, নিৰ্ভীক। ...সিহঁত সাজু, সৰ্বহাৰাৰ মুক্তিকামী বিপ্লৱ পথৰ যাত্ৰী হ'বলৈ সিহঁত সাজু, আমি সাজু, সংঘাত দিবলৈ প্ৰস্তুত। আজি প্ৰেৰণাৰ সুৰৰ লয় দ্ৰুত তালত পৰিণত হৈছে, সংঘাতৰ মান ৰং পৰণ, তেহাই সমহে অৱশিষ্ট।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৪০)। বাস্তৱ চিন্তা-চেতনাইহে মানুহক মুক্তিৰ সন্ধান দিয়ে। অধিনায়কজনে জনগণক বিপ্লৱৰ পথত অগ্ৰসৰ হৈ মুক্তিৰ পথত

আগবাঢ়িবলৈ দিছে। এই বিপ্লৱৰ পথে মহাজন-জমিদাৰৰ শোষণ-লুণ্ঠন, নিপীড়নৰ পথ ৰুদ্ধ কৰি জনগণক সমাজতন্ত্ৰবাদৰ পথ দেখুৱাই দিব। সমাজতন্ত্ৰবাদে কৃষক-বনুৱাক তেওঁলোকৰ প্ৰাপ্য অধিকাৰ প্ৰদান কৰিব। অধিনায়কজনে বিপ্লৱৰ প্ৰতি থকা জনগণৰ প্ৰশ্ন-সন্দিগ্ধতাৰ উত্তৰ দিছে। অধিনায়কজন এটা চৰিত্ৰও হ'লেও সেয়া বিষ্ণু ৰাভা নিজেই মূৰ্তিমান হৈ আছে গল্পটোৰ মাজত।

বিষ্ণু ৰাভাৰ ৰচিত সাতটা গল্পতে বিপ্লৱী মাৰ্ক্সবাদী আদৰ্শৰ প্ৰতিফলন হোৱা দেখা যায়। গল্পকেইটাত শ্ৰেণীহীন সমাজখনৰ মুক্তিৰ বাবে বিপ্লৱৰ প্ৰয়োজনীয়তা আৰু পুঁজিতন্ত্ৰবাদ ধ্বংস কৰি সমাজবাদ প্ৰতিষ্ঠাৰ বিষয়ে গল্পকাৰে জোৰ দিছে। গল্পকেইটাত কৃষক-বনুৱা শ্ৰেণীৰ শোষণ-নিপীড়নৰ মুক্তিৰ কথাই প্ৰাধান্য লাভ কৰিছে।

**(জ) বিষ্ণুপ্ৰসাদ ৰাভাৰ 'মিছিং কনেং' উপন্যাসত মাৰ্ক্সবাদী বিপ্লৱী সংগ্ৰামী সত্তা ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাৰ একমাত্ৰ উপন্যাসখন হৈছে 'মিছিং কনেং'। এই উপন্যাসখন মিছিং বা মিৰি সমাজৰ পটভূমিত ৰচিত। মিছিং সমাজৰ পটভূমিত লৈ ৰচিত প্ৰথম উপন্যাসখন আছিল ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী'। 'মিৰি জীয়ৰী' ৰচনাৰ প্ৰায় পঞ্চাচ বছৰৰ পিছত ৰাভাই 'মিছিং কনেং' উপন্যাসখন ৰচনা কৰে। ৰাভাই উপন্যাসখনত মিছিং বা মিৰি সমাজ জীৱনৰ দৃশ্য বৰ্ণনাত্মকভাৱে আগবঢ়াইছে। উপন্যাসখনত মিছিঙসকলৰ সাংস্কৃতিক দিশৰ বহল ব্যাখ্যা আগবঢ়াইছে। ক'বলৈ গ'লে উপন্যাসখনত মিছিং সমাজৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক এই সকলো দিশক সামৰি লৈছে। বিষ্ণু ৰাভাৰ যি মূল আদৰ্শ আছিল বিপ্লৱী সত্তা উপন্যাসখনত ৰাভাই সেইপিনৰ পৰা ফালৰি কাটি অহা নাই। প্ৰেম, জাতিভেদ প্ৰথা, ভাৰতৰ স্বাধীনতা সংগ্ৰাম, বিপ্লৱীসকলক নিষিদ্ধ কৰা এই সকলো দিশক উপন্যাসখনত সামৰি লৈছে। উপন্যাসখনৰ সম্পৰ্কত অনুৰাধা শৰ্মাই কৈছে যে— "সৃষ্টিশীল লেখনি হিচাপেও উপন্যাসখন আলোচনাৰ আওতাৰ বাহিৰত থাকিবলগীয়া নহয়। সামাজিক দিশৰ পৰাও এই উপন্যাস যথেষ্ট গুৰুত্বপূৰ্ণ স্বাধীনতাৰ সময়ৰ সমাজ, অসমীয়া-মিছিং জনগোষ্ঠীৰ জীৱনধাৰা আৰু বিষ্ণু ৰাভাৰ জীৱন দৰ্শন- এই তিনিটা ধাৰাই উপন্যাসৰ কাহিনীবৃত্তত অৱস্থান কৰি আছে।" (বৰা, মুক্তি দেউলৰ ৰূপকাৰ, পৃ. ৯০)। উপন্যাসখনত সোৱণশিৰি নদীৰ পাৰত বাস কৰা মিছিং সমাজখন, আৰু সেই সমাজখনৰে বাসিন্দা গাঁওবুঢ়া এৰৰামৰ জীয়ৰী পাৰছলী আৰু কুমঙৰ প্ৰেমে এক স্বকীয় ৰূপ লাভ কৰিছে। উপন্যাসখনৰ

আৰম্ভণিতে মিছিং সমাজৰ লোকউৎসৱ আলি-আই-লৃগাঙৰ বিস্তৃত বিৰৰণ দিছে। ৰাভাই বৰ্ণনামূলক ভংগীৰে আৰম্ভ কৰিছে, প্ৰতিটো বস্তু, প্ৰতিটো মুহূৰ্ত নাটকীয়ভাৱে আৰম্ভ কৰিছে। খুব ৰাতিপুৱাতে উঠি পৰিয়ালৰ মুৰব্বীয়ে আলি-আই-লৃগাঙৰ যোগাৰত নামি পৰিছে। গোটেই গাঁওখনে ব্যস্ত হৈ পৰে। মিছিংসকলৰ এই 'আলি আই-লৃগাং' প্ৰধান উৎসৱ।

উপন্যাসখনৰ পাৰছলী আৰু কুমঙৰ প্ৰেমে এক মুখ্য কাহিনী হৈ উপন্যাসখন আগবঢ়াই লৈ গৈছে। পাৰছলীয়ে কুমঙক ভাল পায় আৰু কুমঙো পাৰছলীক। দুয়োৰে প্ৰেম গভীৰ হয়। কিন্তু এই প্ৰেমত বাধা আহি পৰে। পাৰছলীক পাঁচ বছৰ বয়সতে তালে গামে তাৰ ল'ৰা তাচলৈ বুলি দকলো মণি পিন্ধাই থৈছিল। কিন্তু পাৰছলীয়ে অন্তৰেৰে কুমঙকহে ভাল পাইছিল যাৰ বাবে তাই দুবাৰো আত্মহত্যাৰ চেষ্টা চলাইছিল। পাৰছলীৰ বাপেক এৰাৰাম গাঁওবুঢ়াই কুমঙৰ সৈতে প্ৰেম কোনোপধ্যে মানি ল'ব পৰা নাছিল। এটা সময়ত পাৰছলী বিদ্ৰোহী হৈ পৰিছিল আৰু তাচে দিয়া দকলো মণি উভতাই দিছিল। পাৰছলীৰ মনৰ কথা কোনেও বুজিবলৈ চেষ্টা কৰা নাছিল। মিছিং সমাজৰ মাজতো শ্ৰেণী বৈষম্যই গা কৰি উঠিছিল। এৰৰাম গাঁওবুঢ়াই কুমঙৰ বাপেকতকৈ নিজকে প্ৰতিপত্তিশালী বুলি ভাবিছিল। সমাজত গাঁওবুঢ়া বা গাম জাতীয় লোকসকলৰ দপদপনি বেছি আছিল।

মিছিং বা মিৰিসকলক সেই সময়ৰ তথাকথিত অসমীয়া মানুহখিনিয়ে হীন দৃষ্টিৰে চাইছিল। মিছিংখিনিক অস্পৃশ্য বুলি গ্ৰহণ কৰিছিল। জাতিভেদ, বৰ্ণবৈষম্য, শ্ৰেণী সংগ্ৰামৰ প্ৰচলন খুবেই বেছি আছিল। কুমঙে হিন্দু গাঁওখনৰ কুঁৱাৰ পৰা পানী খোৱা বাবে কুঁৱাটো চুৱা হোৱা বুলি কুমঙক গালি পাৰিছে, ৰাভাই দৃশ্যটোৰ বৰ্ণনা কৰিছে— "এটা বাল্টিং পাৰতে ৰছাৰে সৈতে পৰি আছে। ৰ'ব নোৱাৰি বাল্টিংটো লৈ ৰছাটো ধৰি সি পানী তোলে, সেই কুঁৱাৰ পৰা। বালটিঙৰ পৰা পানী ঢালি ওপৰকঁটীয়াকৈ একাযে বহি সোঁহাতৰ আজলিৰে পিয়াহত সি জোলোকে জোলোকে খায়।...

আঁতৰত আদহীয়া এজনে গা ধুই কাপোৰ সলাই আছিল। খঙত জ্বলি-পকি খেদি আহি কুমঙৰ মুখামুখি হৈ থিয় দি কয়,— "হেৰৌ তহঁত নাজাননে, তহঁত মিৰিহঁতে এই কুঁৱাটো চুলে চুৱা যায় বুলি। ছেঃ ছেঃ ছেঃ খালি খালি খালি।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৫২)। মানুহজনৰ ব্যৱহাৰত কুমঙৰ মনত নানা প্ৰশ্নৰ উদয় হৈছে, সি নিজকে প্ৰশ্ন কৰে সি জানো অসমীয়া নহয়। জনজাতীয় লোকসকলক হীন চকুৰে চোৱা হৈছিল। তথাকথিত হিন্দু আৰু

নিজকে অসমীয়া বুলি পৰিচয় দিয়া লোকসকলে জনজাতীয়সকলক বেয়া ব্যৱহাৰ কৰিছিল। কুমঙে কুঁৰাৰ পানী খোৱা বাবে কুঁৰাটোৱে চুৱা হোৱা বুলি সেই সময়ৰ বৰ্ণবৈষম্যৰ বিষয়টো ৰাভাই দেখুৱাই দিছে। উপন্যাসখনত দেখা যায় যে মিছিং মানুহখিনিক অসমীয়া জাতিটোৰ পৰা পৃথক বুলি ভবা হৈছে। কুমঙৰ কথাতেই পোৱা যায়— "হিন্দুবোৰ হ'ল অসমীয়া আৰু সিহঁত মিৰিসকল হ'ল অনা অসমীয়া অসমত খিলঞ্জীয়া বাসিন্দা হৈও।সেয়েহে হিন্দুসকলৰ মুখত শুনা যায়, এয়া অসমীয়া গাঁও, সিখন মিৰি গাঁও।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৫২)। উপন্যাসখনৰ আন এঠাইত পোৱা যায় বৰ্ণবৈষম্য আৰু জাত-পাতৰ ভেদাভেদ। কুমঙে মেট্ৰিক পৰীক্ষা দিবলৈ লখিমপুৰ চহৰত যোৱাৰ আগত বাপেকে কুমঙৰ হাতত টোপোলা এটা দিয়ে। টোপোলাটোৰ ভিতৰত লখিমপুৰ চহৰৰ পঞ্চানন দেৱালয়ৰ দেৱতাৰ বাবে ৰূপৰ ফুল এযোৰ আগবঢ়াব দিয়ে। কুমঙে এয়ে প্ৰথমবাৰৰ বাবে মন্দিৰলৈ আহে। মন্দিৰত গৈ দেৱতাৰ সন্মুখত আঁঠুকাঢ়ি সেৱা কৰি ফুলযোৰ আগবঢ়াই দিয়ে। কুমঙে সেৱা কৰি উভতি আহোতে মন্দিৰৰ পূজাৰীজন আহি পায় আৰু নিজে নিজে মন্দিৰত প্ৰৱেশ কৰা বাবে পুৰোহিতে তাক গালি পাৰে। পুৰোহিতজনক কুমঙে নিজকে মিৰি ল'ৰা বুলি পৰিচয় দিয়ে আৰু পিতাকৰ উপদেশ মতে ৰূপৰ ফুল এযোৰ দেৱতাৰ উদ্দেশ্যত আগবঢ়োৱাৰ কথা কয়। পুৰোহিতজনে খঙেৰে কুমঙক কয়— "ক'লৈ যাৰ। যাব নোৱাৰ। পুৰোহিতৰ ধন-মাননি নিদি সেৱা কৰিলি, প্ৰতিমা চুই ৰূপৰ ফুলযোৰ আগবঢ়ালি। মিৰি ল'ৰা হৈ ভিতৰত সোমালি, মন্দিৰৰ চুৱা কৰিলি। এতিয়া যাৰ।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৬৫)। পুৰোহিতজনৰ কথাত অপমানিত হৈ কুমঙে মন্দিৰৰ ভিতৰত গৈ ৰূপৰ ফুলযোৰ তুলি আনে আৰু উভতি আহোতে ৰাস্তাৰ ভিক্ষাৰী এজনক দান দিয়ে। ৰাভাই সেই সময়ত সমাজত প্ৰচলিত জাত-পাতৰ বিচাৰৰ বিষয়টো উপন্যাসখনত উপস্থাপন কৰিছে। কুমঙে লখিমপুৰ চহৰত আহি মুছলমান মানুহৰ ঘৰত ভাড়াত আছিল। মুছলমানসকলৰ জাত-পাতৰ বিচাৰ নাই কিন্তু অসমীয়া হিন্দুসকলে জাত-পাতৰ বিচাৰ বেছি কৰিছিল। জাত-কুলৰ বিচাৰত হিন্দু অসমীয়াসকলৰ ঠেক মনোভাৱৰ বিপৰীতে মুছলমানসকল উদাৰ আছিল। কুমঙে মন্দিৰত গৈ এক নতুন অভিজ্ঞতা লাভ কৰিলে। সি মন্দিৰত যাব ওলাওতে বুঢ়া মৰীয়া মানুহজনে তাক ভালকৈ সেৱা কৰিব কৈছিল, আশীৰ্বাদ ল'বলৈ কৈছিল আৰু শেষত 'আল্লাই তোৰ মঙ্গল কৰিব' বুলি দোৱাও কৰিছিল। কিন্তু সি মন্দিৰত গৈ পুৰোহিতজনৰ পৰা বেয়া ব্যৱহাৰ লাভ কৰিলে আৰু মিৰি হোৱা বাবে সি

যেন অপৰাধহে কৰিছে। ৰাভাই সমাজৰ এই জাত-কুলৰ বিচাৰ ব্যৱস্থাক তীক্ষ্ণ ভাষাৰে সমালোচনা কৰিছে উপন্যাসখনত।

কুমণ্ডে মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগ লাভ কৰে আৰু কলিকতা বিশ্ববিদ্যালয়ৰ বিংশতিতম স্থান অধিকাৰ কৰে। কুমণ্ডে উচ্চ শিক্ষা গ্ৰহণৰ সিদ্ধান্ত লয়। কলেজত পঢ়া-শুনাৰ লগতে খেলা-ধূলা, গীত-নাচ-বাজনাত, সকলোতে পাৰ্গত হৈ উঠে। নগৰত কুমণ্ডে এক নতুন পৰিৱেশ লাভ কৰে। তাত জাত-পাত, উচ্চ-নীচৰ ভেদভাৱ নাই, সকলোৱে তাক মৰম কৰে। সেই সময়তে ভাৰতত স্বাধীনতা আন্দোলন আৰম্ভ হয়। সমগ্ৰ দেশজুৰি মহাত্মা গান্ধীৰ অহিংসা অসহযোগ আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰে। নগৰৰ কুমণ্ডৰ কোঠালিত আন্দোলনৰ নানা আলোচনা হয়। আন্দোলনৰ নেত্ৰী কমলা মিৰিৰ মিছিং জনগোষ্ঠীৰ সমৰ্থক কিছুমানে খদ্দৰ কাপোৰ পিন্ধি আহি বৈঠকত গোপনে যোগদান কৰে। কুমণ্ডৰ অন্তৰত জাতীয় আন্দোলনৰ ভাৱ সোমায়। লুণ্ঠনকাৰী-অত্যাচাৰী বৃটিছৰ বিৰুদ্ধে তাৰ মনটোৱে দ্ৰোহ কৰি উঠে। সি কমলা মিৰিৰ দলত যোগদান কৰি আন্দোলনত অংশগ্ৰহণ কৰে। কুমণ্ডে ভাবে দেশেই যদি পৰাধীন তাৰ পঢ়া-শুনা কি কামত আহিব। সমগ্ৰ ভাৰততে স্বাধীনতা আন্দোলনে কঁপাই যায়। কুমণ্ডে থকা নগৰত আন্দোলনকাৰী নেতাসকলে আহি সভা-সমিতি পাতি স্বাধীন দেশৰ সপক্ষে জনগণক বুজায়। মহাত্মা গান্ধীৰ আদৰ্শ গ্ৰহণ কৰি বিদেশী বস্ত্ৰ ত্যাগ কৰি নিজে হাতেৰে সূতা কাটি খদ্দৰ কাপোৰ বয় সেই কাপোৰ পিন্ধে। কুমণ্ডে কমলা মিৰিৰ ওচৰত গৈ স্বেচ্ছাসেৱক হয়। সি নগৰৰ কোঠালি এৰি দিয়ে, সি নিৰুদ্দেশ হয়। কুমণ্ডক বিচাৰি ঘৰত হাহাকাৰ লাগে। কুমণ্ডে দিচাংমুখত থাকি ভাৰতৰ স্বাধীনতা আন্দোলত অংশ লৈছে। বিভিন্ন সভা-সমিতিত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সপক্ষে জনগণক জাগ্ৰত কৰে, যঁতৰত সূতা কাটে, সেই সূতাৰে খদ্দৰ কাপোৰ বয়, বিভিন্ন মেলবোৰত অংশ লয়। মিছিং সমাজখনত স্বাধীনতা আন্দোলনৰ ঢৌৱে কঁপাই যায়।" ৰাভাই ইয়াৰ বিৱৰণ দিছে— "চাৰিওফালে মিৰি গাঁওবোৰত গান্ধীৰ কথা। ...কুমণ্ডহঁতৰ গাঁৱত সংগঠন বৰ টনকিয়াল। ...'মিস্বিৰ য়ামে' ডেকা-গাভৰুৰ সংগঠনে এটা ধুনীয়া ঘৰ সাজে। তাতে ডেকা-গাভৰুৱে মিলি আজৰি সময়ত নেওঠে, কপাহ ধুনে, পাজী বাটে, সূতা কাটে, কাপোৰ বয়। প্ৰায়েই শুনা যায়, নেওঠনিৰ কেৰ্‌কেৰণি, ধুনুৰ ধুনধুননি, তাঁতশালৰ খিট্‌খিটনি। ...গাঁৱত কপাহ গছৰ বাগিচা হয়।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৭৩)। পাৰছলীয়ো আহি কুমণ্ডৰ সৈতে লগ লাগি স্বেচ্ছাসেৱক হয়। দুয়ো লগ লাগি সাংগঠনিক কামত লাগি যায়।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগতে আৰম্ভ হয় পৃথিৱী কঁপাই যোৱা দ্বিতীয় বিশ্ব মহাযুদ্ধ। জাৰ্মানী, জাপান, ইটালী এই দেশকেইখনে ধনকুবেৰৰ স্বাৰ্থ আগত ৰাখি যুদ্ধত নামে। ৰাছিয়া, আমেৰিকা, বৃটেইনো তেনেকুৱা কাৰণত যুদ্ধত নামে যদিও শেষত ৰাছিয়াই জনগণৰ স্বাৰ্থত যুদ্ধত নামে। এই বিশ্ব মহাযুদ্ধই উত্তৰ-পূৰৰ লগতে অসমলৈকে বিয়পি পৰে। যুদ্ধৰ এক ভয়ানক পৰিৱেশৰ সৃষ্টি হয়। মহিলাসকলৰ ওপৰত পাশৱিক অত্যাচাৰ চলে। ৰাভাই ইয়াৰ বৰ্ণনা দিছে— "... সন্ধিয়াৰ পিছত গাভৰু তিৰোতাই ঘৰৰ বাহিৰলৈ ওলাব নোৱাৰে, ওলালেই সিহঁতৰ কামাগ্নিৰ পাশৱিক শিখাত জাহ যাব। ক'ত গাভৰু নিৰুদ্দেশ হয়। ...চাৰিওফালে কেৱল ভয় ভয় ভয়। ...অসম তথা ভাৰতত ক্ৰন্দসী ৰোদসীৰ কৰুণ আৰ্তনাদে গগন ভেদে চাৰিওফালে হাহাকাৰৰ ৰোল উঠে, গোটেই দেশজুৰি হা-হুমুনিয়াহৰ ধুমুহা বয়।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৭৪)। যুদ্ধৰ সমান্তৰালভাৱে দেশত স্বাধীনতা আন্দোলনো তীব্ৰ ৰূপ ধাৰণ কৰে। বৃটিছৰাজে ভাৰতক দুটুকুৰা কৰে। ভাৰতত সাম্প্ৰদায়িক সংঘৰ্ষ আৰম্ভ হয়। ৰাভাই এই সন্ধিক্ষণৰ বৰ্ণনা দিয়ে, "সাম্প্ৰতিক দাঙ্গা-হাঙ্গামা আৰম্ভ হয়, মানুহ পশুত পৰিণত হয়। হিন্দু-মুছলমানে ইজনে-সিজনক খতম কৰিবলৈ চেষ্টা কৰে, পাশৱিক অমানুষিক অত্যাচাৰ চলে, ভাৰতী আইৰ বুকুত ৰক্তৰ বান বয়। ...খাদ্যৰ সমস্যা বাঢ়ে। এটুপি ভাতৰ ফেনৰ কাৰণে মানুহে হাত বঢ়ায়, কলিকতা মহানগৰীৰ অলিয়ে-গলিয়ে কুকুৰ-মেকুৰীৰ দৰে মানুহ মৰে, মৰাশ গেলি যায়, পচি যায়, দুৰ্গন্ধ ওলায়, বিয়পি পৰে। (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৭৪)। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ যুজাঁৰুসকলে ৰণক্ষেত্ৰত জপিয়াই পৰে। কুমণ্ড আৰু পাৰছলীয়েও স্বাধীনতাৰ ৰণত জপিয়াই পৰে। কুমণ্ড আৰু পাৰছালীয়ে লগ লাগি গাঁৱে-ভূঞেঁ সভা-সমিতি পাতি সকলোকে স্বাধীনতাৰ ৰণত অংশ ল'বলৈ আহ্বান জনায়। সমগ্ৰ দেশতে এক অৰাজকতাৰ সৃষ্টি হয়। গাঁৱে-ভূঁঞে পুলিচ-মিলিটাৰী, চোৰাংচোৰাৰ দলবোৰ পিয়াপি দি ফুৰে। সাধাৰণ জনতাৰ ওপৰত অত্যাচাৰ চলে। বহুতো আন্দোলনকাৰীৰ জেল হয়। বিয়াল্লিছৰ গণ আন্দোলনত মহিলাখিনিৰ নেতৃত্বত শক্তি বাহিনী, মহিলা বাহিনী গঠন হয়। মহাত্মা গান্ধীৰ অহিংসা আন্দোলনৰ সমান্তৰালভাৱে একশ্ৰেণীয়ে সশস্ত্ৰ বিপ্লৱী দলো গঠন কৰে। বিপ্লৱীসকলে ইংৰাজৰ খাজনা লুটা, অস্ত্ৰ লুটা, ৰে'ল লাইন উৎখাত কৰা, ৰে'ল বগৰাই দিয়া আদি কামবোৰ কৰে। ভাৰতৰ জাতীয় পতাকা উত্তোলন কৰিবলৈ গৈ কনকলতা, ভোগেশ্বৰী আইদেউ, মদন ৰাউতা, সুত ভাতৃদ্বয়, মণিৰাম কছাৰীয়ে ইংৰাজৰ গুলীত জীৱন দিয়ে। কুশল

কোঁৱৰৰ ফাঁচী হয়, কমলা মিৰি যোৰহাটৰ জেলতে মৃত্যু হয়। জনগণৰ এই সংগ্ৰামৰ প্ৰাপ্তি ১৯৪৭ চনৰ ১৫ আগষ্টত হয়। ভাৰত স্বাধীন হয়।

ভাৰতে অকল ইংৰাজৰ পৰাহে স্বাধীনতা লাভ কৰিলে, ক্ষমতাৰহে হস্তান্তৰ হ'ল। সাধাৰণ জনগণৰ কোনো উন্নতি নহ'ল। জনগণক প্ৰকৃত স্বাধীনতা দিয়াৰ দাবীত কমিউনিষ্টসকলে বিপ্লৱ আৰম্ভ কৰে। কমিউনিষ্ট দলৰ সদস্যসকলক ভাৰত চৰকাৰে নিষিদ্ধ ঘোষণা কৰে। পুলিচ-চোৰাংচোৰাই সিহঁতক ধৰিবলৈ খেদি ফুৰে। উপন্যাসখনত কমিউনিষ্ট আহিনাই কুমঙৰ ঘৰত আশ্ৰয় লৈছে। আহিনাৰ মুখৰ পৰা দেশৰ এই অৱস্থাৰ কথা শুনি কুমঙ আচৰিত হয়। যি আশা লৈ স্বাধীন ভাৰতৰ বাবে ইমান সংগ্ৰাম কৰা হ'ল, ফলাফল তাৰ বিপৰীতহে হ'ল। আহিনাই আক্ষেপেৰে কুমঙৰ আগত স্বাধীনতাৰ প্ৰাপ্তিৰ কথাবোৰ কৈছে, "ভাৰত স্বাধীন! কোনে কয়? আজিও ভাৰত স্বাধীন হোৱা নাই। ইংৰাজ গ'ল, ধনৰাজ হ'ল। আজি ক'লাধনী আৰু বগাধনীয়ে ভাৰতৰ জনসাধাৰণৰ বুকুত বহি টুপি টুপি তেজ পিয়ে, ৰুকি ৰুকি মঙহ খাইছে, কুৰুকি কুৰুকি হাড়কেইডাল চোবাইছে। আমি খাটিলোঁ, বিয়াল্লিছ চনৰ আন্দোলনত, স্বাধীনতা যুঁজত আমি হালোৱা-হজুৱা, বনুৱা আৰু তল মজলীয়া খলপৰ দুখীয়া শ্ৰেণীৰ ৰাইজে মিলি কিমান যুঁজিলোঁ, অথচ আমাৰ অঙহী-বঙহী গৰিব ৰাইজে আমি এমুঠি খাবলৈ পায়, এমুঠি খাবলৈ নাপায়।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৭৬)। আহিনাই আক্ষেপ কৰিছে যে স্বাধীনতা সংগ্ৰামৰ বাবে ইমান ত্যাগ স্বীকাৰ কৰাৰ পিছতো চৰকাৰৰ দৃষ্টিত বিশ্বাসঘাতক, দেশদ্ৰোহী, সমাজদ্ৰোহী। স্বাধীনতা লাভৰ পিছত এচাম সুবিধাবাদীয়ে নিজৰ ৰূপ সলাইছে। এই সুবিধাবাদী শ্ৰেণীটোৰ এটাই লক্ষ্য যে দুখীয়া জনগণক কেনেকৈ শোষণ কৰিব পাৰি। সুবিধাবাদী ঠিকাদাৰ-মহাজনসকলে বৃটিছৰ দিনত স্বাধীনতা সংগ্ৰামীসকলক ধৰাই দি বৃটিছৰ মৰম আদায় কৰি দুখীয়াক শোষণ কৰি লাখ লাখ টকা ঘটিছিল, সেই একেখিনি ঠিকাদাৰ-মহাজনে স্বাধীনতা লাভৰ পিছত কাপোৰ সলাই খদ্দৰ ধুতী, পাঞ্জাৱী, মূৰত গান্ধী টুপী পিন্ধি নেতা হৈ একেই শোষণ চলাই আছে। এই স্বাধীনতাই দুখীয়া-সৰ্বহাৰাক একো মুক্তি দিব নোৱাৰিলে। দুখীয়া জনগণক শোষণৰ পৰা মুক্তি দিবলৈ কৰা বিপ্লৱৰ বাবেই আহিনা আজি চৰকাৰৰ ৰোষৰ বলি হ'বলগীয়া হৈছে। আহিনাই চৰকাৰৰ এই নীতিক সমালোচনা কৰি আক্ষেপেৰে কৈছে— "এনে ঠিক কথা কোৱাৰ কাৰণে সিহঁতে আমাক কয়— কমিউনিষ্ট। কুকুৰ-মেকুৰীৰ দৰে আমাক খেদি ফুৰে ভাৰতৰ স্বাধীন চৰকাৰৰ পুলিচ-মিলিটাৰীহঁতে।' (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড,

পৃ. ৬৭৬)। আহিনাই যি আশাৰে দেশৰ স্বাধীনতা কামনা কৰিছিল কিন্তু ফলাফলত তাৰ ওলোটা হোৱা বাবে ক্ষোভ জাগে। বৃটিছৰ বিৰুদ্ধে কৰা বিদ্ৰোহে সমগ্ৰ ভাৰতবাসীক জগাই তুলিছিল। সকলোৰে এক পৰিৱৰ্তন বিচাৰিছিল। বিপ্লৱে সমাজৰ পৰিৱৰ্তন আনে। কিন্তু সমাজখনৰ পৰিৱৰ্তন দেখা নগ'ল। সৰ্বহাৰা শ্ৰেণীটোৱে শোষিত-বঞ্চিত হৈয়ে থাকিবলগীয়া হ'ল। আহিনাই কুমঙৰ আগত ক্ষোভ কৰিছে যে— "আমাৰ জীৱন আহুতি অথলে গ'ল। ভাবিছিলোঁ ইংৰাজৰ শাসনেই ৰাইজৰ দুখ, অসুখ, অশান্তিৰ কাৰণ। সেয়েহে বগা বঙালৰ শাসন আমি হালোৱা, হজুৱা, বনুৱা আৰু তল মজলীয়া দুখীয়া তৰপৰ ৰাইজে একেচিপে উঠি একেলগে মেলি জোকাৰি উভালি উফৰাই পেলালোঁ। আমাক আঁতৰাই কিছুমান স্বাৰ্থপৰ নতুনকৈ পাবত গজা ধনী নেতাই চৰকাৰৰ গাদী আঁকোৱালি অধিকাৰ কৰিলে। ইংৰাজ গ'ল, ধনৰাজ হ'ল। আমাৰ অশান্ত আত্মাই তহঁতৰ দুখ-কষ্ট দেখি, আজিও অসুখ, অশান্তি আঁতৰি নোযোৱা দেখি ইনাই-বিনাই ফুৰিছে। ...তহঁতে ধনৰাজ ভাঙি গণৰাজ পাত। নহ'লে তিলতিলকৈ মৰিবি।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৭৬)। আহিনাক ধৰিবলৈ পুলিচ আহে, কিন্তু আহিনাই আগতেই সেই ঠাইৰ পৰা আঁতৰ হয়। পুলিচে আহি কুমঙৰ ঘৰত অত্যাচাৰ কৰে। কুমঙে স্বাধীন দেশৰ পুলিচৰ এই ব্যৱহাৰত আচৰিত আৰু ক্ষুণ্ণ হয়। ১৯৫০ চনৰ ১৫ আগষ্টত খুব ডাঙৰকৈ স্বাধীনতা দিৱসৰ আয়োজন কৰা হয়। সেইখন সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে কুমঙে। কুমঙে নিজৰ ভাষণত স্বাধীনতাৰ প্ৰাপ্তিয়ে যে সৰ্বহাৰা জনগণৰ একো উন্নতি কৰিব নোৱাৰিলে সেই কথা কৈ আক্ষেপ কৰে, কুমঙে কয়— "শুনা নাই বিয়াল্লিছ চনৰ গণ বিপ্লৱত জীৱনৰ আহুতি দিয়া শ্বহীদসকলৰ আত্মাৰ ইননি-বিননি। ...ভাবিছিলোঁ ইংৰাজৰ শাসন উফৰি যোৱাৰ পিছত ৰাইজৰ হালোৱা, হজুৱা, বনুৱা আৰু তলমজলীয়া দুখীয়া তৰপৰ ৰাইজৰ সুখ হ'ব, শান্তি হ'ব, যাৰ কাৰণে এই শ্বহীদসকলে স্বাধীনতা যুঁজৰ অগণিত আত্মবলি দিছিল। ...এই দুখীয়া ৰাইজৰ সুখ হ'ল জানো? আজিও সেই শ্বহীদসকলৰ অঙহী-বঙহী দুখীয়া ৰাইজে কলঢপ-কলঢপকৈ জীয়াই আছে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৬৮০)। সভা চলি থকাৰ মাজত প্ৰলয়কাৰী ভূমিকম্প আহে আৰু সকলোফালে ধ্বংস কৰি যায়।

বিষ্ণু ৰাভাই একমাত্ৰ উপন্যাস 'মিছিং কনেং'ত মিছিং জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দিশৰ অৱলোকন কৰিছে। বিপ্লৱী ৰাভাই উপন্যাসখনত নিজৰ যি বিপ্লৱী সত্তা সেয়া উপস্থাপন কৰিছে। ৰাভাই সদায়ে সৰ্বহাৰা জনগণৰ মুক্তিৰ চিন্তা কৰিছিল। উপন্যাসখনত

মিছিং জনগোষ্ঠীৰ হোৱা বাবে কুমঙে বাৰে বাৰে অসমীয়া হিন্দুৰ পৰা বৈষম্যৰ চিকাৰ হৈছে। জাত-কুলৰ ভেদভাৱৰ চিত্ৰ উপস্থাপনৰ জৰিয়তে কুমঙক বিপ্লৱী হোৱা দেখা গৈছে। ভাৰতৰ স্বাধীনতা আন্দোলনে সাধাৰণ জনতাক বঞ্চিত কৰি সুবিধাবাদী শ্ৰেণীটোৰ বাবেহে কাম কৰা দেখা গৈছে। ধনীয়ে ধনী হোৱাৰ বিপৰীতে কৃষক-বনুৱাই খাব নাপাই মৰিছে। উপন্যাসখনত ৰাভাই নিজৰ বিপ্লৱী সত্তাৰ প্ৰতিফলন কৰিছে।

**(গ) বিষ্ণুপ্ৰসাদ ৰাভাৰ নাটক, নৃত্যনাটিকা আৰু চিত্ৰনাট্যত মাৰ্ক্সবাদী সংগ্ৰামী সত্তা ঃ**

**নাটক ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই যোল্লখন নাটক ৰচনা কৰিছিল। ইয়াৰ কিছুমান সম্পূৰ্ণ নাটক আৰু কিছুমান অসম্পূৰ্ণ নাটক। ৰাভাৰ নাটকসমূহক নৃত্য-নাটিকা বা সংগীতালেখ্য, সামাজিক নাটক, পৌৰাণিক নাটক, কাল্পনিক নাটক, কাব্য-নাটক, বুৰঞ্জীমূলক আৰু জীৱনীমূলক নাটকৰ ৰূপত ভাগ কৰি দেখুৱাব পাৰি। বিষ্ণুপ্ৰসাদ ৰাভাই বিভিন্ন বিষয়ৰ নাটক ৰচনা কৰিলেও আমাৰ গৱেষণাৰ পৰিসৰত তেখেতৰ যিকেইখন নাটকত মাৰ্ক্সবাদী সংগ্ৰামী আদৰ্শৰ প্ৰতিফলিত হৈছে সেইসমূহ নাটককহে সামৰি লোৱা হ'ব।

বিষ্ণু ৰাভাৰ আন আন সাহিত্যৰাজিত যি মাৰ্ক্সীয় সংগ্ৰামী সত্তাৰ প্ৰতিফলিত হৈছিল নাটকসমূহো ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁৰ বহুকেইখন নাটকত তেওঁৰ সংগ্ৰামী সত্তাৰ প্ৰতিফলন ঘটিছে। ৰাভাই বহুকেইখন নাটক আত্মগোপনৰ সময়ত ৰচনা কৰিছিল। সেইবাবেই হয়তো কিছুমান নাটক আৰু সম্পূৰ্ণ কৰিব নোৱাৰিলে। যোগেশ দাসে বিষ্ণু ৰাভাৰ নাটকৰ প্ৰসংগত কৈছে যে — "সক্ৰিয়ভাৱে ৰাজনীতিত অংশগ্ৰহণ কৰা ব্যক্তি হিচাপে বিষ্ণুপ্ৰসাদ ৰাভাৰ জাতীয় ভাব তেওঁৰ নাট্য-সাহিত্যত ফুটি উঠাটো অৱশ্যে স্বাভাৱিক। ভাৰতৰ স্বাধীনতা সংগ্ৰাম, বিশেষকৈ ইয়াৰ শেষ পৰ্যায়ৰ কথা তেওঁৰ কেইখনমান সামাজিক নাটকত প্ৰকাশ পাইছে। তেওঁ যদিও সশস্ত্ৰ বিদ্ৰোহত বিশ্বাসী আছিল তথাপি জাতীয় মুক্তি সংগ্ৰামৰ মূল বিষয়ত তেওঁৰ যি সাধাৰণ বিশ্বাস নাটকত ব্যক্ত হৈছে। "ল'ৰা-ছোৱালীৰ মনত এই অহিংস যুদ্ধৰ ঢৌ উঠা, ৪২ৰ বিপ্লৱৰ কাৰ্যকলাপ সংগ্ৰামৰ কাষে কাষে এক শ্ৰেণী শঠ মানুহৰ দুৰ্নীতিপৰায়ণতা ইত্যাদি চিত্ৰ তেওঁ যথেষ্ট সংযতভাৱেই অংকন কৰিছে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. পাতনি- থ)। বিষ্ণু ৰাভাই সক্ৰিয় ৰাজনীতিত

অংশগ্ৰহণ কৰাৰ প্ৰভাৱ তেওঁৰ নাটকত পৰিছে। ভাৰতৰ স্বাধীনতা সংগ্ৰাম, স্বাধীনতা লাভৰ পিছত সৰ্বসাধাৰণ জনগণৰ সামাজিক, ৰাজনৈতিক অৱস্থা, মাৰ্ক্সীয় বিপ্লৱী আদৰ্শৰ প্ৰভাৱ নাটকসমূহত পৰা দেখা পোৱা যায়। ৰাভাৰ বিপ্লৱ আছিল সৰ্বহাৰা জনগণৰ মুক্তিৰ বাবে কৰা বিপ্লৱ। বিপ্লৱী মাৰ্ক্সবাদী দলত যোগদান কৰি ৰাভাই সশস্ত্ৰ সংগ্ৰামখনৰ জৰিয়তে শ্ৰেণী মুক্তিৰ হকে যুঁজ দিছিল। ৰাভাই নাটকসমূহৰ মাজেৰে তেওঁৰ জীৱনৰ দুটা প্ৰধান মতাদৰ্শ দাঙি ধৰিছে— প্ৰথমটো মাৰ্ক্সীয় পন্থাৰে জনগণৰ উত্তৰণ আৰু দ্বিতীয়তে সমগ্ৰ জনগোষ্ঠীয় সমন্বয়ৰ মাজেৰে বৃহৎ শক্তিশালী অসম গঢ়ি তোলা।

আমাৰ গৱেষণা গ্ৰন্থখনত বিষ্ণুপ্ৰসাদ ৰাভাৰ নাটকত মাৰ্ক্সীয় সংগ্ৰামী সত্তাৰ ওপৰত আলোকপাত কৰাৰ প্ৰযত্ন কৰা হ'ব।

**শকুন্তলা ঃ**

শকুন্তলা নাটকখন বিষ্ণুপ্ৰসাদ ৰাভাই কালিদাসৰ 'অভিজ্ঞানম্ শকুন্তলম্' গ্ৰন্থৰ আধাৰত ৰচনা কৰে। 'শকুন্তলা' পৌৰাণিক নাটক। নাটকখনত ৰাভাৰ মৌলিকতা দেখা পোৱা যায়। 'শকুন্তলা' নাটকখন এখন অসম্পূৰ্ণ নাটক। নাটকখনত সৰ্বমুঠ ১৩টা দৰ্শন আছে। মহৰ্ষি কন্বৰ পালিতা কন্যা শকুন্তলাই যৌৱনত ভৰি দিলে। এদিন মৃগয়ালৈ আহি মহৰ্ষি কন্বৰ আশ্ৰমত উপস্থিত হয় ৰজা দুষ্মন্ত। দুষ্মন্তক সেৱা-সৎকাৰৰ দায়িত্ব পৰে শকুন্তলাৰ ওপৰত। দুষ্মন্তই শকুন্তলাৰ ৰূপ-গুণত মুগ্ধ হয়। গন্ধৰ্ব প্ৰথামতে দুয়োৰে বিয়া হয়। শকুন্তলা আশ্ৰমতে গৰ্ভৱতী হয়। পিতৃ কন্বই শকুন্তলাক ৰাজভৱনত পঠোৱাৰ দিহা কৰিলে। পালিতা মাতৃ গৌতমী, শিষ্যদ্বয় শাৰদ্বত আৰু শাৰ্ঙ্গৰ্ৱক লৈ তেওঁলোক ৰজা দুষ্মন্তৰ ওচৰত উপস্থিত হ'ল। ৰজা দুষ্ম্যন্তই শকুন্তলাক চিনি নাপালে আৰু নানা অপমান কৰিলে। দুষ্মন্তই শকুন্তলাক চৰিত্ৰহীন নাৰী বুলি অপমানিত কৰিলে। বহু বছৰ পিছত ৰজাই শকুন্তলাক দিয়া আঙুঠিটো দেখি সকলো কথা মনত পৰিল আৰু পিছত দুয়োৰে পুৰ্ণমিলন হয়।

গৰ্ভৱতী শকুন্তলা যেতিয়া ৰজা দুষ্ম্যন্তৰ ওচৰলৈ গ'ল, তেতিয়া ৰজা দুষ্মন্তই শকুন্তলাক চিনিব নোৱাৰিলে। শকুন্তলাক নানা বাক্যৰে অপমান কৰে। শকুন্তলাক ৰজা দুষ্মন্তই ছলনাময়ী, বেশ্যা, চৰিত্ৰহীনা নাৰী বুলি ঘৃণা প্ৰকাশ কৰে। ইয়াতে ৰজা দুষ্মন্তৰ সামন্তপ্ৰভুৰ কদৰ্য ৰূপটো

নাট্যকাৰ ৰাভাই দেখুৱাইছে। কবি কালিদাসে ‘অভিজ্ঞানম শকুন্তলম’ত দুষ্মন্তই শকুন্তলাক পাহৰি যোৱাৰ কাৰণ ঋষি দুৰ্ব্বাসাৰ অভিশাপৰ ফল বুলি দেখুৱাইছে। শশী শৰ্মাই ইয়াক ‘কবিয়ে অন্নদাতা ৰজাক ৰক্ষা কৰিবলৈ বুলি কৌশলেৰে সৃষ্টি কৰিলে দুৰ্ব্বাসাৰ অভিশাপৰ” বুলি কৈছে (শৰ্মা, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ১৪৫)। দুষ্মন্তই শকুন্তলাক দিয়া আঙুঠিটো দেখা পায় আৰু পূৰ্বৰ কথাবোৰ মনত পৰে। মহৰ্ষি কন্বৰ আশ্ৰমত সিংহৰ সৈতে খেলি থকা পুত্ৰক দেখা পায় আৰু অসম্পূৰ্ণভাৱে নাটকখনৰ সামৰণি পৰে।

**নীলাম্বৰ ঃ**

নীলাম্বৰ এখন চুটি বুৰঞ্জীমূলক নাটক। নাটকখনত চাৰিটা দৃশ্য আছে। প্ৰথম দৃশ্যত ব’হাগ বিহু উপলক্ষে কমতাপুৰৰ ৰাজকাৰেঙত উৎসৱৰ পৰিৱেশ। ৰংদৈয়ে মাদৈ চন্দ্ৰকান্তিক বিহুৰ ওলগ জনাইছে আৰু বিভিন্ন ফুল, আ-অলংকাৰ দি মাদৈক সজাইছে। কোঁৱৰে চন্দ্ৰকান্তিৰ ৰূপত মুগ্ধ হয়। দ্বিতীয় দৃশ্যত সন্ধিয়া ৰাজকাৰেঙৰ ভিতৰ চ’ৰাত অন্তিম শয্যাত কমতাপুৰৰ অধিপতি চক্ৰধ্বজ। চক্ৰধ্বজৰ বিদায় সময়। ৰজা চক্ৰধ্বজে কোঁৱৰ নিলাম্বৰক নানা উপদেশ দিয়ে। নীলাম্বৰক কমতাধিপতিয়ে দিয়া উপদেশত মাৰ্ক্সীয় আদৰ্শ দেখা পোৱা যায়। য’ত মহাৰাজে এখন শোষণহীন, শ্ৰেণীহীন সমাজৰ কথা উল্লেখ কৰিছে। “চক্ৰধ্বজ-আজি মহাৰাজ! কিন্তু কাইলৈ? সেই পৰিণাম চিৰ অৱসান। যি পৰিণামৰ ফলত কালৰ বোৱতী সুঁতিত উটি যাব জীৱন-যৌৱন, ধন-মান! মৃত্যুৰ যাদুকৰী তুলিকাৰ পৰশত মহাকাল পটত এখনি একাকাৰ একবৰ্ণৰ ছবি প্ৰতিফলিত, যি ছবিত ধনী, দুখীয়া, ৰজা-প্ৰজাৰ কোনো পাৰ্থক্যই নাথাকিব।” (বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ২৯৯)। মহাৰাজে মন্ত্ৰী শচীপাত্ৰক কোঁৱৰ নীলাম্বৰক কমতাপুৰৰ ৰাজসিংহাসনত অভিষিক্ত কৰাৰ আদেশ দিয়ে। আদেশত মহাৰাজ চক্ৰধ্বজে শচীপাত্ৰক কয় যে— “শচী শুনা, মৃত্যুৰ পূৰ্ব মুহূৰ্তত মহাৰাজ চক্ৰধ্বজৰ অন্তিম আদেশ, মন্ত্ৰী আৰু বিষয়াসকলে পুৰুষানুক্ৰমিক বিষয়বাব পায়, এনে নিয়ম ৰাজ্যত প্ৰচলিত হয় আৰু মোৰ মৃত্যুৰ পিছত মোৰ উপযুক্ত পুত্ৰ নীলাম্বৰ কোঁৱৰ যেন স্বৰ্গসম কমতাপুৰীৰ ৰাজসিংহাসনত অভিষিক্ত হয়।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩০০)। মহাৰাজে ৰাজকাৰ্য যাতে সুচাৰুৰূপে চলে তাৰ উপদেশ দি চিৰ বিদায় মাগে।

৩য় দৃশ্যত কমতাপুৰৰ নতুন ৰজাৰ ৰাজঅভিষেক। কমতাপুৰৰ সিংহাসনৰ বাবে কোঁৱৰ

নীলাম্বৰৰ অভিষেক। সকলোৱে নীলাম্বৰক আশীৰ্বাদ দিয়ে। ৰাজ্যত আনন্দ-উৎসৱৰ আৰম্ভণি হয়। নীলাম্বৰে সিংহাসনত বহি উপস্থিতসকলৰ বাবে কয়— "...যাতে প্ৰজাৰ সুশাসন হয়, যাতে ৰাজ্যত শান্তি-শৃংখলা আহে সেইহেতু, মন্ত্ৰী মণ্ডলী আৰু বিষয়াসকলৰ সাহায্যৰে কমতাৰ নৃপতিয়ে যৎপৰোনাস্তি চেষ্টা কৰিব। পোন প্ৰথমে যিবিলাক বিদ্ৰোহীয়ে ৰাজ্যত বিপ্লৱ আনি অশান্তি সৃষ্টি কৰিছে, সিহঁতক শান্তিৰ কাৰণে দমন কৰা হ'ব। আজি নতুন ৰজাৰ অভিষেক উৎসৱৰ যি আনন্দ সঙ্গীত বাজি উঠিছে, সেই সঙ্গীত যেন ৰণোন্মাদিনী ৰাগিণীত পৰিণত হয়।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩০১)। নীলাম্বৰৰ কথাত সাম্যবাদী ভাৱ প্ৰকাশ পাইছে। সকলোকে লৈ এখন সুন্দৰ সমাজ গঢ়াৰ প্ৰতিশ্ৰুতি দিছে। সমাজৰ অৰাজকতা, বিদ্ৰোহ নাশ কৰি এখন শান্তি-শৃংখলা আৰু ভেদাভেদহীন সমাজ গঢ়িবলৈ বিচাৰিছে।

চতুৰ্থ দৃশ্যত ৰাজসিংহাসনত বহিয়েই ৰজা নীলাম্বৰে বিদ্ৰোহ দমন অভিযানৰ আয়োজন কৰে। পাটমাদৈ চন্দ্ৰকান্তিয়ে নীলাম্বৰৰ সান্নিধ্যৰ পৰা বঞ্চিত হ'ব বুলি দুখ প্ৰকাশ কৰিছে। পাটমাদৈ চন্দ্ৰকান্তিৰ মনত অসন্তোষে দেখা দিছে। শেষত লিগিৰী ৰংদৈয়ে 'বৰ্হিজগতৰ ৰজা স্বয়ং পুৰুষ আৰু অন্তৰ্জগতৰ ৰাণী স্বয়ং নাৰী' বুলি পাটমাদৈ চন্দ্ৰকান্তিক সান্ত্বনা দিছে। এইখিনিতে নাটকখনৰ সামৰণি পৰিছে। নীলাম্বৰ নাটকখনি এখন অসম্পূৰ্ণ নাটক।

**কৃষক ঃ**

'কৃষক' এখন অসম্পূৰ্ণ সামাজিক নাটক। বিয়াল্লিছ চনৰ স্বাধীনতা সংগ্ৰামৰ পটভূমিত নাটকখন ৰচিত। নাটকখনত তিনিটা অঙ্ক আছে। প্ৰথম অঙ্কত ১০টা দৰ্শন, দ্বিতীয় অঙ্কত ৬টা দৰ্শন আৰু তৃতীয় অঙ্কত ২টা দৰ্শন আছে। নাটকখনত ভাৰতৰ স্বাধীনতা সংগ্ৰাম, সংগ্ৰামীসকলৰ ওপৰত কৰা নিৰ্যাতন, এচাম নতুন দালাল শ্ৰেণীৰ উৎপত্তি আৰু স্বাধীনতা লাভৰ পিছত প্ৰাপ্ত স্বাধীনতাৰ প্ৰতি আক্ষেপ নাটকখনত দেখা পোৱা যায়। নাটকখনত বিষ্ণুপ্ৰসাদ ৰাভাৰ সংগ্ৰামী সত্তা প্ৰতিফলিত হৈছে। নাটকখন বিশ্লেষণ কৰিলে দেখা যায় যে মাধৱ চৰিত্ৰটোৰ জৰিয়তে ৰাভাই নিজকে ধৰা দিছে।

নাটকখনৰ প্ৰথম অঙ্কত মাধৱে মহাবিদ্যালয়ৰ পৰা ঘৰলৈ ঘূৰি আহে। মহাত্মা গান্ধীৰ ভাৰত ত্যাগ আন্দোলনৰ বাবে বহু আন্দোলনকাৰীক জেলত ভৰাই থৈছে, মাধৱকো স্বাধীনতা

আন্দোলনত অংশগ্ৰহণ কৰাৰ বাবে কলেজৰ পৰা বাহিৰ কৰি দিছে। ভাৰত ত্যাগ আন্দোলনৰ সময়ত বৃটিছ বাহিনীয়ে গাঁৱে গাঁৱে সোমাই যাকে-তাকে ধৰি নি অত্যাচাৰ কৰি জেলত সুমুৱাই থয়। মাক আৰু মাধৱৰ কথাতে ইয়াৰ বিৱৰণ পোৱা যায়, — "মাক-বাছা তই এইবোৰত যোগ নিদিবি! গাঁৱে গাঁৱে বোলে পুলিচ-মিলিটেৰী সোমাই যাকেই সন্দেহ কৰিছে তাকে ধৰি নি মাৰি-কিলাই জে'লৰ ভিতৰত সুমুৱাই থৈছে, মই শপত দিছোঁ বাছা, তই মোৰ মূৰ খাৰ যদি এইবোৰত যোগ দিয়।

মাধৱ— ভুল নুবুজিবিচোন মা। আজি ভাৰতৰ ওপৰত বৃটিছে যি অন্যায়, অত্যাচাৰ, অবিচাৰ চলাব ধৰিছে, তাৰ বিৰুদ্ধে যুঁজ কৰাটো প্ৰত্যেক ভাৰতীয়ৰে কৰ্তব্য। ময়ো এই যুঁজত যোগ দিয়াটো নিতান্ত কৰ্তব্যৰ ভিতৰত আৰু তেনেহ'লেহে মই উপযুক্ত সন্তান হ'ব পাৰিম। মা।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩০৩)। ভাৰতৰ স্বাধীনতা সংগ্ৰাম গোটেই দেশতে বিয়পি পৰে। স্বাধীনতা সংগ্ৰামৰ সমান্তৰালভাৱে দেশৰে কিছু স্বাৰ্থপৰ মানুহে ইংৰাজৰ গোলামী কৰিবলৈ এৰা নাছিল। নাটকখনত ঘটাটিং আৰু কেইজনমানে ইংৰাজৰ গোলামী কৰিছিল আৰু স্বাধীনতা সংগ্ৰামীসকলক বৃটিছ পুলিচৰ হাতত ধৰাই দিছিল। মাধৱ আৰু কেইজনমানে লগ হৈ স্বাধীনতা সংগ্ৰামৰ বাবে দল গঠনৰ বাবে সভা বহে। সভাত মাধৱে স্বাধীনতাৰ প্ৰয়োজন সম্পৰ্কে বক্তৃতা দিয়ে। মাধৱে বৃটিছৰ সাম্ৰাজ্যবাদ ধ্বংস কৰি, গণতন্ত্ৰ প্ৰতিষ্ঠাৰ আহ্বান জনাইছে। বৃটিছে ব্যৱসায় কৰিবলৈ আহি গোটেই ভাৰতকে নিজৰ অধীনত লৈ শাসনৰ নামত সাধাৰণ জনতাক উৎপীড়ন-শোষণ কৰি সৰ্বস্বান্ত কৰিছে। মহাত্মা গান্ধীয়ে ভাৰত ত্যাগ কৰিব কোৱা বাবে গান্ধীক জেলত আৱদ্ধ কৰি থৈছে। ভাষণত মাধৱে সকলোকে স্বাধীনতা সংগ্ৰামৰ বাবে ওলাই আহিবলৈ আহ্বান জনাইছে। দলটোত সুবিধাবাদী ঘটাটিং তামুলীয়ে কাৰ্যনিৰ্বাহকৰ সদস্য হৈ পৰে।

ঘটাটিঙৰ অত্যাচাৰ দিনক দিনে বাঢ়ি যায়। ঘটাটিঙে পুলিচ বাহিনী লৈ সাধাৰণ নিৰীহ জনতাৰ ওপৰত অত্যাচাৰ কৰিবলৈ ধৰিলে। বিনা কাৰণত মানুহখিনিক জেলত ভৰাই থ'লে। স্বাধীনতা সংগ্ৰামীসকলক পুলিচৰ হাতত ধৰাই দিলে। পুলিচৰ হাতত ধৰা নপৰিবলৈ মাধৱে আত্মগোপন কৰে। নানা ভেশচনত ঘূৰি ফুৰে, কিন্তু উজনি অসমৰ ৰে'ল ষ্টেচনত পুলিচৰ জালত পৰে। সেই সময়ৰ প্ৰচলিত আইন ব্যৱস্থাক ৰাভাই ভেঙুচালি কৰে। হাকিমৰ আদালতত আন্দোলনকাৰীসকলক বিনা বিচাৰে শাস্তি ঘোষণা কৰে। আন্দোলনকাৰীসকলৰ বিচাৰ নোহোৱাকৈ

শাস্তি প্ৰদান কৰাৰ বাবে প্ৰতিবাদ কৰিছে। আদালত কক্ষত হাকিম আৰু মাধৱৰ তৰ্ক হয়। ইংৰাজৰ হাকিমসকল স্বেচ্ছাচাৰী আছিল আৰু বিনা দোষত আন্দোলনকাৰীসকলক কঠোৰ শাস্তি দিছিল।

আন্দোলনৰ সেই সময়ছোৱাত সূতা আৰু কেৰাচিনৰ খুবেই অনাটন হৈছিল। মধ্যভোগীয়ে ক'লা বজাৰত অত্যাধিক দামত বিক্ৰী কৰিছিল। ইয়াৰ সুযোগ গ্ৰহণ কৰিছিল এচাম বৃটিছৰ অনুগত্যই। মাধৱে জেলৰ পৰাই পৰীক্ষা দি I.Sc. দ্বিতীয় বিভাগত পাছ কৰিলে। সি ডাক্তৰী পঢ়িবলৈ কলিকতালৈ গুচি গ'ল। ইফালে দেশত যুদ্ধৰ হাহাকাৰ, চাৰিওফালে ক'লা বজাৰ। এফালে দুখীয়া-সৰ্বহাৰা হৈছে আৰু অন্যফালে ঠিকাদাৰ-মহাজন শ্ৰেণীটোৱে ক্ৰমান্বয়ে ধনী হৈ গৈ আছে। দুখীয়াৰ ওপৰত শোষণ দিনক দিনে বৃদ্ধি পাইছে। ৰাভাই দুজন গাঁৱলীয়া মানুহৰ মুখেৰে কোৱাইছে— "বোলো তাকেহে কৈছোঁ, ইপিনে যুইধৰ এই ধামধুম। ৰাইজৰ চালৰ কুটাবেৰৰ মাটি পৰ্য্যন্ত বাকী নৰ'ল। চুকে-কোণে পৰি থকা সকলোৱে ক'লা বজাৰ, ঠিকাদাৰী কৰি কেৱল টকাহে ঘটিছে। অথচ হা হা কা কাতো চলিয়ে আছে। কিনো দেশখন হ'ল হৰি ঐ।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩১৩)। ভাৰতে স্বাধীনতা লাভৰ পূৰ্বে দেশ বিভাজনক লৈ এক উত্তেজনাৰ পৰিৱেশৰ সৃষ্টি হৈছে। মুছলিম লীগে পাকিস্তানৰ দাবীত 'লড়কে লেঙ্গে পাকিস্থান পাকিস্তান' ধ্বনিৰে উত্তাল কৰিছে। ঠায়ে ঠায়ে গোষ্ঠী সংঘৰ্ষই ভয়াবহ ৰূপ লৈছে। হিন্দু-মুছলমানৰ মাজত কটা-মৰাৰ এক ভয়ানক কাণ্ড হৈছে। ইয়াৰ মাজতে নাট্যকাৰে অসমত হিন্দু-মুছলমানৰ মাজত থকা সম্প্ৰীতিক দেখুৱাইছে। গঞাসকলৰ কথা-বাৰ্তাতে বুজা যায়। নাটকখনত এজন গঞাই কৈছে— "আৰু ধৰা আমাৰ সেই মুছলমান গাঁওখন। সিহঁতেনো কোন চিতেৰে আমাক কাটিবলৈ আহিবহে। আৰু আমিয়েই বা সিহঁতৰ গাত এটা কোব মাৰিবলৈ কোন সতেৰে আগবাঢ়ি যাম দেও?" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩১৪)।

১৯৪৭ ত দেশে অত্যাচাৰী ইংৰাজৰ পৰা স্বাধীনতা লাভ কৰিলে। বহুত সাধাৰণ গঞাই আকৌ স্বাধীনতা কি বুজিয়ে পোৱা নাই। তেতিয়া অন্য গঞাই স্বাধীনতা কি সেয়া বুজাব লগা হৈছে। সাধাৰণ মানুহখিনিয়ে স্বাধীনতা প্ৰাপ্তিৰ আনন্দ লাভ কৰিছে। স্বাধীনতাই অত্যাচাৰী বৃটিছৰ পৰা শাসন কৰি লৈ দেশখনৰ মানুহে চলাব। মানুহখিনিৰ সুখ হ'ব। মোলাং নামৰ চৰিত্ৰটোৰ জৰিয়তে ৰাভাই এখন সাম্য-সুখৰ ৰাষ্ট্ৰৰ কামনা কৰিছে। মোলোঙে কৈছে যে— "— এৰা! ৰামৰাজ্যৰ নাম শুনিছানে? সেই তাহানিখন ৰামৰাজ্যত হেনো মানুহৰ সৰু-বৰ নাছিল, ধনী-

দুখীয়া নাছিল, সকলোৱে হেনো সমানে বিচৰণ কৰিছিল, সমান সুবিধা আৰু সুখ ভোগ কৰিব পাৰিছিল। আমাৰ ইয়াতো তেনেকুৱা ৰামৰাজ্য। কৃষক-মজদুৰৰাজৰ প্ৰতিষ্ঠা হ'ব বুজিছা?" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩১৫)। বিষ্ণু ৰাভাই ভাৰতৰ স্বাধীনতা সংগ্ৰামত প্ৰথমৰে পৰা জড়িত আছিল। তেওঁ মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰিছিল আৰু এখন ভেদাভেদহীন, শ্ৰেণীহীন, শোষণহীন সমাজ গঢ়াৰ প্ৰতিজ্ঞা লৈছিল। নাটকখনত ৰাভাই বিভিন্ন সময়ত সেই কথা উপস্থাপন কৰিছে।

ভাৰতে স্বাধীনতা লাভৰ পিছত দেশজুৰি আনন্দ-উৎসৱৰ আয়োজন চলিছিল। বিভিন্ন ঠাইত সভা-সমিতিৰ আয়োজন হৈছিল। তেনে এখন সভাত ডাঃ মাধৱ চৌধুৰীয়ে স্বাধীনতা প্ৰাপ্তিৰ বিষয়ে জনগণক বুজাইছে। এয়া স্বাধীনতাৰ মাত্ৰ বীজ অংকুৰিত হৈছে মাত্ৰ, স্বাধীনতাৰ প্ৰকৃত স্বাদ পাবলৈ বাকী এতিয়াও। ডাঃ মাধৱে প্ৰকৃত স্বাধীনতাৰ সম্পৰ্কে জনগণক কৈছে— "স্বাধীনতা তেতিয়াহে হ'ব যেতিয়া প্ৰত্যেক কৃষকেই শ্ৰমৰ ফল পাব, কৃষকৰ ভাত, কাপোৰৰ অনাটন দূৰ হ'ব, ল'ৰা-ছোৱালীক শিক্ষা দিবৰ সুবিধা পাব, ভাল আহাৰ-পানীৰ ব্যৱস্থা হ'ব, অৰ্থৰ অভাৱত ল'ৰা-তিৰোতাৰ চিকিৎসাৰ ব্যৱস্থা কৰিব নোৱাৰি হাবাথুৰি খাই ফুৰিব নেলাগিব, প্ৰত্যেক মজদুৰেই যেতিয়া কাৰখানাৰ অংশীদাৰ হৈ পৰিব, যেতিয়া কোনেও কাৰো তলতীয়াভাৱে হাত পাতিবলগীয়া নহ'ব, যেতিয়া দেশত সমাজবাদ প্ৰতিষ্ঠা হ'ব, তেতিয়াহে দেশ স্বাধীন, তেতিয়াহে আচল স্বাধীনতা, তেতিয়াহে মহামানৱ মহাত্মাৰ ৰামৰাজ্য, তেতিয়াহে কৃষক-মজদুৰৰাজৰ প্ৰতিষ্ঠান।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩১৬)। ডাঃ মাধৱে ভাষণত কয় যে এয়া মাত্ৰ স্বাধীন ৰাষ্ট্ৰৰ আৰম্ভণিহে। সাম্যবাদ প্ৰতিষ্ঠা নহ'লে সৰ্বহাৰা শ্ৰেণীটোৱে শোষণ-বঞ্চনাৰ পৰা মুক্ত হ'ব নোৱাৰিব।

ডাঃ মাধৱে ভাৰতৰ স্বাধীনতা লাভৰ পিছত ৰাষ্ট্ৰৰ ব্যৱস্থাটোক লৈ সুখী হ'ব পৰা নাছিল। সৰ্বহাৰা জনগণৰ প্ৰাপ্য মৰ্যাদাৰ বাবে দিনে-ৰাতিয়ে একাকাৰ কৰিছে। স্বাধীন হোৱাৰ পিছত দেশত একশ্ৰেণীয়ে ৰাষ্ট্ৰৰ সম্পতি লুণ্ঠন কৰি, দুখীয়াৰ মুখৰ ভাত কাঢ়ি দিনক দিনে বিত্তশালী হোৱাৰ বিপৰীতে সাধাৰণ শ্ৰেণীটোৱে এমুঠি ভাত, এখন কাপোৰ বিচাৰি হাহাকাৰ কৰিছে। শ্ৰমিক-কৃষকশ্ৰেণীটোৱে ইমান কষ্ট কৰে অথচ সিহঁতৰ খেতি কৰিবলৈ মাটি নাই, হালৰ বাবে গৰু নাই, সঁচৰ বাবে ধান নাই, পিন্ধিবলৈ কাপোৰ নাই, বেমাৰত ভূগিলে ঔষধ নাই, সকলো ফালৰ পৰা এওঁলোক বঞ্চিত। স্বাধীন ভাৰতত একাংশ চোৰাং বেপাৰীৰ সৃষ্টি হৈছিল। যিয়ে অধিক মুনাফাৰ বাবে ক'লা বজাৰৰ সৃষ্টি কৰিছিল। তেনে কেইজনমান ক'লা চোৰাং বেপাৰী হৈছে ফণী

বৰুৱা, ললিত ভূঞা, সৰ্বানন্দ বৰঠাকুৰ। এই চোৰাং ক'লা বেপাৰীসকলে অধিক লাভৰ বাবে মোনে মোনে চাউল পাকিস্তানলৈ পঠাইছে। ডাঃ মাধৱ চৌধুৰীয়ে ফণী বৰুৱাৰ বাগিছাত ডাঃ হিচাপে যোগদান কৰে। নিজৰ সৎ আদৰ্শত বিশ্বাসী ডাঃ মাধৱ চৌধুৰীয়ে বাগিচাৰ মালিকৰ কু-কীৰ্তিবোৰ নাজানে। নাটখন অসম্পূৰ্ণভাৱে শেষ হৈছে। নাটকখনত ৰাভাই ডাঃ মাধৱ চৌধুৰী নামৰ চৰিত্ৰটোৰ জৰিয়তে মাৰ্ক্সবাদী সংগ্ৰামী আদৰ্শ তুলি ধৰিছে।

**সপোন কুঁৱলী ঃ**

'সপোন কুঁৱলী' নাটক বিষ্ণুপ্ৰসাদ ৰাভাই ধুবুৰী কাৰাগাৰত বন্দী হৈ থকাৰ সময়ত লক্ষেশ্বৰ শৰ্মাৰ অনুৰোধত ৰচনা কৰিছিল। 'সপোন কুৱলী' নাটকৰ বিষয়বস্তু হৈছে ভাৰতৰ স্বাধীনতা সংগ্ৰাম। নাটকখনত ৰাভাই মাৰ্ক্সীয় সংগ্ৰামী সত্তাও উপস্থাপন কৰিছে। নাটকখন অঙ্ক বা দৃশ্য বিভাজন কৰা নাই।

স্বাধীনতাৰ প্ৰাক্ক্ষণত সন্ধিয়া সময়ত শেৱালিয়ে তেওঁৰ পিতৃৰ ৰচিত গীত 'তেজৰ বোলেৰে লিখি যাম ইতিহাস' অৰ্গ্যানত বজাইছে। মাকে গীতটো শুনি স্বৰ্গগামী স্বামীৰ কথা মনত পেলাই হুমুনিয়াহ এৰিছে। শেৱালিৰ দেউতাক শম্ভুনাথ বৰা এজন স্বাধীনতা সংগ্ৰামী। মহাত্মা গান্ধীৰ ভাৰতত্যাগ আন্দোলনত অংশ লৈ বৃটিছ পুলিচ বাহিনীৰ প্ৰহাৰত প্ৰাণত্যাগ কৰে। ভাৰতত্যাগ আন্দোলনত সক্ৰিয় অংশ লৈ সমদলৰ নেতৃত্ব দি যাওতে পুলিচ বাহিনীৰ লাঠিৰ কোব, বন্দুকৰ কুন্দাৰ খুন্দাত বহুতো আন্দোলনকাৰী আঘাতপ্ৰাপ্ত হয়। শম্ভুনাথ বৰাও মূৰ আৰু বুকুত আঘাত পায় আৰু সেই বিষেই তেওঁৰ মৃত্যুৰ কাৰণ হয়। শম্ভুনাথ বৰাৰ গোটেই পৰিয়ালটোৱেই এই যুজঁত অংশ লৈছিল। শেৱালিৰ মাকে পিতৃই লিখা গানেৰে জনগণৰ অন্তৰত স্বাধীনতাৰ ভাৱ জাগ্ৰত কৰিবলৈ কৈছে। ৰাভাই মিছেছ বৰুৱাৰ মুখেৰে কোৱাইছে, — "মিছেছ বৰুৱা-শেৱালি! দীনহীন সমাজৰ পৰিহাস মচি তেওঁ তেজৰ বোলেৰে ইতিহাস লিখি থৈ যায়। আই মোৰ, সোণ মোৰ, নৰ'বা নৰ'বা। ৰ'বা কেনেকৈ? গাবা দেউতাৰাই ৰচা শেষ গানটি গাবা। গায়েই থাকিবা। মোৰ বাধা নুশুনিবা। জনতাৰ অন্তৰত দেউতাৰাই সেই গান গাই যেনেকৈ জাগৰণ তুলিছিল, তুমিও সেইদৰে ৰাইজক সেই গানেৰেই জগাব লাগিব। পাৰিবা? পাৰিবই লাগিব। বিদেশী ইংৰাজে এই সোণৰ আই অসমীক ফাঁকি দি লৈ জুৰুলী-জুপুৰী কৰিলে, ৰাইজক অভাৱ-আকালত

পেলাই আলৈ-আথানি কৰিলে। উস্ অসহ্য। আৰু নহয় আৰু নহয়। লাগে প্ৰতিকাৰ, অবাধ শোষণৰ প্ৰতিকাৰ। লাগে প্ৰতিশোধ নিৰ্মম পিতৃবধৰ প্ৰতিশোধ। খেদা খেদা সেই তেজপিয়া প্ৰবঞ্চক বগা বঙালক।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩২২)। নাটকখনৰ এক উল্লেখযোগ্য চৰিত্ৰ হৈছে মিছ চেৰী বেৰুইনী ওৰফে চাৰুবালা বৰুৱানী। চেৰী যুদ্ধ কালৰ ৰণোন্মাদিনী ৰমণী, বীৰাঙ্গনা, মাৰ্ক্সবাদী, কোনোবা মহিলা বাহিনীৰ প্ৰাক্তন অধিনায়িকা। দ্বিতীয় বিশ্বমহাযুদ্ধৰ সময়ছোৱাত ইজিপ্ত, লিবিয়া, টিউনিচিয়া, মালয়, ইটালী, বাৰ্মা, ছিঙ্গাপুৰ আদি বিভিন্ন ঠাইত নৃশংস যুদ্ধৰ সৈতে যুক্ত। যুদ্ধৰ শেষ হোৱাৰ পিছত দিল্লীত উচ্চ পদত কৰ্মৰত। চেৰী শেৱালিৰ ঘৰত আহে। শেৱালিৰ ঘৰৰ পৰিৱেশটোৱে স্বাধীনতা প্ৰাপ্তিৰ আনন্দমুহূৰ্তবোৰৰ বিৱৰণ দিছে। শেৱালিৰ ভাইটি দেউটিয়ে লগৰীয়াৰ লগত 'কদম কদম বঢ়ায়ে যা' গাই গাঁৱতে সমদল কৰিছে। দেউতিয়ে প্ৰাপ্ত হ'বলগীয়া স্বাধীনতাক লৈ উৎফুল্লিত। দেউতিয়ে কৈছে— "এৰা মণিৰাম দেৱান, তৰুণ ফুকন, নবীন বৰদলৈ, হেম বৰুৱা, কনক বাইদেউ, ভোগেশ্বৰী আইদেউ, কুশল ককাইদেউ, বহুতে স্বাধীনতাৰ কাৰণে যুঁজি যুঁজি মৰিল আৰু এই চহৰতে মোৰ স্বৰ্গত যোৱা পিতাদেউ শম্ভুনাথ বৰায়ো ইংৰাজৰ হাতত কোব খাই ঢুকাল। ...এই ইংৰাজহঁত বৰ বেয়া। আমাক শুহিবলৈ জানে, দিবলৈ নাজানে। আমাক মাৰি-ধৰি সকলো বয়বস্তু লুটি-পুটিহে নিয়ে। গান্ধী দেৱতা, জওহৰলাল পণ্ডিতহঁতে যুঁজি যুঁজি ইংৰাজহঁতক হৰুৱালে। কাইলৈ ১৫ আগষ্ট ইংৰাজহঁতে বাট নেপাই আমাৰ হাতত স্বৰাজ দিব। কাইলৈৰ পৰা দুখুনী আই অসমীৰো শিকলি ছিঙিব। আমিও স্বাধীন হ'ম।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩২৫)। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ফলত অত্যাচাৰী-শোষণকাৰী ইংৰাজে দেশ এৰি গুচি যাবলৈ বাধ্য হ'ল। এফালে স্বাধীনতা প্ৰাপ্তিৰ আনন্দ আৰু অন্যফালে এই স্বাধীনতাক লৈ শংকিত হোৱাও দেখা গৈছে। চেৰীয়ে শংকা প্ৰকাশ কৰিছে যে যি স্বপ্ন লৈ জনগণে দেশ স্বাধীন কৰিলে সেই চৰকাৰখনে তেওঁলোকৰ আশা-আকাঙ্খাবোৰ পূৰণ কৰিব পাৰিবনে? মহাত্মা গান্ধীৰ সপোনৰ যি ৰামৰাজ্য সেয়া এক কল্পনা বিলাসহে হ'ব ভাবিছে। চেৰীয়ে ভাৰতৰ এই স্বাধীনতাক লৈ নিজৰ মত প্ৰকাশ কৰিছে। তাই কৈছে— "...ইতিহাসেই ইঙ্গিত দিয়ে আপোচ আলোচনাৰ ফলত যি ৰাষ্ট্ৰ প্ৰতিষ্ঠিত হয়, সেই ৰাষ্ট্ৰ বুৰ্জোৱা ডেমোক্ৰেচীহে, ধনিক শ্ৰেণীৰ গণতন্ত্ৰহে। নামত গণতন্ত্ৰ হ'লেও কামত গণতন্ত্ৰ নহয়, মুষ্টিমেয় ধনিক শ্ৰেণীৰ ধনতন্ত্ৰহে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩২৬)। চেৰীৰ প্ৰশ্নৰ উত্তৰত

শেৰালিয়ে কৈছে যে— "গান্ধীবাদৰ শেষ পৰিণতিও সেই সমাজতন্ত্ৰবাদ, সাম্যবাদ। যাৰ চৰম পৰিণতি হৈছে অহিংসা নীতি অৱলম্বন কৰি প্ৰথম সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰা। এই সমাজতন্ত্ৰবাদেই হৈছে ৰাম ৰাজ্য।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩২৬)। নাটকখনত স্বাধীন ভাৰতত উদ্ভৱ হ'ব পৰা সমস্যাসমূহৰ এক পূৰ্বানুমান ব্যাখ্যা আগবঢ়াইছে।

মাৰ্ক্সবাদ আদৰ্শত বিশ্বাসী চেৰীয়ে শেৰালিক কৈছে যে, "ধৰ্ম, জাতি, জাতীয়তাবাদ খণ্ড-বিখণ্ড কৰিলে সেই মহামানৱতা সমাজৰ সংকীৰ্ণ স্বাৰ্থপৰ ন্যায়ে সৃষ্টি কৰিলে দ্বেষ-বিদ্বেষভৰা ঘৃণনীয় ঘৃণা আৰু অৰ্থনৈতিক ব্যক্তিগত অসাম্য, সৃজন কৰিলে নিষ্ঠুৰ, নিৰ্দয়, নিৰ্মম, নৃশংস ৰণলিপ্সু জিঘাংসা, যুগৰ এই অন্যায়, অবিচাৰ, ব্যাভিচাৰ জনতাই আজি ক্ষমা নকৰে, সহ্য নকৰে।" মহাত্মা গান্ধীৰ অহিংসা, নিৰস্ত্ৰ আন্দোলনে যে এক নতুন ধৰণে পৃথিৱীবাসীক ভাবিবলৈ বাধ্য কৰিলে।

শেষ দৃশ্যত — "অ ৰোৱণী, মই দিয়া ভূঁই, আলফুলে ৰুই' গীতটো গাই গাই ৰোৱনীহঁতে ভূঁই ৰুই আছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ ৰোৱণীসকলৰ দ্বাৰা ৰাভাই সমন্বয়ৰ দৃশ্য দেখুৱাইছে। 'সপোন কুঁৱলী'ৰ নাটকখনত ৰাভাই দেখুৱাইছে যে, যি স্বাধীনতাৰ বাবে দেশৰ জনগণে ইংৰাজৰ ইমান অত্যাচাৰ সহ্য কৰিবলগীয়া হ'ল কিন্তু দেশ স্বাধীন হোৱাৰ পিছত জনগণক প্ৰকৃত স্বাধীনতা দিব নোৱাৰিলে। স্বাধীন ভাৰত যি নতুন সমাজ গঢ়াৰ সপোন দেখিছিল সেই সপোন ধুঁৱলী-কুঁৱলিময় হৈয়ে থাকিল। নাটকখনত ৰাভাই সংঘাত-সংঘৰ্ষ চিত্ৰণত গুৰুত্ব নিদি কাহিনী কথনতহে বেছি গুৰুত্ব আৰোপ কৰিছে।

**তৰাৰতী আইদেউ ঃ**

'তৰাৰতী আইদেউ' এখন অসম্পূৰ্ণ বুৰঞ্জীমূলক নাট। ইয়াণ্ডাবু সন্ধিৰ পিছত অসমখন ইংৰাজৰ অধীনলৈ গুচি যায়। অসমখনক পুনৰ উদ্ধাৰৰ বাবে আহোমৰ ধতুৰা গোহাঁই আৰু তেওঁৰ পুত্ৰ গদাধৰে মান ৰজা বাৰ্গ্যদোৱাৰ ওচৰত সহায়ৰ বাবে যায়। বৃটিছ সৈন্যই মান সেনাপতি মিঙ্গিমাহা তিলোৱাক যুদ্ধত পৰাস্ত কৰে। গোটেই অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ দখললৈ যায়। ধতুৰা গোহাঁই আৰু গদাধৰ কোঁৱৰৰ আহ্বান মতে মান ৰজা বাৰ্গ্যদোৱাৰ লগতে নগা গাম, চিংফৌ গাম আৰু খামতি গামে সহায়ৰ বাবে আগবাঢ়ি আহে। পাহাৰীয়া জাতিবোৰৰ এই সহায় দেখি গদাধৰ কোঁৱৰ আৱেগিক হয়, তেওঁ কয়— "এই নগা, চিংফৌ এই খামটি

এই অবুজ জাতিহঁতে আজি বিচাৰে অসমৰ মুক্তি, অসমৰ স্বাধীনতা। অথচ অসমৰ ডা-ডাঙৰীয়াসকলে ইষ্ট ইণ্ডিয়া কোম্পানীৰ ভৰিৰ তলুৱা চেলেকিবলৈকো পিছ নোহুঁহকে, কুণ্ঠিত নহয়। প্ৰত্যাশাত কুকুৰৰ দৰে সিহঁতৰ পিছে পিছে ঘূৰি ফুৰে প্ৰভূৰ কৃপাত ছিঃ ছিঃ ছিঃ আজি অসমীয়াই লাচিতৰ সেই শৌৰ্য্য সেই বীৰ্য্য হেৰুৱাই বিদেশীৰ চুৱা-চেলেকা হ'ল।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৩৩)। ইংৰাজৰ বিৰুদ্ধে গদাধৰ কোঁৱৰে নেতৃত্ব দি যুঁজৰ বাবে আগুৱাই যায়।

নাটকখনত ভাৰতৰ স্বাধীনতা সংগ্ৰামত শ্বহীদ হোৱা গোমধৰ স্বৰ্গদেউ, পিয়লী ফুকনৰ দৰে ধতুৰাই গোহাঁই আৰু গদাধৰ কোঁৱৰে নিজকে আগুৱাই দিছে। ভাৰতৰ স্বাধীনতা সংগ্ৰামত বহু ভাৰতীয়ই ইংৰাজক সহায় কৰিছিল। এই নাটকখনতো শদিয়াখোৱাই নিজৰ স্বাৰ্থৰ বাবে বৃটিছক সহায় কৰিছে। গদাধৰ কোঁৱৰ বৃটিছৰ হাতত বন্দী হয়। কোঁৱৰে মৰিবলৈ ভয় কৰা নাই। কোঁৱৰে চাহাবৰ লগত তৰ্ক যুদ্ধত লিপ্ত হৈছে। নাটকখন অসম্পূৰ্ণভাৱে ৰৈ গৈছে। নাটকখনত বিষ্ণু ৰাভাই ভাৰতৰ যি স্বাধীনতা সংগ্ৰাম সেয়া দেখুৱাইছে আৰু স্বাধীনতা সংগ্ৰামখনত দেশৰ মানুহে নিজৰ স্বাৰ্থৰ বাবে বৃটিছক সহায় কৰাৰ দৃশ্য শদিয়াখোৱা চৰিত্ৰটোৰ মাজেৰে দেখুৱাইছে। নাটকখনত ৰাভাৰ স্বদেশপ্ৰীতি আৰু সামাজিক দায়বদ্ধতা প্ৰকাশিত হৈছে।

**এজেণ্টি মুলুক ঃ**

এই নাটকখন লিখা বহীখনৰ বকলাত তিনিটা নাম লিখা আছিল— ১। মণিৰাম (Subject to alteration), ২। মটকৰাজ, ৩। এজেণ্টি মুলুক। 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ'ৰ সম্পাদকে বিবেচনা কৰি 'এজেণ্টি মুলুক' নামটোকে প্ৰয়োগৰ সিদ্ধান্ত লয়। নাটকখন অসম্পূৰ্ণ, ইয়াত অঙ্কৰ বিভাজন নাই, নাটকখন বুৰঞ্জীমূলক বুলি ধৰি ল'ব পাৰি। নাটকখনত কোনো ঘটনাৰ স্পষ্ট বিৱৰণ নাই, উদ্দেশ্যৰ কোনো স্পষ্ট ইঙ্গিত নাই। ইয়াণ্ডাবু সন্ধিৰ প্ৰাক্ক্ষণৰ দৃশ্য যেন অনুমান হয়।

আহোমৰ পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ দিনত নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ বদন বৰফুকনে অসমলৈ অত্যাচাৰী মানক লৈ আহিছিল। মান সৈন্যই অসমৰ মানুহখিনিক নাৰকীয় অত্যাচাৰ চলায়। আহোম স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহই মানৰ অত্যাচাৰৰ পৰা অসমবাসীক ৰক্ষা কৰিবলৈ ইষ্ট ইণ্ডিয়া

কোম্পানীৰ সহায় লয়। নাটকখনত মণিৰাম বৰুৱাই বিৰিমফিন চাহাব, বেডিংছফিল্ড, ডেভিদ স্কট, ডেভিদ ছুন, কৰ্ণেল ৰিচাৰ্ডছ আদিৰ লগত যোগাযোগ কৰি মানক খেদিবলৈ সহায় বিচাৰে। ইংৰাজৰ লগতে পাহাৰীয়া ৰজাসকলকো সহায়ৰ আহ্বান কৰে। কুণ্ডিল নৈৰ পাৰৰ শদিয়াৰ এটা বাহৰত ইংৰাজ সৈন্য ছাউনীত বিষয়া কাপ্তান চাৰ্লটন, নিউবিল, মণিৰাম বৰুৱা, মটক ৰজা সৰ্বানন্দ সিংহৰ পুত্ৰ ৰজা মুকুন্দ চৰণ, তেওঁৰ দুই পুত্ৰ বৰগোহাঁই ভুগবৰ আৰু মাজু গোহাঁই ভগাৰথ, বীচাগামে লগ হৈ যুদ্ধৰ বাবে আলোচনা কৰি আছে। ‘এজেণ্টি মুলুক’ এখন বুৰঞ্জীমুলক নাট। নাটকখনত বিষ্ণু ৰাভাৰ স্বদেশপ্ৰেম দেখা পোৱা যায়। নাটকখনত ৰাভাৰ বিপ্লৱী সত্তা প্ৰকাশ পোৱা নাই বাবে গৱেষণাৰ পৰিসৰত দীঘলীয়া কৈ সামৰি লোৱা হোৱা নাই।

**কেৰু মণি থুৰীয়া ঃ**

‘কেৰু মণি থুৰীয়া’ এখন চুটি ব্যঙ্গ একাঙ্কিকা নাট। নাটকখন চীন যুদ্ধৰ সময়ত ভাৰতীয় সেনাৰ বাবে হিলৈ, বন্দুক কিনাৰ বাবে গাঁৱে গাঁৱে সাহায্যৰ বাবে যোৱাৰ উল্লেখ পোৱা যায়। ঘেটু নামৰ চৰিত্ৰটো কথা-বতৰাত বৰমতা, প্ৰতিটো কথাই ওফাইদাং মৰা। ঘেটুৰ ঘৈণীয়েক ভেকুলী আৰু খুলশালী ভেকোলা। ঘেটুৱে নিজৰ ঘৈণীয়েকক বিভিন্ন ধৰণে গালি-ধমকি দিছে। ঘেটুৰ ঘৰত মাষ্টৰ, মইনা গাঁওবুঢ়া আৰু এজন ডেকা সোমায়। তেওঁলোকৰ উদ্দেশ্য ভাৰত-চীনৰ যুদ্ধৰ দেশক সহায় কৰিবলৈ গাঁৱৰ প্ৰতিঘৰৰ পৰা সাহায্য বিচাৰে। ঠিক সেইসময়তে ভোদাই আহি সাহায্য উঠোৱা দলটোক চোৰ-ডকাইত বুলি গালি পাৰিব ধৰে। ভোদাইৰ ঘৈণীয়েকে সাহায্যৰ নামত এযোৰ কেৰু দান দিছিল আৰু ভোদাইয়ে সেই কেৰুযোৰ ওভতাই ল’ব আহিছে। তেওঁলোকৰ মাজত বাক-বিতণ্ডা হয় আৰু শেষত কেৰুযোৰ ওভতাই দিয়ে। এইখন ব্যঙ্গ নাটক। নাটকখনত ৰাভাৰ মাৰ্ক্সবাদী বিপ্লৱী আদৰ্শ আমি পোৱা নাই বাবে বিস্তৃত আলোচনা কৰা হোৱা নাই।

**সোণামুৰা গাঁও ঃ**

স্বাধীন ভাৰতৰ পৰৱৰ্তী সময়ত দেশত চলা মাৰ্ক্সবাদী আন্দোলনৰ পটভূমিত এইখন নাটক ৰচনা কৰে ৰাভাই। ভাৰতে ইংৰাজৰ পৰা স্বাধীনতা লাভ কৰিলে যদিও এয়া মাত্ৰ

ক্ষমতাৰহে হস্তান্তৰ হ'ল। সৰ্বসাধাৰণ মানুহখিনিৰ আৰ্থিক-সামাজিক কোনো পৰিৱৰ্তন দেখা নগ'ল। সুবিধাবাদী শোষক শ্ৰেণীটোৱে দুখীয়া জনগণৰ ওপৰত শোষণকাৰ্য চলাই যায়। নাটকখনত ৰাভাই স্বাধীনতাৰ পিছত চলা এখন সমাজৰ চিত্ৰ দাঙি ধৰিছে। নাটকখনত ৰাভাৰ মাৰ্ক্সবাদী বিপ্লৱৰ আদৰ্শ ফুটি উঠিছে। নাটকখনত ৰাভাই সেই সময়ৰ সাধাৰণ দুখীয়া জনগণৰ চলিবলৈ কি অসুবিধা হৈছিল, জনগণৰ মুক্তিৰ বাবে কমিউনিষ্ট আন্দোলন, আন্দোলনকাৰীসকলক বিচাৰি চৰকাৰী পুলিচযন্ত্ৰৰ অত্যাচাৰ আদি কথাবোৰ সামৰি লৈছে।

দুখীয়া খেতিয়ক দুখীৰামে নিজৰ জীৱন নিৰ্বাহৰ বাবে অলপ মাটিত খেতি কৰিছে। দুখীৰামে আক্ষেপ কৰিছে যে দুখীয়াৰ একো নাই, ধনীসকলে ধানেৰে ভড়াঁল পৰিপূৰ্ণ কৰিছে। দুখীয়াই ভাল খাব নোৱাৰে, ভাল পিন্ধিব নোৱাৰে, ধাৰৰ বোজাত তেওঁলোক পংগু হৈ গৈছে। সূতাৰ অভাৱত কাপোৰ পিন্ধিব পৰা নাই। সূতাৰ বাবে বজাৰত হাহাকাৰৰ সৃষ্টি হৈছে। কিছুমান সুবিধাবাদীয়ে চৰকাৰৰ সহায়ত কণ্ট্ৰোলৰ দোকান খুলি সাধাৰণ জনগণক শোষণ কৰিছে। সেই সুবিধাবাদী শ্ৰেণীটোৱে এটা সময়ত বৃটিছৰ গোলাম কৰিছিল আৰু পৰৱৰ্তী সময়ত স্বাধীন ভাৰতত কণ্ট্ৰোলৰ দোকান খুলিলে। দুখীৰামৰ সংলাপতে পোৱা যায় যে— "তাৰ দুখ দেখি সহিব নোৱাৰি দেউতাই চপাই আনি তাক খুৱাই-বুৱাই লিখা-পঢ়া শিকাই মানুহ কৰিলে। চাহ বাগিচাত কাম দিলে। সেই সুবিধা লৈ সি বহুতো ধন ঘটিলে। শেষত গোটেই বিয়াল্লিছ চনত বুইচা সি বগা বঙালৰ চুৰা চেলেকি থাকিল। আৰু আমি জেলত দহি-জহি থাকিলোঁ। হু-আজি আকৌ চোৱা তাৰ ভেম। বাগিচাত কাম কৰি অৰ্জা টকাৰে সি আজি কণ্ট্ৰোল দোকানৰ মালিক হ'ল। সূতা কিনিবলৈ গ'লো— উস, কটা তাৰ কিমান ফুটনি মানুহ হেন গণ্যই নকৰে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৫৩)। ভাৰতৰ সৰ্বসাধাৰণ জনগণে যি আশা লৈ স্বাধীনতা সংগ্ৰাম কৰি ইংৰাজৰ পৰা পৰাধীন ভাৰতক মুক্ত কৰিলে বাস্তৱত তাৰ ওলোটাটোহে হ'ল। গণতন্ত্ৰৰ ঠাইত ধনতন্ত্ৰবাদৰ শাসনৰাজ হ'ল। ধনতন্ত্ৰবাদৰ শাসন ব্যৱস্থাক উফৰাবলৈ কমিউনিষ্ট বিপ্লৱৰ আৰম্ভণি হয়। বিপ্লৱৰ পাতনি জীৱন আৰু লখিমীৰ কথা-বতৰাত ৰাভাই দাঙি ধৰিছে— "জীৱন বাস্তৱতে এই যে বিশ্বজুৰি বিপ্লৱৰ পাতনি দেখা যায় ঠায়ে ঠায়ে সৰু-সুৰা বিপ্লৱৰ ঢৌ উঠে নামে, গো খোজীয়া পানীৰ যিটো গুণ, কোটি কোটি গোসম্পদৰ মিলিত জল বিন্দুৰ জলধি সাগৰৰ গুণো সংখ্যানুপাতে পৰিৱৰ্তিত হৈ উত্তাল তৰঙ্গত পৰিণত হয়। ই ধ্ৰুৱপ। ধ্ৰুৱ সত্য। কালৰ অগ্ৰগতিক পশ্চাদগামী

ধনতন্ত্র যুগে বাধা দিব খুজিছে, সাধ্য নাই বাধা দিয়ে, বৰং কালৰ ৰথৰ চকাৰ তলত পৰি গুৰি হৈ যাব।

লখিমী-ধনীহঁতে ভাবিছে, গতায়ু জীৱন দীঘলীয়া কৰিবলৈ পছোৱাই গৈ আকৌ মাকৰ গৰকত সোমাই নিজকে ৰইখা কৰোঁ। কিন্তু সেয়া নচলে। ই আজি নোহোৱা-নোপোজা কথা হৈ পৰিছে। যি এবাৰ গৰভৰ পৰা জন্ম লভিছে সি সেই গৰ্ভলৈ নগৈ মৰাৰ গৰাহত সোমোৱাৰ বাহিৰে তাৰ আৰু আন গতি নাই। ধনকুবেৰহঁতৰো নাই।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৫২)। ধনতন্ত্ৰবাদ সমাজ ব্যৱস্থাত দুখীয়া জনগণৰ থাকিবলৈ ঘৰ নাই, গাত পিন্ধিবলৈ কাপোৰ পোৱা নাই, পেট ভৰাই খাবলৈ পোৱা নাই, লঘোণ দিবলগীয়া হৈছে, খেতিৰ বাবে এডৰা মাটি পোৱা নাই। দুখীয়াসকলৰ জীৱন ভাৰাক্ৰান্ত কৰি তুলিছে। তাৰ উপৰিও চৰকাৰী পুলিচ-মিলিটাৰী আদিয়ে জনগণক নানা ধৰণৰ অত্যাচাৰ কৰিছে। স্বাধীন ভাৰতে দুখীয়া জনগণক সন্তুষ্ট কৰিব পৰা নাই। বস্তুৰ জুই-ছাই দামে জনগণক কোঙা কৰিছে। ৰাভাই দুখীৰ মুখেৰে কোৱাইছে— "গোটেই সংসাৰতে কেৱল খাণ্ডৱ দাহ হে জ্বলিছে, কেউপিনে জুই হে জুই। য'তে-ত'তে জুইৰ আঙনিহে। জুৰনিৰ ঠাই আছে জানো? উস কটা কিনো পচা যুগ হ'ল অ?" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৫২)। সৰ্বহাৰা জনগণে মাৰ্ক্সবাদী বিপ্লৱৰ জৰিয়তে মুক্তি পথৰ সন্ধান পাইছে। স্বাধীন ভাৰতৰ ধনিক শ্ৰেণীটোৱে স্বাধীনতাৰ নামত ক্ষমতাৰ হস্তান্তৰহে কৰিলে। দেশ বিভাজন কৰি পাকিস্তান জন্ম দিলে। ইংৰাজৰ যি স্বেচ্ছাচাৰী শাসন আছিল স্বাধীন ভাৰতৰ ধনতন্ত্ৰবাদৰ স্থাপন হ'ল। পুঁজিপতি ৰাজনৈতিক দালালবোৰে নিজৰ লাভালাভৰ বাবে দুখীয়া কৃষক-শ্ৰমিক, সৰ্বহাৰা জনগণক শোষণ-নিপীড়ন কৰিছে। ধনীসকলে ক্ৰমান্বয়ে ধনী হোৱাৰ বিপৰীতে দুখীয়া জনগণে দৰিদ্ৰ, শিক্ষাহীন, স্বাস্থ্যহীন হৈ পৰিছে। দেশৰ অৱস্থা ক্ৰমান্বয়ে শোচনীয় হৈ পৰিছে। দেশত ঘুচ, চুৰি, জুৱাচুৰি, ক'লা বজাৰ, শিশুহত্যা, নাৰী নিৰ্যাতন, গৃহ-দহন, ধৰ্ষণ, অন্যায়-অবিচাৰ, শোষণ-নিপীড়ন ইত্যাদিৰ পৰিৱেশ গঢ় লৈছে। ইয়াৰ লগতে আকৌ ক্ষমতালোভীসকলে নিজৰ ব্যক্তিগত স্বাৰ্থ পুৰণৰ বাবে উঠি-পৰি লাগিছে। পুঁজিপতি শ্ৰেণীটোৱে বিভিন্ন কল-কাৰখানাৰ জৰিয়তে শ্ৰমিক শ্ৰেণীটোক শোষণ কৰিছে। সৰ্বহাৰা শ্ৰমিক-কৃষকসকলৰ মুক্তিৰ বাবে পঞ্চায়তৰাজ ব্যৱস্থাৰ জৰিয়তে সমাজতান্ত্ৰিক সমাজ গঢ়িলেহে এই শ্ৰেণীটোৱে প্ৰাপ্য অধিকাৰখিনি ঘূৰাই পাব। জীৱনে পঞ্চায়তৰাজ ব্যৱস্থাৰ কথা কৈছে, সমাজতান্ত্ৰিক বিপ্লৱৰ কথা কৈছে। যাৰ জৰিয়তে সৰ্বহাৰাসকলে প্ৰতিষ্ঠা

লাভ কৰিব। জীৱনে কৈছে— "সেই ধনী চক্ৰান্ত আৰু গতায়ু ধনতন্ত্ৰবাদৰ ষড়যন্ত্ৰৰ মূলতে সেই জুই সেই অগনি উমি উমি জ্বলি আছে। সেই অগনি নুমুৱাব লাগিব আপোনালোকে। সেই অগনিৰ ফিৰিঙতি বিয়পি এই ধনতন্ত্ৰবাদী সমাজক ধ্বংস কৰিব লাগিব আপোনালোকেই। আপোনালোকেই সমাজতান্ত্ৰিক বিপ্লৱৰ মাজেদি সমাজতন্ত্ৰৰ সুখৰ সৰগ ৰচিব লাগিব আৰু থাপিব লাগিব স্বৰ্গ-সুখ-কৃষক-বনুৱা পঞ্চায়তৰাজ।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৫৫)। সমাজত পঞ্চায়তৰাজ ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাৰ বাবে কমিউনিষ্টসকলে বিপ্লৱ আৰম্ভ কৰিলে। তেওঁলোকে বিপ্লৱৰ বাণী গাঁৱে-ভূঁঞে প্ৰচাৰ কৰিব ধৰিলে। জনগণক বিপ্লৱৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজাবলৈ ধৰিলে। জনগণৰ অশেষ ত্যাগ আৰু কষ্টেৰে দেশে স্বাধীনতা লাভ কৰিলে। স্বাধীন চৰকাৰখনে জনগণৰ আশা-আকাঙ্খাবোৰ পুৰণৰ বাবে গুৰুত্ব প্ৰদান নকৰিলে। সমাজৰ কৃষক-বনুৱা শ্ৰেণীটোৱে দিনে-ৰাতিয়ে কষ্ট কৰি বস্তুৰ যোগান ধৰে যদিও তেওঁলোকে নিজে ভালদৰে খাব পিন্ধিব নোৱাৰে। মহাজন-জমিদাৰ শ্ৰেণীটোৱে চোৰাং বজাৰ এখন খুলি অধিক মুনাফাত বস্তু বিক্ৰী কৰাৰ ফলত দুখীয়া শ্ৰেণীটোৰ দুৰ্দশাৰ সীমা নোহোৱা হৈছে। বিপ্লৱী সংগ্ৰামীসকলে এই ব্যৱস্থাটো ভাঙি দি দুখীয়াসকলৰ স্বাধীনতাৰ হকে কল-কাৰখানাত বনুৱাসকলৰ দ্বাৰা বনুৱা পঞ্চায়তৰাজ প্ৰতিষ্ঠা কৰি মহাজন-জমিদাৰসকলৰ শোষণ ধ্বংস কৰিবলৈ আহ্বান জনাইছে। বিপ্লৱীসকলৰ এই সংগ্ৰামত সৰ্বহাৰাসকলে অংশগ্ৰহণ কৰে। জীৱনে এই সংগ্ৰামৰ বিষয়ে কৈছে যে— "যাব। সকলোৱে যাব। ধনীৰ অত্যাচাৰত মৃত্যুই জীৱনী শক্তি পাব। জনতাৰ আহ্বানত সৰ্ববিশ্ব জাগি উঠিব। বিপ্লৱী দীৰ্ঘজীৱী হ'ব। চাৰিওফালে বিশ্বজুৰি বিপ্লৱৰ অগনি ব্যাপ্ত হ'ব! এয়েই বিপ্লৱ। বিপ্লৱ নাটৰ প্ৰথম সূত্ৰপাত।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৫৭)। বিপ্লৱীসকলে এক নতুন যুগৰ বাবে এই সংগ্ৰাম কৰিছে। বিপ্লৱত জনগণক জাগ্ৰত কৰিবলৈ সংগ্ৰামীসকলে গীত গাইছে—

"বিপ্লৱ অগনি জ্বলে,
কোটি পীড়িতৰ ভালে
বিপ্লৱৰ অগনি জ্বলে।
তপ্ত নবাৰুণ ৰাগে
দীপ্ত নৱ অনুৰাগে

ৰক্ত নৱ ৰবি জাগে

জাগ্ৰত দুঃখিত দলে।।”

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৫৭)।

জীৱনে মাৰ্ক্সবাদ আদৰ্শ গ্ৰহণ কৰি শ্ৰেণীহীন সমাজ এখনৰ বাবে বিপ্লৱ কৰিছে। বিপ্লৱৰ জৰিয়তে সৰ্বহাৰা দুখীয়া কৃষক-মজদুৰসকলক স্বাধীনতা দিয়া আৰু পুঁজিপতি-শোষণকাৰী মহাজন-জমিদাৰী ব্যৱস্থা ধ্বংস কৰি পঞ্চায়তৰাজ ব্যৱস্থা আৰু সমাজতান্ত্ৰিক সমাজ গঢ়ি তোলা। জীৱনৰ এই বিপ্লৱে ৰাষ্ট্ৰযন্ত্ৰৰ টোপনি হৰি নিচে। সেইবাবেই জীৱনক বিচাৰি পুৱতি নিশা দাৰোগা আৰু পুলিচ বাহিনীয়ে দুখীৰামৰ ঘৰত আহিছে। পুলিচৰ সৈতে দুখীৰামৰ পৰিয়ালটোৰ তৰ্ক হয় আৰু সমগ্ৰ পৰিয়ালটো নিৰ্যাতনৰ বলি হ'বলগীয়াত পৰে। দাৰোগাজনে অকল শাৰীৰিকভাৱে নিৰ্যাতন কৰাই নহয় দুখীৰামৰ গোহালি ঘৰটো ভাঙি পেলাবলৈ নিৰ্দেশ দিয়ে, ভঁৰালৰ ধানখিনি মাটিত সিঁচৰতি কৰি পেলাই দিব দিয়ে। ইয়াতে ৰাভাই শক্তিহীনৰ ওপৰত শক্তিবানৰ নিৰ্যাতনৰ ছবিখন দেখুৱাইছে।

বিষ্ণু ৰাভাৰ 'সোণামুৱা গাঁও' নাটকখন এখন অসম্পূৰ্ণ নাটক। নাটকখনত ৰাভাৰ বিপ্লৱী মাৰ্ক্সবাদী সত্তা প্ৰকাশ পাইছে। ৰাভাই বিপ্লৱী মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰাৰ পিছত সৰ্বহাৰা জনগণৰ বাবে যিদৰে সংগ্ৰাম কৰিছিল তাৰ আভাস নাটকখনত পোৱা যায়।

বিষ্ণুপ্ৰসাদ ৰাভাই সৰ্বমুঠ যোল্লখন সম্পূৰ্ণ আৰু অসম্পূৰ্ণ নাটক ৰচনা কৰিছিল। ৰাভাৰ যিসমূহ নাটকত মাৰ্ক্সবাদী বিপ্লৱী সত্তা প্ৰকাশ পাইছে সেইসমূহ নাটকৰ বিশ্লেষণ কৰা হ'ল। কিন্তু ৰাভাৰ বহুকেইখন নাটকত মাৰ্ক্সবাদী সংগ্ৰামী সত্তাৰ কোনো প্ৰভাৱ পৰা আমি দেখা নাপাওঁ। সেই নাটকসমূহৰ বিষয়বস্তু আৰু ভাব সম্পূৰ্ণ বেলেগ। বিষ্ণু ৰাভাৰ 'জীৱন', 'স্বামী ৰাম এ', 'ধুমুহা', 'সন্ন্যাসী', 'মাধৱদেৱ', '  শঙ্কৰদেৱ', 'সীমান্ত সৈনিক' আৰু 'সুবিশাল ব্ৰহ্মপুত্ৰ' এইকেইখন নাটকত মাৰ্ক্সবাদী আদৰ্শ প্ৰকাশ পোৱা দেখা নাযায় আৰু বিষয়বস্তুৰ লগত যুক্ত নহয় বাবে উক্ত নাটককেইখনৰ বিশ্লেষণ কৰা নহ'ল।

**নৃত্যনাটিকা ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই পাঁচখন নৃত্যনাটিকা ৰচনা কৰে।

**মুক্তি দেউল ঃ**

নৃত্যনাটিকা ‘মুক্তি দেউল’খন ‘বিষ্ণু ৰাভাই কমৰেড নীৰেন লাহিড়ী আৰু হৰিদাস ডেকাৰ অনুপ্ৰেৰণাত ৰচনা কৰে। ‘মুক্তি দেউল’ৰ বহুকেইটা গীত ভূপেন হাজৰিকাৰ পৰা লোৱা হৈছে বুলি ৰাভাই পাতনিত কৈছে। বিষ্ণু ৰাভাই কমিউনিষ্ট দলত যোগদান কৰাৰ পিছত এইখন ৰচনা কৰে। ৰাভাৰ মাৰ্ক্সবাদী আদৰ্শৰ প্ৰভাৱ সম্পূৰ্ণৰূপে এই নাটিকাখনত পৰা দেখা যায়। নাটিকাখনিৰ আৰম্ভণিৰ গীতটোৰেই সমাজৰ শোষিত-নিপীড়িত সৰ্বহাৰা জনগণক পুঁজিপতি, শোষণকাৰী শ্ৰেণীটোৰ বিৰুদ্ধে জাগি উঠিবলৈ আহ্বান জনাইছে।

“উঠ জাগি উঠ্ উপবাসী
অন্ন ভূমিহীন দল,
বুকু পেট জ্বলা চিৰদুখী
শেষ যুদ্ধলই হেৰ’ ব’ল।
শুন্ হেৰ’ শুন
গৰজন আৱাহন
সৃজনৰ নৱ বল।
ছিঙি দাস শাপ বন্ধন হ’ম জয়ী হেৰ’
সৰ্বহাৰা হীন দল।
........ আমিয়েই বনুৱা গোটেই বিশ্বৰ
শ্ৰমৰেই সৈন্যদল।
বিশ্ব শাসন আমিয়েই কৰিম
নকৰে শোষক দল।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড. পৃ. ২৭১)।

প্ৰশান্ত বুদ্ধ মুৰ্তিৰে এখন শ্ৰেণীহীন শোষণহীন সমাজৰ কল্পনা কৰিব পাৰি। নাটিকাখনত উচ্চাৰিত মন্ত্ৰ ‘অহিংসা পৰমো ধৰ্ম’ ই সকলো জীৱকে শান্তিৰে জীয়াই থকাৰ কথাই কৈছে।

দৃশ্যপট সলনি হয়, সময় সলনি হয়, সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰচলন হয়। ধনী সদাগৰ-মহাজনে সৰ্বহাৰা বনুৱাক দাস হিচাপে ব্যৱহাৰ কৰি শোষণ আৰম্ভ কৰি দিয়ে। এই শোষণকাৰীসকলৰ বিষয়ে ৰাভাই কৈছে যে,

স্বাৰ্থ-অন্ধ যত

ধনী-মানী-জমিদাৰ

যোগী হল যান্ত্ৰিকতাৰ

পিন্ধি মুখা অহিংসাৰ

চলালে নতুন ৰণ প্ৰতিযোগিতাৰ।

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৭১)।

সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থা চলি থকাৰ সময়তে আৰম্ভ হৈ যায় দ্বিতীয় বিশ্ব মহাযুদ্ধ। বিশ্ব মহাযুদ্ধই কঁপাই যায় পৃথিৱী। চাৰিওফালে বন্দুক-বোমাৰ ধোঁৱাৰে আকাশ অন্ধকাৰ হয়। যুদ্ধ শেষ হয়, বুৰ্জোৱা ব্যৱস্থাৰ আৰম্ভ হয়। পুঁজিপতি-জমিদাৰসকলে কল-কাৰখানাৰ নিৰ্মাণ কৰে। সেই কল-কাৰখানাত বনুৱা শ্ৰেণীটোৱে কাম কৰে। কৃষক-বনুৱা শ্ৰেণীটোৰ ওপৰত শোষক শ্ৰেণীটোৰ অত্যাচাৰ চলে। মাৰ্ক্সবাদে শ্ৰমিক শ্ৰেণীটোক মুক্তিৰ বাবে বিপ্লৱত যোগ দিবলৈ আহ্বান জনায়। কৃষক-শ্ৰমিকসকলে নিজৰ অধিকাৰৰ বাবে সংগ্ৰামত জপিয়াই পৰে।

"এই ৰণ অতি ভয়ংকৰ

সেই সমৰত যত হালুৱা-বনুৱা

মুকুতিৰ আশাতে হ'লহি ৰণুৱা,

জাঁপ দিলে হাঁহি মুখে ভীষণ যুঁজত

লাখে লাখে সেনাৰূপে হ'ল হতাহত,

........ অন্ন-ভূমি-হীন দল।

যাব মাথোঁ উপবাস জীৱিকা সম্বল।'

(বি. প্ৰ. ৰা. ৰ. স. প্ৰথম খণ্ড, পৃ. ২৭১)।

সমগ্ৰ পৃথিৱীজুৰি বিপ্লৱৰ ধ্বনি প্ৰৱাহিত হয়। পুঁজিপতি মহাজন-জমিদাৰশ্ৰেণী আৰু সৰ্বহাৰা কৃষক-শ্ৰমিকসকলৰ মাজত এক দ্বন্দ্ব হয়। সৰ্বহাৰা শ্ৰেণীটোৱে শোষণকাৰীসকলৰ পৰা বন্দীত্বৰ মুক্তি বিচাৰি বিপ্লৱত জঁপিয়াই পৰে।

"ভাঙ ভাঙ ভাঙ ভাঙ

লোহাৰ শিকলি ভাঙ।

ছিঙ ছিঙ ছিঙ ছিঙ

দাসৰ বান্ধোন ছিঙ।

খোল খোল খোল খোল

কাৰাৰ ‘ফাটক’ খোল

ভাঙ ভাঙ দুৱাৰৰ দাঙ।

শুন সৌৱা শুন শুন

ঘোষিছে ৰণ-বিষাণ,

মুক্‌ত আকাশে উৰে

দীপ্‌ত ৰঙা নিচান

ৰক্‌তেৰে ৰন্‌জিত

সূৰ্য উদীয়মান।

শুন মুকুতিৰ তূৰযৰ আহ্‌বান

হালোৱা-হজুৱা হেৰ মজুৰ কিচান।

মুক্তিমান! মুক্তিমান!! মুক্তিমান!!!

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৭৫)।

প্ৰথমতে সামন্ততান্ত্ৰিক ব্যৱস্থা, বুৰ্জোৱা ব্যৱস্থাই শ্ৰমিক-কৃষক শ্ৰেণীটোৰ জীৱন দুৰ্দশাগ্ৰস্ত কৰি তুলিছিল। এই শ্ৰেণীটোৱে কঠোৰ পৰিশ্ৰম কৰিও এমুঠি পেট ভৰাই খাব নোৱাৰে, এখন ভাল কাপোৰ পিন্ধিব নাপায়, থাকিবলৈ এটা ভাল ঘৰ নাই। ঋণৰ বোজাত ভাৰাক্ৰান্ত। জমিদাৰ-মহাজনৰ শোষণত এওঁলোক সৰ্বহাৰা। সৰ্বহাৰা শ্ৰেণীটোৰ শোষণ-নিপীড়নৰ পৰা মুক্তিৰ পথ লৈ আহিছে মাৰ্ক্সবাদ বিপ্লৱে। মাৰ্ক্সবাদে এই শ্ৰেণীটোক শোষণকাৰীসকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহ্বান জনাইছে। প্ৰচলিত সমাজ ব্যৱস্থাটোক ভাঙি এখন নতুন সমাজ গঢ়িবলৈ আহ্বান জনাইছে।

“তই শক্তিৱান

ক্ষীণ ঋষি দধীচি মহান।

তোৰ অস্তি মহা-অস্ত্ৰ

শোষকৰ মৃত্যু শস্ত্ৰ।

শোষণেৰে পঞ্জীভূত ধনীৰ মৰণ।

সিহঁতৰ শোষণেই মৃত্যুৰ কাৰণ

বল্ বল্ বল্ বল্

সাজু হ'বৰে হ'ল,— সাজু হ'বৰে হ'ল।

ভাঙ ভাঙ দুৱাৰৰ দাং।"

(বি. প্র. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৭৫)।

সৰ্বহাৰা শ্ৰমিক-কৃষক শ্ৰেণীটোক ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজতান্ত্ৰিক সমাজ গঢ়িবলৈ আৰু পঞ্চায়তৰাজ ব্যৱস্থা প্ৰৱৰ্তনৰ দ্বাৰা এখন সাম্যবাদ, শ্ৰেণীহীন সমাজ গঢ়ি তুলিবলৈ আহ্বান জনাইছে। ভাৰতত সাম্ৰাজ্যবাদী অত্যাচাৰী বৃটিছৰ শাসন ব্যৱস্থাৰ অন্ত পৰাৰ পিছত ভাৰতৰে কিছু পুঁজিপতি ধনী মহাজন-জমিদাৰৰ নেতৃত্বত এক শ্ৰেণীৰ দালালৰ সৃষ্টি হয়। তেওঁলোকে সমগ্ৰ ৰাষ্ট্ৰব্যৱস্থাটোকে নিজৰ হাতৰ মুঠিলৈ আনে। ভাৰতে স্বাধীনতা লাভ কৰিলেও ধনী শোষক শ্ৰেণীটোৱে দুখীয়া শ্ৰেণীটোক শোষণ কৰিবলৈ এৰি দিয়া নাছিল। সেইবাবেই ৰাভাই ভাৰত চৰকাৰক সাৱধান বাণী শুনাইছে।

"ভাৰত চৰকাৰ।...

ধনী মহাজন ৰজা মহাৰাজ জমিদাৰ-

সিহঁতৰ শোষণ নিৰ্মম হাতিয়াৰ,

তিলে তিলে মৰা টুপি টুপি তেজপিয়া দুখীয়াৰ

স্বাধীন দেশৰ মহাভাৰতৰ এনে চৰকাৰ।"

(বি. প্র. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৭৮)।

বিষ্ণু ৰাভাই নৃত্যনাটিকাখনৰ জৰিয়তে এই কথাই কৈছিল যে— "যিমান দিনলৈ পুঁজিপতি ধনিক, শোষক-প্ৰতাৰকসকলৰ হাতত ৰাষ্ট্ৰক্ষমতা থাকিব সিমান দিনলৈ নিপীড়িত, শোষিত, অৱহেলিত হালোৱা, হজুৱা-বনুৱাৰ দুঃখ-দুৰ্গতি, অভাৱ অনাটন, অনাদৰ, অৱহেলাৰ অন্ত নপৰিব আৰু সিমান দিনলৈ জনগণৰ সুন্দৰ সংস্কৃতিও বিকশিত হৈ উঠিব নোৱাৰিব।" (দাস, তিলক, বিষ্ণু ৰাভা পুনৰ আহিব উভতি, পৃ. ৮৮)। জনগণৰ দুঃখ-কষ্টই তেওঁৰ অন্তৰ বেদনাক্লিষ্ট কৰি তুলিছিল আৰু ইয়াৰ প্ৰতিকাৰৰ বাবে সৰ্বসাধাৰণ জনগণৰ মাজত গৈ মাৰ্ক্সবাদৰ সাম্যবাদ আদৰ্শৰ প্ৰচৰি কৰিছিল। 'মুক্তি

দেউল’ নৃত্যনাটিকাখনৰ জৰিয়তে ৰাভাই ধনিক শ্ৰেণীৰ শোষণ-নিপীড়ন, অত্যাচাৰ বিপ্লৱৰ জৰিয়তে ধ্বংস কৰি সৰ্বসাধাৰণৰ বাবে সমাজতান্ত্ৰিক সমাজ গঢ়িবলৈ আহ্বান জনাইছে।

**শান্তিৰ দেউল ঃ**

'শান্তিৰ দেউল' নৃত্যনাটিকাখনি অসম্পূৰ্ণ যেন লাগে। সুন্দৰ আৰু বিপ্লৱী এই দুই বিপৰীত ভাবাদৰ্শৰ দ্বন্দ্ব নাট্যকাৰে প্ৰকাশ কৰিছে। মহাদেৱ-পাৰ্বতীৰ মূৰ্তিৰ ওচৰত ঈশ্বৰ বিশ্বাসী, সুন্দৰৰ প্ৰতীক পূজাৰীসকলে ধূপ-ধূনা, নৈবদ্য, শৰাইৰে ঈশ্বৰৰ আৰাধনা কৰিছে। পূজাৰী-পূজাৰিণীসকলে গীত গাইছে—

"সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিলি খুলি
দুৱাৰ সোণোৱালী
পূজাৰী অ!
সুন্দৰ পূজাৰী!"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৭০)।

ঈশ্বৰৰ বিশ্বাসী পূজাৰী শান্তিৰামে দেৱতাক প্ৰশ্ন কৰিছে— "তুমিয়েই চিৰন্তন শান্তিৰ আকৰ। তোমাৰ মধুৰ শান্তিৰ পৰশ লাগি মৰ্ত্যও সুন্দৰ।

"আজি আজি মূক কিয় তুমি?
এই মৰ্ত্যভূমি
জলে স্থলে অন্তৰীক্ষে
অশান্তিৰ বিষময়
বিষাক্ত বায়ুৰে
সৰ্পৰ জিভাৰে যায় চুমি।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৭১)।

সুন্দৰৰ পূজাৰীৰ লগতে শান্তিৰাম, দুখীৰাম, চিন্তাৰাম এওঁলোক হৈছে দুৰ্বল শ্ৰেণীটোৰ

প্ৰতিনিধি, যিয়ে শোষণৰ ভৰত জৰ্জৰিত। তেওঁলোকে নিজৰ মুক্তিৰ বাবে ভগৱানৰ শৰণাপন্ন হৈছে। জগতখন শান্তিময়, সুন্দৰময় কৰিবলৈ তেওঁলোকে ঈশ্বৰক আৰাধনা কৰিছে। কিন্তু ইয়াৰ সম্পূৰ্ণ বিপৰীত চৰিত্ৰ হৈছে অগ্নিবীণ। অগ্নিবীণ হৈছে বিপ্লৱৰ প্ৰতীক। অগ্নিবীণ জগতখন ঈশ্বৰে সুন্দৰ কৰিব পাৰে বুলি বিশ্বাস নকৰে। অগ্নিবীণে কয় —

"কোনে কয় পৰম প্ৰসাদ ?
কোনে কয় দেৱতা সুন্দৰ ?
কোনে কয় সত্য চিৰ অলৰ-অচৰ ?
সেই আশীৰ্বাদ আৰু পৰম প্ৰসাদ অভিশাপ,
শুনা নাই শুনা নাই,
        বুভুক্ষু পিপাসাতুৰ
কোটি কোটি পৰাণত
        হিয়াত ধুমুহা তোলা
        নয়নত বেজাৰৰ লোৰ
বুকুভগা, হিয়া-ছিগা কৰুণ বিলাপ ?
দেখা নাই দেখা নাই
        চউপাশে বেঢ়ি থকা হিংস্ৰ সিংহ সম
সউ অত্যাচাৰী দল ?
যাৰ অত্যাচাৰে আজি
উঠে মাথো ক্লিষ্ট শিষ্ট দুৰ্বলৰ
বিননিৰ ৰোল ?"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৭১)।

অগ্নিবীণে কৈছে সংগ্ৰাম অবিহনে ক্লিষ্ট-পিষ্ট দুৰ্বল লোকে নিজৰ অধিকাৰ লাভ নকৰে। অগ্নিবীণ সমাজৰ সৰ্বহাৰাখিনিৰ মুক্তিৰ বাবে বিপ্লৱৰ বাণী লৈ আহিছে। অগ্নিবীণ শ্ৰেণীহীন সমাজ গঢ়াৰ কথা কৈছে। বিভিন্ন জাতি-উপজাতিৰে গঢ়ি উঠা ভেদাভেদযুক্ত সমাজখনক অগ্নিবীণে মানি ল'ব খোজা নাই। অগ্নিবীণে ভেদাভেদহীন সাম্য সমাজ গঢ়াৰ কথা কৈছে—

“জাতি বৰ্ণ! জাতি বৰ্ণ’!

জাতি বৰ্ণ ৰচি

তুমিয়েই কৰিলা বিভিন্ন

তুমিয়েই গঢ়িলা জাতি

আৰু উপজাতিঃ

সংসাৰৰ ঐক্য ভাব

ঐক্যৰ মূৰতি

অনৈক্যৰ অস্ত্ৰাঘাতে কৰিলা বিচূৰ্ণ।”

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড. পৃ. ৩৭২)।

অগ্নিবীণৰ মতে জাত-পাতৰ দোহাই দি প্ৰকৃতিৰ নিয়মৰ দোহাই দি সত্যৰ সন্তান বুলি কৈ ছলে-বলে কৌশলেৰে ৰীতি-নীতি, নানা জাতি সৃষ্টি কৰি ‘মানৱতাৰ দেউল’ ভাঙি চুৰমাৰ কৰিলে। অগ্নিবীণ সমাজত শোষিত দুখীয়া জনগণৰ দুৰৱস্থাৰ বাবে তেওঁৰ অন্তৰখন হাহাকাৰ কৰিছে। অগ্নিবীণ বিপ্লৱী আছিল। সৰ্বহাৰা জনগণৰ মুক্তিৰ বাবে বহুত কষ্ট সহ্য কৰিবলগীয়া হৈছিল। অগ্নিবীণে কৈছে— “এই চাৰিমাহ, দুৰ্গম অটব্য হাবি-বননিয়ে ফুৰি আলে-বিলৈ হে কষ্টেৰে ঘূৰি পাৰ হৈ উচ্চশিৰ অলংঘ্য গিৰি, আহিছে ই ঠাই নাই ভাত-পানী নাই, বিশ্বৰ বিলাই।” (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ৩৭৩)। ‘শান্তিৰ দেউল’ নৃত্যনাটিকাখনিত বিষ্ণু ৰাভাই দুই ভাবাদৰ্শৰ দ্বন্দ্ব দেখুৱাইছে। এক শ্ৰেণীয়ে নিজৰ অসহায় অৱস্থাৰ পৰা মুক্তি কামনা কৰি ভগৱানৰ আশ্ৰয় লৈছে আৰু অন্যফালে অগ্নিবীণৰ দৰে চৰিত্ৰই বিপ্লৱী আদৰ্শ গ্ৰহণ কৰি সমাজৰ পৰিৱৰ্তন আনিব বিচাৰিছে। অগ্নিবীণৰ বিপ্লৱী চৰিত্ৰই শোষিত সৰ্বহাৰাসকলক এক মুক্তিৰ পথ দেখুৱাইছে।

**ন- পৃথিৱীৰ নতুন যুগ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাৰ ‘ন-পৃথিৱীৰ নতুন যুগ’ এখন বৃহৎ কলেবৰৰ নৃত্যনাটিকা। এই নৃত্যনাটিকাখন ১৯৫১ চনত ‘প্ৰগতি প্ৰকাশ ভৱনে’ প্ৰকাশ কৰে। প্ৰকাশকে নিজৰ পাতনিত কৈছে— “অসমীয়া ৰাইজৰ এশ পঁচিশ বছৰীয়া স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীক কেন্দ্ৰ কৰি তেখেতৰ দ্বিতীয় অৱদান ‘ন-পৃথিৱীৰ নতুন যুগ’ বোলা নৃত্য-গীতমূলক নাটকখন ৰচনা কৰা হৈছে। এইখনেও

যথোচিত সমাদৰ আৰু সাফল্যতা অৰ্জন কৰিব বুলি ছপাই উলিয়াই ৰাইজৰ আগত দাঙি ধৰিলোঁ। 'ন-পৃথিৱীৰ নতুন যুগে' শোষিত আৰু নিৰ্যাতিত জনসাধাৰণৰ মুক্তি যুদ্ধত যথেষ্ট উৎসাহ যোগাব বুলি আমাৰ ধ্ৰুৱ বিশ্বাস।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৮২)। এই নৃত্যনাটিকাখন বিষ্ণু ৰাভাই সেই সময়ত অসমত চলি থকা মাৰ্ক্সীয় আন্দোলনৰ ভৰপক সময়ত ৰচনা কৰে। নাটিকাখনত অসমৰ এশ পঁচিশ বছৰীয়া আন্দোলনৰ বিৰৰণ দাঙি ধৰা হৈছে। অসমত চলা দেশৰ স্বাধীনতা আন্দোলনৰ আৰম্ভণিৰ পৰা স্বাধীনোত্তৰ ভাৰতৰ মাৰ্ক্সীয় শ্ৰেণী মুক্তিৰ আন্দোলনলৈকে সকলো দৃশ্য তুলি ধৰা হৈছে। দেশৰ এই স্বাধীনতা সংগ্ৰামখনত অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে কিদৰে জঁপিয়াই পৰিছিল। কিমান যে শ্বহীদ হ'বলগীয়া হ'ল তাৰ বিৰৰণ পোৱা যায়।

নাটিকাখনৰ আৰম্ভণিত অবিভক্ত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীবোৰৰ যেনে— নগা, মণিপুৰী, বড়ো, আদিৰ জীৱন চৰ্যা আৰু সাংস্কৃতিক দিশটোৰ এক ছবি দাঙি ধৰিছে। ঊনৈছ শতিকাৰ এই সময়ছোৱা আহোম যুগৰ অন্তিম সময় তথা মানৰ আগমনৰ প্ৰাক্ক্ষণৰ কথা। সকলো জাতি-জনগোষ্ঠীয়ে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে হ'লেও সকলোৱে মিলা প্ৰীতিৰে বসবাস কৰিছিল। যৱনিকাত কোৱা হৈছে যে— "এয়ে হৈছে ঊনিছ শতিকাৰ জীৱন। অসমীয়া ঊনিছ শতিকাৰ জীৱন। অসমৰ অসমীয়া গাঁৱলীয়া, পাহাৰীয়া হালোৱা-হজুৱা ঊনিছ শতিকাৰ জীৱন। ইমান বাধা, ইমান বিঘিনি, ইমান আলৈ ইমান অথানি!!! তেওঁ জীৱনৰ বোৱতী সুঁতি কেনে সৰল, কেনে স্বচ্ছল, কেনে স্বচ্ছন্দ, কেনে সাৱলীল।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৮৩)। আহোম ৰাজত্বৰ শেষ সময়ত এক ৰাজনৈতিক বিশৃংখল পৰিৱেশৰ সৃষ্টি হয়। বদন চন্দ্ৰ বৰফুকনে নিজৰ স্বাৰ্থৰ বাবে মান সৈন্যক লৈ আহে। মান সৈন্যই নাৰকীয় অত্যাচাৰ চলায়। মানৰ নেতৃত্ব দিয়ে মিঙিমাহা তিলুৱাই। সমগ্ৰ অসম অত্যাচাৰত কঁপি উঠে। মানে অসমীয়াৰ সুখ হৰণ কৰিলে অসমৰ স্বাধীনতাৰ বুৰঞ্জীৰ পাতত কলঙ্কৰ কালিমা পৰিল। মানৰ এই অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ ইংৰাজৰ সহায় বিচৰা হয়। ইংৰাজে মানক যুদ্ধত পৰাস্ত কৰে আৰু অসম ইংৰাজৰ অধীনলৈ যায়। আহোম কোঁৱৰ গোমধৰ কোঁৱৰে ইংৰাজৰ এই কাৰ্য মানি ল'ব পৰা নাছিল। আৰম্ভ হয় পৰাধীনতাৰ বিৰুদ্ধে স্বাধীনতাৰ যুদ্ধ। স্বাধীনতাৰ এই সংগ্ৰামত গোমধৰ কোঁৱৰ বন্দী হয়। গোমধৰ কোঁৱৰৰ সৈতে সংগ্ৰামত লিপ্ত হোৱা পিয়লী ফুকনো ইংৰাজৰ হাতত বন্দী হয় আৰু চূড়ান্ত শাস্তি ফাঁচীৰ চিপ ল'ব লগা হ'ল। মণিৰাম দেৱানো ইংৰাজৰ বিৰুদ্ধে দ্ৰোহ কৰি ফাঁচীকাঠত ওলমিব লগা হ'ল।

ইংৰাজৰ বিৰুদ্ধে সমগ্ৰ ভাৰতব্যাপি স্বাধীনতা আন্দোলনৰ ঢৌৱে কঁপাই গ'ল। গোমধৰ কোঁৱৰ পিয়লী ফুকন, মণিৰাম দেৱানৰ ফাঁচীয়েও সংগ্ৰামৰ গতি ৰুদ্ধ কৰিব নোৱাৰিলে বৰং সমগ্ৰ দেশেই স্বাধীনতাৰ যুঁজখনত জঁপিয়াই পৰিল। কাছাৰৰ গঞ্জাম নগৰৰ সমদন খছাৰীয়ে খছাৰী (কছাৰী) জাতিটোক ইংৰাজৰ পৰা মুক্তি দিবলৈ কৰা সংগ্ৰামখনত ইংৰাজৰ গুলীত মৃত্যুবৰণ কৰিবলগীয়া হয়। মণিপুৰৰ বীৰ টিকেন্দ্ৰজিতেও ইংৰাজৰ বিৰুদ্ধে দ্ৰোহ কৰি ফাঁচীকাঠত উঠিবলগীয়া হয়। ভূটানৰ কোঁৱৰ বীৰ জাওলীয়া দেৱানেও ইংৰাজৰ বিৰুদ্ধে দ্ৰোহ কৰি মৃত্যু বৰণ কৰিবলগীয়া হয়। ৰাভাই ইংৰাজক এক বিৰাট সাপ বুলি কৈছে। আৰু এই সৰ্পই এফালৰ পৰা সকলোকে গিলি গৈছে। ৰাভাই নাটকৰ এক দৃশ্যত কৈছে, — "এটা বিৰাট সৰ্প। শিৰত ইংৰাজৰ পতাকা ইউনিয়ন জ্যাক'। ভীষণ ৰূপ তাৰ। নগা আহে তাক মাৰিবলৈ, গিলি যায়। এইদৰে আবৰ, মিচিমী, খামটি, অকা, দফলা, চিংফৌ, গাৰো, খাছীয়া, কুকী, টিপৰা, মিৰি, মিকিৰ, লালুং, লুচাই সকলোৰে এজন এজন আহে, বৃটিছ সাম্ৰাজ্যবাদী সৰ্পক বধ কৰিবলৈ, শেষত সকলোৱে একোজনকৈ সেই সৰ্পৰ কৰাল গৰাহত পৰে।" (বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৮৬)। ইংৰাজৰ শাসন ব্যৱস্থাত ধনতান্ত্ৰিক ব্যৱস্থাটোৱে ব্যাপক প্ৰসাৰতা লাভ কৰিলে। ইয়াৰ লগত এচাম সুবিধাবাদী লগ লাগিল। এই স্থানীয় সুবিধাবাদীসকলে ইংৰাজ সাম্ৰাজ্যবাদী শক্তিৰ সৈতে মিত্ৰতা স্থাপন কৰি সাধাৰণ দুখীয়া, কৃষক-মজদুৰ শ্ৰেণীটোৰ ওপৰত শোষণ চলাবলৈ ধৰিলে। এই সময়ছোৱাত সাম্ৰাজ্যবাদী শক্তিটোৰ বিৰুদ্ধে অসমত বহুকেইটা সংগ্ৰাম চলি যায়। সেই সংগ্ৰামবোৰ হৈছে— 'ফুলগুৰিৰ ধেৱা', 'ৰঙীয়া বিদ্ৰোহ', 'সৰ্থেবাৰীৰ আন্দোলন', 'পাথুৰীয়াঘাটৰ ৰণ', শিৱসাগৰৰ উজনি অঞ্চলত বিদ্ৰোহৰ ঢেউ', 'এৰৈছ চনৰ বিদেশী বহিষ্কাৰ', 'একত্ৰিছ চনৰ সত্যাগ্ৰহ আন্দোলন', 'বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলন'। মহাত্মা গান্ধীৰ জাতীয় আন্দোলন গোটেই দেশতে বিয়পি পৰে। সমগ্ৰ দেশব্যাপি ধ্বনিত হয়— 'বন্দে মাতৰম', 'মহাত্মা গান্ধীৰ জয়', 'ইনক্লাৰ জিন্দাবাদ' ধ্বনিৰে। অসমত আন্দোলন কৰি ইংৰাজৰ ৰোষত পৰি কুশল কোঁৱৰ শ্বহীদ হ'বলগীয়া হয়। ইংৰাজৰ হাতত বন্দিনী ভাৰতৰ দৃশ্য ৰাভাই কবিতাৰ মাজেৰে প্ৰকাশ কৰিছে।

"আই মোৰ ভাৰত জননী,
লখিমী দুখনী,

ভাৰতবাসীৰ হৃদয়ৰ ৰাণী,
মোৰ পৰাণৰ মোৰ জীৱনৰ
চেনেহী গোসাঁনী
সোণামুৰা সঁফুৰা সুখেৰে কোলাত তোৰ
উমলি পাওঁ সৰগৰ অমিয়া যেন মোৰ
তেওঁ কিয় নপৰে শত শত দুখৰ ওৰ?
পৰাণৰ আই
জীৱনৰ আই
কিয়নো বন্দিনী?"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৮৭)।

সাম্ৰাজ্যবাদী ইংৰাজে ভাৰতক এফালৰ পৰা শোষণ কৰি যায়। শোষণৰ জ্বালাত দেশ মাতৃৰ অৱস্থা নোহোৱা হয়। ৰাভাই কৈছে—

"সৌৱা সৌৱা চোৱা শোষকৰ দল
শাসনৰ নামত সুহে ৰক্ত অবিৰল,
তোমাৰ তপত ৰঙা তেজ টুপি টুপি।
পিয়ে মনে মনে চুপি চুপি।...
দুখৰ জ্বালাত দুয়ো ভাৰতী অসমী আয়ে
চকুৰ লোতক টুকে উচুপি উচুপি
গুপুতে গোপনে তেজ-পিয়া।"

(বি. প্ৰ. ৰা. ৰ. স, প্ৰথম খণ্ড, পৃ. ২৮৮)।

দেশৰ এই স্বাধীনতা সংগ্ৰামখনত এফালে যিদৰে ইংৰাজৰ বিৰুদ্ধে দ্ৰোহ অন্যফালে সৰ্বহাৰা জনগণৰ ওপৰত শোষণ-নিপীড়ন অবিৰতভাৱে চলিছে।

ঊনৈছশ সাতচল্লিছ চনত ভাৰতে পূৰ্ণ স্বাধীনতা লাভ কৰিলে। কিন্তু এই স্বাধীনতা বহুতকে আশ্বস্ত কৰিব পৰা নাছিল। বহুতে অনুভৱ কৰিলে যে এই স্বাধীনতা ক্ষমতাৰ হস্তান্তৰহে মাত্ৰ। ধনতন্ত্ৰবাদৰ ক্ষমতাৰ পৰিৱৰ্তন মাত্ৰ। ৰাভাৰ ভাষাত—

"এয়ে হ'ল স্বাধীনতা ভুৱা স্বাধীনতা,
কোটি কোটি মানৱৰ ঘৃণ্য অধীনতা।
পীড়ন যাতনা ভৰা
পৃথিৱীৰ ইতিহাস।
কৰে ইতিকিং দুখীয়াক দুৰ্ভাগ্যৰ পৰিহাস।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৮৯)।

ভাৰতে স্বাধীনতা লাভ কৰিলে যদিও সাধাৰণ জনগণৰ কোনো পৰিৱৰ্তন দেখা নগ'ল। দেশত ধনতন্ত্ৰবাদৰহে প্ৰতিষ্ঠা হ'ল। পুঁজিপতি শ্ৰেণীটোৱে সৰ্বসাধাৰণক শোষণ কৰিবলৈ ধৰিলে বিভিন্ন প্ৰকাৰে। সাধাৰণ জনতাৰ ওপৰত খাজনা, বিক্ৰী কৰ, লাভ, ক'লা বজাৰ, চোৰাং-বেপাৰ, আধিয়াৰ আইন, নিৰাপত্তা আইন ইত্যাদি বোজা জাপি দিয়ে। ৰাভাই সৰ্বসাধাৰণ জনগণক কোনে, কিদৰে শোষণ কৰিছে সেয়া উল্লেখ কৰিছে। বোজা জাপি দি ধনীয়ে দুখীয়া শ্ৰেণীটোক শোষণ কৰিছে। চৰকাৰে খাজনাৰ নামত দুখীয়া জনগণক সৰ্বস্বান্ত কৰিছে। খাজনা তুলি জমিদাৰ শ্ৰেণীটোৱে ধনী হৈ গৈছে। পুঁজিপতি ধনী মহাজন-জমিদাৰ শ্ৰেণীটোৱে কৃষক-বনুৱাৰ পৰা উৎপাদিত সামগ্ৰীসমূহ লৈ বেছি দামত বিক্ৰী কৰি মুনাফা লুটিছে। এই শ্ৰেণীটোৱে ক'লা বজাৰ এখনৰ সৃষ্টি কৰিছে। ধনী মহাজন-মাটিগিৰি, জমিদাৰসকলে আধিয়াৰ আইনৰ সুযোগত দুখীয়াৰ মাটিখিনি দখল কৰিছে। এইদৰে সৰ্বহাৰা শ্ৰেণীটোক ধনতন্ত্ৰবাদী ধনী মহাজন-জমিদাৰ শ্ৰেণীটোৱে শোষণ কৰিছে। ৰাভাই এই শ্ৰেণীটোক সাৱধান বাণী শুনাইছে—

"ভাৰত চৰকাৰ।...
ধনী মহাজন ৰজা মহাৰাজ জমিদাৰ
সিহঁতৰ শোষণৰ নিৰ্মম্, হাতিয়াৰ,
তিলে তিলে মৰা টুপি টুপি তেজপিয়া দুখীয়াৰ
স্বাধীন দেশৰ মহা-ভাৰতৰ এনে চৰকাৰ।
অসম চৰকাৰ ধনিকৰ ৰাজপাট।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৯০)।

পুঁজিপতি কল-কাৰখানাৰ মালিকসকলে বনুৱাসকলৰ ওপৰত শোষণ চলাইছিল। বনুৱা

শ্ৰেণীটোৱে কামৰ উপযুক্ত মৰ্যাদা পোৱা নাছিল। ইমান কষ্ট কৰাৰ পাছতো তেওঁলোকে পেট ভৰাই খাদ্য খাব পৰা নাছিল, শৰীৰত পিন্ধিবলৈ কাপোৰ পোৱা নাছিল। পেটত ভাত নপৰিলেও তেওঁলোকে মালিকৰ কাম কৰিবলৈ বাধ্য। সেইবাবে পেটৰ ভোকত ক্লান্ত হৈয়ো কাৰখানাৰ চিটি বজাৰ লগে লগে তেওঁলোকে কামত যাবলৈ সাজু হৈছে। শ্ৰমিকসকলৰ এই অন্ধকাৰঘন মুহূৰ্ততে পোহৰৰ ৰেঙনি হৈ দেখা দিয়ে মাৰ্ক্সবাদী আন্দোলনে। মাৰ্ক্সবাদে এখন শ্ৰেণীহীন সমাজ গঠন আৰু সমাজতান্ত্ৰিক সমাজ গঠনৰ জৰিয়তে সৰ্বহাৰা জনগণকে শোষণ-নিপীড়নৰ পৰা মুক্তিৰ বাবে সংগ্ৰাম কৰিবলৈ আহ্বান জনাইছিল।

দুখীয়া কৃষক-বনুৱা শ্ৰেণীৰ প্ৰতি কৰা আহ্বানত সহযোগ কৰিছিল দেশৰ সৰ্বহাৰা শ্ৰেণীটোৱে। সেই আহ্বান আছিল—

"আগুৱাই ব'ল আগুৱাই ব'ল
আগুৱাই ব'ল সমনীয়া
হালোৱাৰ দল হজুৱাৰ দল
বনুৱাৰ দল অ' ৰণুৱা
অহৰহ জ্বলে হৃদয়ত দুখৰে অগনি
পুৰে দুঃখীৰ পেটত লঘোণত ভোকৰে পোৰণি
ছিঙি-ভাঙি শত যুগৰ শিকলি বান্ধনি।
ৰণ-দুন্দুভি বজাই যা যা আগুৱাই আগুৱাই।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৯২)।

কমিউনিষ্টৰ এই আহ্বানত সঁহাৰি জনাই সৰ্বহাৰা শ্ৰেণীটোৱে বিপ্লৱৰ পথ গ্ৰহণ কৰে। শোষণকাৰী ধনী মহাজন-জমিদাৰসকলৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ হয়। শোষণকাৰী শ্ৰেণীটোৱে ভয়তে কঁপি উঠে। পৰিৱৰ্তনৰ বাবে কৰা বিপ্লৱত ধনতন্ত্ৰবাদ ব্যৱস্থা কঁপি উঠে। সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ জৰিয়তে দুখীয়া শ্ৰেণীটোৰ আৰ্থিক-সামাজিক দিশত সবল কৰিবলৈ এই বিপ্লৱে প্ৰসাৰতা লাভ কৰে। পঞ্চায়তৰাজ ব্যৱস্থাৰ প্ৰতিষ্ঠা কৰিবলৈ বিপ্লৱীসকলে আহ্বান জনাইছে। পঞ্চায়তৰাজ ব্যৱস্থাই ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰিব। ৰাভাই নাটিকাখনত গীত এটি দিছে—

"স্বাধীনচিতীয়া হালোৱা ডেকা ৰণুৱা।
পঞ্চায়তী যুগৰ ন-মনৰে মনুৱা
যুঁজিব সমৰত লগৰীয়া বনুৱা।
চিনি লচোন কোন শতুৰু লুকাই আঁৰত তোৰ।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৯৫)।

ইমান কঠোৰ বিপ্লৱৰ পিছত সৰ্বহাৰা জনগণে বিজয় লাভ কৰিলে। আয়োজন কৰিলে বিজয়োৎসৱৰ। বিভিন্ন জাতি-জনগোষ্ঠীয়ে এই বিজয়ৰ আনন্দোৎসৱত যোগদান কৰিলে। এই বিপ্লৱে পুঁজিপতি, মুনাফালোভী, শোষণবাদী ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰি কৃষক-বনুৱা সৰ্বহাৰা শ্ৰেণীটোৰ বাবে পঞ্চায়তৰাজ ব্যৱস্থাই তেওঁলোকৰ অধিকাৰখিনি ঘূৰাই দিলে। ৰাভাই কৈছে—

"ৰাইজেই ৰজা মোৰ
প্ৰজায়েই ৰজা মোৰ
    সুখৰে পঞ্চায়তৰাজ।
সাজ মুক্তিসেনা সাজ
হওঁ সমদল আজি বাজ
    সুখৰে পঞ্চায়তৰাজ
নাই ভয় নাই ডৰ
নাই একো ভিন পৰ
    হ'ল শেষ য'ত ফাঁকিবাজ
    সুখৰে পঞ্চায়তৰাজ।"

(বি. প্ৰ. ৰা. ৰ. স., প্ৰথম খণ্ড, পৃ. ২৯৬)।

বিষ্ণুপ্ৰসাদ ৰাভাৰ পাঁচখন নৃত্যনাটিকাৰ ভিতৰত 'মুক্তি দেউল', 'শান্তিৰ দেউল' আৰু 'ন-পৃথিৱীৰ নতুন যুগ', এইকেইখনৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা হৈছে। 'জ্যোতিপ্ৰভা' আৰু 'সপোন কুঁৱৰী' এই নৃত্যনাটিকা দুখন বিষয়বস্তুৰ লগত সম্পৰ্ক নথকা বাবে বিশ্লেষণ কৰা নহ'ল।

**চিত্ৰনাট্য ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই বোলছবিৰ বাবে পাঁচখন চিত্ৰনাট্য ৰচনা কৰিছিল। সেইকেইখন হৈছে— ‘শঙ্কৰদেৱ’, ‘সীমান্ত সৈনিক’, ‘কুমৰ হৰণ’, 'After Title' আৰু ‘ধুমুহা’। নাটক আৰু নৃত্যনাটিকাৰ পৰা চিত্ৰনাট্যৰ কাহিনীসমূহ গ্ৰহণ কৰা হৈছে। চিত্ৰনাট্যকেইখনৰ মূল যিহেতু নাটক বা নৃত্যনাটিকাই সেইবাবে ইয়াত বিশ্লেষণ কৰা নহ’ল লগতে চিত্ৰনাট্যকেইখনৰ বিষয়বস্তুই গৱেষণাৰ বিষয়বস্তুৰ পৰিসৰৰ অন্তৰ্গত নহয় বাবে বিশ্লেষণ কৰাৰ পৰা বিৰত থকা হ’ল।

**(ঘ) বিষ্ণুপ্ৰসাদ ৰাভাৰ ‘ৰাজনৈতিক ৰচনাৱলী’, ‘প্ৰৱন্ধাৱলী আৰু ভাষণাৱলীত’ (অভিভাষণ) মাৰ্ক্সবাদী আদৰ্শ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই জনগণৰ দুখ-দুৰ্দশাবোৰ দেখি ব্যাথিত হৈছিল। জনগণৰ শোষণ-নিপীড়নৰ পৰা মুক্তিৰ উপায় বিচাৰি বিভিন্ন পথৰ সন্ধান কৰিছিল। মাৰ্ক্সবাদে জনগণক প্ৰকৃত মুক্তিৰ পথ দিব পাৰিব বুলি গভীৰভাৱে অধ্যয়ন কৰিলে কাৰ্ল মাৰ্ক্স, লেনিন, মাও-চে-তুঙৰ ৰচনাসমূহ। লগতে ছোভিয়েট ৰাছিয়া, চীন দেশৰ মাৰ্ক্সবাদৰ (কমিউনিজম) কাৰ্য, পন্থাসমূহ গভীৰভাৱে অধ্যয়ন কৰি এই পথেহে জনগণক প্ৰকৃত মুক্তিৰ পথ দেখুওৱাব পাৰিব বুলি ৰাভাই ‘ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টী’ত যোগদান কৰিলে। মাৰ্ক্সবাদৰ গভীৰ অধ্যয়নসমূহ পৰৱৰ্তী সময়ত তেওঁৰ সাহিত্যৰাজিত প্ৰকাশিত হৈছে। ৰাভাই ৰচনা কৰা বিভিন্ন ৰাজনৈতিক ৰচনাসমূহত তেওঁ অধ্যয়ন কৰা বিষয়সমূহে স্থান লাভ কৰিছে। সৰ্বসাধাৰণ জনগণক বিপ্লৱৰ বিষয়ে বুজাবলৈ আৰু বিপ্লৱী আদৰ্শসমূহৰ প্ৰচাৰ কৰিবলৈ তেওঁ এই ৰাজনৈতিক প্ৰবন্ধবোৰ ৰচনা কৰে।

**চীনদেশৰ বিপ্লৱ ঃ**

‘চীনদেশৰ বিপ্লৱ’ প্ৰবন্ধটো চীনৰ এশ বছৰীয়া জাতীয় মুক্তি আন্দোলনৰ বিস্তৃত বিৱৰণ আছে। জাতীয় মুক্তি সংগ্ৰামৰ সম্পূৰ্ণ ইতিহাস বুলি ক’ব পৰা যায়। প্ৰবন্ধটো ৰাভাৰ মৌলিক ৰচনা নহয় যেন লাগে। ৰচনা সম্ভাৰৰ সম্পাদকৰ টোকাত লিখিছে— “এই লেখাটো সম্পূৰ্ণৰূপে মৌলিক ৰচনা নহয় যেন লাগে। পঢ়ি গ’লেই পাঠক-পাঠিকাই পাব যে এখন ইংৰাজী পুথিৰ পৰা ভালেখিনি কথা উদ্ধৃত কৰা হৈছে। ইংৰাজী অংশৰ পিছৰ বৰ্ণনাখিনিৰ তাৰেই সংক্ষিপ্ত

অনুবাদ যেন লাগে।” (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৭৯৩)। চীন দেশৰ এই মুক্তি সংগ্ৰামখন আছিল জাপানৰ বিৰুদ্ধে। জাপানৰ বিৰুদ্ধে এই সংগ্ৰামখন আৰম্ভ হৈছিল ১৯৩৭ চনত। এই বছৰত জাপানৰ বিৰুদ্ধে যুঁজিবলৈ চীনে গৰিলা দল গঠন কৰিছিল। চীনে জাপানৰ বিৰুদ্ধে আঠ বছৰ গৰিলা যুদ্ধ কৰিছিল। এই গৰিলা যুদ্ধই চীনৰ সৈন্যসকলক কঠোৰ, নিপুণ আৰু সাহসী কৰি তুলিছিল। লগতে যুদ্ধত সফলতাপূৰ্ণ কৃতকাৰ্য্যতাৰে যাতে শত্ৰুৰ ওপৰত জয়লাভ কৰিব পাৰে তাৰো শিক্ষা প্ৰদান কৰিছিল। চীনৰ মুক্তি সংগ্ৰামৰ বাবে গণবাহিনী গঠন কৰা হৈছিল। গণবাহিনী গঠন হৈছিল কমিউনিষ্টৰ আদৰ্শৰে। আৰু সমগ্ৰ সংগ্ৰামখনকে কমিউনিষ্টৰ কেন্দ্ৰীয় কমিটিয়ে পৰিচালনা কৰিছিল। জাপানৰ সৈন্যৰ নেতৃত্ব দিছিল চিয়াং কাইশ্বেকৰে। চীনত সকলো শ্ৰেণীৰ মাজতে জাতীয় মুক্তিৰ সংগ্ৰামখনে ব্যাপকতা লাভ কৰিছিল। যুঁজখনত ছাত্ৰ বাহিনীৰ উপৰিও ৰে'লৰে শ্ৰমিক আৰু শ্ৰমিকৰক্ষী বাহিনীয়েও যোগ দিয়ে। চীন প্ৰদেশৰ হোপেই অঞ্চলত প্ৰফেচৰ আৰু শিক্ষকসকলৰ নেতৃত্বত গণবাহিনী গঠন কৰা হয়। জাতীয় মুক্তি সংগ্ৰামত কমিউনিষ্ট পাৰ্টি, অষ্টম বাহিনী, গণবাহিনী আৰু ইয়াৰ অন্তৰ্গত গৰিলা সৈন্যই ব্যাপকভাৱে জাপানৰ বিৰুদ্ধে যুঁজত নামি পৰে। অষ্টম বাহিনীৰ মুঠ সদস্যৰ সংখ্যা আছিল ৬ হাজাৰ আৰু জাপানৰ সৈন্যৰ সংখ্যা ইয়াৰ ১৫ গুণ বেছি। অষ্টম বাহিনীৰ নেতৃত্ব দিছিল জেঃ লিউ-পো-চেঙে। লিউয়ে জাপানী সৈন্যৰ বিৰুদ্ধে নিজৰ অষ্টম বাহিনীক ৰাইজৰ মাজত এৰি দিছিল। অষ্টম বাহিনীয়ে ৰাইজৰ মাজত থাকি জাপানী সৈন্যৰ বিৰুদ্ধে যুদ্ধ কৰাত জাপানী সৈন্য ছেদেলি-ভেদেলি হৈ গৈছিল। গণবাহিনীৰ সদস্যৰ সংখ্যা এক লাখলৈ বৃদ্ধি পালে। চীনৰ মুক্তিযুঁজাৰুসকলৰ বিষয়ে প্ৰবন্ধটোত কৈছে— “কমিউনিষ্ট ভাষাত ৰেগুলাৰ নিয়মিত বাহিনী হৈছে হাড়, গৰিলা হৈছে- শিৰ, আৰু গণবাহিনী হৈছে- মাংস সকলোৰে সমষ্টিয়েই হৈছে সামৰিক শৰীৰ।” (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮০১)। জাপানে চীনৰ ওপৰত বহুত অত্যাচাৰ কৰিছিল। জাপানে ধ্বনি দিছিল ‘সকলো মাৰা, সকলো লুটা’ (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮০১)। গৰিলা বাহিনীৰ সুদক্ষ যুদ্ধ নীতিয়ে জাপানী সৈন্যৰ অৱস্থা বেয়া কৰি দিছিল। জাপানী সৈন্যক চাৰিওফালৰ পৰা বিভিন্ন ধৰণেৰে আক্ৰমণ কৰিছিল। জাপানীসকলৰ প্ৰয়োজনত আহিব পৰা খাদ্য-দ্ৰব্য আঁতৰাই থোৱা হৈছিল। বন্দুক, হিলৈৰে আক্ৰমণ কৰা হৈছিল, ৰাস্তাত মাইন পুতি থোৱা হৈছিল। চীনৰ এই আক্ৰমণত জাপানী সৈন্যই বেয়াকৈ

ক্ষতিগ্ৰস্ত হৈছিল। গণবাহিনীৰ চোৰাংচোৰা ব্যৱস্থা শক্তিশালী আছিল। শত্ৰুৰ পৰা হ'বলগীয়া কিবা থাকিলে চাৰি ঘণ্টা আগতে খবৰ পাইছিল। এই চোৰাংচোৰাবোৰক সাক্ষীগোপাল বোলা হৈছিল। জাপানী সৈন্যই আক্ৰমণ কৰিব আহিলে এওঁলোকে আগতে জনাই দিছিল যাৰ বাবে অষ্টম বাহিনীৰ গৰিলা সৈন্যই আত্মৰক্ষা কৰিব পাৰিছিল। গৰিলা সৈন্যই বৃহৎ বৃহৎ সুৰংগ খান্দিছিল, এই সুৰংগবোৰ পাঁচ মাইললৈকে দীঘল আছিল।

চীনৰ মুক্তি সংগ্ৰামৰ মাজতে ১৯৪১-৪৩ লৈকে উত্তৰ চীনত দুৰ্ভিক্ষ, পঙ্গপালৰ (ফৰিং জাতীয় পোক) আক্ৰমণ আৰু বিভিন্ন ৰাজনৈতিক বিপৰ্যয়ৰ মাজেৰে জাপানী সৈন্যৰ বিৰুদ্ধে যুঁজ কৰিব লগা হৈছিল। কমিউনিষ্টৰ পৰা কোৱা হৈছিল— "এজন ভাল কমিউনিষ্ট কেৱল শত্ৰুৰ লগতে নুযুঁজে, হাল বায়, পথাৰত পানী নিয়ে, শস্য ৰোৱে, খাল খান্দে, কম খায় আৰু পঙ্গপালৰ লগত যুঁজে।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮০২)। দীৰ্ঘ আঠ বছৰ সংগ্ৰাম কৰাৰ পিছত কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটি আৰু গণবাহিনীৰ নেতৃত্বই সিদ্ধান্ত ল'লে যে তেওঁলোকে আলোচনা কৰিব। নেতা মাও-চে-তুঙে বিবৃতি দিলে যে "চীনৰ ৰাইজে আঠ বছৰ যুদ্ধৰ পিছত শান্তি বিচাৰিছে আৰু আদেশ দিলে অষ্টম বাহিনীৰ অগ্ৰসৰ বন্ধ কৰিবলৈ। তেওঁ নিজেই গ'ল চংকিঙলৈ চিয়াঙৰ লগত আলোচনা কৰিবলৈ।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮০২)। কিন্তু মাও চে তুঙৰ এই নিৰ্দেশ মানিবলৈ গণবাহিনীয়ে ৰাজী নহ'ল। চীনত গণতান্ত্ৰিক ব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা চলালে। গণতান্ত্ৰিক ব্যৱস্থাৰ মাজেৰে চলিলে সৈন্যসকলৰ স্বভাৱৰ পৰিৱৰ্তন হ'ব। গণতান্ত্ৰিক ব্যৱস্থাৰ কৰ্মৰ বাবে কিছু নিৰ্দেশ দিয়া হৈছিল— "উৎপন্ন কৰা, আমি মুক্তি পাব পাৰোঁ", "উৎপন্ন কৰা, আমি চিয়াংকাইশ্বেকক উফৰাব পাৰিম", "উৎপন্ন কৰা, আমি জমিদাৰহঁতৰ সামন্ততান্ত্ৰিক শাসন শেষ কৰিব পাৰোঁ।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮০৩)। কমিউনিষ্টসকলে উৎপাদন ব্যৱস্থাক মজবুত কৰিবলৈ কেইটামান ব্যৱস্থা হাতত লৈছিল— সমবায় শ্ৰম, পথাৰলৈ নাৰীক অনাৰ আৱশ্যকতা, প্ৰত্যেক সৈনিক, কৰ্মচাৰী আৰু কেডাৰক উৎপাদনত নিযুক্ত কৰা, মাটি কৃষকৰ মাজত ভগাই দিয়া, কুটীৰ শিল্পক পুনৰুত্থান কৰা, শ্ৰমিক-খেতিয়কক বহু ঘণ্টা কাম কৰিবলৈ উৎসাহ দিয়া। ইয়াৰ জৰিয়তে চীনে এখন সুন্দৰ, সাম্য গণতান্ত্ৰিক সমাজ গঢ়ি তুলিবৰ চেষ্টা কৰিছিল। ৰাভাই প্ৰবন্ধটোত কৈছে প্ৰত্যেক সমাজবাদী বিপ্লৱেই সৃষ্টিমূলক হয়। চীনৰ কমিউনিষ্টসকলে শ্ৰেণী সংগ্ৰাম ত্যাগ কৰি জাতীয়

মুক্তি আন্দোলনত নামিছিল। এই আন্দোলন আছিল সামন্ততান্ত্রিক ব্যৱস্থা ধ্বংস কৰি সমাজবাদ প্ৰতিষ্ঠা কৰা।

কমিউনিষ্ট আন্দোলনে সামন্তবাদ ধ্বংস কৰি সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ লগতে এখন শোষণমুক্ত শ্ৰেণীহীন সমাজ গঢ়াৰ বাবেও বিপ্লৱ কৰিছিল। দাসসকলে নিজৰ মুক্তিৰ দাবীত এই আন্দোলনত জপিয়াই পৰে। দাসসকলে সামন্ততন্ত্ৰৰ বিৰোধিতা কৰিছিল কাৰণ দাসসকলে নিজৰ জীৱনৰ নিৰাপত্তাহীনতাত ভুগে। সামন্ততন্ত্ৰ ধ্বংস হ'লে তেওঁলোকে সফল হ'ব পাৰিব, বন্ধনৰ পৰা মুক্তি লাভ কৰিব পাৰিব।

জাপানৰ কুয়োমিণ্টাং সৈন্যৰ অত্যাচাৰ বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে চীনৰ কমিউনিষ্ট আৰু গণবাহিনীৰ কাৰ্যকলাপো দিনক দিনে ব্যাপকতা লাভ কৰিলে। গণবাহিনীয়ে দিনে-নিশাই সৰ্বসাধাৰণ জনগণৰ খবৰ লৈছিল। জমিদাৰসকলক সাৱধান বাণী শুনাইছিল যাতে দুখীয়াসকলক শোষণ কৰাৰ পৰা বিৰত থাকে। গণবাহিনীৰ গৰিলা কমাণ্ডোত যোগ দিছিল ৰাইফলধাৰী খেতিয়ক আৰু নাগৰিকসকল। এই গৰিলা বাহিনীৰ নাম আছিল 'সশস্ত্ৰ কৰ্মীৰ দল'। তেওঁলোকে শত্ৰুপক্ষৰ দুৰ্গ ধ্বংস কৰা, ৰে'ল লাইন ধ্বংস কৰা, গৃহলৈ ওভতা সৈন্যৰ সৈতে যুদ্ধ কৰা, গণবাহিনীক উদ্ধাৰ কৰা কামবোৰ কৰিছিল। ১৯২৭ চনত চীনত লাল যুদ্ধৰ আৰম্ভণি হয়। লাল যুদ্ধৰ উদ্দেশ্য আছিল সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা কৰা আৰু একদলীয় শাসনৰ প্ৰৱৰ্তন কৰা। এই চনতে চীনে গণবাহিনীৰ সহযোগত গৃহযুদ্ধৰ ওপৰত জয়লাভ কৰে। মাও চে তুঙে ঘোষণা কৰে যে "এই যুদ্ধৰ বুনিয়াদী প্ৰকৃতি হৈছে সামন্তবাদ আৰু একনায়কত্বৰ বিৰুদ্ধে আৰু স্বাধীনতা আৰু গণতন্ত্ৰৰ ফালে আগুৱাবলৈ চীন জনসাধাৰণৰ সশস্ত্ৰ সংগ্ৰাম।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮১২)। চীনৰ মুক্তি সংগ্ৰামৰ বাবে গঠিত অষ্টম বাহিনীৰ সকলো সদস্যই স্বেচ্ছাসেৱক আছিল। কমিউনিষ্ট পাৰ্টি আৰু অষ্টম বাহিনীৰ প্ৰধান উদ্দেশ্য আৰু লক্ষ্য আছিল যে "গৰিবৰ জাগৰণেই হৈছে কমিউনিষ্ট আৰু অষ্টম বাহিনীৰ সংগ্ৰামৰ পৰিণাম।... সংগ্ৰামৰ ফল ৰক্ষা কৰিবলৈ হ'লে প্ৰতিক্ৰিয়াশীলতাক ধ্বংস কৰা আৰু গাঁওবিলাকক ৰক্ষা কৰা। ...দুৰ্নীতিপৰায়ণ কৰ্মচাৰী আৰু দুই জমিদাৰৰ পৰা আমাৰ পুৰুষসকলে ভোগা শোষণৰ প্ৰতিশোধ আমি ল'ম।... আমি আমাৰ নিজা স্বাধীনতা সৃজন কৰিম, - মঙ্গল আনিম আমাৰ গাৰ ঘৰ্ম আৰু ৰক্তেৰে। সকলোৱে নিয়মিত বাহিনীত যোগ দিয়ক।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮১৫)। অষ্টম বাহিনীৰ চীনত সাম্য সমাজৰ প্ৰতিষ্ঠা কৰিছিল।

জনগণৰ মাজত শান্তি স্থাপন, ভেদাভেদহীন সমাজ, শোষণমুক্ত সমাজ, গঢ়ি তুলিব বাবে সকলো ধৰণৰ চেষ্টা কৰিছিল। ১৯৪৭-১৯৪৮ চনত চীনত চিয়াঙৰ সৈন্যদলে ব্যাপক হিংসাত্মক কাৰ্যকলাপ কৰে। শ শ জনগণক হত্যা কৰে, সম্পত্তি, টকা লুটপাত কৰে। চিয়াঙৰ এই কাৰ্যৰ বিৰোধ কৰা বাবে হাজাৰ হাজাৰ প্ৰতিবাদকাৰীক হত্যা কৰা হয়। নাৰীৰ ওপৰত অমানুষিক অত্যাচাৰ চৰিছিল, বহুত নাৰী ধৰ্ষণৰ বলী হ'বলগীয়া হৈছিল।

ব্যাপক গণসংগ্ৰামৰ অন্তত কমিউনিষ্টে ক্ষমতা লাভ কৰিলে। চীনৰ প্ৰতিজন সৰ্বহাৰা শোষিত জনগণে এই সংগ্ৰামত যোগদান দিছিল। চীনৰ এই মুক্তি সংগ্ৰামখন তিনিটা পদ্ধতিৰ ওপৰত চলিছিল, সেইকেইটা হৈছে—

(১) চীনৰ জনসাধাৰণ সাম্ৰাজ্যবাদৰ পৰা মুক্ত আৰু স্বাধীন জাতি হিচাপে নিজকে প্ৰতিষ্ঠা কৰা,

(২) ৰাষ্ট্ৰ ক্ষমতা সাম্ৰাজ্যবাদীসকলৰ পৰা লৈ সাধাৰণ জনগণৰ দ্বাৰা গণতন্ত্ৰ স্থাপন কৰা। ৰাষ্ট্ৰৰ শাসনকাৰ্য সাধাৰণ ৰাইজে পৰিচালিত কৰা।

(৩) সমাজৰ পৰা সামন্ততান্ত্ৰিক ব্যৱস্থা, শোষণকাৰীসকলক নিঃশেষ কৰা, আৰু ইয়াৰ পৰা সৰ্বসাধাৰণ ৰাইজক ৰক্ষা কৰা। চীনত গণতান্ত্ৰিক ব্যৱস্থা প্ৰতিষ্ঠা হোৱাৰ এই সময়তে আৰম্ভ হয় গৃহযুদ্ধৰ। এই গৃহযুদ্ধ আছিল চীনৰ অত্যাচাৰী কুয়োমিণ্টাঙ আৰু কমিউনিষ্ট পাৰ্টিৰ অষ্টম বাহিনীৰ মাজত। কুয়োমিণ্টাঙৰ হাতত শক্তিশালী কামান, ৰাইফল আৰু মেচিনগান থকাৰ বিপৰীতে কমিউনিষ্টসকলৰ হাতত একোৱেই নাছিল বুলি ক'ব পাৰি। চীনৰ শাসক কুয়োমিণ্টাঙ আৰু চিয়াংকাইশ্বেক চৰকাৰখন যথেষ্ট শক্তিশালী আছিল আৰু এওঁলোকক আৰ্থিক আৰু অস্ত্ৰৰে সহায় কৰিছিল আমেৰিকা যুক্তৰাষ্ট্ৰই। কিন্তু কমিউনিষ্ট পাৰ্টিক সহায় কৰিছিল চীনৰ সৰ্বহাৰা জনতাই।

বিষ্ণুপ্ৰসাদ ৰাভাৰ 'চীনদেশৰ বিপ্লৱ' নামৰ ৰাজনৈতিক প্ৰবন্ধটোত চীনৰ মুক্তি সংগ্ৰামৰ ইতিহাস বিস্তৃতভাৱে বৰ্ণনা কৰিছে। ৰাভাই সংগ্ৰামৰ পথাৰখনলৈ অহাৰ পূৰ্বে কমিউনিষ্ট পাৰ্টি, মাৰ্ক্সবাদ, কাৰ্লমাৰ্ক্স আৰু অন্যান্যসকলৰ বিষয়ে গভীৰভাৱে অধ্যয়ন কৰিছিল। এই প্ৰবন্ধটোৰ প্ৰভাৱ বিষ্ণু ৰাভাৰ ৰাজনৈতিক জীৱনত অপৰিসীম।

**নাৰিক বিদ্ৰোহ ঃ**

দ্বিতীয় বিশ্বযুদ্ধ শেষ হোৱাৰ পিছত আৰু ভাৰতৰ স্বাধীনতাৰ প্ৰাকক্ষণত ভাৰতত নাৰিকসকলে বিদ্ৰোহ আৰম্ভ কৰে। এই বিদ্ৰোহৰ কাৰণ আছিল বিদেশী অফিচাৰসকলৰ আভিজাত্য, অহংকাৰ আৰু তলৰ শ্ৰেণীৰ কৰ্মচাৰীৰ ওপৰত কৰা দুৰ্ব্যৱহাৰ। এই কাৰণবোৰলৈ নাৰিকসকলে বিদ্ৰোহ আৰম্ভ কৰি দিয়ে। নাৰিকসকলে সহায়ৰ বাবে কংগ্ৰেছ, ছোচিয়েলিষ্ট আৰু কমিউনিষ্ট পাৰ্টিৰ ওচৰ চাপে যদিও বিফল হ'বলগীয়া হয়। শেষত ভাৰতীয় কমিউনিষ্ট দলৰ পৰা সহায় বিচাৰে। ভাৰতীয় কমিউনিষ্ট দলে নাৰিকসকলক ধৰ্মঘটৰ পৰামৰ্শ দিয়ে। নাৰিকসকলে বিদ্ৰোহ আৰম্ভ কৰি দিয়ে। নাৰিক আৰু পুলিচৰ সংঘাত হয়। এফালে দেশৰ স্বাধীনতা আন্দোলন অন্যফালে নাৰিক বিদ্ৰোহ, এয়াৰ ফোৰ্চৰ ধৰ্মঘট, গুৰ্খা বিদ্ৰোহ, বিহাৰত পুলিচৰ বে-আইনী আন্দোলনে সমগ্ৰ দেশ কঁপাই যায়। নাৰিক বিদ্ৰোহত প্ৰত্যক্ষ সমৰ্থন আগবঢ়াই 'ভাৰত বিপ্লৱী কমিউনিষ্ট পাৰ্টি'য়ে। তেওঁলোকে সশস্ত্ৰ সংগ্ৰাম কৰিবলৈ নাৰিকসকলক উপদেশ দিয়ে।

'নাৰিক বিদ্ৰোহ' প্ৰবন্ধটোৰ জৰিয়তে বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰাজনৈতিক আদৰ্শ প্ৰকাশ পাইছে। প্ৰবন্ধটোৰ জৰিয়তে তেওঁৰ বিপ্লৱী ভাৱধাৰা-আদৰ্শৰ সংঘাত ইত্যাদি প্ৰকাশ কৰিছে।

নাৰিক বিদ্ৰোহত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সহযোগত নাৰিকসকলে যুঁজখন আগুৱাই লৈ গৈছে যদিও পিছত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়। দেশত স্বাধীনতা সংগ্ৰামৰ অন্তিম সময়, কংগ্ৰেছে ক্ষমতাৰ জৰী ল'বলৈ আগবাঢ়িছে কিন্তু বিপ্লৱী কমিউনিষ্ট দলে এই স্বাধীনতাক স্বীকাৰ কৰিব পৰা নাই। এই স্বাধীনতাই ইংৰাজৰ সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদৰ হস্তান্তৰহে কৰিব। ইয়াৰ ফলত সাধাৰণ জনগণৰ কোনো উন্নতিৰ আশা দেখা নাযায়। বিপ্লৱী কমিউনিষ্ট দলে ভাৰতৰ শাসন ব্যৱস্থাত পঞ্চায়তৰাজ ব্যৱস্থাক অধিক শক্তিশালী ৰূপত গঢ় দিব কৈছে। পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা সম্ভৱ। বিপ্লৱী কমিউনিষ্ট দলে বিদ্ৰোহৰ প্ৰসংগত কৈছিল— "এই বিদ্ৰোহকেই দীৰ্ঘায়িত কৰিব লাগিব। বৈপ্লৱিক শ্ৰেণীসংগ্ৰামৰ পথত ৰূপায়িত কৰিব লাগিব আৰু ভাৰতৰ জাতীয় স্বাধীনতাৰ আন্দোলনক ক্ৰমেই সংঘৰ্ষৰ মাজেদি সমাজতান্ত্ৰিক বিপ্লৱত সম্পূৰ্ণ কৰিব লাগিব।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৪০)। দেশত সমাজতান্ত্ৰিক ব্যৱস্থাৰ প্ৰচলন নোহোৱালৈকে জনসাধাৰণে সাম্ৰাজ্যবাদ আৰু ধনতান্ত্ৰিক ব্যৱস্থাৰ পৰা সম্পূৰ্ণ মুক্তি পোৱা অসম্ভৱ।

বিষ্ণু ৰাভাই এই প্ৰবন্ধটো 'নাৱিক বিদ্ৰোহ' বুলি দিছে যদিও প্ৰবন্ধটোত 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ৰ আদৰ্শহে বহলভাৱে দাঙি ধৰিছে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ লগতে দেশত যাতে এখন সমাজতান্ত্ৰিক চৰকাৰৰ গঠন হয়, সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ ব্যৱস্থা যাতে ধ্বংস হয় ইত্যাদি বিষয়বোৰলৈ বিপ্লৱী দলটোৱে আন্দোলন কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাই বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ এইবোৰ আদৰ্শগত কাৰণতে তেওঁ দলত যোগদান কৰিছিল। ৰাভাৰ ব্যক্তিসত্তাৰ ওপৰত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ প্ৰভাৱ অপৰিসীম আছিল।

**বিষ্ণুপ্ৰসাদ ৰাভাৰ সংগ্ৰামী দৃষ্টিৰে নাৰী ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই ৰাজনৈতিক ৰচনাসমূহত নাৰীৰ প্ৰসংগও উল্লেখ কৰিছে। নাৰীক তেওঁ মাৰ্ক্সীয় দৃষ্টিভঙ্গীৰে চাইছে। কমিউনিষ্টসকলে পুৰুষৰ সমানে নাৰীসকলকো সমান মৰ্যাদা প্ৰদান কৰিছিল। সাম্যবাদী সমাজত নাৰীৰ ভূমিকা সম্পৰ্কে পোৱা যায় যে, সন্তানৰ প্ৰতিপালন কৰা আৰু ঘৰৰ বিভিন্ন কামৰ লগতে পৰিয়াল চম্ভালাৰ ক্ষেত্ৰত নাৰীৰ ভূমিকা গুৰুত্বপূৰ্ণ। কমিউনিষ্টসকলে বিবেচনা কৰে যে সমাজত পুৰুষৰ সমানে নাৰী জাতিয়েও সম অধিকাৰ পাব লাগিব। নাৰী অবিহনে সমাজ এখনে পূৰ্ণতা লাভ কৰিব নোৱাৰে, সেইবাবে মাৰ্ক্সবাদীসকলে নাৰীক সম্পূৰ্ণতা প্ৰদান কৰিছে। নাৰীৰ অধিকাৰ আৰু মুক্তিৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা পালন কৰিছে সমাজতন্ত্ৰই। শিক্ষা আৰু কামৰ ক্ষেত্ৰত সমাজতান্ত্ৰিক সমাজে নাৰীক পুৰুষৰ সৈতে সমান অধিকাৰ প্ৰদান কৰিছে। মাৰ্ক্সৰ সমাজতান্ত্ৰিক সমাজৰ ব্যৱস্থাৰ প্ৰচলন থকা ছোভিয়েট ৰাষ্ট্ৰই নাৰীক পুৰুষৰ সৈতে সমান অধিকাৰ দিছিল আৰু নাৰীসকলৰ সুৰক্ষাৰ বাবে বিভিন্ন সামাজিক, শৈক্ষিক, অৰ্থনৈতিক দিশত ব্যৱস্থা গ্ৰহণ কৰিছিল। নাৰীসকলৰ শিক্ষা উন্নত কৰিবৰ বাবে বিভিন্ন শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰা হৈছিল।

পুৰুষতান্ত্ৰিক সমাজে নাৰীক ভোগৰ সামগ্ৰী বুলি গণ্য কৰি আহিছে। সকলো ফালৰ পৰা নাৰীক বঞ্চিত কৰি আহিছে। নাৰীৰ স্বাধীনতা বুলিবলৈ একোৱে নাই, নিজৰ ইচ্ছাত ফুৰিব নোৱাৰে, শিক্ষা গ্ৰহণ কৰিব নোৱাৰে, নিজৰ পছন্দমতে খাব-পিন্ধিব, গান-নৃত্য, বক্তৃতা দিব নোৱাৰে। নাৰী সকলো ফালৰ পৰা বঞ্চিত পৰাধীন। ৰাভাই কৈছে যে— "ৰাজনীতিৰ মতে নাৰীয়ে কেৱল কাৰখানাত কুলিয়নী হ'বলৈহে স্বাধীনতা পায়।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৪৬)।

বিষ্ণুপ্ৰসাদ ৰাভাই **‘ছোভিটেয়ৰ নাৰী’, সমসাময়িক ভাৰতৰ নাৰী’**, **‘ছোভিয়েট দেশৰ নাৰী’**, **‘ছোভিয়েট পাৰ্লিয়ামেণ্টৰ জনদিয়েক নাৰী প্ৰতিনিধি’**, এই প্ৰবন্ধকেইটাত ভাৰতীয় নাৰী আৰু ছোভিয়েট দেশৰ নাৰীৰ এক তুলনামূলক অধ্যয়ন কৰাৰ লগতে নাৰীৰ স্বাধীনতা, নাৰীৰ বিভিন্ন অধিকাৰৰ প্ৰসংগও উপস্থাপন কৰিছে।

‘ছোভিয়েটৰ নাৰী’ প্ৰবন্ধটোত বিষ্ণু ৰাভাই ভাৰতীয় নাৰীক পতিব্ৰতা, সতী আদি আখ্যাৰে ঈশ্বৰত্ব প্ৰদান কৰা হৈছে বুলি কৈছে। ভাৰতৰ নাৰী নিজৰ ভৰিত নিজে থিয় দিব পৰা নাই। ছোৱালী এজনীক ভাত-কাপোৰৰ দায়িত্ব পৰপুৰুষ এজনৰ ওপৰত দিয়া হয়। ৰাভাই কৈছে যে— “স্বামীৰ অৰ্থই হ’ল আমাৰ ইয়াত তিৰোতাক ভাত-কাপোৰ যোগাওঁতা। আৰু পত্নী হ’ল ভাত-কাপোৰ পাবৰ কাৰণে যিকোনো এক পুৰুষক ভজনা কৰা।” (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৫৪)। ভাৰতীয় নাৰী সৰ্বতোভাৱে পৰাধীন, নিজস্বতা বুলি একো নাই। ভাত-কাপোৰৰ বাবে সম্পূৰ্ণভাৱে পৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। নিজৰ স্বামীয়ে যদি ভাত-কাপোৰ দিবলৈ অসমৰ্থ হয় তেতিয়া যদি নাৰীগৰাকীয়ে অন্য পুৰুষৰ সহায় ল’লে সমাজৰ দৃষ্টিত নাৰীগৰাকীক ব্যাভিচাৰ বুলি দণ্ড দিয়া হৈছিল। বিয়া হোৱা মানে নমৰালৈকে পতিব্ৰতা আৰু সতীত্ব ৰক্ষা কৰি চলিবই লাগিব। ইয়াৰ হেৰফেৰ হ’লেই দণ্ড হিচাপে নাৰীগৰাকীক অচিনাকী ঠাইত এৰি দিয়া হয়, নাৰীগৰাকী জীয়াই থকালৈকে অপমান-লাঞ্চনা ভোগ কৰিবলগীয়া হয়। নাৰীৰ এই কঠোৰ সামাজিক বন্ধনৰ বিপৰীতে পুৰুষসকল মুক্ত-স্বাধীন। পুৰুষৰ ক্ষেত্ৰত দেখা যায় যে তেওঁ বহুকেইগৰাকীক বিয়া পাতিলেও একো দণ্ডৰ বিধান নাই। পুৰুষৰ বাবে কোনো সংশোধন বা বিচাৰৰ প্ৰয়োজন নাই। পুৰুষজন যদি ৰোগী, কুৰূপ, দুৰ্গুণী হ’লেও, পত্নীয়ে তাক এৰি অন্য পুৰুষৰ সৈতে গ’লে নাৰীগৰাকীয়ে দণ্ড ভোগ কৰিবলগীয়া হোৱাৰ বিপৰীতে পুৰুষৰ ক্ষেত্ৰত এইবোৰ মাফ। ভাৰতৰ পুৰুষ-নাৰীৰ বিভেদৰ এই ব্যৱস্থাৰ বিপৰীতে ছোভিয়েট দেশৰ নাৰী-পুৰুষ দুয়োৰে অধিকাৰ সমান সমান। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো ক্ষেত্ৰতে নাৰীয়ে সমান অধিকাৰ লাভ কৰে। ভাৰতৰ দৰে নাৰীৰ দোষত দণ্ড-বিধান আৰু পুৰুষৰ সাতটা ভুল মাফ এই ব্যৱস্থা ছোভিয়েতত নাই। ছোভিয়েটত নাৰীয়ে নিজৰ জীৱিকাৰ পথ নিজে বিচাৰি লয়। তেওঁলোকে কাৰো বোজা নহয়। ছোভিয়েটত নাৰীয়ে নিজৰ উপাৰ্জন নিজে কৰিছে, নিজৰ ইচ্ছাত বিয়াত বহিছে, তাতে জাতি, ধৰ্ম, বংশ, মৰ্যাদাৰ প্ৰশ্ন উত্থাপিত হোৱা নাই। সেই দেশত বিয়াৰ পিছত

নাৰীক ভয়-ভাবুকিৰে স্বামীয়ে নিজৰ অধীনত ৰাখিব নোৱাৰে। ছোভিয়েট দেশত স্বামী-স্ত্ৰীৰ সম্পৰ্কবোৰ বন্ধুৰ দৰে হয়। দুয়োৰে মাজত মনোমালিন্য ঘটিলে বিবাহ বিচ্ছেদ সহজে হৈছিল। কিন্তু পৰৱৰ্তী সময়ত চৰকাৰ এই বিষয়ত কঠোৰ হয়— “বিবাহ বিচ্ছেদ কৰাটো ছোভিয়েট চৰকাৰে পছন্দ নকৰে আৰু সেইবাবে কোনো মতা-তিৰোতাই বিবাহ বিচ্ছেদ কৰিবলগীয়া হ’লে দণ্ড স্বৰূপে কিছু অৰ্থ চৰকাৰক দিব লগাত পৰে। একোজন মানুহে দ্বিতীয়বাৰ বিবাহ বিচ্ছেদ কৰিবলৈ গ’লে ৩/৪ গুণ বেছি অৰ্থদণ্ড দিব লগাত পৰে আৰু তৃতীয়বাৰত দস্তুৰমতে জৰিমনা দিব লাগে। এই জৰিমনাৰ হাৰ ইমান বেছি যে বহুতো টকা তেওঁ খোৱাৰ পৰা বচাই জমাই জৰিমনা দিব লগাত পৰে।” (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৫৪)। ছোভিয়েট দেশত পুৰুষ-স্ত্ৰীৰ সমানে সন্তানৰ ভৱিষ্যতৰ নিৰাপত্তাৰ কথাও চৰকাৰে চিন্তা কৰে। সেই দেশত জাৰজ সন্তানৰ ধাৰণা নাই। ভাৰতৰ দৰে জাৰজ বা অবৈধ সন্তানক অৱজ্ঞা বা তিৰস্কৃত কৰা নহয়। চৰকাৰে এনে সন্তানক পঞ্জীয়ন কৰি ভৱিষ্যতৰ সুস্থ নাগৰিক হ’বলৈ আগবাঢ়ি যোৱাত সহায় কৰে। ছোভিয়েট দেশৰ তুলনাত ভাৰতত এতিয়াও বিনা বিবাহত জন্ম হোৱা সন্তানক জাৰজ বা অবৈধ বুলি হেয় জ্ঞান কৰা হয়। সমাজৰ ভয়ত বহু সময়ত গৰ্ভৱতী বা অবৈধ সন্তানৰ মাকগৰাকীয়ে আত্মহত্যাও কৰা দেখা যায়। বিষ্ণু ৰাভাই এই প্ৰবন্ধটোৰ জৰিয়তে ভাৰতৰ নাৰীসকল এতিয়াও যে বহু পিছপৰা, পৰাধীন সেই কথা দাঙি ধৰিছে। ছোভিয়েট দেশৰ সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীয়ে সমান অধিকাৰ পোৱাৰ ফলত বহুখিনি আগবাঢ়ি যাবলৈ সমৰ্থ হৈছে। পুৰণিকলীয়া অপ্ৰচলিত ৰীতি-নীতিবোৰ আঁতৰাই সময়ৰ সৈতে খোজ পেলোৱা বাবেই ছোভিয়েট দেশৰ নাৰীয়ে কাৰো ওচৰত বোজা হৈ পৰা নাই। তাৰ বিপৰীতে ভাৰতৰ নাৰীয়ে অপ্ৰচলিত নীতি-নিয়মবোৰক গ্ৰহণ কৰি থকা বাবেই এতিয়াও পুৰুষতান্ত্ৰিক সমাজত পুৰুষৰ ওচৰত, পৰিয়ালৰ ওচৰত নিজকে আবদ্ধ কৰি ৰাখিব লগা হৈছে। ভাৰতৰ নাৰী যে নিজকে উপযুক্ত কৰি গঢ়ি তুলিলে পৰাধীনৰ পৰা মুক্তি লাভ কৰিব পাৰিব আৰু সমাজত পুৰুষৰ সৈতে সম অধিকাৰ লাভ কৰিব।

**‘সমসাময়িক ভাৰতৰ নাৰী’** প্ৰবন্ধত ছোভিয়েট দেশৰ নাৰীৰ তুলনাত ভাৰতীয় নাৰীৰ দুৰৱস্থাৰ চিত্ৰখন তুলি ধৰিছে। ছোভিয়েটৰ সমাজতান্ত্ৰিক চৰকাৰখনে নাৰী আৰু শিশুৰ বৃদ্ধি আৰু বিকাশৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰিছিল। ছোভিয়েট দেশৰ তুলনাত ভাৰতৰ নাৰীসকল শিক্ষা, স্বাস্থ্য, জীৱিকা আদিৰ ক্ষেত্ৰত যথেষ্ট পিছপৰা আছিল। সেই সময়ত ভাৰতীয় নাৰীৰ শিক্ষা ব্যৱস্থা

বহুত নিম্ন আছিল। ৰাছিয়াৰ প্ৰত্যন্ত এলেকাৰ নাৰীৰ শিক্ষাৰ হাৰ শতকৰা আশী শতাংশৰ বিপৰীতে ভাৰতৰ নাৰীৰ শিক্ষাৰ শতকৰা হাৰ মাত্ৰ দুই শতাংশ আছিল। ইয়াৰ মূল কাৰণ আছিল পুৰুষৰ দমন নীতি, বাল্য বিবাহ, সমাজৰ বিভিন্ন অন্ধ ব্যৱস্থাসমূহৰ লগতে নাৰীৰ আৰ্থিক পৰাধীনতা অন্যতম কাৰণ আছিল।

স্বাস্থ্যৰ ক্ষেত্ৰত ভাৰতৰ অৱস্থা খুবেই দুখজনক আছিল। ভাৰতত সেই সময়ত গৰ্ভৱতী নাৰীৰ মৃত্যুৰ হাৰ প্ৰতি হাজাৰত ২৫ জনী আছিল। বছৰত মৃত্যুৰ হাৰ আছিল ২০০০০০ জনী তিৰোতা। ইয়াৰ লগতে বিভিন্ন বেমাৰত মৃত্যুৰ হাৰ যথেষ্ট বেছি আছিল। ভাৰতৰ চিকিৎসা ব্যৱস্থা খুবেই বেয়া অৱস্থাত আছিল। সমগ্ৰ দেশত মাত্ৰ ২২৬খন নাৰী চিকিৎসালয় আছিল। ছোভিয়েট দেশত নাৰী আৰু শিশুৰ তত্ত্বাৱধানৰ দায়িত্ব ৰাষ্ট্ৰই লয়। তাত শিশুৰ স্বাস্থ্য ৰাষ্ট্ৰৰ প্ৰাথমিক দায়িত্ব বুলি বিবেচনা কৰা হয় আৰু শিশুৰ যতন স্বাস্থ্য কমিছৰিয়েটে লয়। ভাৰতৰ নাৰীয়েও যথেষ্ট কাম কৰে। শতকৰা হিচাপত ২৫ জনী তিৰোতা শ্ৰমজীৱী। তিৰোতাখিনিয়ে পথাৰৰ কাম, কুলি, মজদুৰ প্ৰভৃতি কামবোৰ কৰিছিল। পুৰুষৰ তুলনাত মহিলা শ্ৰমিকখিনিয়ে মজুৰি কমকৈ পাইছিল। মহিলা শ্ৰমিকৰ বাবে চিকিৎসাৰ উন্নত ব্যৱস্থা নাছিল।

বিবাহ ভাৰতীয় নাৰীৰ বাবে এক পৱিত্ৰ বন্ধন। ভাৰতীয় নাৰীৰ বাবে বিবাহ বিচ্ছেদ এক বিপদজনক কথা। বিবাহ বিচ্ছেদে নাৰীৰ সকলো অধিকাৰ লুপ্ত কৰি দিয়ে। বিবাহ বিচ্ছেদত নাৰীৰ সম্পত্তিৰ ওপৰত আইনগত অধিকাৰ নোহোৱা কৰে। ভাৰতীয় নাৰীৰ চাকৰি আৰু ব্যৱসায়ত নানা ধৰণৰ বাধা দেখা পোৱা গৈছিল। নাৰীক চাকৰি আৰু ব্যৱসায় কৰাত সামাজিক আৰু চৰকাৰী বাধা আছিল। চৰকাৰৰ বহুকেইটা বিভাগত নাৰীৰ নিযুক্তিৰ সম্পূৰ্ণৰূপে বন্ধ আছিল। ভাৰতৰ নাৰীৰ এই দৃশ্যৰ বিপৰীতে ছোভিয়েটত 'সংঘ-সমাজতান্ত্ৰিক ৰিপাব্লিক'ৰ তিৰোতাই শিক্ষকতা, ডাক্তৰী, কৃষি বিজ্ঞানী, অভিযান্ত্ৰিক, ৰেলৱে ইত্যাদি বিভাগসমূহত কৰ্ম কৰি আছে।

**'ছোভিয়েট দেশৰ নাৰী'** এই প্ৰবন্ধটোত ৰাভাই ছোভিয়েটৰ নাৰীৰ জীৱন সংগ্ৰামত জয়ী হোৱাৰ দুগৰাকীৰ প্ৰসংগ আনিছে। এগৰাকী হৈছে ছোভিয়েট পাৰ্লিয়ামেণ্টৰ কম বয়সীয়া সদস্যা ক্লাউদিয়া সখাৰোৱা। ৰোডিস্কী নামৰ ঠাইত কাপোৰ মিলৰ বনুৱাৰ ঘৰত সখাৰোৱাৰ জন্ম। নিজৰ দক্ষতাৰ বলত কাপোৰ মিলৰ বনুৱাৰ পৰা বলছেভিক কাপোৰ মিলৰ ডেপুটি ডাইৰেক্টৰৰ আসনত বহে। সখাৰোৱাৰ মাক-বাপেক ধনতান্ত্ৰিক পুঁজিপতিৰ ওচৰত কামৰ হেঁচাত জৰ্জৰিত হয়। ছোভিয়েট

বিদ্রোহৰ অন্ত পৰাৰ পিছতো দেখা দিয়া গৃহযুদ্ধত সমগ্র দেশ আক্রান্ত হয়। সখাৰোৱাই নিজৰ বুদ্ধিৰ বলত কয়লা খনিৰ পৰা যন্ত্রৰ সহায়ত অধিক কয়লা সংগ্রহ কৰাৰ ব্যৱস্থা কৰে। ষ্টেলিনে তাইক ক্রেমলিনলৈ লৈ যায়। সখাৰোৱাই বুদ্ধিৰ বলত কাপোৰ মিলত একেলগে ছয়টা মাকোৰে কাপোৰ বোৱা পদ্ধতি আৰম্ভ কৰিলে।

প্রবন্ধটোত উল্লিখিত অন্যগৰাকী হৈছে বস্তী মাসিম কিজী বাগীৰোৱা। বাগীৰোৱা খেতিয়কৰ ঘৰৰ ছোৱালী আছিল। ছোভিয়েট বিপ্লৱৰ পিছত তাই খেতিৰ মাটি, হাল আৰু গৰু পালে। পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে তাই বৈজ্ঞানিক পদ্ধতিৰে কপাহৰ খেতি আৰম্ভ কৰিলে। বাগীৰোৱাই বৈজ্ঞানিক পদ্ধতিৰে কপাহৰ বৃহৎ উৎপাদন কৰিবলৈ সক্ষম হয়। ৰাভাই প্রবন্ধটোত ক্লাউদিয়া সখাৰোৱা আৰু বস্তী মাসিম কিজী বাগীৰোৱা নামৰ দুগৰাকীৰ জৰিয়তে ছোভিয়েট দেশৰ নাৰীৰ সংগ্রামৰ চিত্রখন দাঙি ধৰিছে। নাৰীয়ে নিজৰ যোগ্যতাৰে পুৰুষৰ সমান স্থান অধিকাৰ কৰিব পাৰিছে।

**'ছোভিয়েট পাৰ্লিয়ামেণ্টৰ জনদিয়েক নাৰী প্রতিনিধি'** প্রবন্ধটোত ছোভিয়েট দেশৰ বহুকেইগৰাকী মহিলাৰ বিষয়ে উল্লেখ কৰিছে। একেবাৰে দুখীয়া ঘৰৰ পৰা আহি দেশৰ সৰ্বোচ্চ অনুষ্ঠান পাৰ্লিয়ামেণ্টলৈ নিৰ্বাচিত হোৱালৈ জীৱন যাত্রাৰ এই পৰিক্রমাৰ উল্লেখ কৰিছে। 'দৰয়া' নামৰ মহিলাগৰাকীয়ে জীৱনৰ প্রথম অৱস্থাত জমিদাৰৰ ঘৰত চাকৰণীৰ কাম কৰিছিল। ৰুছিয়া বিপ্লৱৰ পিছত জমিদাৰী ব্যৱস্থা ধ্বংস হয় আৰু দৰয়াই মুক্তি লাভ কৰে। দৰয়াই পঞ্চায়তী ব্যৱস্থাৰ জৰিয়তে কৃষি-ফাৰ্ম খুলে আৰু পশুপালন আৰম্ভ কৰে। পৰৱৰ্তী সময়ত দৰয়া ছোভিয়েট সংঘৰ সদস্য হয় আৰু পাৰ্লিয়ামেণ্টলৈ নিৰ্বাচিত হয়। দৰয়াৰ দৰে ৰেক্কোৱা, চেনোৰিচেনস্ক, নৰয়ন তুমাতোৱা, তাত্যনা বিকুলিনা, মৰিয়া দেমচেকো, দোৰিমা নন্মসৰয়বা, চিমনাজ অশ্লানোৱা, লেবোনোৱা, আদি বহুকেইগৰাকী মহিলাই সমাজৰ বিভিন্ন স্থানৰ পৰা বিভিন্ন পৰিৱেশৰ পৰা আহি ছোভিয়েট দেশৰ সৰ্বোচ্চ অনুষ্ঠান পাৰ্লিয়ামেণ্টৰ সদস্য পদ পাব সক্ষম হৈছে।

**'ছোভিয়েটত শিশু'** প্রবন্ধটোত ৰাভাই ছোভিয়েট দেশৰ শিশুসকলক দেশৰ সম্পদ বনাবলৈ চৰকাৰে কি কি ব্যৱস্থা গ্রহণ কৰিছে সেই বিষয়ে বৰ্ণনা কৰিছে। দেশত শিশুৰ বৃদ্ধি আৰু বিকাশত খুবেই গুৰুত্ব প্রদান কৰা হয়। দেশৰ ভৱিষ্যত গঢ়িবলৈ শিশুসকলক সৰুৰে পৰা যত্ন লোৱা হয়। এই শিশুসকলেই ছোভিয়েট দেশৰ ভৱিষ্যতৰ শিল্পী, যোদ্ধা, কৃষক,

শ্ৰমিক, সাহিত্যিক, নাগৰিক হ'ব। তেওঁলোকৰ হাততেই গঢ়লৈ উঠিব দেশৰ স্বাস্থ্য, শিক্ষা আৰু সংস্কৃতি। ছোভিয়েট দেশে শিশুক লৈ ভাবে যে— “কাৰখানাৰ কোনো এটা অংশ নষ্ট হ'লে এবাৰহে মাল লোকচান হ'ব, কিন্তু শিশু নষ্ট হ'লে বহু পুৰুষলৈ সি নষ্ট হৈ যাব।” (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৫৬)। সেইবাবে চৰকাৰে শিশুৰ বাবে পঞ্চায়তী খেতি ফাৰ্ম, চৰকাৰী খেতিৰ ফাৰ্ম, কল-কাৰখানা, সকলোতে শিশুৰ বাবে শিশুসদন নিৰ্মাণ কৰি তুলিছে য'ত শিশু বিশেষজ্ঞ ধাত্ৰী, নাৰ্ছৰ তত্বাৱধানত ৰক্ষণাবেক্ষণ দিয়া হয়। তদুপৰি চৰকাৰে শিশুসকলৰ প্ৰতিপালনৰ বাবে আৰ্থিক সাহায্যও আগবঢ়াই। গৰ্ভৱতী নাৰীৰ বাবে চৰকাৰে বিভিন্ন সা-সুবিধা আগবঢ়াই। শিশুক ইমান গুৰুত্ব দিয়াৰ ক্ষেত্ৰত লিখিছে যে, “ছোভিয়েট শিশুৰ সহজাত মানসিক স্পৃহালৈ বিশেষভাৱে লক্ষ্য কৰা হয় আৰু সেইমতে শিশুৰ শিক্ষাৰ ব্যৱস্থা কৰা হয়। পুঁজিবাদী দেশবোৰৰ দৰে তাত সিটো নহয়। তাৰ ওপৰত তাৰ বিৰোধী শিক্ষাৰ বোজা বোজাই দি তাৰ উঠি অহা জীৱনক ব্যৰ্থ কৰা নহয়। শিশুৱে তাত কি ভাল পায় কোন ফালে তাৰ মনটো ঢাল খাইছে তাক ভালদৰে পৰ্য্যবেক্ষণ কৰি সেইৰূপে শিশুৰ ব্যক্তিত্ব বিকাশৰ সুবিধা দান কৰা হয়। আৰু এয়ে শিক্ষাৰ আচল কথা। তেতিয়া হ'লে সি এপিনে যেনেকৈ পূৰ্ণতম বিকাশৰ সুবিধা পায়, আনপিনে তেনেকৈ সমাজত ব্যক্তিৰ শ্ৰেষ্ঠতম অৱদানৰ অধিকাৰী হ'ব পাৰে। পুঁজিবাদী দেশবোৰত অন্যান্য বস্তুৰ অপচয়ৰ দৰে মানুহৰ মনুষ্যত্বৰো অপচয় ঘটিছে। ছোভিয়েট সমাজতন্ত্ৰী শিক্ষা ব্যৱস্থাত বিজ্ঞানসন্মত শিক্ষা ব্যৱস্থা থকাত তাৰ শিশুৱে যুৱক-যুৱতীয়ে ব্যক্তি উন্নতিৰ লগে লগে সমাজকো সমৃদ্ধ কৰিছে।” (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৫৬)। মানৱ সম্পদ গঢ়াত দেশখনে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। শিশুসকলৰ পঢ়া-শুনাৰ লগতে বিভিন্ন বৈজ্ঞানিক যন্ত্ৰপাতিৰ লগত পৰিচয় কৰাই দিয়া, কল-কব্জাৰ সহায়ত যন্ত্ৰপাতি নিৰ্মাণ কৰা, শিশুক পঢ়া-শুনাৰ লগতে নিজে কৰ্ম কৰি খাব পৰা বিদ্যাও দিয়া হয়। ইয়াৰ বাবে চৰকাৰে যথেষ্ট অৰ্থ ব্যয় কৰিছিল। চৰকাৰৰ যত্নৰ ফলতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ছোভিয়েট দেশৰ শিশুবোৰে বিভিন্ন ধৰণে দেশক সহায় কৰিব পাৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভাৰ সংগ্ৰামী নাৰী প্ৰসংগৰ প্ৰবন্ধকেইটাত ছোভিয়েট দেশৰ জাতীয় অৰ্থনীতিৰ সকলো ক্ষেত্ৰতে নাৰীয়ে কাম কৰাৰ মাজেদিয়েই এই কথা প্ৰমাণিত হয় যে নাৰী সমাজত অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিকভাৱে সমান। ছোভিয়েট দেশৰ তুলনাত

ভাৰতীয় নাৰী যথেষ্ট পিছপৰা। সামাজিক, ৰাজনৈতিকভাৱে পুৰুষৰ অধীনত আছিল। শিক্ষিতৰ হাৰ যথেষ্ট কম থকাৰ বাবে পিছপৰি ৰ'ব লগা হৈছিল। ইয়াৰ বিপৰীতে ছোভিয়েট নাৰীয়ে বিভিন্ন শাখাৰ উদ্যোগ প্রতিষ্ঠানবিলাকত জটিল আৰু নিখুত মানদণ্ডৰ কামবিলাকত পৰিচালনা কৰে, পামবিলাকত কাম কৰে, পৰিৱহন, ৰাজহুৱা ভোজনালয় আৰু খুচুৰা ব্যৱসায় বিজ্ঞান, কলা আৰু সাংস্কৃতিক বিভাগৰ ক্ষেত্ৰবিলাকত কাম কৰে। ছোভিয়েট দেশত কাম আৰু সামাজিক জীৱনত পুৰুষৰ সমান অংশগ্ৰহণৰ ফলত তেওঁলোকৰ মুক্ত আৰু অবাধ বিকাশৰ কাৰণে আৰু তেওঁলোকৰ বাবে এক পৰিপূৰ্ণ জীৱন ভোগ কৰাটো সম্ভৱ কৰি তোলাৰ কাৰণে প্রয়োজনীয় অৱস্থা সৃষ্টি কৰা হৈছে।

**মাৰ্ক্সীয় দৃষ্টিৰে সমাজ আৰু সমাজতন্ত্ৰ ঃ**

বনুৱা অবিহনে এখন সমাজ চলিবই নোৱাৰিব। আৰু এই বনুৱাৰ দ্বাৰাই পৰিচালিত হয় সমগ্ৰ সমাজখনৰ। বনুৱাই সমাজখনক অন্নৰ বাবে প্রয়োজনীয় নাঙলৰ ব্যৱস্থা কৰিছে, তাৰ লগতে দা, নাঙলৰ ফাল, কুঠাৰ, কাচি, কোৰ আদি অস্ত্ৰৰ যোগান ধৰিছে, যাৰ সহায়ত খেতি-বাতিৰ উপৰিও ঘৰ নিৰ্মাণত ব্যৱহাৰ কৰা হৈছে। বনুৱা-কৃষকে তেল উৎপাদন কৰিলে, কপাহৰ খেতি কৰিলে, সেই কপাহৰ পৰা সূতা তৈয়াৰ কৰা হয় আৰু সেই সূতাৰ পৰা কাপোৰ তৈয়াৰ হয়, সেই কাপোৰ সমাজৰ সকলো শ্ৰেণীৰ মানুহে পিন্ধে। সাগৰৰ পাৰৰ বনুৱাসকলে নিমখ উৎপাদন কৰে। নিমখ অবিহনে আমি আহাৰ গ্ৰহণৰ কথাই ভাবিব নোৱাৰো। সমাজৰ মুখ্য ভূমিকা লৈছে এই কৃষক-বনুৱা শ্ৰেণীটোৱে। এই কৃষক-বনুৱাৰ সহায়তহে সমাজৰ মানুহে সুখেৰে জীৱন নিৰ্বাহ কৰিব পাৰিছে। প্ৰবন্ধটোত আদিম কালৰ সমাজ ব্যৱস্থাৰ পৰা বৰ্তমানৰ সমাজ ব্যৱস্থাৰ ভাগসমূহ দেখুৱাইছে—

**১। আদিম যুগ ঃ** আদিম যুগটোৱে হৈছে সমাজৰ প্ৰথম আৰম্ভণিৰ যুগ। কাপোৰৰ ব্যৱহাৰ নজনা, পাহাৰৰ গুহা বা গছৰ খোৰোঙত বাস কৰিছিল।

**২। গোষ্ঠী যুগ ঃ** গোষ্ঠীযুগত সমাজ পাতি বসবাস কৰিবলৈ শিকে। জুইৰ আৱিষ্কাৰ হয়, খেতি-বাতি কৰিবলৈ শিকে। গাঁও পাতি বসবাস কৰিবলৈ আৰম্ভ কৰে। এই যুগতে এটা দলে আন এটা দলক মাৰি সিহঁতৰ সম্পত্তি দখল কৰাৰ প্ৰথা আৰম্ভ হৈছিল।

**৩। দাস যুগ ঃ** মাটিৰ মালিকখিনি, পশুৰ গৰাকী, আদি কৰি ধনী শ্ৰেণীটোৱে জোৰ কৰি কিছু মানুহক ধৰি আনি নিজৰ অধীনত দাস হিচাপে কাম কৰাইছিল। সেই ব্যৱস্থাটোক দাস-মালিক বুলি কোৱা হৈছিল।

**৪। ভূ-দাস ঃ** দাস বিলাকক মালিকে মাটিৰ মালিকী স্বত্ব দি দিলে। দাসবিলাকে সেই মাটিত খেতি-কৰিবলৈ আৰম্ভ কৰিলে। পণ্যৰ উৎপাদন আৰম্ভ হ'ল।

**৫। সামন্ত যুগ ঃ** দাসসকলক যি মাটিৰ মালিকী স্বত্ব দিছিল সেই মাটিখিনিৰ বাবদ বেছিকৈ কৰ-কাটল লোৱাৰ ব্যৱস্থা কৰিলে। দাসসকলৰ স্বাধীনতা খৰ্ব হ'ল। মাটিৰ মালিকৰ ইচ্ছাত তেওঁলোক চলিব লগা হ'ল। খাজনা দিব নোৱাৰিলে মাটিখিনি হেৰুৱাৰ ভয় থাকিল। ইয়াৰ পৰৱৰ্তী সময়ত ধনতন্ত্ৰ যুগ আৰম্ভ হয়। ধনতন্ত্ৰবাদী সমাজত পুঁজিপতি ধনী শ্ৰেণীটোৱে বনুৱা-কৃষকক শোষণ আৰম্ভ কৰে। ধনী শ্ৰেণীটোৱে উদ্যোগ স্থাপন কৰে আৰু সেই উদ্যোগত হাড় ভঙা শ্ৰম কৰি প্ৰাপ্য মজুৰি লাভৰ পৰা বঞ্চিত হয় শ্ৰমিক শ্ৰেণীটো।

**সমাজতন্ত্ৰবাদ হ'লে কি লাভ ঃ** মাৰ্ক্সবাদ আদৰ্শ গ্ৰহণ কৰি ৰাভাই সৰ্বহাৰা জনগণৰ মুক্তিৰ বাবে বিপ্লৱী সংগ্ৰামত জপিয়াই পৰে। সৰ্বহাৰা জনগণৰ মুক্তিৰ মূল পথ হৈছে মাৰ্ক্সবাদৰ সাম্যবাদৰ পথ। এই মাৰ্ক্সবাদৰ সাম্যবাদী আদৰ্শৰ প্ৰথম স্তৰ হৈছে সমাজতন্ত্ৰবাদ। বিষ্ণু ৰাভাই সমাজতন্ত্ৰবাদ সম্পৰ্কে কৈছে— "সমাজতন্ত্ৰবাদ হ'লে ৰাইজৰ হাতত চৰকাৰ, কাৰখানা আৰু বিজ্ঞান আহিব। যি ধনীয়ে দুখীয়াক দুখ-কষ্ট দি মাৰে সেই ধনিক ৰাইজে নিজৰ চৰকাৰৰ সহায় লৈ নিজৰ পঞ্চায়ত ৰাইজৰ পৰা নোহোৱা কৰিব। কাৰখানাবোৰক ধনীৰ হাতৰ পৰা কাঢ়ি লৈ কাৰখানাৰ সহায় লৈ ৰাইজে কম সময়ত বেছি মাটিৰ পৰা উৎপাদন কৰিব। তাৰ ফলত সুখেৰে পিন্ধি, আনন্দেৰে খাই শান্তিৰে থাকিব পাৰিব। ভালকৈ মানুহৰ দৰে ভাবিবলৈ সময় আজৰি পাব।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৪৬)। সমাজতান্ত্ৰিক সমাজৰ মূল ভেটি হ'ল কৃষক-বনুৱাসকল। কৃষকে বিভিন্ন খেতি কৰি সমাজক খাদ্যৰ যোগান ধৰে। বনুৱাসকলে সমাজৰ প্ৰয়োজনীয় সকলো বস্তুৰ যোগাৰ ধৰে। যেনে— তেল, নিমখ, সূতা, কাপোৰ, ৰে'ল, মটৰ, উৰাজাহাজ, অস্ত্ৰ ইত্যাদি। বনুৱাসকলেই ঘৰ-বাৰী সাজি দিয়ে, কমাৰশালত গঢ় দিয়ে দা, কুঠাৰ, কোৰ, নাঙলৰ ফাল আদি। যাৰ সহায়ত পণ্যৰ উৎপাদন সম্ভৱ হয়। বনুৱা-কৃষকে ইমান কষ্ট কৰি সামগ্ৰীৰ উৎপাদন কৰে যদিও তেওঁলোকেই ভালদৰে খাব-পিন্ধিব নোৱাৰে। যেতিয়ালৈকে সৰ্বহাৰা শ্ৰেণীটোৰ হাতত চৰকাৰ, কল-কাৰখানা,

বিজ্ঞান নাহে তেতিয়ালৈকে এই শ্রেণীটোৰ দুখ নুগুচে। ৰাইজৰ হাতত চৰকাৰ উদ্যোগ, বিজ্ঞান আহিলেহে সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা হ'ব। "সমাজতন্ত্ৰবাদেই কৃষক বনুৱা পঞ্চায়ত বোলে।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৪৬)।

মাৰ্ক্সবাদী আদৰ্শত ধনতন্ত্ৰবাদৰ বিৰোধ কৰিছিল, ধনতন্ত্ৰবাদে সৰ্বহাৰা শ্ৰেণীটোক বিশেষকৈ কৃষক-বনুৱা শ্ৰেণীটোক শোষণ কৰিছিল। বিষ্ণু ৰাভাই ধনতন্ত্ৰবাদৰ সংজ্ঞা দিছিল এনেদৰে— "আইনৰ সহায় লৈ হাজাৰজনৰ ল'ৰা-ছোৱালীৰ মুখৰ ভাত কাঢ়ি আনি এজনৰ ল'ৰা-ছোৱালীৰ মুখৰ ভাত ভৰোৱা, হাজাৰজনৰ ল'ৰা-ছোৱালীৰ গাৰ কাপোৰ-কানি খহাই এজনৰ ল'ৰা-ছোৱালীক পিন্ধোৱা, হাজাৰজনৰ ঘৰ-বাৰী ভাঙি আনি এজনৰ ঘৰ-বাৰী সজোৱা, হাজাৰজনৰ আলিৰ সীমা ঠেলি নিজৰ সম্পত্তি বঢ়োৱা, হাজাৰজনক ফাঁকি দি (ঠগাই) নিজৰ ধন বেছি কৰা, বেছি ধনেৰে কাৰখানা পাতি কম দৰমহাতে কুলি-কুলিয়নীক খটোৱা, কাৰখানাত বনোৱা বস্তু বেছি দামত বিক্ৰী কৰি বহু লাভ পোৱা এইবোৰ কৰা কায়দা-কৌশলৰ নীতিক ধনতন্ত্ৰবাদ বোলে।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৪৬)। ধনতন্ত্ৰবাদী সমাজত চৰকাৰ, কল-কাৰখানা, বিজ্ঞান, পুলিচ, আইন-আদালত আদি সকলো পুঁজিবাদী ধনী মহাজন-জমিদাৰ শ্ৰেণীৰ হাতত থাকে। এই সকলোবোৰ উপাদানৰ সহায়ত কৃষক-বনুৱা শ্ৰেণীটোক শোষণ কৰি সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিকভাৱে নিঃশেষ কৰি দিয়ে।

**'সমাজতন্ত্ৰবাদ হ'লে কি লাভ'** প্ৰবন্ধটোত ৰাভাই অসমৰ জনজাতীয় প্ৰসংগও টানি আনিছে। ভাৰতৰ স্বাধীনতা সংগ্ৰামক বিফল কৰিবৰ বাবে সাম্ৰাজ্যবাদী ইংৰাজে উঠিপৰি লাগে। ইংৰাজে ৰাজনৈতিক পণ্ডিত প্ৰফেছৰ কুপলেণ্ডৰ সহায় ল'লে। কুপলেণ্ডৰ পৰামৰ্শমতে ব্ৰিটিছ সংসদৰ সদস্য ছাৰ জন ছাইমনৰ নেতৃত্বত 'ছাইমন কমিছন' নাম দি কমিটি এখন গঠন কৰি ভাৰতলৈ পঠিয়াই। ছাইমন কমিছনে ভাৰতৰ অনুন্নত, পিছপৰা, সম্প্ৰদায়সমূহকলৈ বিভিন্ন লোভ দেখুৱাই নিজৰ ফালে টানি আনে। অসমতো ছাইমন কমিছনে জনজাতীয় মানুহখিনি নিজৰ ফালে নানা প্ৰলোভন দি টানি আনিলে। ছাইমনে ব্ৰিটিছ সংসদত নিজৰ ৰিপোৰ্ট দাখিল কৰিলে। ইংৰাজে অসমৰ ৰাভা, কছাৰী, বড়ো, লালুং, মিৰি, মিকিৰ, দেউৰী, ঠেঙাল, গাৰো, নগা, খামটি, সোনোৱাল, লুচাই, ডিমাচা, কুকী, তিপৰা আদিক জনজাতি বা ট্ৰাইবেল তালিকাভুক্ত কৰে। নাথ, যোগী, কৈৱৰ্ত্ত, হীৰা, হাৰী, ডোম, নমঃশূদ্ৰ আদি অনুসূচিত জাতি বা তপলিচভূক্ত হ'ল। ইংৰাজে 'ভাগ

কৰা আৰু শাসন কৰা পদ্ধতিৰে বৰ্ণ হিন্দু আৰু মুছলমানক ধৰ্মৰ নামত বিভক্ত কৰিলে। অসমৰ জাতীয়তাবাদ ভাঙি গ'ল, একতাৰ ভেটি খহি গ'ল। ইংৰাজৰ চক্ৰান্তত ট্ৰাইবেল জাতি ইংৰাজৰ ফলীয়া হোৱা বুলি ৰাভাই আক্ষেপ কৰিছে। ৰাভাই কৈছে— "এই ট্ৰাইবেল জাতিৰ বৃটিছ ধনতন্ত্ৰবাদী সাম্ৰাজ্যবাদৰ গৰ্ভতে জন্ম। গতিকে ট্ৰাইবেল জাতিৰ দ্বাৰা নিজতকৈ ধনতন্ত্ৰবাদ নাইবা সাম্ৰাজ্যবাদৰ স্বাৰ্থহে বেছি ৰক্ষা হয়। এই ট্ৰাইবেল জাতিৰ কল্যাণ সাধিবলৈ ট্ৰাইবেল সংঘৰ জন্ম হয়।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৪৭)। ট্ৰাইবেল সংঘই অসমৰ জনজাতীয় মানুহখিনিৰ একো উন্নতি সাধিব নোৱাৰিলে। দুখীয়া হালোৱা, হজুৱা, বনুৱা ৰাইজক নানা প্ৰকাৰৰ লোভ দেখুৱাই নেতাসকলে নিজৰ পক্ষত লৈ দুখীয়া শ্ৰেণীটোক নানা প্ৰকাৰে বঞ্চনা-শোষণ কৰে। ৰাভাই আক্ষেপেৰে কৈছে এই ট্ৰাইবেল সংঘৰ জন্ম ধনতন্ত্ৰবাদ আৰু সাম্ৰাজ্যবাদৰ ৰক্ষা কৰিবৰ বাবেহে। এই সংঘই দুখীয়াৰ কথা কেতিয়াও চিন্তা নকৰে, বৰং ধনিক শ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ কথাহে বেছিকৈ চিন্তা কৰে। ৰাভাই ট্ৰাইবেলসকলৰ উন্নতিৰ কথা চিন্তা কৰি কৈছে যে— "অসমৰ ত্ৰিছ লাখ ট্ৰাইবেলৰ সুখ, শান্তি, কল্যাণ তেওঁ সাধিব কেনেকৈ? তেওঁ কোনোমতেই ট্ৰাইবেলৰ ভাল কৰিব নোৱাৰে। কাৰণ তেওঁ আইনক মানে। সেই আইনেই তেল পেৰা যন্ত্ৰ। যেতিয়ালৈকে সেই ধনীৰ পেৰা যন্ত্ৰ আইনক ভাঙিব নোৱাৰি তেতিয়ালৈকে ট্ৰাইবেল ৰাইজৰ সুখ-শান্তি আৰু স্বাধীনতা হ'ব নোৱাৰে।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৯৪৮)। ৰাভাই এই প্ৰবন্ধটোত নিজৰ মাৰ্ক্সীয় বিপ্লৱৰ প্ৰসংগও উল্লেখ কৰিছে। সমাজত পৰিৱৰ্তনৰ বাবে বিপ্লৱৰ প্ৰয়োজন হয়। ধনতন্ত্ৰবাদী ব্যৱস্থাক ধ্বংস কৰিবলৈ বিপ্লৱৰ প্ৰয়োজন। ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰিব পাৰিলেহে সৰ্বহাৰা শ্ৰেণীটোৱে নিজৰ অধিকাৰসমূহ লাভ কৰিব পাৰিব।

**বিষ্ণু ৰাভাৰ দৃষ্টিত 'বিপ্লৱ', 'বিপ্লৱৰ অৰ্থ' আৰু 'ইতিহাসত বিপ্লৱৰ স্থান' ঃ**

বিপ্লৱ মানেই পৰিৱৰ্তন। পুৰণি, অপ্ৰচলিত নীতি-নিয়মক ভাঙি নতুনকৈ গঢ় দিয়াই হৈছে বিপ্লৱ। ৰাভাই নিজৰ সংগ্ৰামী জীৱনৰ প্ৰসংগ টানি আনিছে। ভাৰতৰ স্বাধীনতাৰ পিছত সৰ্বসাধাৰণ জনগণৰ অধিকাৰৰ বাবে বিষ্ণু ৰাভাহঁতে অসমত বিপ্লৱী আন্দোলন কৰে। তেওঁলোকৰ দাবী আছিল ধনতান্ত্ৰিক সমাজ ব্যৱস্থা উচ্ছেদ কৰি সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰা। অসমৰ দেশীয় চৰকাৰে সৰ্বহাৰা কৃষক-বনুৱা জনগণৰ ওপৰত অত্যাধিক কৰ, খাজনা বঢ়াই হাৰাশাস্তি কৰিছিল।

প্ৰতিবাদ কৰিলে পুলিচ লগাই জে'লত ভৰাই অন্যায়-অত্যাচাৰ কৰিছিল। বিপ্লৱী কমিউনিষ্ট দলে ইয়াৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। অসমৰ বিভিন্ন ঠাইত ধনতান্ত্ৰিক সমাজৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ হৈছিল। শোষিত জনগণে মুক্তিৰ বাবে বিপ্লৱী হৈ উঠিছিল। ৰাভাই এটা উদাহৰণ দিছিল যে, গৰু খোজৰ পানী। এটা গৰুৰ খোজৰ পানীৰ পৰিমাণ কিঞ্চিত, কিন্তু হাজাৰ হাজাৰ গৰুৰ খোজৰ পানীৰ দ্বাৰা সাগৰৰ সৃষ্টি হ'ব পাৰে। যেতিয়া সমগ্ৰ জনতাই ধনতান্ত্ৰিক সমাজৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব তেতিয়া জনগণৰ ওচৰত তেওঁলোক হাৰ মানিবলৈ বাধ্য হ'ব। সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা হ'ব। ৰাভাই তৃতীয় সূত্ৰ এটা দিছে যে— "পৰস্পৰবিৰোধী দ্বন্দ্বৰ ফলত এটা বেলেগ বস্তুৰ সমন্বয়ৰ উৎপত্তি হয়।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৫৩)। সাম্প্ৰতিক সমাজ ব্যৱস্থাত দুই ধৰণৰ শ্ৰেণী ব্যৱস্থাৰ সৃষ্টি হৈছে। এক হৈছে ধনতান্ত্ৰিক সমাজ ব্যৱস্থা। ধনতন্ত্ৰবাদে দুখীয়া শ্ৰেণীটোক শোষণ কৰি নিজৰ সম্পত্তি, ক্ষমতা বৃদ্ধি কৰিব বিচাৰে ইয়াৰ বিপৰীতে দুখীয়া শ্ৰেণীটোৱে নিজৰ প্ৰাপ্য বিচাৰি বিপ্লৱ কৰে। ইয়াৰ ফলত দুয়োটা শ্ৰেণীৰ মাজত সংঘৰ্ষ হয়। আৰু শেষত সকলোৰে সমান অধিকাৰৰ বাবে সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা হয়।

বিপ্লৱ মানেই হৈছে সামাজিক পৰিৱৰ্তন। সমাজৰ দুটা শ্ৰেণী হৈছে ধনতন্ত্ৰবাদী বা পুঁজিবাদী শ্ৰেণী আৰু সমাজতান্ত্ৰিক বা সৰ্বহাৰা শ্ৰেণী। ধনতন্ত্ৰবাদী শ্ৰেণীটোৱে নিজৰ স্বাৰ্থ ৰক্ষা, দুখীয়াক শোষণ কৰি ধনী, ক্ষমতাপ্ৰাপ্ত হ'ব বিচাৰে আৰু সৰ্বহাৰা দুখীয়া শ্ৰেণীটোৱে নিজৰ প্ৰাপ্য অধিকাৰ বিচাৰে। আৰু ইয়াৰ ফলত দুয়ো শ্ৰেণীৰ মাজত সংগ্ৰাম হয়।

সমাজত উৎপাদন ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিয়েই শ্ৰেণীৰ জন্ম হৈছে। অৰ্থনীতিক নিজৰ কৰি লৈ যিয়ে উদ্যোগ, কল-কাৰখানা স্থাপন কৰিব পাৰিছে, সিয়েই পুঁজিপতি হ'ব পাৰিছে। সমাজৰ শোষক শ্ৰেণীটোৱে নিজৰ স্বাৰ্থৰ বাবে কৃষক-বনুৱাক প্ৰয়োগ কৰি নিজৰ পুঁজি বৃদ্ধি কৰিছে। এই বৈষম্যৰ ব্যৱস্থা ৰাভাই মাৰ্ক্সবাদৰ বিপ্লৱী আদৰ্শৰে ভাঙি দিব বিচাৰিছিল।

**'মে দিৱস'** শ্ৰমিকসকলৰ কামৰ সময় আৰু মজুৰি বঢ়োৱাৰ দাবীত প্ৰথমে মাৰ্কিন যুক্তৰাষ্ট্ৰত ধৰ্মঘটৰ আৰম্ভ হৈছিল। মাৰ্কিন যুক্তৰাষ্ট্ৰত উদ্যোগ ব্যৱস্থা স্থাপন হোৱাৰ পিছৰ পৰাই কামৰ সময় বাৰ ঘণ্টাৰ পৰা আঠ ঘণ্টা কৰাৰ দাবীত শ্ৰমিকসকলে আন্দোলন কৰে। উদ্যোগসমূহত কামৰ সময় বেছি যদিও সেই অনুপাতে মজুৰি সামান্যহে। শ্ৰমিকসকলে অত্যাধিক কামৰ বোজা দাঙিব লগা হৈছিল। শ্ৰমিক শ্ৰেণীটোৰ ওপৰত শোষণৰ মাত্ৰা বাঢ়িবলৈ ধৰিলে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ

উদ্যোগসমূহত শ্ৰমিকসকলে দৈনিক চৈধ্য ঘণ্টাৰ পৰা ওঠৰ ঘণ্টালৈ কাম কৰিব লগা হৈছিল। শ্ৰমিক আন্দোলনৰ প্ৰথম ঘোষণ কৰে 'কমিউনিষ্ট মেনিফেষ্টো' গ্ৰন্থখনত। ১৮৪৭ চনত শ্ৰমিকসকলৰ আন্তৰ্জাতিক সমাজবাদৰ ঘোষণা কৰা হয়। ১৮৬৪ চনত কাৰ্ল মাৰ্ক্সৰ অনুপ্ৰেৰণাত লণ্ডনত বিশ্বৰ সমগ্ৰ দেশৰ শ্ৰমিকসকলৰ বিৰাট সভা অনুষ্ঠিত হয়। উক্ত সভাতেই 'আন্তৰ্জাতিক বনুৱা সংঘ' গঠন হৈছিল। 'আন্তৰ্জাতিক বনুৱা সংঘ'ৰ প্ৰথম কাৰ্যসূচী আছিল জনসাধাৰণক মজুৰ দাসত্বৰ পৰা মুক্ত কৰা। কিন্তু পৰৱৰ্তী সময়ত কাৰ্ল মাৰ্ক্সৰ বৈজ্ঞানিক সমাজবাদ আৰু বাকুনিনৰ নৈৰাজ্যবাদৰ মাজত মতবাদক লৈ দ্বন্দ্ব আৰম্ভ হয় আৰু শ্ৰমিকসকলৰ সংগ্ৰামত বিশৃংখলতাৰ সৃষ্টি হয়। মাৰ্ক্সে কৈছিল— "শত্ৰুৰ প্ৰতি কমিউনিষ্টসকল উদাৰ হোৱাৰ কাৰণে কমিউন পৰাজিত হৈছিল।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৪৯)। ১৮৮৪ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ শ্ৰমিকসকলৰ দৈনিক আঠ ঘণ্টা কামৰ দাবীত আন্দোলন আৰম্ভ হয়। এই আন্দোলনৰ নেতৃত্ব দিছিল 'নেচনেল লেবাৰ ইউনিয়ন' নামৰ সংগঠনটোৱে। 'সংগঠনটোৰ সিদ্ধান্ত আছিল যে, — "এই দেশৰ শ্ৰমিক শ্ৰেণীক পুঁজিবাদী দাসত্বৰ পৰা মুক্ত কৰাৰ কাৰণে এই মুহূৰ্তৰ প্ৰথম আৰু প্ৰধান প্ৰয়োজন হ'ল এনে এক জাতীয় আইন পাছ কৰোৱা যাৰ ফলত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সকলো ৰাজ্যতে সাধাৰণ কামৰ সময় হ'ব দৈনিক আঠ ঘণ্টা। এই মহান লক্ষ্য পূৰণ কৰাৰ কাৰণে আমি সমস্ত শক্তি নিয়োগ কৰাৰ সংকল্প গ্ৰহণ কৰিছো।" (নাথ, উপেন (অনু.), মে' দিৱসৰ ইতিহাস, পৃ. ৩)। ১৮৮৬ চনত ধৰ্মঘটৰ মূল কেন্দ্ৰ আছিল আমেৰিকাৰ চিকাগো চহৰ। এই আন্দোলনত শ্ৰমিকসকল বিদ্ৰোহী হৈ উঠিছিল। এই আন্দোলনৰ প্ৰধান দাবী আছিল দৈনিক আঠ ঘণ্টা মজুৰি কাম কৰা। এই আন্দোলনত বুৰ্জোৱা শ্ৰেণী আৰু শ্ৰমিকৰ মাজত বিৰাট জংগী ৰূপ ধাৰণ কৰিলে। ১ মে'ৰ দিনা চিকাগোত শ্ৰমিকসকলে পুঁজিপতি শ্ৰেণীৰ বিপক্ষে সমদল বাহিৰ কৰিলে। এয়া আছিল সংগঠিত শ্ৰমিক আন্দোলন। কিন্তু আন্দোলনকাৰী শ্ৰমিকসকলৰ ওপৰত পুঁজিবাদী শ্ৰেণীটোৱে গুলী চলালে। বহুত শ্ৰমিক নিহত আৰু আহত হয়। আন্দোলনকাৰী শ্ৰমিকক আটক কৰা হ'ল। শ্ৰমিক নেতা পাৰ্চনছ, স্পাইজ, ফিচাৰ আৰু এংগেলৰ বিনা বিচাৰত ফাঁচি হয়।

১৮৮৯ চনৰ ১৪ জুলাইত সমাজতান্ত্ৰিক আন্দোলনৰ লগতে জড়িত নেতাসকল পেৰিছত সমবেত হয়। পেৰিছত সমবেত হোৱাৰ মুখ্য উদ্দেশ্য আছিল কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডৰিক এঙ্গেলচে যি আন্তৰ্জাতিক শ্ৰমিক সংগঠন জন্ম দিছিল সেই সংগঠনৰ পুনঃ প্ৰতিষ্ঠা কৰা। এই সংগঠনটোৰ

নাম হয় 'দ্বিতীয় আন্তৰ্জাতিক'। 'দ্বিতীয় আন্তৰ্জাতিকৰ প্ৰথম কংগ্ৰেছত প্ৰস্তাৱ লোৱা হয় যে "যাতে এক নিৰ্দিষ্ট দিৱসত সমস্ত দেশৰ সমস্ত চহৰৰ মেহনতকাৰী মানুহে তেওঁলোকৰ নিজৰ নিজৰ চৰকাৰৰ ওচৰত আঠঘণ্টা কামৰ সময় আইন কৰি বান্ধি দিয়াৰ দাবী উত্থাপন কৰিব আৰু এই কংগ্ৰেছত গৃহীত অন্যান্য সিদ্ধান্ত কাৰ্যত পৰিণত কৰিব পাৰে, সেই উদ্দেশ্য এই কংগ্ৰেছে এক বিশাল আন্তৰ্জাতিক বিক্ষোভ প্ৰদৰ্শনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। যিহেতু ১৮৮৮ চনৰ ডিচেম্বৰ মাহত চেণ্ট লুই সন্মিলনত 'আমেৰিকান ফেডাৰেচন অব লেবাৰে' ১৮৯০ চনৰ ১ মে' তাৰিখে অনুৰূপ বিক্ষোভ প্ৰদৰ্শনৰ সিদ্ধান্ত ইতিপূৰ্বেই গ্ৰহণ কৰিছে, গতিকে উক্ত তাৰিখটোকেই আন্তৰ্জাতিক বিক্ষোভ প্ৰদৰ্শনৰ দিন হিচাপে নিৰ্দিষ্ট কৰা হ'ল। নিজৰ নিজৰ দেশৰ অৱস্থা অনুযায়ী বিক্ষোভ প্ৰদৰ্শনৰ ব্যৱস্থা কৰাটো হ'ব বিভিন্ন দেশৰ শ্ৰমিকসকলৰ অৱশ্যে কৰ্তব্য।" (নাথ, মে' দিৱসৰ ইতিহাস, পৃ. ১৩)।

কঠোৰ সংগ্ৰামৰ অন্তত শ্ৰমিক শ্ৰেণীটোৱে ন্যায় পালে। তেওঁলোকৰ দৈনিক আঠ ঘণ্টা কামৰ যি দাবী আছিল সেই দাবী পূৰণ হ'ল। শ্ৰমিক শ্ৰেণীটোৰ জয় হ'ল। এক ৰক্তাক্ত সংগ্ৰামৰ সামৰণি পৰিল। ১ মে' তাৰিখটো সমগ্ৰ বিশ্বই মে' দিৱস বা শ্ৰমিক দিৱসৰূপে পালন কৰি আহিছে।

**সমাজবাদী সমাজ আৰু সাম্যবাদী সমাজৰ পাৰ্থক্য ঃ**

সমাজবাদী সমাজ আৰু সাম্যবাদী সমাজ একেই সামাজিক, অৰ্থনৈতিক গঠনবিন্যাসৰে গঢ় লৈ উঠিছে। লেনিনে সমাজবাদী সমাজৰ সংজ্ঞা দিছে, — "সমাজবাদী সমাজ হৈছে সেই সমাজ যি পোনে পোনে ধনতন্ত্ৰবাদৰ গৰ্ভৰ পৰা জন্ম লাভ কৰে, নতুন সমাজৰ প্ৰথম ৰূপ হৈছে এই ছোচিয়েলিষ্ট সমাজবাদী সমাজ।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৪৯)। সাম্যবাদী দৰ্শনৰ প্ৰতিষ্ঠাতা কাৰ্ল মাৰ্ক্স আৰু এঙ্গেলচে সাম্যবাদৰ প্ৰথম কালছোৱাকেই সমাজবাদ বুলি কৈছিল। সমাজবাদ আৰু সাম্যবাদৰ মূল ভেটি হৈছে অৰ্থনৈতিক ক্ষেত্ৰখন। সমাজৰ সকলো উৎপাদিত উৎপাদনৰ পণ্যৰ ওপৰত ৰাজহুৱা মালিকীস্বত্বই প্ৰথম কথা। এই সমাজত কোনো ব্যক্তিগত মালিকীস্বত্ব থাকিব নোৱাৰিব। সমাজবাদী সমাজত কোনো শ্ৰমিক শ্ৰেণী নাথাকে, সমাজৰ প্ৰত্যেকজন লোকেই শ্ৰমজীৱী। সাম্যবাদী সমাজত সৰ্বসাধাৰণ জনগণক দাৰিদ্ৰৰ লগতে সমাজৰ সকলো ধৰণৰ সামাজিক অবিচাৰ-শোষণৰ পৰাও মুক্তি দিয়ে। এই সমাজ ব্যৱস্থাই শ্ৰেণীভেদ

ধ্বংস কৰে, পুঁজিপতি ধনী মহাজন, জমিদাৰ শ্ৰেণীটোৱে সৰ্বসাধাৰণ লোকক কৰা শোষণ বন্ধ হয়, সমাজৰ সকলো সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক অসমতা দূৰ কৰে আৰু সমাজৰ প্ৰতিগৰাকী মানুহক সমানাধিকাৰ প্ৰদান কৰে। সমাজবাদী সমাজত শ্ৰমিকৰ শ্ৰমৰ মূল্য আৰু ক্ষতিপুৰণৰ ব্যৱস্থা থাকিব লাগিব। সমাজবাদী সমাজত সকলোৱে সমান। ইয়াত বৈষম্যৰ কোনো স্থান নাই। ভেদাভেদহীন সমাজেই প্ৰধান লক্ষ্য। সমাজতান্ত্ৰিক সমাজ সম্পৰ্কে ষ্টেলিনে কৈছে— "সমতা কওঁতা মাৰ্ক্সে এইটো বুজোৱা নাই যে ব্যক্তিৰ স্বতন্ত্ৰ প্ৰয়োজন আৰু জীৱন সমান কৰি দিয়া হ'ব, সমতা বোলোঁতে মাৰ্ক্সে ইয়াকেই বুজাইছে যে সমাজত শ্ৰেণী বিভাগ লোপ পাব, অৰ্থাৎ (১) পুঁজিপতিসকলৰ উচ্ছেদ আৰু অধিকাৰ চ্যুত কৰাৰ পিছত সমস্ত শ্ৰমত জনসাধাৰণে সমানে মুক্তি লাভ কৰিব। (২) উৎপাদনৰ সমস্ত উপায় সমগ্ৰ সমাজৰ সম্পত্তিত পৰিণত হোৱাৰ পিছত ব্যক্তিগত সম্পত্তিৰ সকলো সমানভাৱে লোপ পাব। (৩) নিজৰ নিজৰ সামৰ্থ অনুযায়ী কাম কৰাৰ কৰ্তব্য হ'ব, সকলোৱে সমান আৰু কামৰ পৰিমাণ অনুযায়ী পাৰিশ্ৰমিক পাবৰ অধিকাৰো সমস্ত শ্ৰমৰত জনসাধাৰণৰেই সমান (ছোচিয়েলিষ্ট সমাজ)। (৪) সমৰ্থ্য অনুযায়ী কাম কৰা সকলোৰে সমান কৰ্তব্য আৰু প্ৰয়োজন অনুযায়ী পাৰিশ্ৰমিক পাবৰ অধিকাৰো সমস্ত শ্ৰমৰত জনসাধাৰণেই সমান (কমিউনিষ্ট সমাজ)।" (বি. প্ৰ. ৰা. ৰ. স., দ্বিতীয় খণ্ড, পৃ. ৮৫০)। সমাজবাদী সমাজত কিছুমান সামাজিক আৰু সাংস্কৃতিক ভেদ ৰৈ যায়। এই সমাজত শাৰীৰিক আৰু মানসিক শ্ৰমৰ মাজত, গাঁৱৰ আৰু চহৰত বসবাস কৰা মানুহখিনিৰ জীৱন-ধাৰণ আৰু কৰ্মৰ মাজত যথেষ্ট পাৰ্থক্য দেখা যায়। ইয়াৰ বিপৰীতে সাম্যবাদ সমাজত সকলো মানুহৰ বাবে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক সমতা প্ৰতিষ্ঠিত হয়। গাঁও আৰু নগৰৰ মাজত থকা শাৰীৰিক আৰু মানসিক শ্ৰমৰ মাজত থকা প্ৰভেদ নোহোৱা হয়। সমাজতান্ত্ৰিক সমাজত ৰাষ্ট্ৰই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই দেশৰ নিৰ্মাণ কাৰ্যত জড়িত থকা শ্ৰমিক তথা সমাজখনক বাহিৰা শত্ৰুৰ পৰা নিৰাপত্তা প্ৰদান কৰে। লগতে জনগণৰ স্বাৰ্থত যিবোৰ সামাজিক সংগঠনে সমাজৰ বিকাশৰ বাবে কাম কৰি আছে, শিক্ষা-স্বাস্থ্যৰ বাবে কাম কৰি আছে, সেই সংগঠনবোৰৰ সৈতে লগ লাগি দেশৰ অৰ্থনৈতিক পৰিচালনা কৰে।

সমাজবাদী সমাজ আৰু সাম্যবাদী সমাজৰ অধীনত মানুহৰ চাহিদাখিনি প্ৰয়োজন অনুসৰি পূৰণৰ চেষ্টা কৰা হয়। সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ভেঁটি

সমাজবাদৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি তোলা হয়। দেশৰ ক্ষমতা, উৎপাদন ব্যৱস্থা সকলোখিনি শ্ৰমজীৱী জনগণৰ হাতত তুলি দিয়া হয়। উৎপাদন ব্যৱস্থাৰ সকলো আহিলা-পাতিৰ স্বত্ব ৰাজহুৱা মালিকীস্বত্বত দিয়া হয়।

**ধনতন্ত্ৰবাদ ঃ**

এই লেখাটো বক্তৃতাৰ বাবে লিখা যেন লাগে। এইটো অসম্পূৰ্ণ ৰচনা। 'ধনতন্ত্ৰবাদ' প্ৰবন্ধটোৰ জৰিয়তে শোষক শ্ৰেণীটোৱে সমাজৰ কৃষক-বনুৱাক কৰা শোষণৰ কথা দাঙি ধৰিছে। কমিউনিষ্ট দলত যোগদান কৰি ৰাভাই জনগণৰ মুক্তিৰ বাবে সংগ্ৰাম কৰি অসমৰ বিভিন্ন প্ৰান্তত মাৰ্ক্সীয় আদৰ্শ প্ৰচাৰ কৰিছিল। ৰাইজৰ ওচৰত গৈ ধনিক শ্ৰেণীটোৱে কিদৰে শোষণ কৰিছে আৰু ইয়াৰ পৰা মুক্তিৰ উপায় হৈছে বিপ্লৱ কৰা। বিপ্লৱৰ জৰিয়তে ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজবাদ প্ৰতিষ্ঠা কৰা। ভাৰতত প্ৰাক্ স্বাধীনতা বা স্বাধীনতাৰ পৰৱৰ্তী সময়ত দেশৰ সৰ্বসাধাৰণ জনগণৰ অৱস্থাৰ কোনো পৰিৱৰ্তন নহ'ল। ইয়াৰ বিপৰীতে দালাল, ধনী মহাজন, জমিদাৰ শ্ৰেণীটোৰ অৱস্থাৰ বিপুল পৰিৱৰ্তন হ'ল। সমাজৰ কৃষক-বনুৱা শ্ৰেণীটোৱে হাড় ভঙা শ্ৰম কৰে, তেজক পানী কৰে। পথাৰত বোকা-পানী গচকি, জোক-মহৰ কামোৰ খাই শষ্য উৎপাদন কৰে। সেই শষ্যবোৰ দেখি কৃষকৰ মনত অপাৰ আনন্দ হয়। কৃষকসকলে শস্যবোৰ পথাৰৰ পৰা ঘৰলৈ আনে, মৰণা দিয়ে। উৎপাদিত শষ্যৰ পৰা কৃষকসকলে জীৱন যুদ্ধৰ বাট বিচাৰি পায়। ধান বিক্ৰী কৰি ছোৱালীক বিয়া দিয়া, ল'ৰাক চহৰৰ স্কুলত পঢ়োৱা, থাকিবলৈ ভাল ঘৰ নিৰ্মাণ কৰা, চিকিৎসাৰ বাবে ভাল ডাক্তৰক দেখুওৱা, পিন্ধিবলৈ কাপোৰৰ বাবে সূতা কিনা ইত্যাদি সপোন দেখে। কিন্তু খেতিয়ক-বনুৱাশ্ৰেণীটো সদায় শোষিত হয়। জমিদাৰে আহি আধিৰ আধা ধান বিচাৰে, মহাজন আহি সুদৰ টকাৰ লগতে ধান বিচাৰে, গৰুৰ ভাড়াৰ বিনিময়ত টকা-ধান বিচাৰে। কৃষকসকলে জমিদাৰ-মহাজনে বিচৰা ধৰণে নিদিলে শাস্তি ভোগ কৰিবলগীয়া হয়। বেপাৰীবিলাকেও সস্তাত ধানবোৰ কিনিব আহে। এনেকৈয়ে কৃষকৰ ভঁড়াল খালি হৈয়ে থাকে। বছৰজুৰি খাবলৈয়ে নাটে। কৃষক শ্ৰেণীটোৱে চৰম কষ্টত দিন কটাবলগীয়া হয়। কৃষকসকলে হাড়ভঙা শ্ৰম কৰিলেও ভালকৈ খাব নোৱাৰে। নিজৰ বাৰীৰ ভাল ভাল শাক-পাচলিবোৰ ধনী শ্ৰেণীৰ ওচৰত বিক্ৰী কৰি নিজে খাব লগা হয় পচা মিঠালাউ, কোমোৰা, পোকে খোৱা বেঙেনা। এইবোৰ খোৱাৰ ফলত পুষ্টিহীনতাকে আদি কৰি

বিভিন্ন বেমাৰে আক্ৰমণ কৰে। কৃষকে নিজে সৰিয়হ উৎপাদন কৰে যদিও এটোপ মিঠাতেল ভাগ্যত নহয়। নিজে কপাহ উৎপাদন কৰে যদিও ভাল কাপোৰ এখন পিন্ধিব পৰা নাই। মহিলাসকলে সূতাৰ অভাৱত বস্তাৰ নিচিনা দোখনা পিন্ধিব লগা হৈছে। সূতাৰ চোৰাং বজাৰত অত্যাধিক মূল্যৰ বাবে সূতা কিনাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। মহাজনবিলাকে সূতা চোৰাং বজাৰত বেছি মূল্যত বিক্ৰী কৰি মুনাফা লুটিছে। সূতাৰ অভাৱত মহিলাখিনিয়ে শালত কাপোৰ বৰো পৰা নাই। এই শ্ৰেণীটোৱে ভাল কাপোৰ এখনৰ পৰা বঞ্চিত হৈছে। কৃষক-বনুৱা শ্ৰেণীটোৱে থাকিবলৈ ভাল ঘৰ এটাও নাই। পৰিয়াল বৃদ্ধিৰ লগতে মাটিৰ পৰিমাণ কমি আহিছে। কৃষকে কৰা বাৰী, গছ-গছনিবোৰ টকাৰ অভাৱত মহাজনৰ ওচৰত বন্ধকত দিবলগা হয়। মহাজনে সুখেৰে সেইবোৰ ভোগ কৰে। কৃষক শ্ৰেণীটোৱে শোষণৰ ভৰত কান্দিবও নোৱাৰে। ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাত ৰাষ্ট্ৰই পুঁজিবাদী ধনী মহাজন-জমিদাৰৰ লগতহে থাকে। দুখীয়া শ্ৰেণীটোৰ শোষণত ৰাষ্ট্ৰ নিমাত।

ধনতন্ত্ৰবাদী সমাজৰ পৰাই পৃথিৱীত দুটা শ্ৰেণীৰ উৎপত্তি হৈছে, এটা হৈছে ধনী শ্ৰেণী আৰু আনটো শ্ৰেণী গৰীব বা দুখীয়া শ্ৰেণী। যাৰ হাতত টকা আৰু ক্ষমতা আছে তেওঁলোকে সেই টকা খটুৱাই ব্যৱসায় কৰে। বস্তুৰ দাম বঢ়ায় অধিক মুনাফা আদায় কৰে। নিজৰ যাৱতীয় খৰচখিনিও বস্তুৰ মূল্যত সংযোগ কৰে যেনে— সন্তানক পঢ়োৱা, ঘৰ নিৰ্মাণ, ড্ৰাইভাৰৰ খৰচ, পেট্ৰলৰ খৰচ ইত্যাদি। অত্যাধিক মুনাফা আদায় কৰাৰ ফলত কম সময়তে ধনী হৈ পৰে এই শ্ৰেণীটোৱে। বিষ্ণু ৰাভাই চহৰৰ ধনী সম্পৰ্কত কৈছে যে— 'চহৰ বন্দৰৰ ধনীকহে আমি ধনী বোলোঁ। মাটি নাথাকি মূলধন থাকিলে কোনো কাম-বন নকৰাজনকহে আমি ধনী বুলি উল্লেখ কৰোঁ। এনে ধনী ভাৰতত এশৰ ভিতৰত পাঁচজনহে। বাকী চাৰি কুৰি পোন্ধৰজন খেতিয়ক, বনুৱা আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহ দুখীয়া। এই পাঁচজনৰ হাতত আজি ধনতন্ত্ৰবাদী আইনেৰে গঁথা চৰকাৰ আছে, লাভৰ কাৰণে কল-কাৰখানা আছে, লাভ অসম্ভৱভাৱে বঢ়াবৰ কাৰণে বিজ্ঞান আছে। ৰাইজ মৰক বা বাচক সিফালে সিহঁতৰ চকু নাই সিহঁতৰ সেন চকু আছে টকাৰ পাহাৰৰ ওপৰত, কোটি কোটি টকা লাভৰ ওপৰত। এনে ব্যৱস্থাৰ কাৰণে আজি ৰাইজৰ সুখ, শান্তি নাই। কেৱল অসুখ আৰু অশান্তিহে। ...এই পাঁচজন নিষ্কৰ্মা ধনীয়েই ৰাইজৰ অসুখ-অশান্তিৰ গুৰি, সমাজৰ শত্ৰু সমাজ-বিৰোধী, ৰাইজৰ অকল্যাণৰ অমঙ্গলীয়া ধূমকেতু-সন্ত্ৰাসবাদী।” (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ- ৮৬২)। ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাত দুখীয়া শ্ৰেণীটো সদায়ে শোষিত হৈ ৰয়। তেওঁলোক যিমানেই কষ্ট নকৰিলেও

ভালকৈ খাব-পিন্ধিব নোৱাৰে। মহাজনৰ পৰা লোৱা ঋণ পৰিশোধ কৰিব নোৱাৰি ঘৰ-মাটি হেৰুৱাব লগা হয়। ৰাষ্ট্ৰৰ আইন ব্যৱস্থা ধনতন্ত্ৰবাদৰ হাতত বন্দী। খেতিয়ক-বনুৱাসকল নিজৰ প্ৰাপ্যৰ পৰা সদায়ে বঞ্চিত হৈ আহিছে। এই শ্ৰেণীটোৱে সকলো হেৰুৱালেও একো কৰিব নোৱাৰে, মাত্ৰ ভাগ্যক দোষ দি বহি থাকে। ৰাভাই কৈছে— "আমাৰ অৱস্থা বেয়া হোৱাৰে পৰা আমি এবাৰ কপালক দোষ দিওঁ, কেতিয়াবা দেৱতাক দোষ দিওঁ। আচলতে কপালৰ দোষ নহয়, দেৱতাৰো দোষ নহয়। আচলতে দোষ হৈছে ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাৰ।" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ- ৮৫৩)। পৃথিৱীত সকলো শ্ৰেণীৰ জন্মৰ প্ৰক্ৰিয়া একে হ'লেও ধনীৰ সন্তানে ভাল খাদ্য খাব পাৰে, ভাল কাপোৰ পিন্ধিব পাৰে, সুখৰ বাবে ভাল ভাল বস্তু লাভ কৰাৰ বিপৰীতে দুখীয়াৰ সন্তানে এই সকলোবোৰৰ পৰা বঞ্চিত হয়। এই বৈষম্যৰ মূলতে হৈছে ধনতন্ত্ৰবাদ ব্যৱস্থাৰ। ধনতন্ত্ৰবাদী সমাজত পুঁজিপতি ধনী মহাজন-জমিদাৰ শ্ৰেণীটোৱে অকল নিজৰ বাবে ধন ঘটিবলৈ চেষ্টা কৰে। দুখীয়া শ্ৰেণীটোৰ ওপৰত খাজনা, ঋণ ইত্যাদিৰে শোষণ কৰি তেওঁলোকৰ পৰা ধান, মাটি, বাৰী কাঢ়ি লয়। বিষ্ণু ৰাভাই মাৰ্ক্সীয় আদৰ্শেৰে দীক্ষিত হৈ সমাজৰ এই বৈষম্যক ধ্বংস কৰিবলৈ বিপ্লৱী হৈছিল। ধনতন্ত্ৰবাদক ধ্বংস কৰি সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰি দুখীয়া সৰ্বহাৰা শ্ৰেণীটোৰ ন্যায় প্ৰতিষ্ঠাৰ বাবে যুঁজ দিছিল। সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ জৰিয়তে সৰ্বহাৰা শ্ৰেণীটোৱে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ক্ষমতা লাভ কৰিব আৰু শোষণৰ পৰা মুক্তি লাভ কৰিব।

**কৃষি বিপ্লৱ ঃ**

ৰাছিয়াত সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা হোৱাৰ পিছত মাটিৰ মালিকীস্বত্ব ব্যক্তিকেন্দ্ৰীক নহৈ ৰাষ্ট্ৰৰ সম্পত্তি হৈ পৰিল। মাটিৰ পৰা ব্যক্তিগত মুনাফা আদায় কৰিব নোৱাৰিব। মাটিৰ সকলো উপাদানৰ গৰাকী হ'ব কৃষকসকল। ৰাষ্ট্ৰই সকলো জমিদাৰৰ পৰা মাটিবোৰ কাঢ়ি লৈছিল আৰু ৰাষ্ট্ৰৰ উন্নতিৰ বাবে এইবোৰ কামত লগোৱা হৈছিল। কৃষি ক্ষেত্ৰখনত বিপুল পৰিৱৰ্তন হ'ল। বৈজ্ঞানিক পদ্ধতিৰে কৃষিকাৰ্য কৰা হ'ল। অত্যাধুনিক যন্ত্ৰপাতি আৰু আধুনিক সাৰৰ প্ৰয়োগৰ ফলত শস্যৰ উৎপাদন বৃদ্ধি হ'ল। ৰাষ্ট্ৰই পঞ্চায়ত আৰু সমবায় পদ্ধতিৰে কৃষি কাৰ্য্য চলাবলৈ আৰম্ভ কৰে। পঞ্চায়ত সমবায় ব্যৱস্থা আৰু বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰে

ফলত উৎপাদন যথেষ্ট বৃদ্ধি পায় আৰু কৃষকৰ কষ্ট যথেষ্টখিনি কমি যায়। ৰাষ্ট্ৰই বিজ্ঞানৰ হাত ধৰি বহুখিনি আগুৱাই যায়।

**নয়া-গণতন্ত্ৰ (New Democracy) ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই মাৰ্ক্সবাদ আদৰ্শ গ্ৰহণ কৰাৰ আগতে কাৰ্ল মাৰ্ক্স, এঙ্গেলচ, লেনিন, ষ্টেলিন, মাও-চে-তুঙৰ বিষয়ে যথেষ্ট অধ্যয়ন কৰিছিল। ৰাভাৰ এই অধ্যয়নৰ ফচলেই হৈছে তেওঁৰ ৰাজনৈতিক ৰচনাসমূহ। 'নয়া গণতন্ত্ৰ' প্ৰবন্ধটোত কাৰ্ল মাৰ্ক্স, এঙ্গেলচ, লেনিন ষ্টেলিন, ডিমিট্ৰিভ আদিয়ে মাৰ্ক্সীয় আদৰ্শৰ সমাজবাদী সমাজ, সমাজ বিপ্লৱ, দেশৰ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ সম্পৰ্কে আগবঢ়োৱা বৈজ্ঞানিক দৃষ্টিভংগীৰ দাৰ্শনিক বিশ্লেষণ কৰা হৈছে। প্ৰোঃ ভাৰ্গা হৈছে নয়া গণতন্ত্ৰ তত্ত্বৰ জন্মদাতা। তেওঁৰ ১৯৪৭ চনৰ ছেপ্টেম্বৰ-অক্টোবৰ মাহত *'Communist'* আলোচনীখনত 'নয়া গণতন্ত্ৰ' নামৰ প্ৰবন্ধ এটাৰ প্ৰকাশ পায়। 'নয়া গণতন্ত্ৰ' সম্পৰ্কত ভাৰ্গাই লিখিলে— "যি দেশত সামন্তবাদ অৱশেষ, বিৰাট বিৰাট জমিৰ ওপৰত মালিকনা স্বত্ব উঠি গৈছে আৰু উৎপাদনৰ উপায়ৰ ওপৰত ব্যক্তিগত সম্পত্তিৰ অধিকাৰৰ পদ্ধতি আজিও আছে, যি দেশৰ কাৰখানা, যানবাহন আৰু ঋণ ব্যৱস্থাৰ বৃহদাংশ ৰাষ্ট্ৰৰ হাতত ন্যস্ত, যি ৰাষ্ট্ৰই নিজে আৰু নিজৰ দমন যন্ত্ৰই একচেটিয়া পুঁজিপতিৰ স্বাৰ্থ পোষণ নকৰে, বৰং চহৰ আৰু গাঁৱৰ শ্ৰমজীৱীসকলৰ স্বাৰ্থ পূৰণ কৰে সেই দেশতে এনে 'নয়া গণতন্ত্ৰ'ৰ ব্যৱস্থা প্ৰতিষ্ঠিত হ'ব পাৰে।" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৮৭৫)। প্ৰোঃ ভাৰ্গাৰ এই যুক্তি মানি ল'ব পৰা নাই ৰাভাৰ দৰে মাৰ্ক্সবাদীয়ে। নয়া গণতন্ত্ৰই সামন্ততান্ত্ৰিক ব্যৱস্থাৰ ধ্বংসৰ কথা স্পষ্টভাৱে কোৱা নাই। নয়া গণতন্ত্ৰৰ দেশবোৰত পুঁজিপতিসকলৰ স্বাৰ্থ পূৰণ নকৰে বৰং কৃষক-শ্ৰমিকৰ স্বাৰ্থক গুৰুত্ব প্ৰদান কৰে। মাৰ্ক্সবাদী শ্ৰমিক-কৃষকৰ হাতত ৰাষ্ট্ৰ ক্ষমতা দিয়াৰ কথা কৈছে। লেনিনে ৰাষ্ট্ৰ ক্ষমতাৰ প্ৰসংগত কৈছিল যে, "একে সময়ত দুটা শ্ৰেণীৰ হাতত ৰাষ্ট্ৰ ক্ষমতা নাথাকে। গতিকে নতুন ধৰণৰ গণতান্ত্ৰিক ৰাষ্ট্ৰত হয় খেতিয়কৰ হাতত নাইবা বনুৱাৰ হাতত ৰাষ্ট্ৰ ক্ষমতা থাকিবই লাগিব। কিন্তু পুঁজিবাদী ধনতান্ত্ৰিক সমাজত প্ৰধানতঃ দুটা শ্ৰেণী থাকে, পুঁজিপতি শ্ৰেণী আৰু সৰ্বহাৰা শ্ৰেণী। গতিকে স্বাভাৱিকতে 'নয়া গণতন্ত্ৰ'ই পুঁজিপতিৰ হাতত যদি ৰাষ্ট্ৰ ক্ষমতা নাথাকে তেন্তে সৰ্বহাৰা শ্ৰেণীৰ হাতত থাকিবই লাগিব। গতিকে এনে নতুন ধৰণৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ শ্ৰমিকৰ ৰাষ্ট্ৰ নাইবা সৰ্বহাৰাৰ একনায়কত্ব

হ'বই।" (বি. প্র. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৮৭৬)। ৰাষ্ট্ৰত দুই ধৰণৰ শ্ৰেণী ব্যৱস্থা আছে। এক হ'ল পুঁজিপতি ধনী শ্ৰেণী আৰু আনটো হ'ল সৰ্বহাৰা কৃষক-শ্ৰমিক শ্ৰেণী। ভাৰ্গাই ৰাষ্ট্ৰ ক্ষমতা সম্পৰ্কে মতবাদ দাঙি ধৰিছে। তেওঁৰ মতে ৰাষ্ট্ৰ ক্ষমতাত পুঁজিবাদীৰ একনায়কত্বও নহয় আৰু সৰ্বহাৰাৰ একনায়কত্বও নহয়, তেওঁৰ মতে নয়া-গণতন্ত্ৰটো এক নতুন বস্তু। লেনিনে ভাৰ্গাইৰ এই যুক্তিক মানি লোৱা নাছিল। লেনিনৰ মতে ৰাষ্ট্ৰৰ ক্ষমতা হয় পুঁজিবাদী শ্ৰেণীৰ হাতত নাইবা সৰ্বহাৰাৰ হাতত থাকিব লাগিব, একে সময়ত মাজ ৰাস্তাৰে ক্ষমতা চলাই নিয়া সম্ভৱ নহয়। ভাৰ্গাই গণতন্ত্ৰক জনসাধাৰণৰ প্ৰজাতন্ত্ৰ বুলি কৈছে। ৰাষ্ট্ৰৰ গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতিষ্ঠা হয় ৰাষ্ট্ৰৰ শ্ৰেণী আৰু প্ৰকৃতিৰ দ্বাৰা। ধনতন্ত্ৰবাদী ৰাষ্ট্ৰ ব্যৱস্থাত পুঁজিবাদীসকলৰ জনসাধাৰণ শব্দটোৰ প্ৰকৃত অৰ্থ লুকুৱাবলৈ চেষ্টা কৰে। লেনিনে এই প্ৰসংগত লিখিছিল— "সমাজতন্ত্ৰবাদী গণতন্ত্ৰই এই জনসাধাৰণ শব্দৰ ধনতান্ত্ৰিক গণতন্ত্ৰৰ দ্বাৰা অপব্যৱহাৰৰ লগত একেলগে যুঁজে আৰু যুঁজিবলৈ আৰম্ভ কৰে। এই জনসাধাৰণক শ্ৰেণীবোৰত বিভক্ত কৰে।" (বি. প্র. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৮৭৬)।

ছোভিয়েট দেশসমূহত জন-গণ আন্দোলনসমূহত ৰেড্ আৰ্মীৰ যোগদানে ব্যাপক উৎসাহ আৰু প্ৰেৰণা যোগাইছিল। সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰতিষ্ঠা হোৱাত পুঁজিপতি ধনী শ্ৰেণীটোৱে বেলেগ ঠাইলৈ পলাই গৈছিল। সৰ্বহাৰা শ্ৰেণীটোৰ হাতত কল-কাৰখানাসমূহ আহিছিল। শোষণকাৰী ধনতন্ত্ৰবাদী ব্যৱস্থা লোপ পালে। গঢ়ি উঠিল সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ। ঠিক এই সময়তে প্ৰৱেশ ঘটিল বিপ্লৱী ক্ৰেমলিনৰ। ক্ৰেমলিনে ষ্টেলিনৰ বিপ্লৱত গঢ়ি উঠা ন্যায় আৰু শান্তি ব্যৱস্থাটোক পুনৰ প্ৰতিষ্ঠা কৰিলে। ক্ৰেমলিনে যুদ্ধোত্তৰ ৰাছিয়াত ৰাষ্ট্ৰ শাসন কৰিবলৈ জনসাধাৰণৰ মাজৰ পৰা মনোনীত কিছুমান সদস্যৰদ্বাৰা শাসন কৰিছিল। সেই সময়ত ষ্টেলিনপন্থীসকলে সমগ্ৰ পূৰ্ব ইউৰোপ-ছোভিয়েট ৰাছিয়াৰ অৰ্থনীতিৰ আধিপত্য নিজৰ অধীনত অনা আৰু যুদ্ধোত্তৰ ৰাছিয়াৰ পুৰ্ণগঠনৰ বাবে আৰ্থিক ভেটি শক্তিশালী কৰা আৰু দুৰ্বল দেশসমূহৰ ওপৰত নিৰ্লজ্জভাৱে অবাধ লুণ্ঠন কাৰ্য কৰিছিল। ক্ৰেমলিনে ষ্টেলিনপন্থীৰ এই কাৰ্যৰ বিপৰীতে নিজৰ প্ৰভূত্ব বৰ্তাই ৰাখিবলৈ ৰাজনৈতিক আৰু অৰ্থনৈতিক আচনি গ্ৰহণ কৰে। ষ্টেলিনপন্থীৰ স্বেচ্ছাচাৰিতা উচ্ছেদ কৰিবলৈ ছোভিয়েটৰ কিছুমান শ্ৰেণীয়ে বিপ্লৱ আৰম্ভ কৰিলে। ছোভিয়েট দেশত বিপ্লৱৰ ফলত সমাজতান্ত্ৰিক ব্যৱস্থাৰ প্ৰচলন হয়। প্ৰতিক্ৰিয়াশীল জমিদাৰ উচ্ছন্ন হয়, দেশত কৃষক-শ্ৰমিকৰ দ্বাৰা পঞ্চায়তৰাজ ব্যৱস্থাৰ আৰম্ভণি হয় আৰু তাৰ বাবে স্বাধীন ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষক-শ্ৰমিকৰ স্বত্বাধিকাৰ প্ৰতিষ্ঠা কৰা

হয়। ষ্টেলিনপন্থীয়ে পুঁজিপতি শ্রেণী আৰু সৰ্বহাৰা শ্রেণীক লৈ সুবিধা বুজি ৰাজনীতিৰ চাল খেলে। তেওঁলোকে পুঁজিবাদীসকলকো ক্ষমতা বৃদ্ধিত বাধা দিয়ে আৰু সৰ্বহাৰা শ্রেণীটোকো বিপ্লৱ কৰিবলৈ বাধা দিয়ে। সকলো ক্ষমতা নিজৰ হাতত ৰাখিব বিচাৰে।

সাম্যবাদ আদৰ্শৰ দ্বাৰা মাৰ্ক্সবাদ-লেনিনবাদে সমাজবাদৰ প্ৰতিষ্ঠা বিচাৰিছিল। সমাজ পৰিৱৰ্তনশীল, সমাজত শাসকৰ পৰিৱৰ্তন হয়। সাম্যবাদ সমাজত সমাজতন্ত্ৰবাদৰ প্ৰতিষ্ঠা কৰিবলৈ হ'লে সৰ্বহাৰা শ্রেণীটোৰ একনায়কত্ববাদ প্ৰতিষ্ঠা কৰাটো জৰুৰী। ধনতন্ত্ৰবাদ ব্যৱস্থাৰ ধ্বংস অবিহনে সৰ্বহাৰা শ্রেণীটোৰ মুক্তি নহয়। ধনতন্ত্ৰবাদী ব্যৱস্থাৰ পৰা সাম্যবাদলৈ যাবলৈ হ'লে পুঁজিবাদী ব্যৱস্থাক ধ্বংস কৰিব লাগিব, সৰ্বহাৰাৰ একনায়কত্ববাদ অবিহনে এয়া সম্ভৱ নহয় আৰু ইয়াৰ পথ প্ৰদৰ্শক হ'ব কমিউনিষ্ট পাৰ্টিটো। নয়া গণতন্ত্ৰৰ প্ৰভাৱ চীন দেশতো পৰে। চীনত কুয়োমিণ্টাঙৰ চৰকাৰৰ সময়ত জাপানী সৈন্যই চীনৰ উত্তৰ অঞ্চল আৰু উপকূলীয় অঞ্চল দখল কৰে। চীন দেশৰ স্বাধীনতাৰ বাবে ১৯৫০ চনত মাওচেতুঙে নয়া গণতন্ত্ৰৰ প্ৰতিষ্ঠা কৰে। মাওয়ে কমিউনিষ্ট পাৰ্টি আৰু শ্ৰমিক শ্রেণীক লগত লৈ নয়া গণতন্ত্ৰী চৰকাৰ গঠন কৰে। এই চৰকাৰ বিপ্লৱী শ্রেণীৰ সমবায়ত গঠিত হৈছিল। চীনৰ নয়া গণতন্ত্ৰৰ আঁচনিসমূহ বিপ্লৱৰ অন্তৰ্নিহিত শক্তিৰ ওপৰত ভিত্তি কৰি গঠন কৰা হৈছে। চীনৰ নয়া গণতন্ত্ৰ ব্যৱস্থাত ধনতান্ত্ৰিক পুঁজিবাদীসকলৰ দ্বাৰা পুৰণি ধনতন্ত্ৰৰ ৰূপ নলৈ চীনা কমিউনিষ্ট পাৰ্টি আৰু বিপ্লৱী শ্ৰমিক সংগঠনৰ দ্বাৰা সৰ্বহাৰা কৃষক-শ্ৰমিক জনগণৰ স্বাৰ্থত এক নতুন ধনতন্ত্ৰত ৰূপান্তৰিত হ'ব। চীনৰ এই নতুন ব্যৱস্থাত শ্ৰমিক শ্রেণীৰ একনায়কত্ববাদ নহ'ব। ইয়াত কৃষক-শ্ৰমিক বিপ্লৱী শ্রেণী আনকি সামন্ততন্ত্ৰ আৰু সাম্ৰাজ্যবাদ বিৰোধী ধনিক শ্রেণীও ক্ষমতাৰ অধিকাৰী হ'ব পাৰিব। ছোভিয়েট দেশৰ সমালোচকসকলে নয়া-গণতন্ত্ৰক মাৰ্ক্সবাদৰ এটা ৰূপ বুলি স্বীকাৰ কৰে। পৃথিৱীৰ দ্বিতীয় বিশ্বযুদ্ধৰ পিছত দক্ষিণ-পূৱ ইউৰোপৰ দেশবোৰত সাম্ৰাজ্যবাদী শাসনৰ অন্ত পৰে। নয়া-গণতন্ত্ৰ ব্যৱস্থাত জমিদাৰী ব্যৱস্থাৰ অন্ত পেলাইছে, ইয়াত কৃষক-শ্ৰমিকসকলৰ জীৱিকাৰ বাবে শিল্প গঢ়ি তোলা হৈছে। আমোলাতন্ত্ৰ সম্পূৰ্ণৰূপে শেষ কৰি দিয়া নাই। ধনতন্ত্ৰবাদী সমাজৰ পৰা সমাজতান্ত্ৰিক সমাজলৈ আগুৱাই গৈছে। নয়া গণতন্ত্ৰ ব্যৱস্থাত ধনী পুঁজিপতি শ্রেণীৰ অৱসান নঘটালেও পুঁজিবাদীসকলৰ প্ৰভূত্ব বিলোপ কৰিছে। সমাজত কৃষক-শ্ৰমিক শ্রেণীৰ প্ৰভূত্ব প্ৰতিষ্ঠা কৰা হৈছে। নয়া গণতন্ত্ৰী ৰাষ্ট্ৰ ব্যৱস্থাত মাটিৰ মালিক হ'ল কৃষক, কাৰখানাৰ মালিক হ'ল মজদুৰবোৰ, দোকানৰ

মালিক হ’ল দোকানীবোৰ। কিন্তু খনি, যান-বাহন, পৰিবহন, বেঙ্কিং এইবোৰ ৰাষ্ট্ৰৰ অধীনত। উদ্যোগবোৰৰ মালিকে বহুত টকা লাভ কৰিছে। নয়া গণতন্ত্ৰী ৰাষ্ট্ৰত জমিদাৰী ব্যৱস্থা সম্পূৰ্ণৰূপে লোপ কৰা হৈছে। জমিদাৰ শ্ৰেণীটোৱে নিজৰ স্বাৰ্থ পূৰণৰ বাবে সৰ্বহাৰা দুখীয়া শ্ৰেণীটোক শোষণ কৰিছিল। কিন্তু বিপ্লৱৰ পৰৱৰ্তী সময়ত জমিদাৰবোৰৰ সম্পত্তিবোৰ বাজেয়াপ্ত কৰি কৃষকৰ মাজত ভগাই দিয়া হৈছে। কৃষক-শ্ৰমিক শ্ৰেণীটোৱে যথেষ্ট কষ্ট কৰি বস্তু উৎপাদন কৰে কিন্তু ইয়াৰ লাভ ভোগ কৰে মহাজন-জমিদাৰ শ্ৰেণীটোৱে। নয়া গণতন্ত্ৰী ব্যৱস্থাত এই শোষণ বন্ধ কৰি দিছে। শ্ৰমিক-কৃষক শ্ৰেণীৰ অৱস্থাৰ উন্নতিৰ বাবে গুৰুত্ব প্ৰদান কৰিছে। ৰাষ্ট্ৰই উৎপাদন বৃদ্ধিত গুৰুত্ব দিছে। উৎপাদন বৃদ্ধিয়ে কৃষক-শ্ৰমিক শ্ৰেণীটোৰ আৰ্থিক উন্নতি কৰিব। ধনতন্ত্ৰবাদী ৰাষ্ট্ৰত মহাজন-জমিদাৰ শ্ৰেণীটোৱে যাতে অধিক মুনাফা লাভ কৰিব পাৰে তাৰ বাবে দেশৰ উৎপাদন ক্ষমতা সঙ্কুচিত কৰি ৰখা হয়। জমিদাৰ শ্ৰেণীটোৱে বিভিন্ন ধৰণে নিজৰ ক্ষমতা বৃদ্ধি কৰিব বিচাৰে। মাটিৰ অধিকাৰ ৰাষ্ট্ৰৰ হাতত গলেও জমিদাৰ শ্ৰেণীটোৰ হাতত আচবাব পত্ৰ আৰু ৰাষ্ট্ৰৰ আন আন সম্পত্তিৰ অধিকাৰখিনি আছে। ধনতন্ত্ৰবাদী ৰাষ্ট্ৰত ধনীৰ স্বাৰ্থ আৰু সমাজতান্ত্ৰিক বা নয়া গণতান্ত্ৰিক ৰাষ্ট্ৰৰ শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থত কাম কৰা হয়। ৰাষ্ট্ৰসমূহত এই দুই শ্ৰেণীৰ মাজত সংঘাতৰ অন্ত পৰা দেখা নাযায়। ডিমিট্ৰিফে কৈছে— “মাৰ্ক্স আৰু লেনিন উভয়ে কৈ গৈছে যে ছোভিয়েট ব্যৱস্থা আৰু নয়া গণতন্ত্ৰী আমোল এই দুটাই শ্ৰমিক শ্ৰেণীৰ ৰাজনৈতিক ডিক্টেটাৰীৰ (একনায়কত্ব) দুটা ৰূপ।” (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৮৭৯)। নয়া গণতন্ত্ৰ ব্যৱস্থাই সমাজত প্ৰচলিত হৈ অহা ধনতন্ত্ৰবাদী বুৰ্জোৱা ব্যৱস্থাৰ লোপ কৰি কৃষক-শ্ৰমিকৰ একনায়কত্ববাদ প্ৰতিষ্ঠা কৰি তেওঁলোকৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰা। ধনতন্ত্ৰবাদৰ পৰা সমাজতন্ত্ৰলৈ আহোতে বিভিন্ন অৱস্থা পাৰ হ’ব লগা হৈছিল। বিপ্লৱৰ অবিহনে এয়া অসম্ভৱ। মাৰ্ক্সবাদীসকলে সমাজতান্ত্ৰিক সমাজ গঠন কৰি সমাজৰ সৰ্বহাৰা দুখীয়া শ্ৰমিক-কৃষকৰ ন্যায় প্ৰতিষ্ঠা কৰিছে। ধনতান্ত্ৰিক পুঁজিবাদী বুৰ্জোৱা ব্যৱস্থাৰ বিলোপ কৰি সমাজক শোষণমুক্ত কৰিব চেষ্টা কৰিছে।

**‘ভাৰতত ট্ৰেড ইউনিয়ন আন্দোলন’** প্ৰবন্ধটোত বিষ্ণু ৰাভাই মাৰ্ক্সীয় ভাৱধাৰাৰে বিশ্বত কিদৰে ট্ৰেড আন্দোলন হৈছিল আৰু ভাৰতত ইয়াৰ প্ৰভাৱ কিদৰে পৰিছিল সেই বিষয়ে লিখিছে। কাৰ্ল মাৰ্ক্স আছিল এই সংগ্ৰামৰ প্ৰতিষ্ঠাপক। মাৰ্ক্স আৰু এঙ্গেলচে লগ লাগি ১৮৬৪ চনত সৰ্বহাৰা

শ্ৰেণীটোক লৈ 'আন্তৰ্জাতিক শ্ৰমজীৱীসকলৰ সংঘ' নামৰ 'প্ৰথম আন্তৰ্জাতিক সংঘ' প্ৰতিষ্ঠা কৰে। এই সংঘৰ প্ৰধান উদ্দেশ্য আছিল বিভিন্ন দেশসমূহত সামন্তবাদ ধ্বংস কৰি সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰা। শ্ৰমিকসকলে পুঁজিবাদী ব্যৱস্থাটোৰ বিপক্ষে এক দ্ৰোহ কৰিছিল। তেওঁলোকক অত্যাধিক সময় কাম কৰাইছিল যদিও মজুৰি যথেষ্ট কম আছিল। ১৮৮৬ চনত আমেৰিকাৰ চিকাগো চহৰৰ শ্ৰমিকসকলে দৈনিক আঠ ঘণ্টা মজুৰী কামৰ দাবী তুলি ধৰ্মঘট আৰু শোভাযাত্ৰা কৰে। শ্ৰমিকসকলৰ ওপৰত পুঁজিবাদী শ্ৰেণীটোৱে গুলীৰে থকা সৰকা কৰে। বহু শ্ৰমিকে তাতেই জীৱনত্যাগ কৰে। পৃথিৱীৰ বহু দেশত সামন্ততান্ত্ৰিক ব্যৱস্থাৰ বিৰুদ্ধে বিপ্লৱ হোৱাৰ বিপৰীতে ভাৰতত ইয়াৰ প্ৰভাৱ পৰা দেখা নগ'ল। শিল্পৰ নতুন আৱিস্কাৰ, বৈজ্ঞানিক উৎপাদন পদ্ধতি লগতে সামন্ততান্ত্ৰিক আৰু পুঁজিবাদী শ্ৰেণীৰ বিপক্ষে বিদ্ৰোহ পৰৱৰ্তী সময়ত ভাৰতৰ শ্ৰমিক শ্ৰেণীকো আহি স্পৰ্শ কৰে।

মাৰ্ক্সৰ যি শ্ৰেণী সংগ্ৰাম সেয়া লাহে লাহে বিশ্বৰ বিভিন্ন দেশলৈ বিয়পি পৰিল। ছোভিয়েট বিপ্লৱে আন্তৰ্জাতিক মিলন আৰু শ্ৰমিক শ্ৰেণীৰ দ্বাৰা সমাজতান্ত্ৰিক সমাজ গঠন কৰিলে। ছোভিয়েটৰ শ্ৰমিক শ্ৰেণীৰ বিপ্লৱে পৃথিৱীৰ অন্য দেশসমূহৰ শ্ৰমিকসকলকো জগাই তুলিলে। জাৰ্মান, হাঙ্গেৰী আৰু অষ্ট্ৰিয়াৰ শ্ৰমিকসকলে পুঁজিবাদ ধ্বংস কৰি সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰিবলৈ বিদ্ৰোহ কৰিলে। শ্ৰমিকসকলৰ বিপ্লৱক বাধা প্ৰদান কৰিবলৈ পুঁজিবাদী ধনতান্ত্ৰিকসকল আগবাঢ়ি আহিল। ছোভিয়েটতো একেই পৰিস্থিতি হ'ল যদিও ৰুছ বিপ্লৱৰ জয় হয়। ভাৰতত ট্ৰেড ইউনিয়ন আন্দোলনৰ আৰম্ভণি বুলি ১৯১৯ চনত গুজৰাটৰ আহমেদাবাদৰ ধৰ্মঘটক ধৰিব পাৰি। এম এ খাঁ আৰু মিঃ মিলাৰৰ নেতৃত্বত এন ডব্লিউ ৰেলৱেৰ ধৰ্মঘটে শ্ৰমিকসকলৰ দাবীসমূহ উত্থাপন কৰিছিল। এই আন্দোলনে বিৰাট ৰূপ ধাৰণ কৰিছিল। শ্ৰমিক শ্ৰেণীৰ মুক্তিৰ দাবীত সভা বহিছিল আৰু শোভাযাত্ৰা ওলাইছিল। এই আন্দোলন ভাৰতৰ বিভিন্ন খণ্ডৰ শ্ৰমিকসকলৰ মাজত বিয়পি পৰে। ১৯২৪ চনত কানপুৰ টেক্সটাইলৰ শ্ৰমিকসকলে অৰ্থনৈতিক আৰু ৰাজনৈতিক দাবীত ধৰ্মঘট কৰে। এই আন্দোলনৰ নেতৃত্বত দিছিল ভাৰতৰ কমিউনিষ্ট নেতাসকলে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সমান্তৰালভাৱে শ্ৰমিক শ্ৰেণীৰ সংগ্ৰামো গতি কৰিলে। এই আন্দোলনক সাম্ৰাজ্যবাদী ইংৰাজসকলে কঠোৰ হাতেৰে দমন কৰাৰ চেষ্টা চলালে। ইংৰাজে যিমানেই কঠোৰ হয় আন্দোলনকাৰীসকলেও সিমান গতিৰেই আন্দোলন কাৰ্য চলাই লৈ যায়। শ্ৰমিক আন্দোলন আৰু ভাৰতৰ স্বাধীনতা আন্দোলনক ৰুদ্ধ

কৰিবলৈ সাম্ৰাজ্যবাদী ইংৰাজে 'জন নিৰাপত্তা বিল' গৃহীত কৰে। এই বিলৰ বিৰোধ কৰি ভগত সিঙে সংসদত বোমা ফুটাই প্ৰতিবাদ কৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰামত ইংৰাজৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ অভিযোগত ভাৰতৰ বিভিন্ন ঠাইৰ ৩২ জন কমিউনিষ্ট নেতাক গ্ৰেপ্তাৰ কৰি সিহঁতৰ বিৰুদ্ধে মামলা ৰুজু কৰা হয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত ইয়াক মীৰাট ষড়যন্ত্ৰ মামলা বুলি জনা যায়। আন্দোলনক মষিমূৰ কৰিবলৈ সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰে প্ৰচাৰ কৰিছিল যে ই অ-মাৰ্ক্সবাদী, অগণতান্ত্ৰিক আৰু অ-বিপ্লৱী। ইংৰাজৰ এই প্ৰচাৰে শ্ৰমিক শ্ৰেণীৰ মাজত প্ৰতিক্ৰিয়াশীলতাৰ সৃষ্টি কৰিলে।

দ্বিতীয় বিশ্ব মহাযুদ্ধৰ পিছত ভাৰতৰ শ্ৰমিক শ্ৰেণীৰ আন্দোলনবোৰ বহুকেইটা ভাগত বিভক্ত হৈ পৰিল। এটা অংশ 'মজদুৰ সেৱক সংঘ'ৰ নামেৰে নিজৰ কাৰ্য পৰিচালিত কৰিব ধৰিলে আৰু আন এটা ভাগে বৈপ্লৱিকভাৱে সংগ্ৰামখন আগবঢ়াই লৈ গ'ল। বিষ্ণু ৰাভাই প্ৰবন্ধটোৰ শেষত বহুভাগত বিভক্ত হোৱা শ্ৰমিক সংগঠনবোৰৰ একগোট হৈ আন্দোলন কৰাটো কামনা কৰিছে। ৰাভাই চিন্তা কৰিছিল শ্ৰমিক শ্ৰেণীটোৱে ঐক্যবদ্ধভাৱে আন্দোলন কৰিলে পুঁজিবাদী ধনতান্ত্ৰিক ব্যৱস্থাটোক ধ্বংস কৰিব পাৰিব।

**'মাৰ্ক্সীয় অৰ্থনীতি', পণ্য আৰু পণ্যৰ মূল্য ঃ**

'মাৰ্ক্সীয় অৰ্থনীতি, পণ্য আৰু পণ্যৰ মূল্য' শীৰ্ষক প্ৰবন্ধটো ৰাভাই মাৰ্ক্সৰ ৰচিত 'কেপিটেল' গ্ৰন্থখন অধ্যয়ন কৰি ৰচনা কৰিছে। মাৰ্ক্সৰ আদৰ্শৰ মূল ভেটি আছিল অৰ্থনীতি। নতুন সমাজ নিৰ্মাণ আৰু সমাজতান্ত্ৰিক সমাজ গঢ়াৰ ক্ষেত্ৰত অৰ্থনীতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। সাম্যবাদ সমাজ প্ৰতিষ্ঠাৰ মূলতে হৈছে অৰ্থনৈতিক সমানতা। অৰ্থনীতিৰ ভেদভাৱৰ বাবেই সমাজত ধনী শ্ৰেণী আৰু দুখীয়া শ্ৰেণী নামেৰে দুই শ্ৰেণীত ভাগ কৰিছে। প্ৰবন্ধটোত মাৰ্ক্সৰ অৰ্থনৈতিক দৃষ্টিভংগীৰ বিষয়ে ব্যাখ্যা কৰা হৈছে।

মাৰ্ক্সে কেপিটাল গ্ৰন্থৰ ভূমিকাত কৈছে যে এই "পুথিখনৰ মূল লক্ষ্য হৈছে আধুনিক সমাজত আৰ্থিক প্ৰগতিৰ নিয়মৰ অনুসন্ধান।" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৯০১)। পুঁজিবাদী ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত পণ্য দ্ৰব্যৰ উৎপাদনেই মূল কথা। উৎপাদন ব্যৱস্থাৰ লগত জড়িত মূল বস্তুকেইবিধ হৈছে পণ্য, মূল্য, বিনিময় মূল্য ইত্যাদি। পণ্য উৎপাদনত মূল্য জড়িত হৈ

থাকে। পণ্য বজাৰৰ ওপৰত নিৰ্ভৰ কৰি উৎপাদন কৰা হয়। পণ্য বিক্ৰী ব্যৱস্থাটো বিনিময়ৰ জৰিয়তে চলে। বস্তুৰ বিনিময়ত বস্তু বা বস্তুৰ বিনিময়ত মুদ্ৰাৰ আদান-প্ৰদান চলে। এটা দ্ৰব্য উৎপাদনত যিমান পৰিশ্ৰম মূল্য কেচামাল খৰচ হয় সেই বস্তুটোৰ মূল্যও সেই অনুপাতে কৰা হয়। মাৰ্ক্সে কৈছে— 'বিনিময়ৰ ভিতৰেদি আমি যেতিয়াই এক ধৰণৰ উৎপন্ন বস্তুৰ লগত আন বস্তুৰ বিনিময় মূল্য বিচাৰ কৰোঁ, তেতিয়াই আমি সেইবিলাক বস্তু তৈয়াৰ কৰিবলৈ যি ভিন ভিন ধৰণৰ পৰিশ্ৰম কৰিবলগীয়া হৈছে, সেইবিলাকৰ সকলোকে মানুহৰ একেই শ্ৰমশক্তিৰ ব্যৱহাৰ হিচাপে দেখি থাকোঁ। আমি এই সম্বন্ধে সচেতন নাথাকোঁ, অথচ সদায় আমি এই বিচাৰকেই কৰি যাওঁ। (কেপিটাল গ্ৰন্থ)" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৯০২)। উৎপাদনৰ উপায়ৰ ওপৰত ব্যক্তিৰ ব্যক্তিগত মালিকানা পুঁজিতান্ত্ৰিক উৎপাদন ব্যৱস্থাৰ ভিত্তি। এই ব্যৱস্থাত কাৰখানাসমূহৰ মালিক হৈছে পুঁজিবাদীসকল। পুঁজিপতিসকলে সমাজৰ ওপৰত নিৰ্ভৰ কৰি পণ্য উৎপাদন কৰে। সমাজৰ প্ৰয়োজনৰ ওপৰত পুঁজিপতিসকলে পণ্য উৎপাদন কৰে। পণ্য উৎপাদনৰ সৈতে বিনিময় ওতঃপ্ৰোতভাৱে জড়িত। বিনিময়ৰ এটা কাৰণ হৈছে মানুহৰ শ্ৰমশক্তি। শ্ৰমশক্তি বা শ্ৰম বিভাগ নাথাকিলে বিনিময়ৰ কোনো প্ৰয়োজনেই নাথাকিলে হয়। মানুহে বিনিময়ৰ মাধ্যমেদি আচলতে ব্যক্তিগত সম্পত্তিকেই স্বীকাৰ কৰি আহিছে। প্ৰকৃতিগত সামগ্ৰীৰ ওপৰত ব্যক্তিগত মালিকাধীন প্ৰতিষ্ঠা হোৱাৰ পিছত আমাৰ প্ৰয়োজন থাকিলেও বেলেগৰ বস্তু আমি লৈ ল'ব নোৱাৰো। ব্যক্তিগত সম্পত্তি সেই ক্ষেত্ৰত বাধা হৈ থিয় দিয়ে। মানুহৰ সৈতে মানুহৰ যি সম্পৰ্ক ইয়াৰ অন্যতম প্ৰধান দিশ হৈছে বিনিময় সম্পৰ্কৰ মাজত থকা যোগসূত্ৰ, সেয়া সম্পত্তিৰ সম্পৰ্ক। পণ্য আচলতে ব্যক্তিগত সম্পত্তিৰ অভিব্যক্তি। সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিনিময় ব্যৱস্থাৰো পৰিৱৰ্তন হ'ল। সোণ আৰু ৰূপৰ দ্বাৰা বিনিময় চলিল। সোণ আৰু ৰূপ সকলো স্তৰতে বিনিময়ৰ মাধ্যম হৈ পৰিল। সকলো পণ্যৰে বিনিময় মূল্য সোণ আৰু ৰূপৰ হিচাপত নিৰ্দ্ধাৰণ হৈ যাব ধৰিলে আৰু পণ্যৰ বিনিময় মূল্য বজাৰত দাম হিচাপে প্ৰকাশ পাব ধৰিলে। পণ্য উৎপাদনত যি শ্ৰম খৰচ হয়, তাৰেই বিনিময় মূল্য ঠিক কৰা হয়।

মাৰ্ক্সীয় অৰ্থনৈতিক ব্যৱস্থাত শ্ৰমিকৰ শ্ৰমশক্তিৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হয়। প্ৰত্যেকটো উৎপাদিত বস্তুতে মানুহৰ শ্ৰম জড়িত হৈ থাকে। পণ্য হিচাপে শ্ৰম বেলেগ বেলেগ হয়।

যেনে— দা-কোৰ গঢ়োতে কমাৰৰ শ্ৰম থাকে, শষ্য উৎপাদনত খেতিয়কৰ শ্ৰম থাকে, অলংকাৰ গঢ়োতে সোণাৰীৰ শ্ৰম থাকে। সমাজৰ প্ৰত্যেকজন শ্ৰম কৰা শ্ৰমিকেই বিশেষ বিশেষ পণ্য উৎপাদন কৰে। পণ্য উৎপাদনৰ লগত জড়িত হৈ আছে উদ্বৃত্ত মূল্যৰ। বস্তুৰ উৎপাদনী খৰচ আৰু বজাৰ মূল্যৰ পাৰ্থক্যটোৱেই হৈছে উদ্বৃত্ত মূল্য। এজন শ্ৰমিকে এটা পণ্য উৎপাদনত সময় খৰচ হয় পাঁচ ঘণ্টা আৰু সেই শ্ৰমিকজনে যদি আঠ ঘণ্টা কাম কৰে তেতিয়াহ'লে পিছৰ তিনি ঘণ্টাটো হৈছে উদ্বৃত্ত মূল্য। পিছৰ তিনি ঘণ্টাৰ লাভ শ্ৰমিকজনে নাপায়। সেই লাভ বা মুনাফাখিনি গ্ৰহণ কৰে পুঁজিপতিসকলে। মাৰ্ক্সৰ মতে পুঁজিপতিসকলে মুনাফাৰূপী উদ্বৃত্ত মূল্য আত্মসাৎ কৰাটো উচিত হোৱা নাই। উদ্বৃত্ত মূল্যৰ অংশ পুঁজিপতিসকলৰ লগতে শ্ৰমিকসকলেও লাভ কৰাটো বাঞ্চনীয়। পণ্যৰ মূল্য চাহিদা অনুযায়ী কম বা বেছি হয়। বজাৰত কোনো পণ্য যদি চাহিদা অনুযায়ী বেছি আমদানি হয় তেতিয়া হ'লে বস্তুটোৰ মূল্য কম হ'ব। আৰু যদি উৎপাদনৰ অনুপাতত‌কৈ যদি চাহিদা বেছি হয় তেতিয়া পণ্যৰ বিনিময় মূল্য বেছি হয়। পণ্যৰ প্ৰয়োজন অনুসৰি বজাৰ মূল্য বা বিনিময় কম-বেছি হয়। শ্ৰমিকৰ কাম অনুপাতে মজুৰি বেলেগ বেলেগ হয়। শ্ৰমশক্তিৰ মূল্য পণ্য উপাদানৰ ক্ষেত্ৰত ভিন্ন হয়। এজন অভিজ্ঞ শ্ৰমিকৰ আৰু এজন নতুনকৈ হোৱা শ্ৰমিকৰ শ্ৰমমূল্য একে নহয়। অভিজ্ঞজনৰ শ্ৰমৰ মূল্য বেছি হ'ব। মূল্যৰ এই বৈষম্যৰ ক্ষেত্ৰত ৰাভাই কৈছে যে— "মূল্যৰ এই কম-বেছি বা তাৰতম্য হোৱাৰ কাৰণ কি? অদক্ষতাতকৈ দক্ষতাৰে নৈতিক ফালৰ পৰা শ্ৰেষ্ঠ, এনে কোনো সূক্ষ্ম নীতিৰ দ্বাৰা এই তাৰতম্য নিশ্চয় নহয়। যি কাৰণত ভাপৰ জাহাজ দাঁড় মাৰি চলোৱা নাৱতকৈ বেছি মূল্যৱান, সেই একেই কাৰণত অদক্ষ শ্ৰমিকৰ শ্ৰম-শক্তিতকৈ সুদক্ষ শ্ৰমিকৰ শ্ৰমশক্তি বেছি হয়, অৰ্থাৎ সেইটো উৎপন্ন কৰিবলৈ বেছি শ্ৰম খৰচ হৈছে বুলি।" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৯০৪)।

মুনাফা পণ্যৰ উৎপাদনৰ সৈতে জড়িত। অধিক মুনাফা লাভৰ বাবে পুঁজিপতিসকলে বিভিন্ন কৌশল ৰচনা কৰে। পুঁজিপতিয়ে শ্ৰমিক এজনৰ পৰা অত্যাধিক কাম কৰায়, কামৰ গতি বঢ়াই বা কামৰ সময় বৃদ্ধি কৰি মুনাফা লাভ কৰে। এই মুনাফাৰ ভাগৰ পৰা শ্ৰমিকসকল বঞ্চিত হৈ থাকে। শ্ৰমিক শ্ৰেণীটোৱে মজুৰি বৃদ্ধি আৰু কামৰ সময় কমোৱাৰ দাবী তুলি সংগ্ৰাম কৰে আৰু সংগ্ৰামৰ ফলত পুঁজিপতি আৰু শ্ৰমিক শ্ৰেণীৰ মাজত দ্বন্দ্ব হয়। উদ্ধৃত মূল্যৰ সৈতে জড়িত আন এক মূল্য হৈছে অতিৰিক্ত মূল্য। অতিৰিক্ত মূল্য হৈছে শ্ৰমিক এজনে দিনটোত বাৰ ঘণ্টা কাম

কৰে। কিন্তু শ্ৰমিকজনে ছয় ঘণ্টা শ্ৰম কৰি যি পণ্য উৎপাদন কৰে তাৰ মূল্যহে শ্ৰমিকজনে লাভ কৰে। তাৰ পৰৱৰ্তী ছয় ঘণ্টাত শ্ৰম কৰি যি পণ্য উৎপাদন কৰিব, সেই পণ্যই অতিৰিক্ত মূল্য। অতিৰিক্ত মূল্যই সদায়ে পুঁজিপতি শ্ৰেণীটোকহে লাভৱান কৰি আহিছে। পণ্যৰ উৎপাদন ব্যৱস্থাটোৰ লগত দুটা অংশ জড়িত হৈ থাকে, প্ৰথমটো স্থিৰ, মূলধন আৰু দ্বিতীয়টো হৈছে পৰিৱৰ্তনশীল মূলধন। স্থিৰ মূলধনৰ অন্তৰ্গত বস্তুবোৰ হৈছে যন্ত্ৰপাতি, অস্ত্ৰ, কেঁচা মাল ইত্যাদি। ইবিলাকৰ মূল্যৰ পৰিৱৰ্তন নহয়। পৰিৱৰ্তনশীল মূলধন ব্যৱহাৰ হয় শ্ৰমিকৰ শ্ৰমশক্তি কিনাত। ইয়াৰ মূল্যৰ তাৰতম্য ঘটে। উৎপাদনৰ পৰা ইয়াৰ মূল্য বাঢ়ি গৈ থাকে। পণ্য উৎপাদনৰ বাবে প্ৰথমতে পুঁজিৰ প্ৰয়োজন হয়। পণ্য বাঢ়তি মূল্য বৃদ্ধি কৰিবলৈ হ'লে শ্ৰমিকৰ শ্ৰমশক্তি বঢ়াব লাগিব। শ্ৰমিকৰ সময় বৃদ্ধি কৰিব লাগিব। শ্ৰমিকৰ শ্ৰমৰ পৰিমাণ কমিলে পণ্যৰ মূল্যও কমিব আৰু এই শ্ৰমৰ পৰিমাণ বাঢ়িলে পণ্যৰ মূল্যও বাঢ়িব। বাঢ়তি মূল্য সম্পৰ্কে মাৰ্ক্সে তিনিটা ঐতিহাসিক পৰ্যায়ৰ কথা তুলি ধৰিছে, এই পৰ্যায়বিলাকৰ জৰিয়তে ধনতন্ত্ৰই শ্ৰমিকৰ উৎপাদন শক্তি বঢ়াইছে— "(১) সাধাৰণ সমৱেত প্ৰচেষ্টা, (২) শ্ৰম বিভাগ আৰু হস্ত শিল্পৰ প্ৰচলন, (৩) যন্ত্ৰ-পাতিৰ ব্যৱহাৰ আৰু আধুনিক শিল্পৰ ব্যাপক ব্যৱস্থা।" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড. পৃ. ৯০৫)। মাৰ্ক্সৰ মতে, প্ৰতিটো সমাজতে মানুহে শ্ৰমৰ দ্বাৰা জীৱন ধাৰণ কৰে। নিজৰ প্ৰয়োজনীয় সম্পদ প্ৰকৃতিৰ পৰাই গ্ৰহণ কৰে। সমাজত সকলোৱে একেলগ হৈ কাম কৰে। মাৰ্ক্সে গ্ৰাম্য অৰ্থনীতি সবল কৰিবলৈ হস্তশিল্পৰ ওপৰত গুৰুত্ব দিছিলে। হস্তশিল্পৰ নিৰ্মাণ যেনে, লোৰ অস্ত্ৰ, কাপোৰ, পশুপালন ইত্যাদি। পণ্য উৎপাদনৰ আৰু কৃষিকাৰ্যত যন্ত্ৰপাতিৰ ব্যৱহাৰ আৰু বিজ্ঞানসন্মতভাৱে কৃষিৰ উৎপাদনত গুৰুত্ব দিছিলে আৰু লগতে শিল্প উদ্যোগত নতুন নতুন যন্ত্ৰপাতিৰ ব্যৱহাৰে উৎপাদন যথেষ্ট পৰিমাণে বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল।

পণ্য উৎপাদনৰ পিছত মূলধনৰ পৰা কিছু অংশ সঞ্চয় কৰা হৈছিল। এই সঞ্চিত ধন নতুন মূলধনৰূপে ৰূপান্তৰিত হয়। নতুন পণ্য উৎপাদনত এই সঞ্চিত মূলধনৰ ব্যৱহাৰ কৰা হয়। সঞ্চিত মূলধনটোৱে আকৌ 'সংগ্ৰহ' আৰু 'মজুৰী' এই দুই ভাগত খৰচ হয়। আধুনিক যুগত উদ্যোগসমূহত অত্যাধুনিক যন্ত্ৰৰ ব্যৱহাৰে মজদুৰৰ কাম কমাই দিছে। বিভিন্ন কল-কাৰখানাৰ পৰা অতিৰিক্ত শ্ৰমিকক কামৰ পৰা আঁতৰাই দিয়াত শ্ৰমিকসকল হৈ পৰে শ্ৰমহীন। পুঁজিপতিসকল ধনী হৈ গৈ থকাৰ বিপৰীতে শ্ৰমিক শ্ৰেণীৰ অৱস্থা বেয়াৰ ফালে গৈ থাকে। পুঁজিপতি শ্ৰেণীয়ে

প্ৰাথমিক মূলধন সংগ্ৰহৰ নামত দুখীয়া শ্ৰেণীটোৰ ওপৰত অত্যাচাৰ চলায়। উদ্যোগৰ পৰা শ্ৰমিকসকল খেদা খায়, দুখীয়া খেতিয়কে নিজৰ মাটি হেৰুৱাব লগা হয়, নিজৰ মাটিৰ ওপৰত থকা অধিকাৰ হেৰুৱাব লগা হয়। প্ৰাথমিক মূলধন সংগ্ৰহৰ ব্যৱস্থাই সমাজত দুটা শ্ৰেণীৰ সৃষ্টি কৰিছে, এক শ্ৰেণী হৈছে 'স্বাধীন নিঃস্ব মজুৰ শ্ৰেণী' আৰু অন্যটো হৈছে 'মালিক ধনীশ্ৰেণী'। মাৰ্ক্সে কৈছিল, পুঁজিপতি শ্ৰেণীটোৱে সদায় নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবে শ্ৰমিক শ্ৰেণীৰ ওপৰত শোষণ চলাই আহিছে। ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত ধনী হোৱাৰ প্ৰৱণতাত ধনিক শ্ৰেণীৰ মাজতো দ্বন্দ্ব হোৱা দেখা যায়। উৎপাদন ব্যৱস্থাত নতুন নতুন যন্ত্ৰ-পাতিৰ প্ৰয়োগ, বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগ, কৃষি কৰ্মত বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগৰ ফলত উৎপাদন বৃদ্ধি পাইছে। উৎপাদনৰ মুনাফাখিনি আদায় কৰে পুঁজিপতি শ্ৰেণীটোৱে। পুঁজিপতি শ্ৰেণীটোৱে ধনী হৈ যোৱাৰ বিপৰীতে শ্ৰমিক শ্ৰেণীৰ ওপৰত দুখ-কষ্ট, দাসত্ব, অত্যাচাৰ, শোষণ বাঢ়ি যায়। শ্ৰমিক শ্ৰেণীটোৱে শোষণৰ ভৰত পিছত নিজৰ অধিকাৰৰ বাবে বিপ্লৱৰ পথত অগ্ৰসৰ হয়। ধনতান্ত্ৰিক সমাজ ভাঙি দিবলৈ তেওঁলোকে ঐক্যবদ্ধ সংগ্ৰাম কৰে। শ্ৰমিক শ্ৰেণীৰ মুক্তিৰ বাবে ধনতান্ত্ৰিক সমাজৰ ব্যক্তিগত সম্পত্তিৰ উচ্ছেদ অৱশ্যাম্ভাৱী। নহ'লে শ্ৰমিক শ্ৰেণী সদায়ে শোষণৰ বলি হৈ থাকিব।

মাৰ্ক্সে উৎপাদন ব্যৱস্থাক দুটা ভাগত ভাগ কৰি দেখুৱাইছে— 'প্ৰথমটো, উৎপাদনৰ উপায়বিলাকৰ উৎপাদন আৰু দ্বিতীয়টো, সাক্ষাৎভাৱে মানুহৰ ভোগত লাগে এনে বস্তুৰ উৎপাদন।' পণ্যৰ বাঢ়তি মূল্য ক্ৰমে মুনাফা, সুদ আৰু ভূমি কৰৰ ভিতৰত ভাগ হৈ যায়। বাঢ়তি মূল্যত প্ৰয়োগ হোৱা মূলধনৰ লাভ সদায়ে একে নাথাকে। লাভৰ পৰিমাণ বাঢ়ি বা কম হৈ শেষত মুনাফাৰ সাধাৰণ হাৰত আহি পায়। বজাৰত পণ্য উৎপাদনকাৰীসকলৰ মাজত চলা প্ৰতিযোগিতাত পণ্যৰ দাম অনুসৰি বিক্ৰী নহয়। পণ্য উৎপাদনৰ দাম অনুযায়ী বজাৰত এৰি দিব লগা হয়। পণ্য উৎপাদনত যিমান মূলধন খৰচ হয় তাৰ লগত গঢ় মুনাফাটো যোগ দিলে উৎপাদনৰ দাম স্থিৰ হয়। পণ্য এটাৰ উৎপাদন মূল্য আৰু বজাৰ মূল্যৰ দামৰ পাৰ্থক্য আছে। বজাৰত পণ্য যেতিয়া বিক্ৰীৰ বাবে এৰি দিয়া হয় তেতিয়া উৎপাদন মূল্য আৰু মুনাফা যোগ হৈ বস্তুৰ দাম নিৰ্দ্ধাৰণ কৰা হয়। পণ্য উৎপাদনৰ মূল আধাৰ হ'ল মাটি। মাটিৰ পৰিমাণ সদায়ে সীমাবদ্ধ হৈ থাকে। ধনতান্ত্ৰিক দেশবিলাকত মাটিৰ মালিক হ'ল পুঁজিপতিসকল। পণ্য উৎপাদনৰ সকলো মাটি একে নহয়। সকলো মাটিতে একে পৰিমাণৰ শস্য উৎপাদন নহয়। শষ্য উৎপাদনত খৰচ হোৱা অনুপাতে

শষ্যৰ বিক্ৰী মূল্য নিৰ্দ্ধাৰণ কৰা হয়। বেয়া মাটিত শষ্য উৎপাদনত কষ্ট আৰু খৰচ দুয়োটাই অধিক পৰে। সেই বাবে সেই মাটিত হোৱা শষ্যৰ দাম বেছি হ'ব। মাৰ্ক্সে বিস্তৃত বিশ্লেষণ কৰি দেখুৱালে যে— 'জমিৰ ভিন ভিন টুকুৰাৰ ভিতৰত উৰ্ব্বৰতাৰ যি তফাৎ আছে আৰু বিভিন্ন ভূখণ্ডত নিযুক্ত মূলধনৰ পৰিমাণৰ ভিতৰত যি পাৰ্থক্য থাকে, তাৰ পৰাই আপেক্ষিক ভূমিকৰৰ উৎপত্তি।" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৯০৮)। উৎপাদিত বস্তু যেতিয়াই বিক্ৰীৰ বাবে প্ৰতিযোগিতাত অংশ লয়, তেতিয়াই শিল্পৰ মুনাফাৰ হাৰ সমান হৈ আহে। ধনতন্ত্ৰবাদী দেশবোৰত মাটিৰ মালিকস্বত্ব পুঁজিবাদীৰ ওচৰত থাকে। সেই বাবেই মাটিৰ ওপৰত তেওঁলোকৰ একচেটিয়া অধিকাৰ। কৃষি খণ্ডত মুনাফাৰ হাৰ অধিক হয়। শিল্পখণ্ডত মুনাফাৰ হাৰ সমান হোৱাৰ বিপৰীতে কৃষি ক্ষেত্ৰত মুনাফাৰ হাৰ অধিক হয়। কৃষিকাৰ্য্যৰ বাবে মাটিৰ মালিক যিহেতুকে পুঁজিপতি শ্ৰেণীটো গতিকে তেওঁলোকে নিজৰ অধিক মুনাফাৰ বাবে অধিক মূল্যত কৃষি শষ্যৰ বিক্ৰী কৰে। ধনতান্ত্ৰিক দেশসমূহৰ মাটি পুঁজিবাদীৰ ব্যক্তিগত সম্পত্তি। মাটি ৰাষ্ট্ৰৰ সম্পত্তি হ'লে কৃষকৰ ওপৰত পুঁজিবাদীসকলৰ শোষণৰ অন্ত পৰিল হয়। মাৰ্ক্সবাদে মাটিক ৰাষ্ট্ৰৰ সম্পত্তি কৰিব লাগে বুলি দাবী কৰে। সমাজতান্ত্ৰিক ৰাষ্ট্ৰত মাটি ৰাষ্ট্ৰৰ সম্পত্তি। ভূমিহীন কৃষকে জমিদাৰৰ মাটিত বিনা মজুৰিৰে শ্ৰম কৰে আৰু উৎপাদিত শষ্যৰ এটা ভাগ ভূমিকৰ হিচাপে মাটিৰ মালিকক দিব লাগে। পিছত শষ্যৰ বদলি টকা ভূমিকৰ হিচাপে দিয়াৰ প্ৰথা আহিল। পুঁজিবাদী ধনী জমিদাৰ-মহাজন শ্ৰেণীটোৱে মজুৰ খটুৱাই কৃষিকাৰ্য কৰিব ধৰিলে। মাৰ্ক্সে কৈছে, "স্বভাৱতঃ ভূমিকা হিচাপে জমিত উৎপন্ন বস্তুৰ ভাগ দিয়াৰ প্ৰথা যেতিয়া টকা দিয়া কৰ শোধৰ নিয়ম ৰূপান্তৰিত হৈ থাকে, তাৰ লগে লগেই, এনে কি তাৰ কিছু আগতেও এক নতুন শ্ৰেণী গঢ়ি উঠে। এই শ্ৰেণী বিত্তহীন দিন মজুৰসকলৰ দল। নতুন শ্ৰেণীটোৰ প্ৰথম আৱিৰ্ভাৱৰ যুগত যেতিয়া সিহঁতে সকলো অলপ সংখ্যাত ইয়াত তাত দেখা দিয়ে, তেতিয়া স্বভাৱতঃ ই এটা ব্যাপাৰ চকুৰ আগত পৰি থাকে। অৱস্থাপন্ন কৰদাতা খেতিয়কসকলে তেতিয়া নিজৰ তৰফতেই এই দিন মজুৰসকলক খটুৱাই শোষণ কৰে ঠিক যেনেকৈ সামন্ততন্ত্ৰৰ যুগত অৱস্থাসম্পন্ন ভূমিদাসসকলে অন্য ভূমিদাসসকলক খটুৱাই লয় নিজৰ লাভৰ খাতিৰত। এইভাৱে কোনো কোনো খেতিয়কে লাহে লাহে অলপমান ধন সঞ্চয় কৰিবৰ ক্ষমতা অৰ্জন কৰি থাকে, এনে কি ভৱিষ্যতে নিজৰ খাঁটি ধনিকে পৰিণত কৰিবৰ সম্ভাৱনা পৰ্যন্ত দেখা দিয়ে। আগত যিবিলাক জমিৰ মালিকসকল নিজৰ কাৰণে নিজেই খাঁটি যায়, সিহঁতৰ মাজৰ পৰাই এনেভাৱে

এদল কৃষি কামত নিযুক্ত ধনিক পুষ্টিলাভ কৰে। গ্ৰামাঞ্চলৰ বাহিৰে ধনতান্ত্ৰিক উৎপাদন প্ৰথা সাধাৰণভাৱে কিছুমান গঢ়ি উঠিছে, সিহঁতৰ ওপৰত অৱশ্যে ইহঁতৰ বিকাশ নিৰ্ভৰ কৰি থাকে— 'কেপিটাল' তৃতীয় খণ্ড।" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৯০১)। মাৰ্ক্সে 'কেপিটাল' গ্ৰন্থখনত কৃষকসকলৰ অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল হ'বলৈ বিভিন্ন উপদেশ দিছে। ধনতন্ত্ৰবাদী সমাজত কৃষকে সদায় শোষণৰ বলি হ'ব লগা হয়।

**'ধনতান্ত্ৰিক আমোলত'** ধনতান্ত্ৰিক ৰাষ্ট্ৰত কৃষক শ্ৰমিকসকল সদায়ে পুঁজিপতি মহাজন-জমিদাৰৰ শোষণৰ বলি হয়। পুঁজিপতি ধনী মহাজন-জমিদাৰ শ্ৰেণীটোৱে কৃষক শ্ৰমিকসকলৰ পৰা বন্ধকী আৰু উচ্চ হাৰত সুদ লৈ শোষণ কৰি আহিছে। ধনিক শ্ৰেণীয়ে অধিক মুনাফা লাভৰ স্বাৰ্থত এই শোষণ কাৰ্য চলাই আহিছে। ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত যিহেতু মাটিৰ মালিকসকল হ'ল পুঁজিপতি শ্ৰেণীটো। গতিকে এই শ্ৰেণীটোৱে শষ্য উৎপাদনত কৃষকৰ পৰা শষ্যৰ লগতে অধিক হাৰত সুদো লয়। কৃষকে কম মাটিতে খেতি কৰি বেছিভাগেই দিব লগা হয় পুঁজিপতিৰ হাতত। ইয়াৰ ফলত যথেষ্ট কষ্ট কৰিও কৃষকে লাভৰ মুখ নেদেখে। পুঁজিপতিসকলক উচ্চ হাৰত সুদ দিবলগা হয় আৰু চৰকাৰক উচ্চ হাৰত খাজনা আদায় দিয়াৰ ফলত কৃষক শ্ৰেণীটোৱে দুখীয়া হৈয়ে ৰয়। মাৰ্ক্সে 'কেপিটাল' গ্ৰন্থৰ প্ৰথম খণ্ডত কৈছে যে— "অনেক ঠাইত আঁতৰাই থকাৰ কাৰণে গ্ৰামাঞ্চলৰ শ্ৰমজীৱীসকলৰ মাজত অত্যাচাৰ সহ্যৰ শক্তি গঢ়ি উঠিব নোৱাৰে ঃ আৰু চহৰৰ শ্ৰমিকসকলৰ সেইবোৰ বাঢ়ি যায়, এক ঠাইত গোট খোৱা ফলত। কিন্তু চহৰৰ শিল্পৰ নিচিনা আজিকালিৰ কৃষিকাৰ্যত উৎপাদন ক্ষমতাৰ প্ৰচাৰ আৰু যিমানখিনি পৰিশ্ৰম কামত লগোৱা হয় তাৰ পৰিমাণ বৃদ্ধিৰ দাম দিব লগা হয় সেই শ্ৰমজীৱীসকলেই। শ্ৰমশক্তি নিঃশেষ আৰু অসুখত উজাৰ হৈ গৈ থাকে। ইয়াৰ বাদে ধনতান্ত্ৰিক কৃষিকাৰ্যত সকলো উন্নতিৰেই অৰ্থ মাত্ৰ শ্ৰমজীৱীসকলৰ সকলো কাঢ়ি লোৱাৰ বিদ্যাত ক্ষমতা লাভ নহয়।" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ৯১০)। ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত পুঁজিপতি শ্ৰেণীটোৱে সদায়ে কৃষক শ্ৰেণীটোক শোষণ কৰি আহিছে। কৃষকসকলক কিদৰে বা কি পদ্ধতিৰে শোষণ কৰিছে সেয়া আঙুলিয়াই দেখুৱাইছে যাতে কৃষকসকলে শোষণৰ হাতৰ পৰা মুক্ত হ'ব পাৰে। **'সমাজবাদ'** প্ৰবন্ধটো বিষ্ণু ৰাভাই মাৰ্ক্সৰ কেপিটাল, মেনিফেষ্টো অধ্যয়ন কৰি ৰচনা কৰিছে। মাৰ্ক্সে সদায়ে ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজতান্ত্ৰিক সমাজ গঢ়াৰ কথা কৈছিল।

ধনতন্ত্ৰবাদত সকলো উৎপাদনৰ গৰাকী হ'ল ধনিক শ্ৰেণীটো। আৰু এই ধনী শ্ৰেণীটোৱে সদায়ে শোষণ কৰি আহিছে শ্ৰমিক-কৃষক শ্ৰেণীটোক। বিষ্ণুপ্ৰসাদ ৰাভাৰ **'সমাজবাদ'** প্ৰবন্ধটোৰ বিষয়বস্তুসমূহ আমি আগৰ প্ৰসংগবোৰত উল্লেখ কৰি আহিছোঁ, গতিকে ইয়াত আৰু বেলেগকৈ বিশ্লেষণ কৰা হোৱা নাই। বিষ্ণুপ্ৰসাদ ৰাভাৰ 'ৰাজনৈতিক ৰচনাৱলী'ত ৰচিত প্ৰবন্ধসমূহ গভীৰভাৱে মাৰ্ক্সবাদ অধ্যয়নৰ ফল বুলিব পাৰি। ৰচনাসমূহৰ জৰিয়তে পাঠকৰ আগত মাৰ্ক্সবাদী দৰ্শনৰ বিষয়ে দাঙি ধৰিছে।

**'অজ্ঞাতবাসৰ কথা'** ৰাভাই আত্মগোপনৰ সময়ছোৱাকে অজ্ঞাতবাস বুলিছে। বিষ্ণুপ্ৰসাদ ৰাভাই 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ত যোগদান কৰে। ৰাভাই সশস্ত্ৰ সংগ্ৰামৰ লগত জড়িত হৈ পৰে। 'বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ৰ সশস্ত্ৰ সংগ্ৰামক কংগ্ৰেছ চৰকাৰে নিষিদ্ধ ঘোষণা কৰে আৰু ৰাভা আৰু তেওঁৰ সহযোগীসকলক ধৰিবলৈ বৃহৎ টকাৰ পুৰস্কাৰ ঘোষণা কৰিলে। ৰাভাই সংগ্ৰাম কৰিছিল সৰ্বহাৰা কৃষক-মজদুৰৰ অধিকাৰৰ বাবে।

'বিপ্লৱী কমিউনিষ্ট পাৰ্টি'য়ে ভাৰতৰ এই স্বাধীনতাক মানি ল'ব পৰা নাছিল। ৰাভাই কৈছিল যে, "যি স্বাধীনতাৰ কাৰণে আজিৰ চৰকাৰ আমাৰ পিতা সেই স্বাধীনতা কি ৰাইজৰ স্বাধীনতা? ১৯৪৭ চনৰ ১৫ আগষ্টত আমিয়েই ৰাইজক ক'লা পতাকা দেখুৱাই কৈছিলোঁ, এই স্বাধীনতা দুখীয়া খেতিয়ক, বনুৱা আৰু তল মজলীয়া খলপৰ স্বাধীনতা নহয়। যদিও এই স্বাধীনতাৰ কাৰণে বৃটিছৰ প্ৰাক্শাসনৰ পৰা ৰাইজে যুঁজিছিল, এই স্বাধীনতাৰ প্ৰসাদ লাভ কৰিলে ধনকুবেৰসকলে মাজতে থাপ মাৰি। ...ইংৰাজ গ'ল, ধনৰাজ হ'ল। সাম্ৰাজ্যবাদীসকলৰ চক্ৰান্তত শাসনৰ পৰিৱৰ্তে শোষণৰ বিধান চলিল। শোষক দেশীয় ধনকুবেৰসকলেও সেই শোষণৰ ভাগ ল'লে।" (বি. প্ৰ. ৰা. ৰ. স., দ্বি. খণ্ড, পৃ. ১০০৬)।

ৰাভাই অনুভৱ কৰিছে যে এই স্বাধীনতাই সমাজৰ সৰ্বহাৰা শ্ৰেণীটোক প্ৰকৃত মুক্তিৰ পথ নেদেখুৱাব। এই স্বাধীনতাত অকল ক্ষমতাৰ হস্তান্তৰহে হৈছে মাথোন। পুঁজিবাদী-ধনতান্ত্ৰিক ব্যৱস্থাৰ কোনো পৰিৱৰ্তন নহ'ল। ৰাভাৰ বিপ্লৱৰ উদ্দেশ্য আছিল সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা কৰা। এই সমাজ শাসন কৰিব সৰ্বহাৰা শ্ৰেণীটোৱে। কিন্তু বাস্তৱ স্বাধীনতাত এয়া হোৱা দেখা নগ'ল। ভাৰতে স্বাধীনতা লাভৰ পিছতেই বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে কৃষকৰ হকে আধিয়াৰৰ সপক্ষে আন্দোলন কৰে। তেতিয়াই চৰকাৰৰ ৰোষত বলি হ'ব লগা হয়। তেতিয়াৰ পৰাই ৰাভাৰ

অজ্ঞাতবাসৰ আৰম্ভণি। ৰাভাই এই অজ্ঞাতবাসৰ সময়ছোৱাত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমণ কৰে। পুলিচ, মিলিটাৰী আৰু চোৰাংচোৱাৰ দলে ৰাভাক ধৰিবলৈ জাল পাতে আৰু ৰাভাই সেই জালত নপৰাকৈ ওলাই আহে। ৰাভাই পুলিচ, মিলিটাৰী আৰু চোৰাংচোৱাৰ দলক মাছলুকা বুলিছে। ৰাভাক এওঁলোকে ধৰিব যায় আৰু ৰাইজে ৰাভাক লুকুৱাই ৰাখে। চৰকাৰে ৰাভাক আৰু বিপ্লৱী সহযোগীসকলক সমাজদ্ৰোহী, ৰাজদ্ৰোহী, সন্ত্ৰাসবাদী, চোৰ-ডকাইত ইত্যাদি বুলিছে। ৰাভা আৰু তেওঁৰ সহযোগীসকলে চৰকাৰৰ যি ভুল নীতি তাৰ সমালোচনা কৰিছে। ৰাইজক তাৰ বিষয়ে বুজাইছে। সেইবাবেই ৰাভা আৰু তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে চৰকাৰে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। 'অজ্ঞাতবাসৰ কথা' প্ৰবন্ধটো অসম্পূৰ্ণ যেন লাগে। শেষত অসমৰ বিষয়ে সৰুকৈ এটা পৰিচয় দিছে।

**'মেক্সিম গ'ৰ্কী'** এই প্ৰবন্ধটো অসম্পূৰ্ণ। এই ৰচনাটোত ৰাভাই গৰ্কীৰ 'আইতা' (Mother) উপন্যাসখনৰ আলোচনা আগবঢ়াইছে. আলোচনাখিনি অসম্পূৰ্ণ। গৰ্কীয়ে তৎকালীন ছোভিয়েট ৰুছিয়াৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশটোৰ বিভিন্ন দিশসমূহ দেখুৱাইছে। ৰুছিয়াৰ ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাত মানুহে মানৱত্ব পাহৰি পশুতুল্য হৈ পৰিছে। মানুহে দুখ-যন্ত্ৰণাৰ পৰা উপশম বিচাৰি মদৰ আশ্ৰয় লৈছে। এই সকলোৰে মাজত এজন যুৱকে মুক্তিৰ বাবে বিপ্লৱ ঘোষণা কৰিছে। ৰাভাই গৰ্কীৰ 'আইতা' (Mother) উপন্যাসখনৰ চমু পৰিচয় দিছে। ধনতন্ত্ৰবাদী পুঁজিপতিৰ কাৰখানাত দৈনিক শ শ শ্ৰমিকে ভোকে-পিয়াহে নিজৰ তেজক পানী কৰি কাম কৰে। সেই কাৰখানাতে মাইকেল ব্লেচড্ নামৰ এজন শক্তিশালী-অত্যাচাৰী মিস্ত্ৰীয়ে কাম কৰে। মিস্ত্ৰীজনে সামান্য কথাতে নিজৰ পত্নী-পুত্ৰক মাৰধৰ কৰে। এদিন পত্নীক অত্যাচাৰ কৰি থাকোঁতে তাৰ পুত্ৰ পেভেলে বিদ্ৰোহী হৈ বাপেকৰ অত্যাচাৰৰ প্ৰতিবাদ কৰে। সেইদিনাৰ পৰা বাপেকে পুত্ৰৰ সৈতে কোনোধৰণৰ সম্পৰ্ক নাৰাখে। মিস্ত্ৰী মাইকেল অত্যাধিক মদ্যপান কৰি মৃত্যুক সাৱটি লয়। সময় যোৱাৰ লগে লগে পেভেলৰ অন্তৰত জাতীয় মুক্তি চেতনা জাগ্ৰত হয়। সি মাৰ্ক্সবাদৰ প্ৰতি আকৰ্ষিত হয়। সি ৰাতি ৰাতি লুকাই বিপ্লৱৰ কিতাপসমূহ অধ্যয়ন কৰে, যিবোৰ পঢ়া আইনসঙ্গত নহয়। সমাজৰ সৰ্বহাৰা শ্ৰেণীটোৰ ওপৰত হোৱা শোষণৰ পৰা মুক্তিৰ অৰ্থে সি আগবাঢ়ে। এই কিতাপবোৰ অধ্যয়ন কৰি তাৰ অন্তৰত বিপ্লৱ জাগি উঠে। সমাজত কৃষক-শ্ৰমিকৰ শোষণৰ অন্ত বিচাৰে। বিষ্ণু ৰাভাৰ 'মেক্সিম গৰ্কী' প্ৰবন্ধটো অসম্পূৰ্ণ যদিও তাতে ৰাভাৰ মাৰ্ক্সীয় আদৰ্শ দেখিবলৈ

পোৱা যায়। ‘পেভেল’ নামৰ চৰিত্ৰটোৰ জৰিয়তে সমাজত শোষণৰ বিৰুদ্ধে বিপ্লৱৰ আৰম্ভ হৈছে। সমাজত সৰ্বহাৰা শ্ৰেণীটোৰ ওপৰত হৈ থকা শোষণৰ মুক্তি বিচাৰি পেভেলে বৈপ্লৱিক কিতাপ অধ্যয়ন কৰিছে।

**অভিভাষণ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই বিভিন্ন সভা-সমিতিত বিভিন্ন প্ৰসংগত ভাষণ আগবঢ়াইছিল। ভাষণবোৰ সংস্কৃতি, ৰাজনৈতিক আৰু সাহিত্যৰ সৈতে জড়িত আছিল। গৱেষণাৰ বিষয়বস্তু আৰু পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্দিষ্ট কেইটামানহে ভাষণ বিশ্লেষণৰ বাবে লোৱা হ’ব। তেওঁৰ গোটেইখিনি ভাষণত মাৰ্ক্সীয় দৰ্শন প্ৰকাশ পোৱা নাই। সেইবাবে আমি মাৰ্ক্সীয় দৰ্শন প্ৰকাশ নোপোৱা ভাষণকেইটাৰ বিশ্লেষণৰ পৰা বিৰত থাকিলো।

**‘ইণ্ডো-ছোভিয়েট কালচাৰেল ছ’চাইটীৰ যোৰহাট অধিৱেশনত মুখ্য অতিথিৰ ভাষণ’** ৰাভাই ১১.০৪.১৯৬৫ চনত আগবঢ়াইছিল। ৰাভাই ভাষণৰ আৰম্ভণিতে কলেজীয়া দিনত লগ পোৱা বিশ্বৰ অন্যতম শ্ৰেষ্ঠ নৃত্যশিল্পী আন্না পাভলোভাৰ সান্নিধ্যৰ বিষয়ে সুৱৰিছে। ৰাভাই ভাষণত ছোভিয়েট দেশৰ সমাজতান্ত্ৰিক বিপ্লৱৰ বিষয়ে ব্যাখ্যা কৰে। ধনতান্ত্ৰিক পুঁজিবাদী ব্যৱস্থাৰ প্ৰচলন থকা সময়ত ছোভিয়েট দেশৰ কৃষক-শ্ৰমিকৰ ওপৰত শোষণ-অত্যাচাৰ চলায়। অত্যাচাৰত ক্লিষ্ট-পিষ্ট নিৰ্যাতিত নিপীড়িত সৰ্বহাৰা জনতাই নিজৰ স্বাধীনতা মুক্তিৰ দাবীত মাৰ্ক্স-এঙ্গেলচৰ কমিউনিষ্ট বিপ্লৱৰ আদৰ্শ গ্ৰহণ কৰে। ধনতন্ত্ৰবাদ-পুঁজিবাদ ভাঙি গঢ়ি তোলে সমাজতান্ত্ৰিক সমাজৰ। যিখন সমাজত শাসক কৃষক-শ্ৰমিকসকল। ছোভিয়েটৰ সমাজতান্ত্ৰিক সমাজত কৃষক-শ্ৰমিকৰ একনায়কত্ববাদে শোষণৰ পৰা মুক্তি দিছে। পৃথিৱীৰ সাম্ৰাজ্যবাদী দেশবোৰৰ ক্ষমতাৰ লালসাত দুখনকৈ বিশ্বযুদ্ধই সমগ্ৰ দেশ কঁপাই যায়। বিধ্বস্ত দেশবোৰে লেনিনৰ বিপ্লৱী আদৰ্শৰে শান্তিপূৰ্ণ দেশ গঢ়িবলৈ প্ৰতিজ্ঞা লয়। পৃথিৱীত অশান্ত দেশবোৰত শান্তিৰ বাণী বিয়পায় ছোভিয়েট দেশে। ছোভিয়েট দেশেই প্ৰথমে সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰে। সৰ্বহাৰা জনগণৰ বাবে খাদ্য, কাপোৰ, বাসস্থানৰ ব্যৱস্থা কৰে। কৃষকসকলৰ বাবে বৈজ্ঞানিক পদ্ধতিৰে কৃষিকাৰ্যৰ ব্যৱস্থা কৰে। বৈজ্ঞানিক সাৰৰ প্ৰয়োগ, খেতিত নতুন নতুন যন্ত্ৰৰ প্ৰয়োগ কৰা হয়। শ্ৰমিকসকলৰ বাবে উদ্যোগ স্থাপন কৰা হয়। ছোভিয়েট দেশেই প্ৰথমে মহাশূণ্যলৈ অভিযান চলায়। ছোভিয়েট আৰু ভাৰতৰ

বন্ধুত্বৰ সম্পৰ্কৰ বাবেই বৈজ্ঞানিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক দিশত বহুত কাম একেলগে কৰিছে। ভাৰতৰ ভিল্লাইৰ তীখা কাৰখানা, ৰাঁচী, বোকাৰো আদিত দুয়ো দেশৰ সহযোগত উদ্যোগ স্থাপন হৈছে।

ৰাভাই ভাষণত অসমৰ সাংস্কৃতিক, ভৌগোলিক, ৰাজনৈতিক, সাহিত্যৰ দিশত আলোকপাত কৰে। 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ'ত মুঠ দহটা অভিভাষণ আছে যদিও সেই অভিভাষণৰ বিষয়বস্তু গৱেষণাৰ বিষয়বস্তুৰ পৰা সম্পূৰ্ণ পৃথক। পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি আমি মাত্ৰ এটা ভাষণৰহে বিশ্লেষণ আগবঢ়োলোঁ।

সমাজৰ সৰ্বহাৰা শোষিত জনগণৰ মুক্তিৰ দাবীত বিষ্ণু ৰাভাই মাৰ্ক্স-লেনিনৰ আদৰ্শ গ্ৰহণ কৰিছিল। মাৰ্ক্সবাদ আদৰ্শ গ্ৰহণ কৰিলেও তেওঁ মূলতঃ এজন অসমীয়া আছিল। তেওঁ অসমীয়া জাতীয়তাবাদক বিসৰ্জন দিয়া নাছিল। ৰাভাই অনুভৱ কৰিছিল যে অসমীয়া জনগণৰ আৰ্থিক, ৰাজনৈতিক, সাংস্কৃতিক, ভাষিক, সাহিত্যৰ মুক্তিৰ অবিহনে বিশ্বপ্ৰেমিক হ'বলৈ যোৱাটো বৃথা চেষ্টা মাত্ৰ। মাৰ্ক্স, লেনিন, ষ্টেলিন, মাও চে তুঙে নিজৰ মাটিৰ ৰাজনৈতিক-অৰ্থনৈতিক মুক্তিৰ বাবে ৰণ কৰিছিল আৰু সেই পথ আছিল বিপ্লৱৰ পথ। ৰাভায়ো সেই বিপ্লৱৰ পথকে গ্ৰহণ কৰিলে। ৰাভা আছিল আজন্ম বিপ্লৱী। ৰাভাৰ জীৱনৰ শেষ মুহূৰ্তলৈকে মাৰ্ক্সবাদী আন্দোলনৰ সৈতে যুক্ত আছিল। ৰাভাৰ সংগ্ৰামী সত্তাৰ আদৰ্শ আছিল শোষণমুক্ত, ভেদাভেদহীন সমাজ গঢ়াৰ। ৰাভাৰ ৰাজনৈতিক জীৱনৰ লগতে সাংস্কৃতিক আৰু সাহিত্যিক জীৱনতো মাৰ্ক্সবাদে গভীৰ প্ৰভাৱ পেলাইছে। তেওঁৰ জীৱনৰ বিষয়ে অধ্যয়ন কৰিলে আমি সেয়া দেখিবলৈ পাও। বিষ্ণু ৰাভাৰ আন্দোলন আছিল ভাববাদী আন্দোলন, তেওঁ মাৰ্ক্সৰ নৈৰাজ্যবাদী আন্দোলনকাৰী নাছিল। নৈৰাজ্যবাদী আন্দোলনকাৰীৰ বিষয়ে শশী শৰ্মাই কৈছিল যে— "নৈৰাজ্যবাদী আন্দোলনৰ লগত সক্ৰিয়ভাৱে জড়িতসকল আছিল ওখ খাপৰ দেশপ্ৰেমী, দেশৰ স্বাৰ্থত চূড়ান্ত ত্যাগ কৰিবলৈ তেওঁলোক সাজু আছিল। কিন্তু তেওঁলোকে অনুভৱ কৰিব পৰা নাছিল যে যথানিৰ্দিষ্ট আদৰ্শৰে সমাজৰ বৃহত্তম সংখ্যক লোকক সচেতনভাৱে সংগঠিত কৰিব নোৱাৰিলে কোনো আন্দোলনেই ইপ্সিত ফল লাভত সহায় কৰিব নোৱাৰে। কেইজনমান অত্যাচাৰী আমোলাক হত্যা কৰিলেও সমাজৰ পৰিৱৰ্তন আহিব বুলি কল্পনা কৰা কেৱল আকাশ কুসুমহে। অৱশ্যে নৈৰাজ্যবাদীসকলৰ গঢ় লৈ উঠিব ধৰা 'ভাৰতীয় কমিউনিষ্ট পাৰ্টি'ৰ লগত সম্পৰ্ক আছিল আৰু 'ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টি' গঠনত

এই নৈৰাজ্যবাদী আন্দোলনৰ প্ৰভাৱ আছিল বুলিব পাৰি।" (গোহাঁই, হীৰেণ, সৈনিক শিল্পী বিষ্ণু ৰাভা, পৃ. ৬৪)। ৰাভাই সৰ্বহাৰা জনগণক শোষণৰ পৰা মুক্তি দিবলৈ ধনতন্ত্ৰবাদৰ ধ্বংস আৰু সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা বিচাৰিছিল। সমাজতন্ত্ৰবাদ আৰু কৃষক-শ্ৰমিকৰ বাবে পঞ্চায়তীৰাজ প্ৰতিষ্ঠাৰ অবিহনে এই শ্ৰেণীটোৰ মুক্তি লাভ সম্ভৱ নহয়। ৰাভাই এই জনগণখিনিৰ মুক্তিৰ বাবে সশস্ত্ৰ বিপ্লৱৰ লগতে সাহিত্যকো পন্থা হিচাপে লৈছিল। ৰাভা কলাকৈবল্যবাদী শিল্পী নহৈ শিল্পক সামাজিক দায়বদ্ধতাৰ পিনে আগুৱাই লৈ গৈছিল। তেওঁৰ অন্তৰত সামন্ততান্ত্ৰিক আৰু সাম্ৰাজ্যবাদী ভাবাদৰ্শবিৰোধী চেতনা অতি সবল আছিল। ৰাভা বিপ্লৱৰ ক্ষেত্ৰত কেতিয়াও উগ্ৰ, সংকীৰ্ণ, অসহিষ্ণু, গোড়া হোৱা নাছিল। তেওঁ আছিল উদাৰ, ভাতৃত্বভাৱৰ জাতীয়তাবাদী নেতা, তেওঁৰ আদৰ্শ সদায়ে গঠনমূলক আছিল। ৰাভাৰ সাহিত্যৰাজি অধ্যয়ন কৰিলে দেখা যায় যে তেওঁ পৃথিৱীখনক সুন্দৰকৈ নকৈ গঢ়াৰ আহ্বান জনাইছে। ৰাভা আছিল মাৰ্ক্সৰ বস্তুবাদী আদৰ্শৰ অনুগামী। বস্তুবাদী আদৰ্শই জাগতিক জগতৰ আত্মা-পৰমাত্মা, পৰজন্ম-পূৰ্বজন্ম, নিৰ্বাণ-মুক্তি আদিৰ বিপৰীতে বাস্তৱ জগতৰ ঐহ্যিক উন্নতি, মুক্তি, বস্তুৰ বিজ্ঞানভিত্তিক মূল্যায়ণ, বস্তুৰ ওপৰত চেতনাৰ নিৰ্ভৰশীলতাৰ ধাৰণা আদি প্ৰকাশ কৰে। মাৰ্ক্সবাদী ৰাভাই সেইবাবেই জনগণৰ মুক্তিৰ বাবে 'নিৰ্যাতিত-নিপীড়িত, নিষ্পেষিত, ক্লান্ত, পীড়িত, অন্নহীন, বস্ত্ৰহীন, বাসস্থানহীন লোকৰ বাবে সংগ্ৰামত লিপ্ত হয়। ভাৰতে প্ৰাপ্ত কৰা স্বাধীনতাই দুখীয়া জনসাধাৰণৰ দুখ-কষ্ট, শোষণ-অত্যাচাৰ দূৰ কৰিব নোৱাৰিব বুলি বুজি উঠিছিল। ইংৰাজে শাসনৰ নামত যি আইন প্ৰৱৰ্তন কৰিছিল, যাৰ দ্বাৰা ভাৰতীয়সকলক শোষণ কৰি আহিছিল সেই একে আইন স্বাধীন ভাৰতত প্ৰৱৰ্তিত হ'ল। দেশৰ গৰিব শ্ৰেণীটোৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক কোনো পৰিৱৰ্তন নহ'ল। বৰং পুঁজিপতি ধনী শ্ৰেণীটোৰে ক্ৰমান্বয়ে ধনী হৈ গৈ থাকিল। ভাৰতৰ সাধাৰণ জনগণে পৰাধীনতাৰ, দাসত্বৰ পৰা মুক্তি পালে যদিও বিভিন্ন ক্ষেত্ৰত তেওঁলোক নিপীড়িত হৈয়ে থাকিল। সাম্প্ৰতিক ভাৰতবৰ্ষতো দুখীয়া জনগণৰ বাবে ভাল ৰাস্তা নাই, শিক্ষাৰ সুবিধা নাই, উন্নত চিকিৎসালয় নাই, বিশুদ্ধ খোৱা পানী নাই। কিন্তু ইয়াৰ বিপৰীতে ধনীসকলে সকলো সুবিধা নিজৰ হাতত লৈছে। ৰাভাই দেশত চলি থকা বৈষম্য উপলব্ধি কৰিব পাৰিছিল। যেতিয়ালৈকে সৰ্বসাধাৰণৰ মাজত আৰ্থিক সমতা স্থাপন নহ'ব জনগোষ্ঠীসমূহৰ মাজত সম্প্ৰীতি গঢ়ি নুঠিব তেতিয়ালৈকে পুঁজিবাদী, সুবিধাবাদী শোষক শ্ৰেণীটোৱে সৰ্বসাধাৰণ শ্ৰেণীটোক শোষণ কৰি থাকিব। ৰাভাই বিশ্বাস কৰিছিল যে দেশৰ

ৰাজনৈতিক-অৰ্থনৈতিক ব্যৱস্থাটো সুবিধাবাদ তথা ব্যক্তিগত মুনাফা আদায় কৰা নীতিৰ ওপৰত প্ৰতিষ্ঠিত। সাম্ৰাজ্যবাদীসকলৰ শোষণ আৰু সুবিধাবাদী তোষামোদকাৰী স্বাৰ্থপৰ সকলেই হ'ল সৰ্বসাধাৰণ শ্ৰেণীটোৰ প্ৰধান শত্ৰু। ৰাভাই প্ৰচলিত এই সমাজ ব্যৱস্থাক ভাঙি দিবলৈ আহ্বান জনাইছে, তেওঁ কৈছে— “ৰাইজ! হতচিৰি হোৱা দুৰ্কপলীয়া হালোৱা, হজুৱা, বনুৱা ভাইসকল যেতিয়ালৈকে ধনীৰ আইনৰ পেৰা যন্ত্ৰটো আপোনালোকে ভাঙি নেপেলায়, তেতিয়ালৈকে সুখ-শান্তি আৰু মুক্তি নহয়। সেই পেৰা যন্ত্ৰটো নাশ কৰিবৰ বাবে বিপ্লৱ লাগে। সেই বিপ্লৱে ধনতন্ত্ৰবাদ ধ্বংস কৰিব, আইনৰ পেৰা যন্ত্ৰটো নষ্ট কৰিব পেলাব, সমাজতন্ত্ৰবাদ থাকিব।” (ভূএগ্ৰা, প্ৰদীপ, সুন্দৰৰ পূজাৰী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ১১)। বিষ্ণু ৰাভাৰ মাৰ্ক্সীয় দৰ্শন গ্ৰহণ কৰাৰ পিছত তেওঁৰ জীৱন আৰু জগত সম্পৰ্কে দৃষ্টিভংগী নতুন ৰূপত প্ৰকাশিত হয়।

আমি বিপ্লৱী ৰাভাক দেৱতা বনোৱাৰ চেষ্টা কৰা দেখিবলৈ পাওঁ। ৰাভাৰ বিপ্লৱী আদৰ্শক বিকৃত কৰি দেৱতাৰ ৰূপ দি পূজা কৰি অৱমাননা কৰা হৈছে। ৰাভাৰ প্ৰতিভা সামন্তীয় আৰু জাতীয়তাবাদী ভাৱাদৰ্শৰ পৰা বিপ্লৱী মতাদৰ্শলৈ এক ঐতিহ্যত পৰিণত হৈছে। ৰাভাৰ এই বিপ্লৱী আদৰ্শৰ ঐতিহ্যৰ বুনিয়াদতেই ভৱিষ্যতৰ সমাজতান্ত্ৰিক সমাজৰ সবল সম্ভাৱনা আশা কৰিব পৰা যায়।

## প্ৰসংগটোকা


গোহাঁই, হীৰেণ (সম্পা.)। *সৈনিক শিল্পী বিষ্ণু ৰাভা*। পৃ. ৬৪।

দাস, তিলক। *বিষ্ণু ৰাভা পুনৰ উভতি আহিব*। পৃ. ৮৮।

দাস, ধনঞ্জয় (সম্পা.)। *প্ৰোলেটাৰীয় সাহিত্যৰ স্বৰূপ*। পৃ. ৩৫৭।

দাস, যোগেশ (সম্পা.)। *বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ*। প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ড। পৃ. ১-৭১০, ৭১১-১৪৩০।

নাথ, উপেন (অনু.)। *মে' দিৱসৰ ইতিহাস*। পৃ. ৩-১৩।

বৰা, দিলীপ; শৰ্মা অনুৰাধা (সম্পা.)। *মুক্তি দেউলৰ ৰূপকাৰ*। পৃ. ১০০।

ভূঞা, প্ৰদীপ (সম্পা.)। *সুন্দৰৰ পূজাৰী বিষ্ণুপ্ৰসাদ ৰাভা*। পৃ. ১১।

মজুমদাৰ, পৰমানন্দ (সম্পা.)। *হেমাঙ্গ বিশ্বাস ৰচনাৱলী*। পৃ. ১৭।

মুখাৰ্জী, মোহনলাল। *বিষ্ণুপ্ৰসাদ ৰাভা*। পৃ. ১১৯।

শৰ্মা, শশী। *বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা*। পৃ. ৯৭-১২৪।